DSL 02

সংস্কৃত ব্যাকৰণ

সংস্কৃত শিক্ষণৰ ডিপ্লোমা

পাঠ্যবিষয় ঃ ২

খণ্ড ঃ ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক অশোক কুমাৰ গোস্বামী, প্ৰাক্তন অধ্যক্ষ, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক দীপক কুমাৰ শর্মা, সঞ্চালক, মহাবিদ্যালয় উন্নয়ন পৰিষদ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ইন্দ্ৰানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	অৰিহণা যোগাইছে
১,২,৩,৪,৬,৭	সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
৫	ড° জগদীশ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সম্পাদনা ঃ

সম্পাদনা ঃ ড° ভাৰতী গোস্বামী, সংস্কৃত বিভাগ, বি বৰুৱা কলেজ

গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্ৰানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ছেপ্টেম্বৰ, ২০১৮

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্ৰকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ সংস্কৃত ব্যাকৰণ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা সংস্কৃত শিক্ষণৰ ডিপ্লোমা পাঠ্যক্রমৰ দ্বিতীয় পাঠ্যবিষয়ৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই পাঠ্য বিষয়টিত সংস্কৃত ব্যাকৰণৰ বিষয়ে আলোচনা কৰা হৈছে। মন কৰিবলগীয়া যে এই পাঠ্যবিষয়টি দুটা খণ্ডত ভাগ কৰা হৈছে। ইয়াত সর্বমুঠ ১৪ টা অধ্যায় আছে।

এই পাঠ্য বিষয়টিৰ প্রথম খণ্ডত সাতটা (৭) অধ্যায় আছে। পাঠ্যবিষয়ৰ প্রথম খণ্ডৰ অধ্যায়সমূহক এনেদৰে নামকৰণ কৰা হৈছে- (১) সংস্কৃত ব্যাকৰণৰ উৎপত্তি আৰু বিকাশ (২) পাণিনি ব্যাকৰণ সম্প্রদায় এটি আলোচনা (৩) অপাণিনীয় ব্যাকৰণ সম্প্রদায় এটি আলোচনা (৪) পাণিনীয় প্রত্যাহাৰ আৰু (৫) শব্দৰূপ (৬) সংস্কৃত সংখ্যাবাচক শব্দ (৭) ধাতুৰূপ। দ্বিতীয় খণ্ডৰ অধ্যায়সমূহ হ'ল (৮) সন্ধি (৯) কাৰক-বিভক্তি (১০) সমাস (১১) কৃৎ প্রত্যয় (১২) তদ্ধিত প্রত্যয় (১৩) স্ত্রী প্রত্যয় আৰু (১৪) বাচ্য।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান আর্হি প্রশ্ন তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

খণ্ড পৰিচয় ঃ

সংস্কৃত শিক্ষণৰ ডিপ্লোমা পাঠ্যক্রমৰ দ্বিতীয় পাঠ্যবিষয়ৰ প্রথম খণ্ডৰ বাবে এই পাঠ্যখিনি যুগুত কৰা হৈছে। এই খণ্ডত সাতটা অধ্যায় আছে। সেইসমূহ হ'ল ঃ (১) সংস্কৃত ব্যাকৰণৰ উৎপত্তি আৰু বিকাশ (২) পাণিনি ব্যাকৰণ সম্প্রদায় এটি আলোচনা (৩) অপাণিনীয় ব্যাকৰণ সম্প্রদায় এটি আলোচনা (৪) পাণিনীয় প্রত্যাহাৰ আৰু (৫) শব্দৰূপ। দ্বিতীয় খণ্ডৰ প্রথম অধ্যায়ত (৬) সংস্কৃত সংখ্যাবাচক শব্দ (৭) ধাতুৰূপ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **সংস্কৃত ব্যাকৰণৰ উৎপত্তি আৰু বিকাশ** ৫-২১

ব্যাকৰণৰ লক্ষণ, বেদাঙ্গৰ ৰূপত ব্যাকৰণ, পাণিনিপূৰ্ববৰ্ত্তী বৈয়াকৰণসকল, পাণিনিব্যাকৰণ, পাণিনিৰপৰবৰ্ত্তী ব্যাকৰণ।

অধ্যায় ২ ঃ **পাণিনি ব্যাকৰণ সম্প্রদায় এটি আলোচনা** ২২-৩৮

ত্রিমুনি ব্যাকৰণ, পাণিনি আৰু অষ্টাধ্যায়ী, কাত্যায়ন আৰু বার্ত্তিক, পতঞ্জলি আৰু মহাভাষ্য, পাণিনি সম্প্রদায়ৰ বিভিন্ন ব্যাকৰণ।

অধ্যায় ৩ ঃ **অপাণিনীয় ব্যাকৰণ সম্প্রদায় এটি আলোচনা** ৩৯-৫৪

কাতন্ত্র ব্যাকৰণ, চান্দ্র ব্যাকৰণ, জৈনেন্দ্র ব্যাকৰণ, সাৰস্বত ব্যাকৰণ, সংক্ষিপ্তসাৰ ব্যাকৰণ, মুগ্ধবোধ ব্যাকৰণ, প্রয়োগৰত্নমালা ব্যাকৰণ, হৰিনামামৃত ব্যাকৰণ।

অধ্যায় ৪ ঃ **পাণিনীয় প্রত্যাহাৰ** ৫৫-৬৮

মাহেশ্বৰ সূত্র বা শিবসূত্র বা অক্ষৰসমাম্নায়, প্রত্যাহাৰ গঠন প্রক্রিয়া, পাণিনিব্যাকৰণত, ব্যৱহাৰ হোৱা প্রত্যাহাৰসমূহ, প্রত্যাহাৰৰ ভূমিকা।

অধ্যায় ৫ ঃ **শব্দৰূপ** ৬৯-৮৭

কাৰক আৰু বিভক্তিৰ বিভাগসমূহ ঃ সুপ্ বিভক্তি, অজন্ত শব্দ ঃ পুংলিঙ্গ শব্দ, স্ত্রীলিঙ্গ শব্দ, ক্লীৱলিঙ্গ শব্দ; হলন্ত শব্দ ঃ পুংলিঙ্গ শব্দ, স্ত্রীলিঙ্গ শব্দ, ক্লীৱলিঙ্গ শব্দ; সর্বনাম শব্দৰ ৰূপ; বিশেষণ শব্দৰ ৰূপ; সংখ্যাবাচক শব্দৰ ৰূপ।

অধ্যায় ৬ ঃ **সংস্কৃত সংখ্যাবাচক শব্দ** ৮৮-১০২

সংস্কৃত সংখ্যাবাচক শব্দৰ বৈশিষ্ট্য, এক শব্দ, দ্বিশব্দ, ত্রিশব্দ আৰু চতুৰ্শব্দৰ ৰূপ, পঞ্চন্, ষষ্ আৰু অষ্টন্ শব্দৰ ৰূপ, বিংশতি আদি সংস্কৃত সংখ্যাবাচক শব্দৰ ৰূপ, ত্রিংশত্ আদি সংস্কৃত সংখ্যাবাচক শব্দৰ ৰূপ, শত আদি সংস্কৃত সংখ্যাবাচক শব্দৰ ৰূপ, সংখ্যাভিত্তিক কিছু বিশেষ সংস্কৃত শব্দ, সংস্কৃত সংখ্যাবাচক শব্দৰ তালিকা।

অধ্যায় ৭ ঃ **ধাতুৰূপ** ১০৩-১২৭

সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা কিছুমান ধাতুৰ সাধাৰণ ধাৰণা ঃ ধাতুৰ প্রকাৰ ভেদ, ধাতুৰ ৰূপৰ লগত পুৰুষৰ সম্বন্ধ, ক্রিয়াৰ কাল আৰু ল-কাৰ; গণ হিচাপে বিভিন্ন ধাতুৰ ধাৰণা আৰু ৰূপ ঃ ভ্বাদিগণীয় ধাতুৰ ৰূপ, অদাদিগণীয় ধাতুৰ ৰূপ, জুহোত্যাদিগণীয় ধাতুৰ ৰূপ, দিবাদিগণীয় ধাতুৰ ৰূপ, তুদাদিগণীয় ধাতুৰ ৰূপ, বহু প্রচলিত কিছু সংখ্যক ধাতুৰ ৰূপ।

অধ্যায় ১ ঃ সংস্কৃত ব্যাকৰণৰ উৎপত্তি আৰু বিকাশ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ব্যাকৰণৰ লক্ষণ
১.৪ বেদাঙ্গৰ ৰূপত ব্যাকৰণ
১.৫ পাণিনি পূৰ্ববৰ্ত্তী বৈয়াকৰণসকল
১.৬ পাণিনিব্যাকৰণ
১.৭ পাণিনিৰ পৰবৰ্ত্তী ব্যাকৰণ
১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৯ অধিক জানিবলৈ
১.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১.১১ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ব্যাকৰণ শব্দৰ মূল অৰ্থৰ লগত পৰিচিত হ'ব
- বেদাঙ্গ হিচাপে ব্যাকৰণৰ ভূমিকাৰ বিষয়ে অৱগত হ'ব
- পাণিনিপূৰ্ববৰ্ত্তী সংস্কৃত ব্যাকৰণসমূহৰ বিষয়ে জানিব পাৰিব
- পাণিনি ব্যাকৰণৰ গুৰুত্বৰ বিষয়ে অবগত হ'ব
- পাণিনিপৰবৰ্ত্তী ব্যাকৰণসমূহৰ পৰিচয় পাব
- সংস্কৃত ব্যাকৰণৰ উদ্ভৱ আৰু বিকাশৰ বিষয়ে জানিব পাৰিব

১.২ পৰিচয়

ইতিমধ্যে আপুনি সংস্কৃত ব্যাকৰণৰ লগত কম-বেছি পৰিমাণে পৰিচিত হৈছে। এই অধ্যায়টিত আপুনি সংস্কৃত ব্যাকৰণৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে জানিব পাৰিব। সকলোধৰণৰ ভাৰতীয় শাস্ত্ৰৰ ভিতৰত ব্যাকৰণশাস্ত্ৰৰ এটা সুকীয়া স্থান আছে। সংস্কৃতভাষাৰ পৰিশুদ্ধ জ্ঞানৰ বাবে ব্যাকৰণৰ অধ্যয়ন অত্যন্ত প্ৰয়োজনীয়। কেৱল সংস্কৃত ভাষাৰ জ্ঞানৰ বাবেই নহয় সংস্কৃতমূলৰ যিকোনো ভাষাৰ জ্ঞানৰ বাবেই সংস্কৃত ব্যাকৰণৰ অধ্যয়ন অত্যাৱশ্যকীয়। কাৰণ সংস্কৃত ব্যাকৰণ পঢ়িলে এটা ভাষাৰ আন্তঃগাঁথনিৰ বিষয়ে বহু কথা জনা যায়। তদুপৰি ভাষাতাত্ত্বিক দিশৰ পৰাও সংস্কৃত ব্যাকৰণৰ গুৰুত্ব আছে। সংস্কৃত ব্যাকৰণ ভালকৈ পঢ়িলে

ভাষাতত্ত্বৰ বহুতো ধাৰণাৰ বিষয়ে জনা যায়। সংস্কৃত ব্যাকৰণৰ এটা সুদীর্ঘ ইতিহাস আছে। বেদৰ পৰবর্ত্তীকালত প্রকৃততে বৈদিক ভাষাৰ শব্দসমূহৰ ৰক্ষাৰ বাবেই ব্যাকৰণশাস্ত্রৰ উৎপত্তি হৈছিল। পৰবর্ত্তী সময়ত লৌকিক সংস্কৃতভাষাৰ ব্যৱহাৰ আৰম্ভ হোৱাৰ লগে লগে এই ভাষাৰ বাবেও এটা নির্দ্দিষ্ট ব্যাকৰণৰ প্রয়োজনবোধ হয়। প্রকৃততে বৈদিক আৰু লৌকিক— দুয়োবিধ সংস্কৃত শব্দৰ জ্ঞানৰ বাবেই সংস্কৃত ব্যাকৰণৰ বিকাশ হোৱা দেখা যায়। সংস্কৃত ব্যাকৰণৰ ক্ষেত্রখনত বহুতো ব্যাকৰণবিদৰ নাম পোৱা যায়। কিন্তু প্রত্যেকৰে গ্রন্থৰ বিষয়ে বিস্তৃত আলোচনা বা প্রত্যেকজনৰ গ্রন্থ বর্তমান যুগত পাবলৈ নাই। কিন্তু মহামুনি পাণিনিয়ে ৰচনা কৰা অষ্টাধ্যায়ী গ্রন্থখন এইক্ষেত্রত এটা ব্যতিক্রম। বর্তমান যুগতো দেশে-বিদেশে এই গ্রন্থখনৰ গভীৰ অধ্যয়ন হৈ আছে। সেই কাৰণে সংস্কৃত ব্যাকৰণৰ ইতিহাস অধ্যয়ন কৰিব গ'লে পাণিনি ব্যাকৰণক কেন্দ্র কৰি ইয়াৰ পূর্ববর্ত্তী সময়ৰ ব্যাকৰণ আৰু ইয়াৰ পৰবর্ত্তী সময়ৰ ব্যাকৰণৰ বিষয়ে আলোচনা কৰা হয়। সেই কথা মনত ৰাখি এই অধ্যায়টিত সংস্কৃত ব্যাকৰণৰ উৎপত্তি তথা বিকাশৰ বিষয়ে এটা আলোচনা আগবঢ়োৱা হৈছে। এই আলোচনাই আপোনাক সংস্কৃত ব্যাকৰণৰ আৰম্ভণি আৰু পৰবর্ত্তীকালত কিদৰে ইয়াৰ বিকাশ হ'ল সেই বিষয়ে বিস্তৃতভাৱে জনাব। সংস্কৃত ব্যাকৰণৰ বিষয়ে কৰিবলগীয়া পৰবর্ত্তী অধ্যয়নত ইয়ে আপোনাক যথেষ্ট সহায় কৰিব।

১.৩ ব্যাকৰণৰ লক্ষণ

ব্যাকৰণ শব্দেৰে শব্দশাস্ত্রক বুজোৱা হয়। যি শাস্ত্রত অর্থবোধৰ উদ্দেশ্যেৰে শব্দবোৰ ব্যুৎপাদিত হয় আৰু শব্দবোৰৰ বিষয়ে সামগ্রিক জ্ঞান হয় সেয়াই ব্যাকৰণশাস্ত্র। কোৱা হৈছে— 'ব্যাক্রিয়ন্তে ব্যুৎপাদ্যন্তে অর্থবত্তয়া প্রতিপাদ্যন্তে শব্দা যেনেতি ব্যাকৰণম্'। সংস্কৃত সাহিত্যত শুদ্ধ শব্দ প্রয়োগৰ ক্ষেত্রত আটাইতকৈ গুৰুত্ব দিয়া হৈছে। বেদত কোৱা হৈছে, যদি এটা শব্দৰ বিষয়েও সম্যক বা পৰিশুদ্ধ জ্ঞান হয় তেনেহ'লে সেয়া সংসাৰ তথা স্বর্গতো মানুহৰ আকাঙ্খা পূৰণত সমর্থ হয়— 'একঃ শব্দঃ সম্যক্ জ্ঞাতঃ স্বর্গে লোকে চ কামধুগ্ ভৱতি'। বেদত মন্ত্রপ্রয়োগৰ ক্ষেত্রত স্বৰ বা বর্ণৰ সঠিক প্রয়োগৰ ওপৰত সর্বাধিক গুৰুত্ব দিয়া হৈছিল। শিক্ষাগ্রন্থত এই বিষয়ে কোৱা হৈছে—

মন্ত্রোহীনঃ স্বৰতো বর্ণতো বা মিথ্যাপ্রযুক্তো ন তমর্থমাহ।
স বাগ্বজ্রো যজমানং হিনস্তি যথেন্দ্রশত্রুঃ স্বৰতোঽপৰাধাৎ।

অর্থাৎ মন্ত্রপাঠৰ সময়ত যদি স্বৰোচ্চাৰণত বা বর্ণপ্রয়োগত কিবা ভুল হয় অথবা যদি মন্ত্রটো ভুলকৈ প্রযুক্ত হয় তেতিয়া সেই মন্ত্র অর্থপ্রকাশত সমর্থ নহয় আৰু যজমানৰ সেই বাক্যই বাগ্বজ্রৰ দৰে আহি তেওঁক (যজমানক) হত্যা কৰে। এই বিষয়ে 'ইন্দ্রশত্রু' শব্দটোৰ উদাহৰণ দিয়া হৈছে। এই শব্দটোৱে ভুলকৈ প্রযুক্ত হৈ কাম্য অর্থৰ বিপৰীত অর্থ সৃষ্টি কৰি মন্ত্রোচ্চাৰয়িতাৰ বিপদ মাতি আনিছিল। গতিকে মন্ত্রৰ স্বৰ আৰু বর্ণৰ শুদ্ধ প্রয়োগৰ বাবে ব্যাকৰণ পাঠৰ প্রয়োজন অনুভৱ হৈছিল। শব্দসমূহৰ গঠন, প্রয়োগ নীতি আদিৰ বিষয়ে

অনুশাসনমূলক নিয়ম যি শাস্ত্রত আলোচনা কৰা হয় তাকেই ব্যাকৰণ বুলি কোৱা হয়। পতঞ্জলিৰ মহাভাষ্যত ব্যাকৰণৰ লক্ষণ প্রসঙ্গত কোৱা হৈছে— লক্ষ্যলক্ষণে ব্যাকৰণম্ অর্থাৎ লক্ষ্য আৰু লক্ষণ একত্রিত হৈ ব্যাকৰণ সৃষ্টি কৰে। এইক্ষেত্রত লক্ষ্যপদেৰে শব্দক বুজোৱা হৈছে আৰু লক্ষণপদেৰে সূত্রক বুজোৱা হৈছে। শব্দ আকৌ দুবিধ— বৈদিক আৰু লৌকিক। গতিকে যি শাস্ত্রত সূত্রৰ মাধ্যমত বৈদিক আৰু লৌকিক শব্দবোৰৰ অনুশাসনমূলক কথা নিয়ম হিচাপে নিৰূদ্ধ হয় তাকেই ব্যাকৰণ বোলে। ইয়াক 'শব্দানুশাসন' বুলিও কোৱা হয়। পতঞ্জলিয়ে তেওঁৰ মহাভাষ্যৰ আৰম্ভণিতে কৈছে— '***অথ শব্দানুশাসনম্***'। গতিকে সহজ ভাষাত ক'ব পৰা যায় যে যি শাস্ত্রৰ মাধ্যমত প্রকৃতি-প্রত্যয় চিহ্নিত কৰি শব্দৰ অর্থবিষয়ক জ্ঞানৰ উন্মেষ হয় সেই শাস্ত্রকেই ব্যাকৰণ বোলা হয়। বি-আ-√কৃ+ল্যুট্ বা অনট্=ব্যাকৰণম্। একেটা ধাতুৰে বিভিন্ন প্রত্যয় বা উপসর্গাদিৰ সংযোগত বেলেগ বেলেগ অর্থ সৃষ্টি কৰে আৰু এই অর্থজ্ঞানেৰে যেতিয়া শব্দক জনা যায় তেতিয়াহে ভাষাজ্ঞান সুদৃঢ় হয়।



মহাভাষ্যৰ প্রথম সূত্রটো হ'ল 'অথ শব্দানুসাসনম্'।



জানি থোৱা ভাল

প্রাচীন ভাৰতত বর্ণ, স্বৰ, মাত্রাদিৰ অনুশীলন ব্যাপকভাৱে কৰা হৈছিল। তৈত্তিৰীয় উপনিষদৰ শিক্ষাবল্লীত শিক্ষাৰ ছটা অঙ্গৰ নাম দিয়া আছে— (১) বর্ণ, (২) স্বৰ, (৩) মাত্রা (৪) বল, (৫) সাম, (৬) সন্তান।

শিক্ষাবল্লীত বর্ণৰ সংখ্যা ৬৩/৬৪। স্বৰ তিনিটা— উদাত্ত, অনুদাত্ত আৰু স্বৰিত। মাত্রা তিনিটা — হ্রস্ব, দীর্ঘ, প্লুত। স্বৰবর্ণ আৰু ব্যঞ্জনবর্ণৰ উচ্চাৰণৰ স্থান আৰু প্রযত্নৰ ব্যৱহাৰিক তথ্যই বল। সামৰ অর্থ হ'ল— উচ্চাৰণৰ সমতা ৰক্ষা। পদসমূহৰ একান্ত সন্নিধিকে সন্তান বা সংহিতা বোলে।

১.৪ বেদাঙ্গৰ ৰূপত ব্যাকৰণ

বৈদিক মন্ত্রৰ অর্থবোধ প্রক্রিয়াত মুখ্যভাৱে সহায় কৰা কাৰণে ছটা শাস্ত্রক বেদৰ অঙ্গ বুলি স্বীকাৰ কৰা হৈছে। এইবিলাকক বেদাঙ্গ বুলি কোৱা হয়। প্রাচীনকালৰ পৰা নির্দিষ্ট হৈ অহা ছটা বেদাঙ্গ হ'ল— শিক্ষা, কল্প, ছন্দ, ব্যাকৰণ, নিৰুক্ত আৰু জ্যোতিষ। বৈদিক সমাজত বেদক পুৰুষৰূপে কল্পনা কৰি উক্ত শাস্ত্রসমূহক সেই পুৰুষৰ এটা এটা নির্দিষ্ট অঙ্গ হিচাপে স্বীকৃতি দিয়া হৈছে। এই প্রসঙ্গত কোৱা হৈছে যে শিক্ষা নামৰ শাস্ত্রখন হ'ল বেদৰ ঘ্রাণ বা নাসিকা, ব্যাকৰণ হ'ল মুখ, ছন্দশাস্ত্র হ'ল বেদৰ দুই ভৰি, কল্প হ'ল বেদৰ দুখনি হাত, নিৰুক্ত হ'ল শ্রোত্র বা কাণ আৰু জ্যোতিষ হ'ল বেদৰ দুচকু। পাণিনীয়শিক্ষাত কোৱা হৈছে—


ছন্দঃ পাদৌ তু ৱেদস্য হস্তৌ কল্পোঽথ পঠ্যতে।
জ্যোতিষাময়নং চক্ষুর্নিৰুক্তং শ্রোত্রমুচ্যতে।।

শিক্ষা ঘ্রাণং তু ৱেদস্য মুখং ব্যাকৰণং স্মৃতম্।
তস্মাৎ সাঙ্গমধীত্যৈৱ ব্রহ্মলোকে মহীয়তে।।

এই ছয় বেদাঙ্গই বেদৰ প্রয়োজন সিদ্ধ কৰি বেদৰ উপকাৰক হিচাপে সহায় আগবঢ়ায়। সেই কাৰণে এই বেদাঙ্গসমূহক বাদ দি বেদজ্ঞান বা বেদশিক্ষা কেতিয়াও সম্পূর্ণ নহয়। ছয় বেদাঙ্গৰ ভিতৰত ব্যাকৰণক বেদপুৰুষৰ মুখ বুলি কল্পনা কৰা হৈছে। মানুহৰ শৰীৰৰ অঙ্গসমূহৰ ভিতৰত মুখকেই প্রধান বুলি ধৰা হয়। গতিকে ব্যাকৰণক বেদপুৰুষৰ মুখ বুলি কোৱাৰ অর্থ হ'ল ব্যাকৰণ বেদৰ প্রধান অঙ্গ। সায়ণাচার্য্যই ছয়বেদাঙ্গৰ ভিতৰত ব্যাকৰণৰ প্রাধান্য স্বীকাৰ কৰি স্পষ্টকৈ কৈছে— 'প্রধানং চ ষড়ঙ্গেষু ব্যাকৰণম্'। এই কথা সর্বজনস্বীকৃত যে ব্যাকৰণশাস্ত্রৰ জ্ঞান অবিহনে বেদৰ জ্ঞান সম্ভৱ নহয়। প্রকৃতি-প্রত্যয় আদিৰ জ্ঞানেৰেহে শব্দৰ প্রকৃত জ্ঞান জন্মে। প্রকৃতিপ্রত্যয়ৰ জ্ঞানৰ বাবে ব্যাকৰণৰ জ্ঞান অতি প্রয়োজনীয়। পতঞ্জলিৰ মহাভাষ্যত বৈদিক জগতত ব্যাকৰণৰ কি প্রয়োজন সেই বিষয়ে বিতংকৈ আলোচনা কৰা হৈছে। এই গ্রন্থখনত ব্যাকৰণৰ প্রধান প্রয়োজন প্রসঙ্গত কোৱা হৈছে— ৰক্ষোহাগমলঘ্বসন্দেহাঃ প্রয়োজনম্। ইয়াৰ অর্থ— ব্যাকৰণৰ পাঁচটা মুখ্য প্রয়োজন হ'ল— ৰক্ষা-ঊহ, আগম-লঘু আৰু অসন্দেহ। ৰক্ষাশব্দেৰে বেদৰক্ষা বুজোৱা হয়। আর্য জাতিৰ সম্প্রসাৰণৰ সময়ছোৱাত অনার্য জাতিৰ শব্দ আৰু ভাষাৰ সংস্পর্শত আহি যাতে বৈদিক ভাষাৰ অপ্রয়োগ বা অশুদ্ধ প্রয়োগ নহয় অথচ বৈদিক শব্দবোৰ অক্ষত থাকে আৰু শুদ্ধকৈ প্রযুক্ত হয় সেইবাবে ব্যাকৰণ অধ্যয়নৰ প্রয়োজন অনুভূত হয়। গতিকে বেদৰক্ষা বা বৈদিক ভাষাৰ মহত্ব ৰক্ষা কৰাটো হ'ল ব্যাকৰণৰ প্রধান প্রয়োজন। বর্ণলোপ, বর্ণাগম, বর্ণবিকাৰ আদিৰ বিষয়ে যিজনৰ সঠিক জ্ঞান থাকে সেইজনেই বৈদিক শব্দৰ মহত্ব বুজি পায় আৰু সেয়া ৰক্ষা কৰাত যত্নপৰ হয়। ঊহ পদটোৱে বৈদিক সাহিত্যত এক বিশেষ অর্থত ব্যৱহাৰ হয়। প্রকৃততে বেদৰ মন্ত্রসমূহত ব্যৱহাৰ হোৱা পদৰ বচন-বিভক্তি আদিৰ পৰিবর্তন কৰি সঠিকভাৱে মন্ত্রটোৰ পাঠ বা উচ্চাৰণকেই পাৰিভাষিক দিশত ঊহ বুলি কোৱা হয়। কেৱলমাত্র এজন বৈয়াকৰণেহে জানে বচন-বিভক্তি বা ক্রিয়া আদিৰ সঠিক পৰিবর্ত্তিত ৰূপ। গতিকে ব্যাকৰণৰ জ্ঞান নাথাকিলে ঊহকৰণৰ ক্ষেত্রত অসুবিধা হয় আৰু ঊহ নকৰাকৈ বহুসংখ্যক মন্ত্রৰ অর্থবোধ সম্ভৱপৰ নহয়। সেইফালৰ পৰা ক'ব পৰা যায় যে বৈদিক মন্ত্রৰ সঠিক পাঠৰ ক্ষেত্রতো ব্যাকৰণৰ জ্ঞানে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সেই কাৰণে ব্যাকৰণ পাঠ অবশ্য কৰণীয়। আগম অর্থাৎ শ্রুতিয়েই নির্ধাৰণ কৰি দিছে ব্যাকৰণৰ প্রয়োজনীয়তা। বেদত কোৱা হৈছে 'ব্রাহ্মণেন নিষ্কাৰণো ধর্ম্মঃ ষড়ঙ্গো বেদ্যোহধ্যেয়ো জ্ঞেয়শ্চ'। অর্থাৎ ব্রাহ্মণসকলৰ কর্ত্তব্যই হ'ল ষড়ঙ্গযুক্ত বেদৰ অধ্যয়ন আৰু ষড়ঙ্গযুক্ত বেদৰ বিষয়ে জ্ঞানলাভ কৰা। ছটা বেদাঙ্গৰ ভিতৰত মুখ্য হ'ল ব্যাকৰণ। গতিকে ব্যাকৰণৰ জ্ঞান বা অধ্যয়ন ব্রাহ্মণসকলৰ বাবে অবশ্য কৰণীয় বুলি বৈদিক সমাজতে নির্দিষ্ট কৰি দিয়া হৈছিল। লঘু পদেৰে লঘুকৰণক বুজোৱা হয়। ব্যাকৰণৰ সহায়ত লঘু উপায়েৰে শব্দজ্ঞান হয় আৰু শব্দজ্ঞান ব্রাহ্মণৰ বাবে আৱশ্যক। গতিকে লঘু উপায়ত শব্দশিক্ষাৰ বাবে ব্যাকৰণৰ অধ্যয়ন প্রয়োজন। অসন্দেহ পদেৰে সন্দেহনিবাৰণক বুজোৱা হয়। বৈদিক শব্দৰ প্রয়োগৰ ক্ষেত্রত কেতিয়াবা

সন্দেহ উপস্থিত হ'লে সেই সন্দেহ নিৰসনৰ বাবে ব্যাকৰণৰ জ্ঞান আৱশ্যক হয়। উদাহৰণস্বৰূপে কোৱা যায় যে 'স্থূলপৃষতীমাগ্নিবাৰুনীমনড্বাহীমালভেত'— যাজ্ঞিকসকলৰ এই বাক্যত 'স্থূলপৃষতী' পদটোত 'স্থূলা চ অসৌ পৃষতী চ' (যিজনী স্থূলা সেইজনীয়ে পৃষতী) এই অর্থ গ্রহণ কৰিব লাগে নে স্থূলানি পৃষন্তী যস্যাঃ সা (স্থূল পৃষত্ যিজনীৰ)— এই অর্থ গ্রহণ কৰিব লাগে সেইবিষয়ত সন্দেহ উপস্থিত হয়। এই সন্দেহ নিৰসনৰ একমাত্র অস্ত্র হ'ল ব্যাকৰণ। ব্যাকৰণবিদে স্বৰৰ প্রয়োগ লক্ষ্য কৰিয়েই এই বিষয়ত সঠিক সিদ্ধান্ত গ্রহণ কৰে। যদি পূর্বপদ প্রকৃতিস্বৰ হয় তেনেহ'লে বহুব্রীহি সমাস আৰু যদি সমাসত অন্তোদাত্ত হয় তেতিয়াহ'লে তৎপুৰুষ সমাস হয়। এই বিশ্লেষণ কেৱলমাত্র বৈয়াকৰণজনেহে কৰিব পাৰে। গতিকে এনেকুৱা ক্ষেত্রত সন্দেহ দূৰ কৰিবৰ বাবে ব্যাকৰণৰ অধ্যয়ন অত্যন্ত প্রয়োজনীয়। ইয়াৰ উপৰিও ব্যাকৰণ অধ্যয়নৰ আৰু কিছুমান প্রয়োজন আছে। সেইবিষয়ে মহাভাষ্যত বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। পতঞ্জলিয়ে কৈছে— ইমানি চ ভূয়ঃ শব্দানুশাসনস্য প্রয়োজনানি।

এই সকলো প্রয়োজনৰ ভিত্তিত প্রকৃততে ব্যাকৰণে বেদৰ অর্থ পৰিস্ফুট কৰাৰ ক্ষেত্রত উপকাৰক হিচাপে কাম কৰে। সেইকাৰণেই ব্যাকৰণক বেদৰ অঙ্গ হিচাপে স্বীকৃতি দিয়া হৈছে। ***শব্দকৌস্তুভত*** কোৱা হৈছে— 'উপকাৰকতয়াপ্যঙ্গত্বম্'। অর্থাৎ উপকাৰ সাধনৰ দ্বাৰা অঙ্গত্ব নিৰূপিত হয়। বেদৰ অর্থ জনাৰ ক্ষেত্রত সহায় কৰি ব্যাকৰণে বেদৰ মুখ্য উপকাৰক বা প্রধান অঙ্গ হিচাপে পৰিগণিত হৈছে।



শব্দকৌস্তুভ- ভাট্টাজী দীক্ষিতে অষ্টাধ্যায়ীৰ ওপৰত ৰচনা কৰা বৃত্তি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ব্যাকৰণৰ লক্ষণ কি?

.....

.....

প্রশ্ন নং ২ঃ ছটা বেদাঙ্গৰ নাম লিখক (১২০টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ৩ঃ ব্যাকৰণক কিয় বেদৰ অঙ্গ বুলি কোৱা হয়? (৭৫টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ৪ঃ কোন কোন বিদ্যাক বেদপুৰুষৰ কোনটো কোনটো অঙ্গ হিচাপে কোৱা হৈছে। (৫০টা শব্দৰ ভিতৰত)

.....

.....

১.৫ পাণিনিপূর্ববর্ত্তী ব্যাকৰণ

সংস্কৃতব্যাকৰণৰ ক্ষেত্রখনত পাণিনি এটা বিশেষ নাম আৰু তেওঁৰ অমূল্যগ্রন্থ 'অষ্টাধ্যায়ী'খন হ'ল ব্যাকৰণবৃত্তটোৰ কেন্দ্রবিন্দু। পাণিনিৰ পূর্ব্ববর্ত্তী সময়ৰ কিছুসংখ্যক ব্যাকৰণবিদৰ নাম আৰু কিছু সূচনা থাকিলেও তেওঁলোকৰ বিষয়ে বা তেওঁলোকৰ গ্রন্থৰ বিষয়ে পণ্ডিতসকলৰ ধাৰণা সুস্পষ্ট নহয়। বিভিন্ন গ্রন্থত বেলেগ বেলেগ প্রসঙ্গত এইসকল বৈয়াকৰণৰ নামোল্লেখ পোৱা যায়। বিভিন্ন প্রসংগত স্বয়ং পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্রন্থত দহজন বৈয়াকৰণৰ বিষয়ে উল্লেখ কৰিছে। এওঁলোকক পাণিনিপূর্ববর্ত্তী বৈয়াকৰণ হিচাপে ধৰা হয়। এওঁলোক হ'ল আপিশলি (৬/১/৯২), কাশ্যপ (১/২/২৫), গার্গ্য (৭/৩/৯৯), চাক্রবর্ম্মন (৬/১/১৩০), গালৱ (৬/৩/৬১), শাকল্য (১/১/১৬), শাকটায়ন (৮/৩/১৮), সেনক (৫/৪/১১২), স্ফোটায়ন (৬/১/১২৩) আৰু ভাৰদ্বাজ (৭/২/৬৩)। এইক্ষেত্রত কিছুসংখ্যক নামে নির্দ্দিষ্ট ব্যাকৰণবিদক নুবুজায় ব্যাকৰণসম্প্রদায়ক বুজোৱা যেন অনুভৱ হয়। পাণিনি গ্রন্থৰ উপৰিও বেলেগ কিছু গ্রন্থত বিভিন্ন ব্যাকৰণৰ কথা উল্লেখ কৰা দেখা পোৱা যায়। ভৱিষ্যপুৰাণত আঠখন ব্যাকৰণৰ উল্লেখ আছে কিন্তু এই আঠখন ব্যাকৰণৰ প্রত্যেকখনৰ লগতে এজন এজন দেৱতাক সংযুক্ত কৰা হৈছে। দেৱতাসকলৰ দ্বাৰা প্রণিত এই আঠখন ব্যাকৰণৰ বিষয়ে কোৱা শ্লোকটো হ'ল—

প্রথমং প্রোচ্যতে ব্রাহ্মং দ্বিতীয়মৈন্দ্রমেৱ চ।
যাম্যং প্রোক্তং ততো ৰৌদ্রং বায়ব্যং বাৰুণ্যং তথা।।
সাবিত্রং চ তথা প্রোক্তমষ্টমং ৱৈষ্ণবং তথা।।

এই শ্লোক অনুসৰি ব্রহ্মা, ইন্দ্র, যম, ৰুদ্র, বায়ু, বৰুণ, সবিতা আৰু বিষ্ণু— এই আঠজন দেৱতাই আঠখন ব্যাকৰণ ৰচনা কৰিছিল। কিছুগ্রন্থত পাণিনিক সামৰি লৈ নখন ব্যাকৰণ থকা বুলি কোৱা হয়। সেইবিষয়ে পৰিচিত শ্লোকফাঁকি হ'ল—

ঐন্দ্রং চান্দ্রং কাশকৃৎস্নং কৌমাৰং শাকটায়নম্।
সাৰস্বতং চাপিশলং শাকলং পাণিনীয়কম্।।

ৰামায়ণত থকা 'সো২য়ং নৱব্যাকৰণার্থৱেত্তা'— উক্তিৰ পৰা বুজা যায় যে সেইসময়ত নবিধ ব্যাকৰণৰ কথা জ্ঞাত আছিল। তদুপৰি মহর্ষি পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্রন্থত উল্লেখ নকৰিলেও বিভিন্ন গ্রন্থ বা উক্তিৰ মাধ্যমেৰে পাণিনি পূর্ববর্ত্তী কিছুসংখ্যক বৈয়াকৰণৰ অস্তিত্বৰ বিষয়ে জানিব পৰা যায়। তেওঁলোক হ'ল— মাহেশব্যাকৰণৰ প্রৱক্তা মহেশ, ঐন্দ্রব্যাকৰণৰ প্রচাৰক ভৰদ্বাজ, ভাওৰি, ব্যাড়ি, মহর্ষি সূর্য্য আদি। পাণিনিৰ পূর্ববর্ত্তী ব্যাকৰণ প্রৱক্তা বা বৈয়াকৰণসকলৰ সম্বন্ধে সবিশেষ তথ্য নাই বুলিয়ে ক'ব পাৰি কিন্তু বিভিন্ন মতামতৰ ভিত্তিত এই প্রসঙ্গত প্রচলিত কিছু কথা ব্যাকৰণ সম্প্রদায় তথা পণ্ডিতসমাজত সমাহত হৈ আহিছে। তাৰেই আলমত তলত সেইবিষয়ে এটা আলোচনা আগবঢ়োৱা হ'ল।

ঐন্দ্রব্যাকৰণ ঃ ইন্দ্রপ্রণীত ব্যাকৰণখনকেই ঐন্দ্রব্যাকৰণ বোলে। পতঞ্জলিৰ ভাষ্য

অনুসৰি ইন্দ্রই বৃহস্পতিৰ ওচৰত শব্দানুশাসনৰ বিষয়ে জ্ঞান লাভ কৰিছিল। মহাভাষ্যত কোৱা হৈছে— 'বৃহস্পতিৰিন্দ্রায় দিব্যংবর্ষসহস্রং প্রতিপদোক্তানাং শব্দানাং শব্দপাৰায়ণং প্রোৱাচ নান্তং জগাম'। অর্থাৎ বৃহস্পতিয়ে ইন্দ্রক শব্দৰ বিষয়ে জ্ঞান দিছিল যদিও সেয়া সমাপ্ত নহ'ল। ঐন্দ্রব্যাকৰণৰ গুৰুপৰম্পৰা বিষয়ে এনেদৰে পোৱা যায়— ব্রহ্মা বৃহস্পতয়ে প্রোবাচ, বৃহস্পতিৰিন্দ্রায়, ইন্দ্রোভৰদ্বাজায়, ভৰদ্বাজ ঋষিভ্যঃ..... ইত্যাদি। ইন্দ্রই যে বাক্‌বিভক্তা আছিল সেই বিষয়ে তৈত্তিৰীয়সংহিতাত শুনা যায়— 'বাগ্ বৈ পৰাচ্যব্যাকৃতাবদত্তে দেবা ইন্দ্রমব্রুবন্নিমান্নো বাচং ব্যাকুর্বিতি। .....তামিন্দ্রো মধ্যতো, ৱক্রম্য ব্যাকৰোৎ। তস্মাদিয়ং ব্যাকৃতা বাগুদ্যতে। এয়াই আছিল প্রকৃততে ব্যাকৰণৰ সূচনা। কিন্তু পৰবর্ত্তী সময়ত এই ব্যাকৰণ ভাৰদ্বাজাদিব্যাকৰণৰ লগত সংযোজিত হোৱা কাৰণে এই সম্প্রদায়ৰ ব্যাকৰণৰ বিষয়ে বিশেষ একো জানিব নোৱাৰি। সোমদেবে ৰচনা কৰা কথাসৰিৎসাগৰত বর্ণনা কৰা আখ্যায়িকাৰ পৰা জনা যায় যে খৃঃ পূঃ চতুর্থ শতিকাত মগধৰ নন্দৰাজৰ মন্ত্রী বৰৰুচি কাত্যায়ন ঐন্দ্র ব্যাকৰণৰ ছাত্র আছিল। 'অথ বর্ণসমূহঃ'— আছিল ঐন্দ্র ব্যাকৰণৰ প্রথম সূত্র। কাশিকাবৃত্তিৰ তত্ত্ববিমর্শিনী নামৰ ব্যাখ্যাত ভগবান্ উপমন্যুয়ে কৈছে— তথা চোক্তমিন্দ্রেণ— 'অন্ত্যবর্ণসমুদ্ভূতা ধাতবঃ পৰিকীর্ত্তিতাঃ'। বৌদ্ধসম্প্রদায়ত এখন ঐন্দ্রব্যাকৰণৰ নাম পোৱা যায়। প্রথম শতাব্দীত ইন্দ্রগোমিৰ দ্বাৰা এয়া প্রণীত হোৱা বুলি অনুমান কৰা হয়।

কিন্তু পাণিনিব্যাকৰণত ঐন্দ্রব্যাকৰণৰ উল্লেখ পোৱা নাযায় আৰু বর্তমানলৈকে ঐন্দ্রব্যাকৰণৰ কোনো গ্রন্থৰ সন্ধেদ পোৱা নাযায়।

মাহেশ ব্যাকৰণ ঃ মহেশ বা মহেশ্বৰ প্রণীত ব্যাকৰণখনকেই মাহেশ ব্যাকৰণ বুলি কোৱা হয়। দেবাদিদেব মহেশ্বৰেই শব্দশাস্ত্রৰ মূল আধাৰ। পাণিনিব্যাকৰণৰ মূলৰূপে বর্ণিত অক্ষৰ সমাম্নায়ক মাহেশ্বৰ সূত্র বুলি কোৱা হয়। প্রকৃততে মাহেশ্বৰ সূত্র বা শিৱসূত্রক আধাৰ কৰিহে মাহেশব্যাকৰণৰ অস্তিত্ব সম্পর্কে ধাৰণা কৰা হয়। আচার্য নন্দিকেশ্বৰে কাশিকাত কৈছে যে নটৰাজৰ ঢক্কাৰ শব্দৰ পৰাই চৈধ্যটা মাহেশ্বৰসূত্র বা শিৱসূত্রৰ উৎপত্তি হৈছে। এই প্রসঙ্গত থকা শ্লোকফাঁকি হ'ল—

"নৃত্তাবসানে নটৰাজৰাজো ননাদ ঢক্কাং নৱপঞ্চবাৰম্।
উর্দ্ধর্ত্তুকামঃ সনকাদিসিদ্ধানেতদ্ ৱিমর্শে শিৱসূত্রজালম্।।

জুমৰনন্দীৰ ধাতুমালাত কোৱা হৈছে যে ধাতুবোৰ প্রথমতে মহেশৰ দ্বাৰাই নিৰূপিত হয় আৰু পৰবর্ত্তী সময়ত তেওঁৰ পৰা ঋষিসকলে এই বিষয়ে জ্ঞানলাভ কৰে। মাহেশব্যাকৰণৰ অস্তিত্ব সম্পর্কত আৰু এটা জনপ্রিয় শ্লোক শুনিবলৈ পোৱা যায়।

সমুদ্রবৎ ব্যাকৰণং মহেশ্বৰে তদর্দ্ধকুম্ভোদ্ধৰণং বৃহস্পতৌ।
তদ্‌ভাগভাগাচ্চ শতং পুৰন্দৰে কুশাগ্রবিন্দূৎপতিতং হি পাণিনৌ।।

যিয়েই নহওক মাহেশব্যাকৰণৰ অস্তিত্ব সকলো পণ্ডিতে মানি লোৱা নাই। সত্যব্রত সামশ্রমিৰ মতে মাহেশব্যাকৰণৰ কল্পনা অৱান্তৰ। কিন্তু কিছুমান পণ্ডিতৰ মতে উত্তৰকুৰুদেশত বদৰিকাশ্রম আদি প্রদেশত প্রাচীনকালত যি ব্যাকৰণ উপদিষ্ট হৈছিল সেয়াই মহেশ্বৰ ব্যাকৰণ

বা মাহেশ ব্যাকৰণ আৰু পৰবৰ্ত্তী সময়ত এয়া ঐন্দ্রব্যাকৰণৰ লগত মিলিত হৈ যায়। পাণিনিয়ে কিন্তু মাহেশব্যাকৰণৰ বিষয়ে কোন সূত্র উল্লেখ কৰা নাই। কিন্তু পাণিনীয়শিক্ষাত অক্ষৰসমাম্নায়ৰ লগত মহেশ্বৰৰ প্রত্যক্ষসম্বন্ধ স্মৰণ কৰি কোৱা হৈছে—

যেনাক্ষৰসমাম্নায়মধিগম্য মহেশ্বৰাদ্।
কৃৎস্নং ব্যাকৰণং প্রোক্তং তস্মৈ পাণিনয়ে নমঃ।।

মাহেশব্যাকৰণৰ বিষয়ে তথ্যভিত্তিক কোন কথা কোৱা নাযায়।

কাশকৃৎস্নব্যাকৰণ ঃ পাণিনিব্যাকৰণৰ পূর্ববর্ত্তী হিচাপে কাশকৃৎস্নব্যাকৰণৰ সম্ভেদ পোৱা যায়। কিন্তু এই ব্যাকৰণৰ প্রণেতা কাশকৃৎস্ন নে কাশকৃৎস্নি— সেই বিষয়ে পণ্ডিতসকলৰ মাজত মতভেদ থকা দেখিবলৈ পোৱা যায়। কাশকৃৎস্ন নামৰ পণ্ডিতজন বেদান্তদর্শনাবলম্বী আছিল। ব্রহ্মসূত্রত এইগৰাকী পণ্ডিতৰ নামোল্লেখ আছে। আনফালে কাশকৃৎস্নি নামৰ পণ্ডিতজন আকৌ মীমাংসা দর্শনৰ অধ্যেতা আছিল। মহাভাষ্য গ্রন্থত এই মীমাংসকজনৰ নাম পোৱা যায়। 'দ্বিগুসংজ্ঞা' আৰু 'প্রত্যয়োত্তৰপদয়োঃ' এই দুটা সূত্র কাশকৃৎস্নীয় সূত্র বুলি জনা যায়। কাশিকাবৃত্তি আৰু অমোঘবৃত্তিৰ সহায়ত জনা যায় যে কাশকৃৎস্ন ব্যাকৰণত তিনিটা অধ্যায় আছিল। সংস্কৃতব্যাকৰণ জগতত এই ব্যাকৰণৰ বিষয়ে বিশেষ ধাৰণা পোৱা নাযায়।

ইয়াৰ বাহিৰেও পাণিনিয়ে তেওঁৰ সূত্রত উল্লেখ কৰা বৈয়াকৰণসকল তেওঁৰ পূর্ববর্ত্তী। সেইসকল বৈয়াকৰণৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

কাশ্যপ ঃ পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ীগ্রন্থৰ প্রথম অধ্যায়ৰ দ্বিতীয় পাদত এইগৰাকী বৈয়াকৰণৰ নামোল্লেখ কৰি সূত্র ৰচনা কৰিছে— তৃষিমৃষিকৃশেঃ কাশ্যপস্য (১.২.২৫)। কাশ্যপৰ ব্যাকৰণখন 'কাশ্যপি' নামেৰে জনাজাত আছিল। কাত্যায়নৰ বাজসনেয়িপ্রাতিশাখ্যত এই 'কাশ্যপি' সম্বন্ধে কিছু মতামত পোৱা যায় যদিও পৰবৰ্ত্তী সময়ত এই ব্যাকৰণ প্রায় সম্পূর্ণ লুপ্ত হোৱা বুলিয়ে ক'ব পৰা যায়। বিভিন্নসূত্রৰ পৰা পণ্ডিতসকলে এই সিদ্ধান্তত উপনীত হৈছে যে কাশ্যপৰ ব্যাকৰণত নিপাত বা অব্যয়ৰ বিষয়ে সবিশেষ আলোচনা আগবঢ়োৱা হৈছিল।

শাকটায়ন ঃ পাণিনিৰ অষ্টাধ্যায়ীত একাধিকবাৰ এইগৰাকী ব্যাকৰণ প্রণেতাক লৈ সূত্র ৰচনা কৰা হৈছে। অষ্টাধ্যায়ীৰ তৃতীয় অধ্যায়ত পাণিনিয়ে কৈছে— লডঃ শাকটায়নস্যৈৱ (৩/৪/১১১)। শাকটায়নপ্রণীত ব্যাকৰণক 'শাকটায়নীয় ব্যাকৰণ' বা 'শাকটায়নম্' বুলি কোৱা হয়। অষ্টাধ্যায়ী, কাত্যায়নৰ বার্ত্তিক আৰু পতঞ্জলিৰ মহাভাষ্যক একত্রিত কৰি ত্রিমুনিব্যাকৰণ বুলি কোৱাৰ পৰম্পৰা চলি আহিছে যদিও তৎপূর্ববর্ত্তী সময়ত কিন্তু 'ত্রিমুনি ব্যাকৰণ' শব্দেৰে শকটি-শাকটি শাকটায়নৰ সন্মিলিত ব্যাকৰণক বুজোৱা হৈছিল। আনফালে জৈনশাকটায়নৰ ব্যাকৰণক কিন্তু শব্দানুশাসন এই নামেৰে বুজোৱা হয়। সকলো শব্দ ধাতুজাত— এয়া মহর্ষি শাকটায়নৰ অভিমত। উপসর্গ বিষয়ে শাকটায়নৰ অভিমত হ'ল যে উপসর্গসমূহৰ নিজস্ব বেলেগ কোনো অর্থ নাথাকে। কাশিকা বৃত্তিও থকা 'অনুশাকটায়নং বৈয়াকৰণাঃ', উপশাকটায়নং বৈয়াকৰণাঃ' উদাহৰণৰ আলোচনাত ন্যাসত কোৱা হৈছে

'শাকটায়নমপেক্ষ্য অন্যে বৈয়াকৰণাঃ হীনাঃ' অর্থাৎ শাকটায়নৰ তুলনাত বেলেগ বৈয়াকৰণসকল নিতান্তই দুর্বল। এই উক্তিয়ে শাকটায়নক ব্যাকৰণৰ জগতত যথেষ্ট প্রতিপত্তিশালী হিচাপে চিহ্নিত কৰিছে।

সেনক ঃ অষ্টাধ্যায়ী গ্রন্থৰ পঞ্চম অধ্যায়ত পাণিনিয়ে এই বৈয়াকৰণৰ নামোল্লেখ কৰি সূত্র ৰচনা কৰিছে— 'গিৰেশ্চ সেনবাস্য' (৫/৪/১১২)। এই নামোল্লেখৰ বাহিৰে কিন্তু এইগৰাকী ব্যাকৰণবিদৰ বিষয়ে অষ্টাধ্যায়ীত আৰু বিশেষ একো কোৱা হোৱা নাই। কাশিকাত কোৱা হৈছে— সেনকগ্রহনং পূজার্থম্, বিকল্পো নুবর্ত্ততে, এই বাক্যৰ অর্থ হ'ল পূজা বা সন্মান অর্থত সেনক পদ গ্রহণ কৰা হৈছে আৰু 'বা' এই বিকল্পবোধক পদৰ ঠাইত ইয়াৰ ব্যৱহাৰ হয়। সেনকীয় ব্যাকৰণৰ বিষয়ে তেনেকুৱা উল্লেখ বা তথ্য নোপোৱা কাৰণে পণ্ডিতসকলে অভিমত প্রকাশ কৰে যে এই ব্যাকৰণ বহুকাল আগতেই লুপ্ত হৈছিল।

আপিশলি ঃ পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্রন্থৰ ৬ষ্ঠ অধ্যায়ত সূত্র লিখিছে বা স্যুপ্যাপিশলেঃ (৬.১.৯২)। পণ্ডিতসকলৰ মতে আপিশলি পাণিনিৰ ঠিক পূর্ববর্ত্তী বৈয়াকৰণ। অর্থাৎ এই বৈয়াকৰণজন আৰু পাণিনিৰ মাজত সময়ৰ ব্যৱধান খুব বেছি নহয়। 'অষ্টকা আপিশলপাণিনীয়াঃ'— এই প্রয়োগৰ পৰা অনুমান কৰিব পাৰি যে পাণিনিৰ দৰে আপিশলিৰ ব্যাকৰণৰখনও আঠটা অধ্যায়ত বিভক্ত আছিল। কাত্যায়নৰ বার্ত্তিকত 'পূর্ব্বসূত্রনির্দ্দেশো কপিশলমধীতে'— এই উক্তিৰ মাজেদি আপিশলব্যাকৰণৰ স্থিতি প্রমাণিত হৈছে। নিৰুক্তৰ স্কান্দভাষাতে আপিশলীয় ধাতুপাঠৰ প্রসঙ্গ আছে। ভর্ত্তৃহৰি আদি কিছুসংখ্যক বৈয়াকৰণৰ মতে পাণিনীয় ধাতুপাঠৰ লগত আপিশলীয় ধাতুপাঠৰ কিছু পার্থক্য আছিল।

স্ফোটায়ন ঃ মহর্ষি পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ীৰ ৬ষ্ঠ অধ্যায়তে এইজন বৈয়াকৰণৰ নামোল্লেখ কৰি সূত্র নির্ণয় কৰিছে— অবঙ্ স্ফোটায়নস্য (৬.১.১২৩)। পদমঞ্জৰীত এই বৈয়াকৰণসম্বন্ধে কোৱা হৈছে 'স্ফোটপ্রতিপাদনপৰো বৈয়াকৰণাচার্যঃ'। অর্থাৎ এইগৰাকী বৈয়াকৰণে স্ফোটৰ অস্তিত্ব প্রতিপাদন কৰিছিল। নাগেশভট্টই তেওঁৰ 'লঘুশব্দেন্দুশেখৰ'ত কৈছে— 'স্ফোটায়নং যস্য সঃ। স্ফোটপ্রতিপাদক ইত্যর্থঃ। স্ফোটায়নো বঙঃ স্মর্তা.....। তেওঁৰ নামটোৰ ভিত্তিত বহু পণ্ডিতে ক'ব খোজে যে এইজন বৈয়াকৰণে স্ফোটবাদৰ ভিত্তিত তেওঁৰ ব্যাকৰণ ৰচনা কৰিছিল।



জানি থোৱা ভাল

স্ফোটবাদ ঃ যিহৰ সহায়েৰে অর্থৰ প্রতীতি জন্মে তাকে স্ফোট বোলে। অর্থাৎ বর্ণৰ দ্বাৰা অভিব্যক্ত আৰু অর্থ প্রত্যায়ক নিত্য শব্দকেই স্ফোট বুলি স্ফোটবাদীসকলে মন্তব্য কৰে। ভাষাৰ বিভিন্ন শব্দাৱলীয়ে কেনেকৈ সিহঁতৰ নিজ নিজ অর্থৰ প্রতীতি জন্মায় তাৰ আলোচনাই স্ফোটবাদৰ মূল আলোচ্য বিষয় বা বক্তব্য।

গালৱ ঃ অষ্টাধ্যায়ীৰ ৬ষ্ঠ অধ্যায়ত থকা 'ইকো হ্রস্বো ড্যোগালৱস্য' (৬.৩.৬১) সূত্ৰত এই গৰাকীৰ বৈয়াকৰণৰ নাম উচ্চাৰিত হৈছে। ইয়াৰ উপৰিও বহুক্ষেত্ৰত পাণিনিয়ে গালবৰ নাম লোৱা দেখা যায়। শাকল্যৰ শিষ্য গালৱৰ ব্যাকৰণক গালৱব্যাকৰণ বুলি কোৱা হয়। শৌনকৰ বৃহদ্দেৱতা আদি গ্ৰন্থত গালৱক স্মৃতিকাৰ হিচাপেও উল্লেখ কৰা হৈছে। তেওঁৰ ব্যাকৰণখনও সময়ৰ অৱবাহিকাত সম্পূৰ্ণ লুপ্ত হয়।

চাক্রবর্ম্মন ঃ চক্রবর্ম্মাৰ পুত্ৰ চাক্রবর্ম্মনৰ নামোল্লেখ সহ পাণিনিয়ে অষ্টাধ্যায়ীত সূত্ৰ ৰচনা কৰিছে— ঈতশ্চাক্রবর্ম্মণস্য (৬.১.১৩০)। কাতন্ত্ৰ পৰিশিষ্টত চাক্রবর্ম্মনৰ নাম পোৱা যায়। কিছুসংখ্যক পণ্ডিতে তেওঁক ব্যুৎপত্তিবাদী বৈয়াকৰণ বুলি উল্লেখ কৰিছে। কাশিকাত কোৱা হৈছে— 'চক্রবর্ম্মনো পত্যং চাক্রবর্ম্মনঃ'। তেওঁক হাৰীতকাশ্যপৰ প্রপৌত্র বুলি অনুমান কৰা হয়। এই বৈয়াকৰণজনৰ ব্যাকৰণখনক চাক্রবর্ম্মনীয় ব্যাকৰণ বুলি কোৱা হয়। কিন্তু বহুকাল আগতেই এইখন ব্যাকৰণ লুপ্ত হৈছে।

ভাৰদ্বাজ ঃ অষ্টাধ্যায়ী গ্ৰন্থৰ সপ্তম অধ্যায়ত পাণিনিয়ে এইজন বৈয়াকৰণৰ নাম লৈ সূত্ৰ লিখিছে 'ঋতো ভাৰদ্বাজস্য' (৭.২.৬৩)। ভৰদ্বাজৰ অপত্য ভাৰদ্বাজৰ বিষয়ে তৈত্তিৰীয় প্রাতিশাখ্যতো উল্লেখ পোৱা যায়। শিক্ষা আৰু ব্যাকৰণৰ উপৰিও শ্রৌতসূত্র আৰু গৃহ্যসূত্র প্রণয়নৰ লগতো তেওঁৰ নাম সন্নিৱিষ্ট হৈছে। তেওঁৰ ব্যাকৰণত ঐন্দ্রব্যাকৰণৰ মত গ্রহণ কৰা বুলি পণ্ডিতসকলে কয়। পণ্ডিতসকলৰ অনুমান কৰে যে কাত্যায়নৰ আগত ভাৰদ্বাজ সম্প্রদায়ৰ বৈয়াকৰণসকলে পাণিনিসূত্রৰ ওপৰত বার্ত্তিক ৰচনা কৰিছিল। বাস্কলৰ পুত্র হিচাপে ভাৰদ্বাজক বাস্কলি নামেৰেও জনা যায় আৰু এই বিষয়ে বায়ুপুৰাণ আৰু ব্রহ্মাণ্ডপুৰাণতো উল্লেখ আছে। মহাভাষ্যতো পতঞ্জলিয়ে এই সম্প্রদায়ৰ উল্লেখ কৰিছে।

গার্গ্য ঃ মহর্ষি পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ীগ্রন্থৰ সপ্তম অধ্যায়ত এইগৰাকী বৈয়াকৰণৰ নামোল্লেখেৰে সূত্র কৰিছে 'অড্ গার্গ্য-গালবয়োঃ' (৭.৩.৯৯)। গার্গ্যমুনিক বৈয়াকৰণ শাকটায়নৰ সমসাময়িক বুলি ধৰা হয়। গর্গৰ পুত্র গার্গি আৰু গার্গিৰ পুত্র গার্গ্য। এইজন বৈয়াকৰণৰ নাম গার্গ্য বালাকি। কাৰণ তেওঁৰ মাকৰ নাম আছিল বলাকা। ব্যাকৰণৰ ক্ষেত্রত গার্গ্যই বাস্কলি ভাৰদ্বাজৰ শিষ্য আছিল। তেওঁৰ আৰু এটা নাম আছিল পন্নগাৰি। তেওঁৰ ব্যাকৰণখনৰ নাম আছিল 'অক্ষৰতন্ত্রসূত্র'। গার্গীয় ব্যাকৰণত শাকটায়নৰ ব্যুৎপত্তিবাদৰ কিছু অংশ গ্রহণ কৰা হয়, কিছু অংশ কিন্তু প্রত্যাখ্যাত হয়। গতিকে গার্গ্যক শাকটায়নৰ অন্ধ অনুসৰণকাৰী বুলি ক'লে ডাঙৰ ভুল হ'ব।

শাকল্য ঃ পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্রন্থত একাধিক স্থানত এইজন প্রাচীন বৈয়াকৰণৰ নাম উল্লেখ কৰিছে। তদুপৰি নামোল্লেখ নকৰাকৈও পাণিনি কিছুক্ষেত্রত শাকল্যৰ পদাঙ্ক অনুসৰণ কৰিছে। বৈদিক ব্যাকৰণ হিচাপে শাকল্যৰ বিশেষ স্থান সর্বজনস্বীকৃত। তেওঁৰ পদপাঠৰ নিয়মাৱলীৰ অনুসৰণেৰে বহুতো ব্যাকৰণগত নিয়ম পাণিনিৰ সূত্রসমুদায়ত উল্লেখ কৰা হৈছে। যাস্কৰ নিৰুক্ত আৰু শৌনকৰ বৃহদ্দেৱতাত শাকল্যৰ নাম পোৱা যায়। কাশিকাগ্রন্থতো শাকল্যৰ নাম থকা দেখা যায়। পতঞ্জলিয়েও তেওঁৰ ভাষ্যত শাকল্যৰ নাম উল্লেখ কৰিছে।

বৈয়াকৰণ হিচাপে এই গৰাকী পণ্ডিতে যথেষ্ট সমাদৰ আৰু খ্যাতি লাভ কৰিছিল বুলি অনুমান কৰিব পাৰো।



জানি থোৱা ভাল

বৈয়াকৰণসকলে সদায় সংক্ষিপ্ততাৰ প্ৰতি চকু দিছিল। সেয়ে কোৱা হয়— 'অৰ্ধমাত্রালাঘৱেন পুত্রোৎসৱং মন্যন্তে বৈয়াকৰণা ঃ— অৰ্থাৎ আধামাত্রা লাঘৱ হোৱাটোকে তেওঁলোকে পুত্রজন্মোৎসৱ যেন ভাবিছিল। বেছিভাগ বৈয়াকৰণেই সূত্রত ব্যাকৰণ ৰচনা কৰিছিল। সূত্রৰ লক্ষণ হ'ল— 'অল্পাক্ষৰমসন্দিগ্ধং সাৰবদ্বিতো মুখম্। অক্ষোভতনবদ্যং চ সূত্রং সূত্রবিদোঃ বিদুঃ।।' অৰ্থাৎ কম অক্ষৰ থকা, সন্দেহাতীত অৰ্থযুক্ত, সাৰগৰ্ভ অথচ সৰল, দোষশূন্য বাক্যক সূত্রবিদসকলে সূত্র বুলি জানে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ পাণিনিয়ে নাম নোলোৱা তিনিজন প্রাচীন বৈয়াকৰণৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৬ঃ অষ্টাধ্যায়ীত উল্লেখ কৰা ব্যাকৰণবিদসকলৰ নাম লিখক (৫০টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ৭ঃ 'অক্ষৰতন্ত্রসূত্র' গ্রন্থৰ ৰচক কোন?

.....

.....

.....

১.৬ পাণিনিব্যাকৰণ

সংস্কৃতব্যাকৰণৰ ক্ষেত্রখনত উজ্জ্বলতম জ্যোতিষ্কৰ দৰে জিলিকি আছে এটা নাম— সেয়া হ'ল মহর্ষি পাণিনি। বিশ্ববিশ্রুত এইগৰাকী বৈয়াকৰণৰ জীৱন বা সময় সম্বন্ধে সবিশেষ জনা নগ'লেও অষ্টাধ্যায়ী নামৰ অভূতপূর্ব ব্যাকৰণখন যে তেওঁৰেই ৰচনা সেইবিষয়ে কোনো সন্দেহৰ অৱকাশ নাই। বিভিন্ন উৎসগ্রন্থৰ পাঠৰ মাজেদি পণ্ডিতসকলে কিছুমান তথ্য পাণিনিৰ বিষয়ে আগবঢ়াইছে যদিও সেইবোৰৰ অধিকাংশই অনুমাননির্ভৰ আৰু কিম্বদন্তীসম্ভূত। বর্তমান পাকিস্তানৰ পেছোয়াৰ জিলাৰ ওহিন্দ নামৰ ঠাইখনৰ ওচৰতে পাণিনিৰ বাসস্থান আছিল।

শলাতুৰ গাঁৱৰ নিবাসী হোৱা বাবে পাণিনিক শলাতুৰীয় বুলিও কোৱা হয়। পাণিনিৰ প্ৰকৃত নাম আছিল আহিক আৰু কিছুমান পণ্ডিতৰ মতে পাণিনি শব্দটো প্ৰকৃততে গোত্ৰনাম। পাণিনিৰ পিতৃৰ নাম আছিল শলঙ্ক সেইকাৰণে তেওঁক শালঙ্কি বুলিও কোৱা হয় আৰু তেওঁৰ মাতৃৰ নাম আছিল দাক্ষী, সেইকাৰণে তেওঁক দাক্ষেয় বা দাক্ষীপুত্ৰ বুলি কোৱা হয়। পাণিনিৰ সময় লৈ পণ্ডিত সমাজত যথেষ্ট বাদানুবাদ থাকিলেও এই বৈয়াকৰণজনৰ সময় খৃঃ পূঃ পঞ্চম শতাব্দী আৰু খৃঃ পূঃ ৪র্থ শতাব্দীৰ ভিতৰত বুলি অনুমান কৰা হয়। বিভিন্ন প্ৰাচীন উৎসগ্ৰন্থৰ পৰা জনা যায় পাণিনিয়ে তক্ষশিলাত আহি অধ্যয়ন কৰিছিল। কিন্তু পিছত যবনসকলৰ আক্ৰমণৰ পৰা ৰক্ষা পোৱাৰ বাবে মগধৰাজ্যত আশ্ৰয় লয়। কিম্বদন্তী অনুসৰি আদিত বুদ্ধিহীন পাণিনিয়ে মহাদেবৰ তপস্যা কৰি ১৪টা শিবসূত্ৰৰ জ্ঞানেৰে সমৃদ্ধ হৈ ব্যাকৰণবেত্তা হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। তেওঁৰে সমসাময়িক পণ্ডিত কাত্যায়ন বৰৰুচিয়ে পাণিনিৰ ব্যাকৰণৰ ওপৰত বাৰ্ত্তিকসমূহ ৰচনা কৰি এই ব্যাকৰণক সমৃদ্ধ কৰি তোলে। কিন্তু কিম্বদন্তী মতে এই দুয়োগৰাকী বৈয়াকৰণৰ মাজত সদ্ভাৱ নথকাত দুয়ো পৰস্পৰৰ অভিশাপত মৃত্যুমুখত পৰে। ত্ৰয়োদশী তিথিত এই দুগৰাকী বৈয়াকৰণৰ মৃত্যু হোৱা বুলি অনুমান কৰি পৰবৰ্ত্তীকালত এই তিথিত ব্যাকৰণৰ অধ্যয়ন নিষিদ্ধ কৰা হয়।

পাণিনিৰ অষ্টাধ্যায়ীত প্ৰায় চাৰি হেজাৰ সূত্ৰ আছে। 'বুদ্ধিৰাদৈচ্' (১.১.১)— এই সূত্ৰেৰে অষ্টাধ্যায়ীগ্ৰন্থৰ আৰম্ভণি আৰু অ. অ (৮.৪)— এয়া হ'ল অষ্টাধ্যায়ীৰ অন্তিম সূত্ৰ। পাণিনিৰ ব্যাকৰণত থকা সূত্ৰসমূহক ছটা ভাগত ভগোৱা হৈছে। যেনে— সংজ্ঞা, পৰিভাষা, বিধি, নিয়ম, অতিদেশ আৰু অধিকাৰ। এই বিষয়ে থকা শ্লোকফাঁকি হ'ল—

সংজ্ঞা চ পৰিভাষা চ বিধি র্নিয়ম এৱ চ।
অতিদেশোঽধিকাৰশ্চ ষড়্ৱিধং সূত্ৰলক্ষণম্।।

পাণিনিৰ ব্যাকৰণখন আঠটা অধ্যায়ত বিভক্ত। এইকাৰণে ইয়াক অষ্টাধ্যায়ী বুলি কোৱা হয়। প্ৰত্যেক অধ্যায়ত চাৰিটাকৈ পাদ আছে। গতিকে অষ্টাধ্যায়ীগ্ৰন্থত মুঠ ৮×৪=৩২টা পাদ আছে। অষ্টাধ্যায়ীৰ ওপৰত পাণিনিয়ে লিখা কোনো বৃত্তি পোৱা নাযায়। সূত্ৰসমূহৰ উপৰিও ধাতুপাঠ, গণপাঠ আৰু লিঙ্গানুশাসনৰ কৰ্ত্তা হিচাপে পাণিনিক জনা যায়।

পাণিনিৰ ব্যাকৰণখন কেৱল সংস্কৃতভাষাতেই নহয় সমগ্ৰ বিশ্বতেই এইখন এখন আগশাৰীৰ ব্যাকৰণগ্ৰন্থ হিচাপে জনাজাত হৈছে। বহুতো দেশী-বিদেশী পণ্ডিতে এতিয়াও পাণিনিৰ অষ্টাধ্যায়ী গ্ৰন্থখনৰ ওপৰত তেওঁলোকৰ গৱেষণামূলক অধ্যয়ন চলাই আছে। ভাষাতত্ত্বৰ ফালৰ পৰাও এইখন ব্যাকৰণৰ গুৰুত্ব অপৰিসীম। শিৱভক্ত পাণিনিৰ ব্যাকৰণজ্ঞানক স্বীকাৰ নকৰা মানুহ ভাৰতবৰ্ষত নাই বুলিয়ে ক'ব পাৰি। এই মহান বৈয়াকৰণজনক শ্ৰদ্ধা জনাই কোৱা হয়—

যেনাক্ষৰসমাম্নায়মধিগম্য মহেশ্বৰাৎ
কৃৎস্নং ব্যাকৰণং প্ৰোক্তং তস্মৈ পাণিনয়ে নমঃ।
(পাণিনীয় শিক্ষা)

১.৭ পাণিনিপৰবৰ্ত্তী বৈয়াকৰণ

সংস্কৃতব্যাকৰণৰ এটা ধাৰা থকা দেখিবলৈ পোৱা যায়। কিন্তু মহর্ষি পাণিনিৰ অষ্টাধ্যায়ীগ্রন্থক এই ক্ষেত্রটোৰ কেন্দ্রবিন্দু হিচাপে ধার্য কৰা হৈছে। সেইকাৰণে পাণিনিব্যাকৰণ, পাণিনি পূর্ববর্ত্তীব্যাকৰণ বা বৈয়াকৰণ আৰু পাণিনিপৰবর্ত্তী ব্যাকৰণ বা বৈয়াকৰণ— পণ্ডিতসকলে এই তিনিটা স্তৰ স্বীকাৰ কৰিছে। ইয়াৰ ফলত এই ক্ষেত্রত কৰা অধ্যয়নো বহুখিনি সহজ হৈ পৰিছে। আপোনালোক ইতিমধ্যে পাণিনিপূর্ববর্ত্তী বৈয়াকৰণসকলৰ এটা আভাস পাইছে আৰু পাণিনিব্যাকৰণৰ বিষয়েও অৱগত হৈছে। এতিয়া পাণিনিপৰবর্ত্তী বৈয়াকৰণসকলৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ব। এইক্ষেত্রত মনকৰিবলগীয়া কথাটো হ'ল যে পাণিনিৰ পিছত সংস্কৃতব্যাকৰণৰ ক্ষেত্রখন যথেষ্ট উর্বৰ হোৱা দেখিবলৈ পোৱা যায়। পাণিনীয় আৰু অপাণিনীয়— উভয়প্রকাৰৰ ব্যাকৰণগ্রন্থৰ সম্ভেদ পোৱা যায় বিভিন্ন সময়ত। কিন্তু বর্তমান প্রসঙ্গত কেৱল কেইজনমান বৈয়াকৰণ আৰু তেওঁলোকৰ ব্যাকৰণৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

কাত্যায়ন আৰু বার্ত্তিক ঃ পাণিনিসূত্রৰ বার্ত্তিককাৰ হিচাপে কাত্যায়ন বৰৰুচিৰ নামটো উল্লিখিত হয়। ***বার্ত্তিক***ৰ লক্ষণ প্রসঙ্গত কোৱা হৈছে যে যত সূত্রত উক্ত, অনুক্ত বা দুৰুক্ত অর্থাৎ টানকৈ প্রযুক্ত পদবিলাকৰ বিষয়ে চিন্তা বা আলোচনা থাকে সেই গ্রন্থকেই পণ্ডিতসকলে বার্ত্তিক বুলি কয়।

উক্তানুক্তদুৰুক্তানাং চিন্তা যত্র প্রৱর্ত্ততে।
তং গ্রন্থং বার্ত্তিকং প্রাহুর্বার্ত্তিকজ্ঞা মনীষিণঃ।।

সূত্রত সূত্রকাৰে যি কথা কৈছে, যি কথা কোৱা নাই কিন্তু সূত্রব্যাখ্যাৰ আলোচনা প্রসঙ্গত প্রয়োজনীয় হিচাপে পৰিগণিত আৰু সূত্রকাৰে যি কথা টানভাবে প্রকাশ কৰিছে— সেই সকলো বিষয়ৰ ওপৰত আলোকপাত কৰাই হ'ল বার্ত্তিকৰ উদ্দেশ্য। কাত্যায়ন বৰৰুচি পাণিনিৰ সমসাময়িক আছিল আৰু পাণিনিৰ সূত্রসমূহৰ ওপৰত বার্ত্তিক ৰচনা কৰি এই সূত্রসমূহৰ অর্থ সহজবোধ্য কৰি তুলিছিল। বহুক্ষেত্রতে দেখিবলৈ পোৱা যায় যে কাত্যায়নৰ বার্ত্তিক অবিহনে পাণিনিৰ সূত্রৰ অর্থ সম্পূর্ণভাবে বুজা নাযায়। বার্ত্তিকসমূহৰ বিশ্লেষণে এই কথা সদৰি কৰে যে কাত্যায়ন বৰৰুচিও এজন উচ্চস্তৰৰ বৈয়াকৰণ আছিল। কিন্তু বার্ত্তিকসমূহৰ কোনো পৃথকগ্রন্থ পোৱা নাযায়। পতঞ্জলিৰ ***মহাভাষ্য***ৰ পৰাহে এই বার্ত্তিকসমূহ সংগ্রহ কৰা হয়।

বৃত্তি আৰু বার্ত্তিক একে নহয়। বৃত্তিক লক্ষ্য কৰি ৰচিত গ্রন্থকেই বার্ত্তিক বোলে।

পতঞ্জলি আৰু মহাভাষ্য ঃ মহর্ষি পতঞ্জলিয়ে পাণিনিৰ সূত্রসমূহৰ ওপৰত ভাষ্য ৰচনা কৰে। মহৎ তাৎপর্যবাহী এই ভাষ্যখনক মহাভাষ্য বুলি আখ্যা দিয়া হয়। পতঞ্জলিক শেষনাগৰ অৱতাৰ হিচাপে কল্পনা কৰি লৈ মহাভাষ্যক 'ফনিভাষ্য' বুলিও আখ্যা দিয়া হয়। মহাভাষ্যত মুঠ ৮৫ সংখ্যক আহ্নিক আছে। অহ্ন বা এদিনত ব্যাকৰণৰ যি অংশ অধ্যয়ন কৰা হৈছিল সেইখিনিকেই আহ্নিক বুলি কোৱা হয়। মহাভাষ্যৰ প্রথম আহ্নিকৰ নাম হ'ল পস্পশাহ্নিক। ভাষ্যৰ লক্ষণ প্রসঙ্গত কোৱা হৈছে যত সূত্রক অনুসৰণ কৰি বাক্যেৰে সূত্রৰ অর্থ অনুধাবণ কৰা

পতঞ্জলিৰ গ্রন্থখন বিশাল হোৱা বাবে মহাভাষ্য নামে প্রসিদ্ধ। ইয়াত আঠটা অধ্যায় আছে।

হয় বা বর্ণনা কৰা হয় আৰু যত ভাষ্যকাৰৰ নিজৰ ফালৰ পৰাও পদ সুসংবদ্ধ হয় তাকেই ভাষ্য বোলে।

সূত্রার্থো বর্ণ্যতে যত্র বাক্যৈঃ সূত্রানুসারিভিঃ।
স্বপদানি চ বর্ণ্যন্তে ভাষ্যং ভাষ্যবিদো বিদুঃ।।

চন্দ্রগোমিন্ আৰু চান্দ্রব্যাকৰণ ঃ পাণিনিৰ অষ্টাধ্যায়ীৰ অনুকৰণত চন্দ্রগোমী বা চন্দ্রগোমিনে এই ব্যাকৰণখন ৰচনা কৰে। এই ব্যাকৰণত ব্যৱহাৰ হোৱা প্রত্যাহাৰসূত্রসমূহ পাণিনীয় প্রত্যাহাৰৰ নিচিনাই। কিন্তু এটা বা দুটা প্রত্যাহাৰৰ ক্ষেত্রত অষ্টাধ্যায়ীতকৈ সামান্য পার্থক্য পৰিলক্ষিত হয়। যেনে পাণিনিয়ে ব্যৱহাৰ কৰা 'অন্' আৰু 'ঝষ্' প্রত্যাহাৰ দুটা চন্দ্রগোমীয়ে গ্রহণ কৰা নাই কিন্তু তেওঁ আকৌ 'ঋক্', 'ঞম্', 'মম্' আৰু 'চয়' এই চাৰিটা প্রত্যাহাৰ নতুনকৈ গ্রহণ কৰিছে। সংজ্ঞা ব্যৱহাৰৰ ক্ষেত্রত এই ব্যাকৰণত যথেষ্ট সৰলতাৰ আশ্রয় লোৱা হৈছে। চন্দ্রগোমীয়ে তেওঁৰ ব্যাকৰণত কৃত্রিম সংজ্ঞাৰ ব্যৱহাৰ কৰা নাই। বহু পণ্ডিতে সেইকাৰণে চান্দ্রব্যাকৰণক 'অসংজ্ঞকব্যাকৰণ' বুলি অভিহিত কৰিছে। পণ্ডিতসকলৰ ধাৰণা যে চন্দ্রগোমীয়ে তেওঁৰ ব্যাকৰণৰ বৃত্তিও ৰচনা কৰিছিল যিখন এতিয়া আৰু পোৱা নাযায়।

জিনেন্দ্রবুদ্ধি আৰু জৈনেন্দ্রব্যাকৰণ ঃ জিনেন্দ্রবুদ্ধি দেৱনন্দীয়ে ৰচনা কৰা ব্যাকৰণখনক জৈনেন্দ্রব্যাকৰণ বুলি কোৱা হয়। এই ব্যাকৰণখন গুপ্তযুগৰ মাজভাগত ৰচনা কৰা হৈছিল। এই ব্যাকৰণত পাঁচটা অধ্যায় আছে আৰু প্রত্যেকটো অধ্যায় চাৰিটাকৈ পাদত বিভক্ত। প্রকৃততে পাণিনিৰ অষ্টাধ্যায়ীক আধাৰ কৰিয়ে এই ব্যাকৰণখন ৰচনা কৰা হৈছিল। এই ব্যাকৰণত সংজ্ঞাৰ ক্ষেত্রত কিছু নতুন বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। তেওঁ অৱশ্যে বহুক্ষেত্রতেই কৃত্রিম সংজ্ঞাৰ ব্যৱহাৰ কৰিছে। যেনে— সমাসৰ সংজ্ঞা 'স', তৎপুৰুষৰ সংজ্ঞা 'ষ', কর্মধাৰয়ৰ সংজ্ঞা 'য' ইত্যাদিৰে কৰা হৈছে। জৈনেন্দ্র ব্যাকৰণৰ দেৱনন্দীয়ে ৰচনা কৰা কোনো বৃত্তি পোৱা যোৱা নাই। অভয়নন্দীয়ে ৰচনা কৰা জৈনেন্দ্রব্যাকৰণৰ সূত্রপাঠৰ 'মহাবৃত্তি' ব্যাকৰণজগতৰ এখন প্রকৃষ্ট গ্রন্থ। এই ব্যাকৰণৰ ধাতুপাঠ পোৱা যায়।

অনুভূতিস্বৰূপাচার্য্য আৰু সাৰস্বতব্যাকৰণ ঃ অনুভূতিস্বৰূপাচার্য্যই ৰচনা কৰা ব্যাকৰণখনকেই সাৰস্বতব্যাকৰণ বুলি কোৱা হয়। এই ব্যাকৰণৰ আৰম্ভণিতে কোৱা হৈছে '.....সাৰস্বতীমৃজুং কুর্বে প্রক্রিয়াং নাতিবিস্তৰাম'। এই বাক্যটোৰ অর্থ হ'ল সৰস্বতীপ্রণীত ব্যাকৰণপ্রক্রিয়াক তেওঁ সৰল কৰিব গৈ আছে। দেবী সৰস্বতীক আৰাধনা কৰি অনুভূতিস্বৰূপাচার্য্যই এই ব্যাকৰণসম্বন্ধে জ্ঞান লাভ কৰিছিল বুলি বিদ্বৎসমাজত কাহিনী প্রচলিত আছে। এইখন ব্যাকৰণত কিন্তু বহু পৰিমাণে পাঠান্তৰ দেখিবলৈ পোৱা যায়। অনুভূতি স্বৰূপাচার্য্যই সূত্রবোৰৰ বৃত্তি ৰচনা কৰিছিল নে নাই সেই বিষয়ে যথেষ্ট সন্দেহ বিদ্যমান। তেওঁৰ জীৱন সম্বন্ধেও বিশেষ একো জনা নাযায়। সাৰস্বতব্যাকৰণত 'ইৎ' বর্ণসমূহ পৰিত্যাগ কৰি প্রত্যাহাৰ সূত্রবোৰ গ্রহণ কৰা হৈছে। সাৰস্বত ব্যাকৰণৰ বহু টীকা পোৱা যায়। এইবোৰৰ ভিতৰত চন্দ্রকীর্তিৰ টীকা হ'ল সর্বপ্রসিদ্ধ।

সাৰস্বত ব্যাকৰণৰ ওপৰত চন্দ্রকীর্তিয়ে লিখা টীকাৰ নাম হ'ল- সুবোধিকা।

ক্রমদীশ্বৰ, জুমৰনন্দী, গোয়ীচন্দ্র আৰু সংক্ষিপ্তসাৰ ব্যাকৰণ ঃ সংক্ষিপ্তসাৰ ব্যাকৰণৰ লগত মূলতঃ তিনিজন বৈয়াকৰণ যুক্ত। তেওঁলোক হ'ল ক্রমদীশ্বৰ— যিজনে এই ব্যাকৰণৰ সূত্রবোৰ ৰচনা কৰিছিল, জুমৰনন্দী— যিজনে সূত্রৰ ওপৰত বৃত্তি ৰচনা কৰিছিল আৰু গোয়ীচন্দ্র— যিজনে এই ব্যাকৰণৰ টীকা লিখিছিল। জুমৰনন্দীৰ নাম অনুসৰি এই ব্যাকৰণক জৌমৰ ব্যাকৰণ বুলিও কোৱা হয়। এই ব্যাকৰণত সূত্রসংখ্যা ৪৬৯৯। প্রাকৃতপাদত আকৌ ৪৭৪ সংখ্যক সূত্র আছে। এই প্রকৰণত এটা ছন্দঃপ্রকৰণ আৰু এটা অলঙ্কাৰ প্রকৰনো পোৱা যায়। ব্যাকৰণৰ সূত্রসমূহক আঠটা পাদত সন্নিবিষ্ট কৰা হৈছে। গোয়ীচন্দ্রৰ বচনৰ পৰা জনা যায় যে পূর্বপ্রচলিত সকলো ব্যাকৰণ সম্প্রদায়ৰ সাৰ গ্রহণ কৰি এইখন ব্যাকৰণ নিৰূপিত হৈছিল— শাস্ত্রান্তৰেষু সৎস্বপি..... সংক্ষিপ্তঃ সংগৃহীতঃ সাৰো যত্র তৎ সংক্ষিপ্তসাৰম্।'

ভট্টোজিদীক্ষিত আৰু বৈয়াকৰণসিদ্ধান্তকৌমুদী ঃ পাণিনিৰ সূত্রসমূহৰ আধাৰত ৰচিত পৰবর্ত্তী ব্যাকৰণ গ্রন্থসমূহৰ ভিতৰত এক বিশেষ স্থান অধিকাৰ কৰি আছে ভট্টোজিদীক্ষিতে ৰচনা কৰা বৈয়াকৰণসিদ্ধান্তকৌমুদী নামৰ গ্রন্থখনে। এই গ্রন্থখন প্রক্রিয়াৰীতিত ৰচনা কৰা হৈছিল। অর্থাৎ পাণিনিৰ সূত্রসমূহক প্রসঙ্গভিত্তিক বিষয়সন্দর্ভত উপস্থাপন কৰি এইখন গ্রন্থ ৰচনা কৰা হৈছিল। যদিও এই ৰীতিত ৰচনা কৰা কিছু গ্রন্থ ভট্টোজিদীক্ষিতৰ পূর্বেও কিছু বৈয়াকৰণে ইতিমধ্যে ৰচনা কৰি গৈছিল, কিন্তু বিষয়বস্তুৰ গাম্ভীর্য তথা পাণিনিৰ সূত্রসমূহৰ সার্ব্বিক আলোচনাৰ ফালৰপৰা উক্ত গ্রন্থখনক ছাত্রবোধৰ বাবে এক উৎকৃষ্ট গ্রন্থ হিচাপে স্বীকাৰ কৰা হৈছে। এই গ্রন্থত সংস্কৃতব্যাকৰণৰ ১১টা বিষয়ৰ ওপৰত আলোচনা আছে। এই বিষয়সমূহ হ'ল— সংজ্ঞা, পৰিভাষা, সন্ধি, সুবন্ত, অব্যয়, স্ত্রীপ্রত্যয়, কাৰক, সমাস, তদ্ধিত, তিঙন্ত আৰু কৃদন্ত। ইয়াৰ উপৰিও উক্ত গ্রন্থখনত ঊনাদিপ্রত্যয়, বৈদিকপ্রক্রিয়া তথা লিঙ্গানুশাসন আৰু গণপাঠৰ বিষয়েও আলোচনা আছে। প্রকৃততে পাণিনিৰ সূত্র, কাত্যায়ন বৰৰুচিৰ বার্ত্তিক আৰু পতঞ্জলিৰ মহাভাষ্যৰ ওপৰত ভিত্তি কৰিহে বৈয়াকৰণ সিদ্ধান্তকৌমুদীখন ৰচনা কৰা হৈছে। এই গ্রন্থৰ আৰম্ভণিতেই ভট্টোজিদীক্ষিতে তিনিগৰাকী বৈয়াকৰণক প্রণাম জনাই গ্রন্থপ্রণয়নত প্রবৃত্ত হোৱা বুলি ব্যক্ত কৰিছে—

মুনিত্রয়ং নমস্কৃত্য তদুক্তীঃ পৰিভাব্য চ।
বৈয়াকৰণসিদ্ধান্তকৌমুদীয়ং বিৰচ্যতে।।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ পাণিনিব্যাকৰণত থকা সূত্রসমূহ কেইটভাগত ভগোৱা হৈছে? ভাগবোৰৰ নাম লিখক।

.....

.....

.....

প্রশ্ন নং ৯ঃ 'ত্রিমুনিব্যাকৰণ' বুলিলে কোন কোন বৈয়াকৰণৰ বুজা যায়?

.....

.....

.....



১.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ব্যাকৰণৰ লক্ষণৰ বিষয়ে জানিব পাৰিলে। ব্যাকৰণ শব্দৰ অর্থ আৰু ব্যাকৰণ শব্দেৰে কি বুজায় সেই বিষয়ে অৱগত হ'ল।
- ব্যাকৰণ যে বেদাঙ্গ সেই বিষয়ে জানিলে। ব্যাকৰণৰ বাহিৰেও আন বেদাঙ্গসমূহ কি সেই বিষয়েও জানিব পাৰিলে। ব্যাকৰণ শাস্ত্রই কিয় বেদাঙ্গৰ মর্যাদা পাইছে আৰু ব্যাকৰণে কেনেদৰে বেদৰ সহায়ক হয় সেই কথা জানিলে।
- পাণিনিৰ পূর্ব্বকালীন ব্যাকৰণ প্রণেতাসকলৰ বিষয়ে জানিব পাৰিলে। ইয়াৰ উপৰিও পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্রন্থত কোন কোন ব্যাকৰণবিদৰ কথা উল্লেখ কৰিছে সেই বিষয়েও জানিব পাৰিলে।
- পাণিনিৰ অষ্টাধ্যায়ীৰ বিষয়ে বিতংভাবে জানিব পাৰিলে। এই গ্রন্থত সূত্রসংখ্যা কিমান, ত্রিমুনি ব্যাকৰণ বুলিলে কি বুজায়, বার্ত্তিক আৰু ভাষ্য কি— এই সকলো বিষয় সম্পর্কে অৱগত হ'ল।
- পাণিনিৰ পৰবর্ত্তী সময়ত সংস্কৃত ব্যাকৰণবোৰ কেনেকুৱা আছিল সেই বিষয়ে জানিলে। তদুপৰি 'প্রক্রিয়া' গ্রন্থৰ বিষয়েও জানিব পাৰিলে। পৰবর্ত্তী ব্যাকৰণগ্রন্থসমূহত পাণিনিৰ প্রভাৱ কেনেকুৱা আছিল সেই বিষয়েও এটা ধাৰণা হ'ল।



১.৯ অধিক জানিবলৈ

১) শর্মা, ড° থানেশ্বৰ; (১৯৯৫), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, চন্দ্রপ্রকাশ পাণবজাৰ।

২) চক্রবর্ত্তী, ড° সত্যনাৰায়ণ; (২০০৩), *পাণিনীয় শব্দশাস্ত্র*, সংস্কৃত পুস্তক ভাণ্ডাৰ, কলকাতা।

৩) হালদাৰ, শ্রীগুৰুপদ; (২০০৬), *ব্যাকৰণ দর্শনেৰে ইতিহাস*, সংস্কৃত বুক ডিপো, কলকাতা (পুনর্মুদ্রণ)।



১.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ব্যাকৰণ শব্দৰ ব্যুৎপত্তিগত অর্থ ব্যাখ্যা কৰি মহাভাষ্যত থকা ব্যাকৰণৰ লক্ষণটো আলোচনা কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ শিক্ষা, কল্প, ছন্দ, ব্যাকৰণ, নিৰুক্ত, জ্যোতিষ।

৩নং প্রশ্নৰ উত্তৰ ঃ অঙ্গ হ'ব লাগিলে কেনেদৰে সহায়ক হ'ব লাগে সেই বিষয়ে আলোচনা কৰি ব্যাকৰণে কেনেদৰে বেদার্থবোধ তথা ৰক্ষা আদিত সহায় কৰে সেই বিষয়ে আলোচনা কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ বেদত থকা 'ছন্দঃ পাদৌ তু বেদস্য..... "মন্ত্রটোত থকা ধৰণে বেদপুৰুষৰ অঙ্গ হিচাপে কি কি শাস্ত্র আছে সেই বিষয়ে লিখিব লাগিব।

৫নং প্রশ্নৰ উত্তৰ ঃ মহেশ, ভৰদ্বাজ, ভাওৰি।

৬নং প্রশ্নৰ উত্তৰ ঃ 'পাণিনিপূর্ববর্ত্তীবৈয়াকৰণ'— এই অংশৰ পৰা লৈ অষ্টাধ্যায়ীৰ সূত্রসমূহত উল্লেখ কৰা বৈয়াকৰণসকলৰ নাম লিখিব লাগিব।

৭নং প্রশ্নৰ উত্তৰ ঃ গার্গ্য বালাকি।

৮নং প্রশ্নৰ উত্তৰ ঃ ছটা ভাগত। সংজ্ঞা, পৰিভাষা, বিধি, নিয়ম, অতিদেশ, অধিকাৰ।

৯নং প্রশ্নৰ উত্তৰ ঃ পাণিনি, কাত্যায়ন আৰু পতঞ্জলি।



১.১০ আৰ্হিপ্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ (৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ব্যাকৰণৰ মুখ্য প্রয়োজনকেইটা উল্লেখ কৰক।

(খ) চুটি প্রশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ সাৰস্বতব্যাকৰণৰ বিষয়ে চমুকৈ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ব্যাকৰণৰ লক্ষণ আলোচনা কৰি ইয়াৰ প্রয়োজনীয়তাৰ বিষয়ে আলোচনা আগবঢ়াওক।

প্রশ্ন ২ঃ পাণিনিৰ পূর্ববর্ত্তী বৈয়াকৰণসকলৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ঃ অষ্টাধ্যায়ীৰ গুৰুত্ব আলোচনা কৰি বৈয়াকৰণ হিচাপে পাণিনিৰ কৃতিত্বৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ পাণিনি ব্যাকৰণ সম্প্রদায় - এটি আলোচনা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ ত্রিমুনি ব্যাকৰণ

২.৪ পাণিনি আৰু অষ্টাধ্যায়ী

২.৫ কাত্যায়ন আৰু বার্ত্তিক

২.৬ পতঞ্জলি আৰু মহাভাষ্য

২.৭ পাণিনি সম্প্রদায়ৰ বিভিন্ন ব্যাকৰণ

২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৯ অধিক জানিবলৈ

২.১০ অগ্রগতিৰ খতিয়ান

২.১১ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পাণিনি সম্প্রদায়ৰ কথা বিতংকৈ জানিব পাৰিব
- ত্রিমুনি ব্যাকৰণ বুলি ক'লে কি বুজায় সেই বিষয়ে অবগত হ'ব
- পাণিনিৰ জীৱন তথা অষ্টাধ্যায়ী গ্রন্থৰ লগত পৰিচিত হ'ব
- কাত্যায়ন আৰু তেওঁৰ বার্ত্তিকসমূহৰ বিষয়ে জানিব
- পতঞ্জলি আৰু মহাভাষ্যৰ বিষয়ে বিস্তৃত ধাৰণা পাব
- ত্রিমুনিৰ উপৰিও পাণিনি সম্প্রদায়ৰ আন আন ব্যাকৰণ তথা বৈয়াকৰণৰ বিষয়ে অবগত হ'ব।

২.২ পৰিচয়

আপুনি ইতিমধ্যে সংস্কৃত ব্যাকৰণৰ বিষয়ে এটা ধাৰণা লাভ কৰিছে। সংস্কৃত ব্যাকৰণৰ ক্ষেত্রখনত যে পাণিনীয় সম্প্রদায় আৰু অপাণিনীয় সম্প্রদায়— এই দুটা মূল ধাৰা আছে সেই বিষয়েও জানিব পাৰিছে। প্রকৃততে সংস্কৃত ব্যাকৰণৰ মূলত আছে পাণিনি আৰু তেওঁৰ অষ্টাধ্যায়ী। সূত্রকাৰ পাণিনিৰ ব্যাকৰণখন ভালকৈ জনাৰ বাবে প্রয়োজন কাত্যায়নৰ বার্ত্তিক আৰু পতঞ্জলিৰ মহাভাষ্যৰ জ্ঞান। সেই কাৰণে পাণিনি-কাত্যায়ন পতঞ্জলিক লৈহে পাণিনীয় সম্প্রদায়ৰ আৰম্ভণি হয়। পৰৱর্তী সময়ত কিছু বৈয়াকৰণে পাণিনিৰ অষ্টাধ্যায়ীৰ পৰা অলপ আতৰি আহি ব্যাকৰণ

ৰচনা কৰে আৰু তেওঁলোকক অপাণিনীয় সম্প্রদায়ৰ অন্তর্ভুক্ত হয়। ইফালে বহু সংখ্যক পৰৱর্তী বৈয়াকৰণে পাণিনি-কাত্যায়ন পতঞ্জলিয়ে সৃষ্টি কৰা ব্যাকৰণৰ পথত আগবাঢ়ি যায় আৰু তেওঁলোকে নিজস্ব ব্যাকৰণ সৃষ্টিৰে পাণিনীয় সম্প্রদায়ক চহকী কৰি তোলে। সংস্কৃত ব্যাকৰণৰ কথা জানিবলৈ হ'লে পাণিনি সম্প্রদায়ক ঘাইকৈ জানিবই লাগে। কাৰণ অপাণিনীয় সম্প্রদায় অধ্যয়ন কৰোতেও পাণিনি ব্যাকৰণৰ জ্ঞান থকাটো আৱশ্যক। গতিকে পাণিনীয় সম্প্রদায়ৰ বিষয়ে বিতংকৈ জনাৰ বাবেই এই অধ্যায়টোৰ অবতাৰণা কৰা হৈছে। পাণিনীয় সম্প্রদায়ৰ ব্যাকৰণৰ অধ্যয়নে পৰৱর্তী পর্যায়ত সংস্কৃত ব্যাকৰণৰ পাঠ বুজাত আপোনাৰ সহায় হ'ব। তদুপৰি কেনেদৰে পাণিনি সূত্রবোৰ বার্ত্তিক আৰু ভাষ্যৰ মাজেদি গৈ সম্পূর্ণ ৰূপত অর্থ প্রকাশ কৰিছে সেই বিষয়ে জানিব পাৰিলে সংস্কৃত ভাষাৰ বিভিন্ন বৈশিষ্ট্যৰ কথা সহজেই বোধগম্য হ'ব। এইবোৰ কথা আগত ৰাখি বর্তমান অধ্যায়টোক সংযুক্ত কৰা হৈছে।

২.৩ ত্রিমুণি ব্যাকৰণ

সংস্কৃত ব্যাকৰণৰ বিষয়টোত অতি পৰিচিত শব্দটো হ'ল ত্রিমুনি ব্যাকৰণ। ত্রিমুনি পদটোৱে সংস্কৃত ব্যাকৰণৰ তিনিজত আদি পুৰুষক সূচায়। তেওঁলোক হ'ল পাণিনি, কাত্যায়ন বা বৰৰুচি আৰু পতঞ্জলি। এই পৰম্পৰাত পাণিনিৰ নামটো জনাজাত হৈছে সূত্রকাৰ হিচাপে। কাৰণ তেওঁ প্রায় চাৰি হাজাৰমান সূত্রেৰে ৰচনা কৰিছে তেওঁৰ কালজয়ী গ্রন্থ অষ্টাধ্যায়ী। উক্ত পৰম্পৰাত দ্বিতীয় স্থানত আছে কাত্যায়ন বা বৰৰুচি। যদিও কাত্যায়ন বা বৰৰুচিয়ে ৰচনা কৰা কোনো স্বতন্ত্র গ্রন্থ পোৱা নাযায় কিন্তু পৰৱর্তী সময়ত বিশেষকৈ পতঞ্জলিৰ মহাভাষ্যত যুগুত কৰা বার্ত্তিকসমূহৰ ভিত্তিত কাত্যায়নৰ ব্যাকৰণ সমৃদ্ধিৰ কথা অনুমান কৰিব পাৰি। কাত্যায়নৰ বার্ত্তিকসমূহে পাণিনিৰ সূত্রসমূহক বহুখিনি সহজ কৰি তুলিলে। ত্রিমুনি পৰম্পৰাৰ অন্তিমজন পুৰুষ হ'ল পতঞ্জলি। পতঞ্জলিৰ মহাভাষ্যখনৰ জৰিয়তে প্রকৃততে পাণিনিৰ সূত্রসমূহে বহুক্ষেত্রত সম্পূর্ণতা লাভ কৰে।



ত্রিমুণি পদটোৱে সংস্কৃত ব্যাকৰণৰ তিনিজন আদি পুৰুষ পাণিনি, কাত্যায়ন বা বৰৰুচি আৰু পতঞ্জলিক বুজায়।

যদিও পাণিনিৰ সূত্রসমূহ সংস্কৃত ব্যাকৰণৰ এক উল্লেখনীয় সম্পদ আৰু ইয়াৰ মাজেদি সংস্কৃত ভাষাৰ বিভিন্ন বৈশিষ্ট্য, নিয়ম আদি নির্ধাৰিত হৈছে কিন্তু সূত্র, বার্ত্তিক আৰু ভাষ্যৰ লক্ষণসমূহ আলোচনা কৰিলেই এই কথাটো স্পষ্ট হৈ পৰে যে প্রকৃততে বার্ত্তিক আৰু ভাষ্যৰ মাজেদি গৈহে সূত্র এটাই সম্পূর্ণ ৰূপ লয় আৰু সর্বসাধাৰণৰ বাবে সহজে বোধগম্য হয়। আপোনালোকৰ সুবিধাৰ বাবে এইখিনিতে সূত্র, বার্ত্তিক আৰু ভাষ্যৰ লক্ষণ আলোচনা কৰা হ'ল।

সূত্র ঃ সূত্রৰ লক্ষণ নির্ধাৰণ কৰি পণ্ডিতসকলে কৈছে—

স্বল্পাক্ষৰমসন্দিগ্ধং সাৰবদ্ বিশ্বতোমুখম্।

অস্তোভমনবদ্যঞ্চ সূত্রং সূত্রবিদো বিদুঃ।।

অর্থাৎ যিটো অলপসংখ্যক আখৰ সমন্বিত, সাৰযুক্ত, বহুকথা বুজাব পাৰে, দোষৰহিত আৰু অসাধাৰণ, সেইটোকে সূত্রবিদসকলে সূত্র বুলি আখ্যা দিয়ে।

মীমাংসকসকলৰ মতে সূত্রৰ লক্ষণ হ'ল—

লঘূনি সূচিতার্থানি স্বল্পাক্ষৰপদানি চ।
সর্বতঃ সাৰভূতানি সূত্রান্যাহুর্মনীষিণঃ।।

অর্থাৎ, যিটো লঘু উপায়েৰে অর্থ জ্ঞাপন কৰিব পাৰি, স্বল্প আখৰ বা পদ যুক্ত হয়, সকলো দিশতেই সাৰৰূপে থাকে সেইটোকে মনীষিসকলে সূত্র বুলি কয়।

এই দুই লক্ষণবাক্যৰ পৰা জনা গ'ল যে সূত্রবোৰ সাধাৰণতে কম আখৰযুক্ত স্বল্পপদসমন্বিত হয় আৰু সেইবোৰেৰে বহু কথা বুজোৱা হয়। প্রাচীন ভাৰতত গ্রন্থৰচনাৰ ক্ষেত্রত সূত্রৰীতি ব্যৱহাৰ কৰা হৈছিল। সেই কাৰণে প্রায় সকলো ধৰণৰ শাস্ত্রৰেই প্রাচীনতম পুথিখন সূত্র মাধ্যমত ৰচিত হোৱা দেখা যায়। যেনে— ব্রহ্মসূত্র, ন্যায়সূত্র, অষ্টাধ্যায়ী, সাংখ্যসূত্র আদি। সূত্রৰ উদাহৰণ হিচাপে আমি অষ্টাধ্যায়ী গ্রন্থৰ প্রথম সূত্রটোক গ্রহণ কৰিব পাৰো। সূত্রটো হ'ল বৃদ্ধিৰাদৈচ্ বৃদ্ধি আৎ-ঐচ্ — মাত্র এই তিনিটা পদেৰে উক্ত সূত্রটোৱে ব্যাকৰণবিধিৰ অতি গুৰুত্বপূর্ণ সংজ্ঞা এটাৰ উপস্থাপনা কৰিছে।

"বিষ্ণুধর্মোত্তৰ' ঃ এখন উপ পুৰাণ

বার্ত্তিক ঃ পণ্ডিতসকলে বার্ত্তিকৰ লক্ষণ এইদৰে দাঙি ধৰিছে—

উক্তানুক্তদুৰুক্তানাং চিন্তা যত্র প্রৱর্ততে।
তৎ গ্রন্থং বার্ত্তিকং প্রাহুৰার্ত্তিকজ্ঞা মনীষিনঃ।

অর্থাৎ সূত্রত উক্ত বা কথিত, অনুক্ত বা অকথিত আৰু দুৰুক্ত বা কঠিনৰূপত প্রকাশিত অংশৰ আলোচনা যি গ্রন্থত কৰা হয় সেই গ্রন্থক বার্ত্তিক গ্রন্থ আৰু সেই ধৰণৰ বাক্যকেই বার্ত্তিক বুলি অভিহিত কৰা হয়। প্রকৃততে বার্ত্তিকসমূহে সূত্রত থকা শূন্যস্থানসমূহ পূর্ণ কৰি দিয়ে। সেই কাৰণে বার্ত্তিকৰ মাজেদি এটা সূত্রৰ বিষয়ে বহু কথা জনা যায়। আপোনালোকে ইতিমধ্যে জানিছে যে পাণিনিৰ সূত্রৰ ওপৰত কাত্যায়ন ৰৰুচিয়ে বার্ত্তিক ৰচনা কৰিছে। বহু ক্ষেত্রতেই এই বার্ত্তিকসমূহে নির্দিষ্ট সূত্রত নথকা বা ভালদৰে প্রকাশ নোপোৱা বহু কথাই ব্যক্ত কৰিছে। সেই কাৰণে বার্ত্তিকসম্বন্ধে বিষ্ণুধর্ম্মোত্তৰত কোৱা হৈছে—

প্রয়োজনং সংশয়নির্ণয়ৌ চ ব্যাখ্যাবিশেষো গুৰুলাঘবং চ।
কৃতব্যুদাসোকৃতশাসনং চ স বার্ত্তিকো ধর্মগুনো২ষ্টকশ্চ।।

''পদমঞ্জুৰী' হ'ল হৰদত্তই 'কালিকা'ৰ ওপৰত লিখা ভাষ্য।

ভাষ্য ঃ ভাষ্যৰ লক্ষণ প্রসংগত কোৱা হৈছে—

সূত্রার্থো বর্ণ্যতে যত্র বাক্যৈঃ সূত্রানুসাৰিভিঃ।
স্বপদানি চ বর্ণ্যন্তে ভাষ্যং ভাষ্যবিদো বিজুদুঃ।।

অর্থাৎ যত সূত্রানুসৰি বাক্যেৰে সূত্রৰ অর্থ বর্ণিত হয় আৰু লগতে স্বাধীনভাৱে পদসংযোগ কৰি অর্থ বিশ্লেষণ কৰা হয়, সেই গ্রন্থক ভাষ্য বুলি কোৱা হয়। পদমঞ্জুৰীৰ আৰম্ভণিতে হৰদত্তই কৈছে— আক্ষেপসমাধানপৰো গ্রন্থো ভাষ্যম্। আক্ষেপ শব্দৰ অর্থ হল জিজ্ঞাসা সমস্যা বা প্রশ্ন। গতিকে যি গ্রন্থত জিজ্ঞাসা বা প্রশ্ন কৰি সেইবোৰৰ সমাধান নির্ধাৰণ কৰা হয়, সেই গ্রন্থকেই ভাষ্য বুলি কোৱা হয়। সংস্কৃত ব্যাকৰণৰ ক্ষেত্রত পতঞ্জলিৰ মহাভাষ্যই প্রধান স্থান অধিকাৰ কৰি আছে। কাৰণ ভাষ্যৰ মাজেদি পতঞ্জলিয়ে পাণিনি ৰচিত সূত্রসমূহত থকা পদবোৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়াইছে আৰু ঠাইয়ে ঠাইয়ে নিজৰ অভিমত ব্যক্ত কৰাৰ বাবে নতুন পদ বা বাক্যৰ সংযোজন

ঘটাইছে। ফলস্বৰূপে পাণিনিৰ অল্পাক্ষৰি সূত্রসমূহ পতঞ্জলিৰ বাক্য বা আলোচনাৰ যোগেদিহে যেন সম্পূর্ণ হৈ উঠিছে।

এইদৰে সূত্র ৰচনা কৰি পাণিনি হ'ল সূত্রকাৰ, বার্ত্তিক ৰচনাৰ মাধ্যমত বৰৰুচি কাত্যায়ন হ'ল বার্ত্তিককাৰ আৰু ভাষ্য ৰচনা কৰি পতঞ্জলি হ'ল ভাষ্যকাৰ। সূত্রকাৰ পাণিনি, বার্ত্তিককাৰ কাত্যায়ন আৰু মহাভাষ্যকাৰ পতঞ্জলিয়ে নিজৰ নিজৰ অভিমতেৰে সংস্কৃত ব্যাকৰণৰ বিষয়ে এটা বিশেষ দিশ উন্মোচন কৰিছে। সংস্কৃত ব্যাকৰণৰ এই তিনিগৰাকী ঋষিতুল্য পণ্ডিতৰ কৃতিত্বক সন্মিলিত ৰূপক অনুসৰণ কৰি কোৱা হয় 'ত্রিমুনিব্যাকৰণ'। প্রকৃততে এই তিনিগৰাকী প্রাতঃস্মৰণীয় বৈয়াকৰণৰ আলোচনাৰ সংঘবদ্ধ ৰূপেই হ'ল পাণিনিব্যাকৰণৰ বিস্তৃত পৰিসৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ত্রিমুনি শব্দটোৰ অর্থ কি?

.....

.....

প্রশ্ন নং ২ঃ সূত্রপদৰ লক্ষণ ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন নং ৩ঃ বার্ত্তিক পদেৰে কি বুজোৱা হয়?

.....

.....

প্রশ্ন নং ৪ঃ ভাষ্য শব্দৰ অর্থ ব্যাখ্যা কৰক।

.....

.....

২.৪ পাণিনি আৰু অষ্টাধ্যায়ী

আপোনালোকে ইতিমধ্যে জানিছে যে সূত্রকাৰ পাণিনিয়ে অষ্টাধ্যায়ী গ্রন্থৰ জৰিয়তে পাণিনীয় সম্প্রদায়ৰ পুৰোধা ব্যক্তি হিচাপে সংস্কৃত ব্যাকৰণৰ জগতখনত প্রতিষ্ঠা লাভ কৰিছে। কিন্তু অত্যন্ত দুখৰ কথা হ'ল যে মহামুনি পাণিনিৰ ব্যক্তিগত জীৱনৰ বিষয়ে খুব বেচি কথা জনা নাযায়। কিছুমান অনুমানভিত্তিক মতামত আৰু কিংবদন্তীৰ ওপৰত নির্ভৰ কৰি পাণিনিৰ বিষয়ে কিছু কথা আগবঢ়োৱা হয়। অষ্টাধ্যায়ী গ্রন্থখনৰ বিষয়ে নাজানিলে প্রকৃততে সংস্কৃত ব্যাকৰণৰ জ্ঞান আধৰুৱা হৈ থাকে। সেইখিনি কথা মনত ৰাখি এই অধ্যায়ত পাণিনি আৰু অষ্টাধ্যায়ীৰ বিষয়ে এটি বিশদ আলোচনা আগবঢ়োৱা হ'ল। পাকিস্তানৰ অন্তর্গত পেছোৱাৰ জিলাৰ ওহিন্দ নগৰৰ পৰা পূর্বোত্তৰ দিশত প্রায় চাৰি মাইল দূৰৈত অৱস্থিত শলাতুৰ নামৰ গাঁৱত পাণিনিৰ বাসস্থান আছিল বুলি অনুমান কৰা হয়। শলাতুৰ গাঁৱৰ বাসিন্দা হোৱা কাৰণে পাণিনিক 'শালাতুৰীয়'

বুলিও অভিহিত কৰা হয়। অনুমান কৰা হয় যে পাণিনিৰ সময়ত এই অঞ্চলখিনিক গান্ধাৰ বুলি কোৱা হৈছিল। কিছুমান পণ্ডিতৰ মতে পাণিনিৰ প্ৰকৃত নাম আছিল আহিক আৰু পাণিনি পদটোৱে গোত্ৰক বুজোৱা সম্ভাৱনাও প্ৰবল। পাণিনিৰ পিতাৰ নাম আছিল শলঙ্ক আৰু মাকৰ নাম আছিল দাক্ষী। পাণিনিৰ মাকৰ দেউতাকৰ নাম আছিল দক্ষ, মোমায়েক আছিল দাক্ষী আৰু মোমায়েকৰ ল'ৰা আছিল দাক্ষায়ন। কিছুমান পণ্ডিতে দাক্ষায়ন বুলি ক'লে ব্যাড়িকেই বুজায়। যিহেতু প্ৰাচীন কালত পিতৃ পৰিচয় বা মাতৃ পৰিচয়ৰ মাধ্যমত মানুহক চিনাকি কৰাই দিয়াৰ প্ৰথা ভাৰততে প্ৰচলিত আছিল সেই কাৰণে পাণিনিক শলঙ্কৰ পুত্ৰ হিচাপে শালঙ্কি, দাক্ষীৰ পুত্ৰ হিচাপে দাক্ষেয় বুলিও অভিহিত কৰা হৈছিল।

পাণিনিৰ সময় লৈ পণ্ডিতসকলৰ মাজত যথেষ্ট বিতৰ্ক হোৱা দেখা যায়। যিহেতুকে এই বিষয়ে তথ্য নিৰ্ভৰ কোনো আলোচনাক প্ৰমাণ হিচাপে গ্ৰহণ কৰা নাযায়। সেই কাৰণে পাণিনিৰ সময় নিৰ্ণয় কৰিব গৈ পণ্ডিতসকলে বিভিন্ন ধৰণৰ মতামত আগবঢ়োৱা দেখিবলৈ পোৱা যায়। এতিয়ালৈকে পোৱা অনুমান নিৰ্ভৰ মতামতৰ ওপৰত ভিত্তি কৰি পাণিনিক খ্ৰীঃ পূঃ ৫ম আৰু ৪র্থ শতাব্দীৰ মাজৰ সময়ছোৱাৰ বুলি গণ্য কৰা হয়। বাল্যশিক্ষা শেষ কৰি পাণিনি উপযুক্ত শিক্ষালাভৰ আশাত সেইসময়ৰ ভাৰতীয় শিক্ষাৰ প্ৰাণকেন্দ্ৰৰূপে নিৰ্ধাৰিত তক্ষশিলাত আহি উপস্থিত হয়। কিন্তু দুৰ্ভাগ্যক্ৰমে শিক্ষা সমাপ্ত নকৰাকৈয়ে তেওঁ তক্ষশিলা এৰিবলগীয়া হয় আৰু তেওঁৰ বৈয়াকৰণ হোৱাৰ ইচ্ছা আধৰুৱা হৈ ৰৈ যায়। পৰৱৰ্তী সময়ত তেওঁ পাটলিপুত্ৰত আহি উপাধ্যায় বৰ্ষৰ ওচৰত উপস্থিত হয়। কিন্তু স্বভাৱমূৰ্খ পাণিনিয়ে বৰ্ষৰ শিষ্যসকলৰ দ্বাৰা অপমানিত হ'বলগীয়া হোৱাত তেওঁ সেই স্থান পৰিত্যাগ কৰিবলৈ বাধ্য হয়। এই ধৰণে অপমানিত হোৱা পাণিনিয়ে বিদ্বান হোৱাৰ আশাত তথা অপমানৰ প্ৰতিশোধ লোৱাৰ আকাংক্ষাত ভগবান শিৱৰ কৃপা লাভৰ বাবে কেদাৰতীৰ্থত গৈ কঠোৰ তপস্যা আৰম্ভ কৰে। পাণিনিৰ তপস্যাত সন্তুষ্ট হৈ মহাদেবে চৈধ্যবাৰ ডম্বৰু বজাইছিল আৰু সেই শব্দৰ পৰাই 'চতুৰ্দশমাহেশ্বৰসূত্ৰ'ৰ উৎপত্তি হয়। এই সূত্ৰসমুদায়ৰ আলমতেই পাণিনিয়ে সমগ্ৰ অষ্টাধ্যায়ী ৰচনাত প্ৰবৃত্ত হয়। বিদ্যালাভৰ পিছত পাণিনিয়ে ইন্দ্ৰব্যাকৰণৰ পণ্ডিত বৰৰুচি কাত্যায়নক বিদ্যাযুদ্ধত আহ্বান কৰে আৰু নিজৰ পাণ্ডিত্যৰ প্ৰভাবত প্ৰতিদ্বন্দ্বী ব্যাকৰণবিদক পৰাস্ত কৰিবলৈ সমৰ্থ হয়। কিম্বদন্তীমতে পিছত কাত্যায়নেও মহাদেবৰ তপস্যা কৰি এই ব্যাকৰণৰ পৰিসৰ বৃদ্ধি কৰে। কিন্তু পাণিনিয়ে যেতিয়া জানিলে যে তেওঁৰ সূত্ৰৰ ওপৰত তেওঁৰেই বিৰুদ্ধাচৰণ কৰা বৰৰুচিয়ে কাত্যায়ন বাৰ্ত্তিক ৰচনা কৰিছে তেতিয়া তেওঁ অত্যন্ত ক্ৰোধান্বিত হৈ পৰে আৰু নিজৰ শেষ সময়ৰ বাবে অপেক্ষা কৰি থকা কাত্যায়নক ধ্বংস হোৱাৰ অভিশাপ দিয়ে। বৰৰুচি কাত্যায়নেও খণ্ডত অগ্নিশৰ্মা হৈ পাণিনিৰ মস্তকবিদীৰ্ণ হোৱা অভিশাপ দিয়ে। এইদৰে দুয়োজন বৈয়াকৰণৰ পাৰস্পৰিক অভিশাপৰ প্ৰকোপত দুয়োৰে মৃত্যু ঘটে। সিংহৰ আক্ৰমণত মূৰ ফালি যোৱাত মৃত্যু হয় পাণিনিৰ আৰু একে সময়তে বৰৰুচি কাত্যায়নেও পৰলোক গমন কৰে। ত্ৰয়োদশী তিথিত এই দুইগৰাকী বৈয়াকৰণৰ মৃত্যু হৈছিল কাৰণে পৰৱৰ্তী সময়ত পণ্ডিতসমাজে এই দিনটোত ব্যাকৰণ অধ্যয়ন বন্ধ ৰাখিছিল।

পাণিনিৰ অষ্টাধ্যায়ী গ্ৰন্থখন সংস্কৃত ব্যাকৰণৰ এটা অমূল্য সম্পদ। কেবল মাত্ৰ সংস্কৃত

ভাষাৰ বাবে নহয় সমগ্ৰ বিশ্বত বেলেগ কোনো ভাষাতেই এনেকুৱা প্ৰাচীন অথচ উন্নত মানৰ ব্যাকৰণ প্ৰায় পোৱাই নাযায়। সেই কাৰণে সমগ্ৰ বিশ্বৰ জ্ঞানভাণ্ডাৰৰ বাবেও এই গ্ৰন্থখন এটি মূল্যবান আকৰ। পৃথিৱীৰ বিভিন্ন দিশৰ পণ্ডিতে আজিও এই গ্ৰন্থখনৰ ওপৰত তেওঁলোকৰ অধ্যয়ন চলাই গৈছে। আজিৰ দিনতো অষ্টাধ্যায়ী গ্ৰন্থৰ অধ্যয়নৰ ভিত্তিত বিভিন্ন ব্যাকৰণবিদে নতুন নতুন তথ্য দাঙি ধৰিবলৈ সক্ষম হৈছে।

অষ্টাধ্যায়ী গ্ৰন্থত প্ৰায় চাৰি হেজাৰ সূত্ৰ আছে। মঙ্গলবাচক 'বৃদ্ধি' পদেৰে এই গ্ৰন্থখনৰ সূচনা কৰা হৈছে। পাণিনিয়ে এই গ্ৰন্থৰ প্ৰথম সূত্ৰ এনেদৰে ৰচনা কৰিছে 'বৃদ্ধিৰাদৈচ্'। নামকৰণৰ পৰাই জানিব পাৰি যে অষ্টাধ্যায়ী গ্ৰন্থত মুঠ আঠটা অধ্যায় আছে। আঠটা অধ্যায়ৰ সমাহাৰ হোৱা কাৰণেই এই গ্ৰন্থখনৰ নাম অষ্টাধ্যায়ী। এই গ্ৰন্থখনক শব্দানুশাসন নামেৰেও অভিহিত কৰা হয়। ইয়াতে মনকৰিবলগীয়া কথাটো হ'ল যে যদিও পাণিনিয়ে তেওঁৰ সময়ত প্ৰচলিত সংস্কৃত ভাষাৰ শব্দ ভাণ্ডাৰক আশ্ৰয় কৰিহে অষ্টাধ্যায়ী গ্ৰন্থখন প্ৰণয়ন কৰিছে কিন্তু এইখন ব্যাকৰণত বৈদিক সংস্কৃতৰ বিষয়েও সূত্ৰ প্ৰণয়ন কৰা হৈছে। কিন্তু লৌকিক সংস্কৃতৰ বিষয়বস্তু সম্বন্ধীয় সূত্ৰসংখ্যাৰ তুলনাত বৈদিক সংস্কৃত বিষয়ক সূত্ৰ সংখ্যা নিচেই তাকৰ।

অষ্টাধ্যায়ী গ্ৰন্থখনৰ প্ৰত্যেকটো অধ্যায়ত চাৰিটাকৈ পাদ আছে। সেইবাবে এই গ্ৰন্থত (৮×৪ = ৩২) সৰ্বমুঠ ৩২টা পাদ পোৱা যায়। আপোনালোকে ইতিমধ্যে জানিছে যে পাণিনিৰ সূত্ৰ বুজাবলৈ তিনিটা সংখ্যা ব্যৱহাৰ কৰা হয়। তাৰে প্ৰথম সংখ্যাটোৱে অধ্যায় বুজায়, দ্বিতীয়টোৱে পাদ বুজায় আৰু তৃতীয়টোৱে সূত্ৰসংখ্যা বুজায়। এই ক্ষেত্ৰত কোৱা হয়— 'অধ্যায়সংখ্যা প্ৰথমাত্ পাদসংখ্যা দ্বিতীয়তঃ। তৃতীয়াদঙ্কতো গ্ৰাহ্যা সূত্ৰসংখ্যেতি নির্ণয়ঃ।।' এইখিনিতে উল্লেখযোগ্য কথাটো হ'ল যে পৰৱৰ্তী সময়ত পাণিনীয়সম্প্ৰদায়ত গঢ় লোৱা প্ৰক্ৰিয়াগ্ৰন্থসমূহত 'সংজ্ঞাপ্ৰকৰণ', 'পৰিভাষাপ্ৰকৰণ' ইত্যাদি প্ৰকৰণভিত্তিত যি বিভাজন পৰিলক্ষিত হয় অষ্টাধ্যায়ীগ্ৰন্থত কিন্তু এই সূত্ৰ নিয়ম কোনোক্ষেত্ৰতেই পোৱা নাযায়। সেই কাৰণে অষ্টাধ্যায়ীৰ প্ৰথম অধ্যায়ৰ প্ৰথম সূত্ৰ হ'ল বৃদ্ধিৰাদৈচ্ (১/১/১), দ্বিতীয়সূত্ৰ হ'ল অদেঙ্‌গুণঃ (১/১/২) কিন্তু তৃতীয় সূত্ৰ হ'ল ইকো গুণবৃদ্ধী (১/১/৩)— যি বিষয়ত পৰৱৰ্তী সময়ত দেখা পোৱা যায় যে বৈয়াকৰণসকলে প্ৰথম দুটা সূত্ৰক সংজ্ঞাপ্ৰকৰণত অন্তৰ্ভুক্ত কৰিছে। কিন্তু ইকো গুণবৃদ্ধী— এই তৃতীয়সূত্ৰটোক তেওঁলোকে পৰিভাষাপ্ৰকৰণত অন্তৰ্ভুক্ত কৰিছে। কিন্তু সেইবুলি আমি অষ্টাধ্যায়ীৰ সূত্ৰসজ্জাক অপ্ৰয়োজনীয় বুলি কেতিয়াও ক'ব নোৱাৰো। কাৰণ পাণিনিয়ে এই গ্ৰন্থত এটা বিশেষ ক্ৰম অনুসৰণ কৰিহে সূত্ৰৰ অৱস্থান নির্ণয় কৰিছে। সেই ক্ৰমত প্ৰকৰণভিত্তিক নিয়ম নাথাকিলেও বিষয়গত সাযুজ্য ৰক্ষা কৰা হৈছে। এতিয়াও এনেকুৱা বহুসংখ্যক বৈয়াকৰণ আছে যিসকলে প্ৰকৰণৰ ক্ৰমতকৈ পাণিনীয়সূত্ৰক্ৰমকেই অধিক যুক্তিনির্ভৰ বুলি মত পোষণ কৰে।

ক্ৰম যেনেকুৱাই নহওক কিয় পাণিনিৰ অষ্টাধ্যায়ী গ্ৰন্থখনৰ মহত্ব কৈ শেষ কৰা নাযায়। সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা শব্দসমূহৰ গঠনপ্ৰণালী প্ৰতিষ্ঠা কৰাটোৱে আছিল পাণিনিৰ মূল লক্ষ্য। কিন্তু এই মূল বিষয়ৰ আলমলৈ অনন্য প্ৰতিভাধৰ এই ব্যাকৰণবিদজনে সংস্কৃত ভাষাৰ বিভিন্ন দিশ উন্মোচন কৰিছে। তদুপৰি একেটা শব্দৰে বিভিন্ন ধৰণৰ প্ৰয়োগ বেলেগ বেলেগ

ঠাইত যে দেখা গৈছিল সেই বিষয়েও পাণিনিয়ে সূত্র ৰচনা কৰিছে অষ্টাধ্যায়ী গ্রন্থত। তদুপৰি পাণিনিৰ সূত্রসমূহৰ সহায়ত সেই সময়ৰ ভাৰতীয় সমাজখনৰ বিষয়েও বহু কথা জনা যায়।

অষ্টাধ্যায়ী গ্রন্থখনৰ পাঠৰ ক্ষেত্রত কিছু নিয়ম অনুসৰণ কৰিবলগীয়া হয় আৰু সেই নিয়মসমূহৰ বিষয়ে জ্ঞান নাথাকিলে পাণিনিৰ সূত্রসমূহ দুর্বোধ্য হৈ পৰে। এই ক্ষেত্রত 'প্রত্যাহাৰ', 'অনুবৃত্তি' আদিৰ বিষয়ে ক'ব পাৰি। আপোনালোকে ইতিমধ্যে জানিছে যে পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্রন্থত সংক্ষিপ্তকৰণৰ আশ্রয় লৈছে আৰু সেইবাবে এইখন ব্যাকৰণ সমগ্র বিশ্বতেই সমাদৃত। প্রত্যাহাৰ, অনুবৃত্তি আদি প্রক্রিয়াৰ বাবেই অষ্টাধ্যায়ী গ্রন্থত সংক্ষিপ্তকৰণৰ সার্থকতা স্মৰণ কৰি এ এ ম্যাকডোনেলে তেওঁৰ 'এ সংস্কৃত গ্রামাৰ ফৰ ষ্টুডেণ্টছ'—ত কৈছে – '.... this grammar describes the entire Sanskrit language in all the details of its structure, with completenens which has never been equalled elsewhere. It is at once the shortest and fullest grammar in the world.'



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ পাণিনিৰ বাসস্থান ক'ত আছিল?

.....

প্রশ্ন নং ৬ঃ পাণিনিৰ বিৰুদ্ধে থকা বৈয়াকৰণজন কোন আছিল?

.....

.....

প্রশ্ন নং ৭ঃ পাণিনিয়ে কেনেকৈ ব্যাকৰণৰ জ্ঞান লাভ কৰিছিল লিখক।

.....

.....

প্রশ্ন নং ৮ঃ অষ্টাধ্যায়ীক কিয় এই নামেৰে অভিহিত কৰা হয়?

.....

.....

প্রশ্ন নং ৯ঃ অষ্টাধ্যায়ীক মহান গ্রন্থ বুলি অভিহিত কৰা এজন বিদেশী পণ্ডিতৰ নাম লিখক আৰু তেওঁৰ প্রশংসাবাণীৰ বিষয়ে কওক।

.....

.....



জানি থোৱা ভাল

পাণিনিৰ সর্বশ্রেষ্ঠ গ্রন্থ অষ্টাধ্যায়ী। এই গ্রন্থত পাণিনিয়ে তেওঁৰ যুগৰ বিশাল ভাৰতবর্ষৰ জনপদ, নগৰ, গাঁও, পর্বত, বন, গোত্র, ব্যক্তি, বেশ-ভূষা, ৰীতি-আচাৰ আদিৰ সমস্ত দিশৰ বাচক শব্দ প্রস্তুত

কৰি সেইবোৰৰ বৈশিষ্ট্য প্রদান কৰিছে। সেইবোৰৰ শিষ্ট ব্যৱহাৰৰ কাৰণে নিয়ম প্রণালীবদ্ধ কৰি ভাষাৰ মানদণ্ড নিৰূপণ কৰাৰ লগে লগে সেই সময়ৰ সমাজৰ সভ্যতা আৰু সংস্কৃতিৰ এখনি আলেখ্য উপস্থাপিত কৰিছে।

২.৫ কাত্যায়ন আৰু বার্ত্তিক

আপোনালোকে ইতিমধ্যে জানিছে যে পাণিনিৰ সূত্রসমূহৰ ওপৰত কাত্যায়নে বার্ত্তিক ৰচনা কৰিছে। বৰৰুচি কাত্যায়ন পাণিনিৰ সমসাময়িক বিদগ্ধ বৈয়াকৰণ আছিল। পাণিনিৰ বিষয়ে চলি অহা কিংবদন্তীৰ পৰা আপোনালোকে জানিছে যে পাণিনিয়ে তপস্যাৰ বলত মহীয়ান হৈ বাগ্‌যুদ্ধত কাত্যায়নক পৰাস্ত কৰিছিল। কিন্তু পৰৱর্তী সময়ত কাত্যায়নেই পাণিনিৰ সূত্রৰ ওপৰত বার্ত্তিকসমূহ ৰচনা কৰি বার্ত্তিককাৰ হিচাপে পাণিনীয় ব্যাকৰণ সম্প্রদায়ৰ দ্বিতীয় অধ্যেতা হিচাপে নিজৰ আসন স্থায়ী কৰিবলৈ সক্ষম হয়। যিহেতু বৰৰুচি কাত্যায়নক পাণিনিৰ সমসাময়িক বুলি অনুমান কৰা হয় সেইকাৰণে কাত্যায়নৰ সময় খ্রীঃ পূঃ ৪র্থ শতিকৰ প্রথমার্দ্ধ হিচাপে গ্রহণ কৰা হয়। ৰাজশেখৰৰ 'কাব্যমীমাংসা' গ্রন্থত থকা উদ্ধৃতিসাপেক্ষে [(শ্রূয়তে চ পাটলিপুত্রে শাস্ত্রকাৰ পৰীক্ষা। অত্রোপবর্ষাবিহ পাণিনিপিঙ্গলাবিহ ব্যাডিঃ। বৰৰুচিপতৰঞ্জলি ইহ পৰীক্ষিতাঃ খ্যাতমুপজতমুঃ (১০ম অধ্যায়)] ক'ব পাৰি যে বৰৰুচি কাত্যায়নে পাটলিপুত্রত হোৱা শাস্ত্রকাৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীর্ণ হৈ যথেষ্ট খ্যাতিলাভ কৰিছিল। কিম্বদন্তী অনুসৰি বৰৰুচি কাত্যায়নৰ পিতৃৰ নাম আছিল সোমদত্ত আৰু মাতৃৰ নাম আছিল বসুদত্তা। শিশুবয়সতেই তেওঁৰ পিতৃ বিয়োগ ঘটে কিন্তু তেওঁ শিশুবয়সতেই শ্রুতিধৰ হিচাপে খ্যাতি লাভ কৰে। পৰৱর্তী সময়ত বৰৰুচি কাত্যায়নে বর্ষ নামৰ পণ্ডিতৰ ওচৰত বিদ্যা চর্চা কৰে আৰু ঐন্দ্রব্যাকৰণত পাৰদর্শী হৈ উঠে। কালক্রমত তেওঁ পাণিনিৰ ওচৰত বিদ্যাযুদ্ধত পৰাস্ত হয় আৰু পাণিনি অষ্টাধ্যায়ী অধ্যয়ন কৰি তাৰ ওপৰত তেওঁৰ বার্ত্তিকসমূহ ৰচনা কৰি অষ্টাধ্যায়ীগ্রন্থৰ ভেটিটোক অধিক সুদৃঢ় কৰি তোলে।

বৰৰুচি কাত্যায়নে পাণিনিৰ ১২০০ তকৈ অধিক সূত্রৰ ওপৰত বার্ত্তিক ৰচনা কৰে। তেওঁ ৰচনা কৰা বার্ত্তিকৰ সংখ্যা পাঁচ হাজাৰতকৈও বেছি। মহাভাষ্যত পতঞ্জলিয়ে এই গৰাকী ব্যাকৰণবেত্তাক বার্ত্তিককাৰ বুলি অভিহিত কৰিছে। কিছুমান ঠাইত আকৌ বৰৰুচিকাত্যায়নক বাক্যকাৰ বুলিও অভিহিত কৰিছে কিছুসংখ্যক পণ্ডিতে। মহাভাষ্যদীপিকাত ভর্ত্তৃহৰিয়েও বার্ত্তিককাৰক বাক্যকাৰ বুলি অভিহিত কৰিছে।

এইখিনিতে উল্লেখযোগ্য কথাটো হ'ল যে বৰৰুচি কাত্যায়নে কিন্তু ক্রম অনুসৰি পাণিনিৰ সূত্রসমূহৰ ওপৰত বার্ত্তিক ৰচনা কৰা নাই। তেওঁ কোনো কোনো সূত্রৰ ওপৰত এটাও বার্ত্তিক ৰচনা কৰা নাই আকৌ তেওঁ কোনো এটা সূত্রৰ ওপৰত পঞ্চাছৰো অধিক বার্ত্তিক ৰচনা কৰাও দেখা যায়। কিন্তু দুখৰ কথা হ'ল বৰৰুচি কাত্যায়নে বার্ত্তিকৰ ওপৰত কোনো পৃথক গ্রন্থ ৰচনা কৰি থৈ যোৱা নাই। পতঞ্জলিৰ মহাভাষ্যতেই এই বার্ত্তিকসমূহৰ অস্তিত্ব বিচাৰি পোৱা যায়। বৰৰুচি কাত্যায়নৰ বার্ত্তিকসমূহ অধ্যয়ন কৰি বহুতো পণ্ডিতে অভিমত প্রকাশ কৰিছে যে কাত্যায়নে পাণিনিৰ দুর্বলতা প্রকাশ কৰাৰ বাবেহে বার্ত্তিকসমূহ ৰচনা কৰিছে। কিন্তু এই ক্ষেত্রত কিছুমান

পণ্ডিতে আকৌ কাত্যায়নক দোষ দিব নোখোজে কাৰণ বার্ত্তিকৰ লক্ষণ বিশ্লেষণ কৰিলেই জনা যায় যে সূত্রত থকা, নথকা বা দুর্বোধ্যৰূপত থকা অংশখিনিত বিশ্লেষণৰ বাবেই বার্ত্তিকৰ প্রয়োজন হয়। বৰৰুচি কাত্যায়নৰ বার্ত্তিকসমূহে প্রকৃতার্থত এই প্রয়োজনেই সিদ্ধ কৰিছে। এই কথা অনস্বীকার্য যে বহুক্ষেত্রতেই বৰৰুচি কাত্যায়নে বার্ত্তিক ৰচনাৰ যোগেদি পাণিনিৰ সূত্রৰ সমালোচনা কৰিছে। উদাহৰণস্বৰূপে ক'ব পাৰা যায় যে পাণিনিৰ ১-১-১২ সূত্রৰ আলোচনাত কাত্যায়নে আগবঢ়োৱা 'ন বা গ্রহণবিশেষনত্বাৎ' বার্ত্তিকটোৰ জৰিয়তে পাণিনিৰ সূত্রটোৰ সমালোচনা কৰা হৈছে। এইদৰে দেখিবলৈ পোৱা যায় যে বৰৰুচি কাত্যায়নে বিভিন্ন প্রসংগত পাণিনিৰ সূত্রৰ বিষয়ে বহু গুৰুত্বপূর্ণ আলোচনা আগবঢ়াইছে। অৱশ্যে কিছুসংখ্যক পণ্ডিতৰ মতে কাত্যায়নে তেওঁৰ বার্ত্তিকৰ মাজেদি পাণিনিৰ পৰৱর্তীসময়ৰ ভাষাগত পৰিৱর্তনসূচক নিয়মবোৰ দর্শাইছে। বৰৰুচি কাত্যায়নৰ বার্ত্তিক ৰচনাৰ উদ্দেশ্য যিয়ে নহওক কিয়, এই বার্ত্তিকসমূহে পাণিনীয় সম্প্রদায়ৰ ব্যাকৰণশাস্ত্রক এক বিশেষ মর্যাদা দি আহিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ঃ কাত্যায়ন বৰৰুচিৰ গুৰু কোন আছিল?

.....

প্রশ্ন নং ১১ঃ কাত্যায়নে প্রাথমিক অৱস্থাত কোন ব্যাকৰণ সম্প্রদায়ৰ পণ্ডিত আছিল আৰু পিছলৈ কোন ব্যাকৰণ সম্প্রদায়ত অন্তর্ভুক্ত হ'ল?

.....

.....

প্রশ্ন নং ১২ঃ কাত্যায়নে ৰচনা কৰা বার্ত্তিকৰ আনুমানিক সংখ্যা কিমান?

.....

প্রশ্ন নং ১৩ঃ কাত্যায়নে ৰচনা কৰা বার্ত্তিকগ্রন্থ পোৱা যায় নে?

.....

প্রশ্ন নং ১৪ঃ কোনগৰাকী সংস্কৃত বৈয়াকৰণৰ গ্রন্থত কাত্যায়নৰ বার্ত্তিকসমূহ লিপিবদ্ধ হৈ আছে?

.....

২.৬ পতঞ্জলি আৰু মহাভাষ্য

আপোনালোকে ইতিমধ্যে জানিছে যে পাণিনীয়ব্যাকৰণৰ তৃতীয়জন অধ্যেতা বা মুনি বুলি ক'লে পতঞ্জলিক বুজোৱা হয়। পতঞ্জলিৰ মহাভাষ্য গ্রন্থখনে পাণিনীয়ব্যাকৰণ অধ্যয়ন কৰাৰ ক্ষেত্রত এক বিশাল ভূমিকা গ্রহণ কৰে। প্রকৃততে মহাভাষ্য অবিহনে পাণিনিব্যাকৰণৰ জ্ঞান সম্পূর্ণ নহয়। বর্তমান অধ্যায়ত সেইকাৰণে পতঞ্জলি আৰু তেওঁৰ মহাভাষ্যৰ বিষয়ে বিশদ আলোচনা আগবঢ়োৱা হ'ল।

পতঞ্জলিৰ বিষয়ে কিছু কথা তেওঁৰ মহাভাষ্যৰ পৰা জনা গ'লেও এই ব্যাকৰণবিদজনৰ বিষয়ে কিছু অদ্ভুত কিংবদন্তী সমাজত প্রচলিত আছে। মহাভাষ্যত তেওঁ নিজকে 'পুষ্পমিত্র'ৰ পুৰোহিত বুলি কৈছে— 'ইহ পুষ্পমিত্রং যাজয়ামঃ' (৩/২/১২৩)। পণ্ডিতসকলৰ মতে প্রকৃততে সুঙ্গবংশীয় ৰজা পুষ্য মিত্রৰ পুৰোহিত আছিল পতঞ্জলি। এই তথ্যমতে তেওঁৰ সময় খ্রীঃ পূঃ ২য় শতিকা বুলি গ্রহণ কৰা যায়। পতঞ্জলিৰ নিজা ঠাই আছিল গোনর্দ আৰু তেওঁৰ মাকৰ নাম আছিল গোণিকাদেবী। সেই কাৰণে পতঞ্জলিক 'গোনর্দীয়' আৰু 'গোনিকাপুত্র' বুলিও অভিহিত কৰা হয়। কিন্তু আন এক কিংবদন্তী মতে পতঞ্জলি হ'ল শেষনাগৰ অৱতাৰ। এই অনুমান মতে এবাৰ শিৱনৃত্যদর্শন কামনা কৰি শেষনাগে ভগবান নাৰায়ণক প্রার্থনা জনোৱাত ভগবানে তেওঁক পাণিনিব্যাকৰণৰ ভাষ্য ৰচনাৰ জৰিয়তে, এয়া সম্ভৱ হ'ব বুলি ক'লে। ভগবানৰ পৰা এই কথা শুনি শেষনাগে গোনর্দদেশৰ গোনিকানামৰ তপস্যাৰত মুনিকন্যাক মাতৃ হিচাপে গ্রহণৰ উদ্দেশ্যে সূর্যার্ঘ্যৰ মাজত সূক্ষ্মদেহত প্রবেশ কৰি পিছত সেই অঞ্জলি পতিত হোৱাৰ সময়তে তাপসৰ মূর্ত্তি ধাৰণ কৰে। পতিত অঞ্জলিৰ পৰা আগমন হোৱা কাৰণে মাতৃয়ে তেওঁৰ নাম দিয়ে পতঞ্জলি। মহাদেৱক আৰাধনা কৰি পতঞ্জলিয়ে বৰ লাভ কৰে আৰু শিবপ্রসাদত পোৱা পাণ্ডিত্যেৰে তেওঁ সবার্ত্তিক অষ্টাধ্যায়ী গ্রন্থৰ ভাষ্যৰচনা কৰিবলৈ সমর্থ হয়। ভাষ্যৰচনাৰ পিছত বহুসংখ্যক ছাত্রই এই গ্রন্থ অধ্যয়নত প্রবৃত্ত হয়। কিন্তু পতঞ্জলিয়ে যবনিকা তৰি লৈ আত্মগোপন কৰি শিক্ষাদানত ব্রতী হয় আৰু ছাত্রসকলক যবনিকা উঠাবলৈ মানা কৰি দিয়ে। কিন্তু অপূর্ব ভাষ্যৰ অভূতপূর্ব কথনভঙ্গীত ছাত্রসকলে আকর্ষিত তথা আচৰিত হৈ ভ্রান্তিবশতঃ যবনিকা দাঙি ধৰে। এই অপৰাধৰ শাস্তি হিচাপে গুৰুৰ সহস্র ফনাৰ ক্রোধানলত সকলো ছাত্র ভস্মীভূত হয়। কিন্তু এজন ছাত্র তাত অনুপস্থিত থকাত ৰক্ষা পায় আৰু গুৰুৰ অভিশাপ তথা অভিশাপমোচন বাণী শুনি গুৰুৰ বচন অনুসৰি চন্দ্রগুপ্তক চাৰিমাহ সময় ধৰি ভাষ্যৰ জ্ঞান দিয়ে আৰু স্বকর্ত্তব্য পালন কৰে। পৰৱর্ত্তীসময়ত চন্দ্রগুপ্তৰ শূদ্র স্ত্রীৰ গর্ভজাত সন্তান ভর্তৃহৰিয়ে এই শিক্ষা গ্রহণ কৰে। পতঞ্জলিক শেষনাগৰ অৱতাৰ হিচাপে গ্রহণ কৰা কাৰণে মহাভাষ্যক ফনিভাষ্য বুলিও অভিহিত কৰা হয়। শ্রীহর্ষৰ নৈষধচৰিতকাব্যত এনেকুৱা প্রয়োগ দেখা যায়— 'ফনিভাষিত ভাষ্য-ফক্কিকা বিষমা কুণ্ডলনামবাপিতা' (২/৯৬)। যিহেতুকে সাংখ্যকাৰিকাৰ 'যুক্তিদীপিকাটীকা'ত আৰু স্বন্দস্বামীৰ নিৰুক্তব্যাখ্যাত চূর্ণিকাৰৰ অভিমত হিচাপে মহাভাষ্যৰ বচন উক্ত হৈছে সেই কাৰণে ক'ব পাৰা যায় যে মহাভাষ্যক 'চূর্নী' বুলিও অভিহিত কৰা হৈছিল।

পতঞ্জলিৰ জীৱনকথা সম্বন্ধীয় কিংবদন্তী যেনেকুৱাই নহওক কিয় সংস্কৃতব্যাকৰণৰ ইতিহাসত মহাভাষ্য গ্রন্থখন এখন অত্যুজ্বল ৰত্নসম গ্রন্থ। পৰৱর্তীকালৰ বিভিন্ন গ্রন্থৰ আকৰ হিচাপেও ব্যৱহাৰ হৈছে এইখন গ্রন্থ। ভাষ্যগ্রন্থসমূহৰ ভিতৰত এইখনৰ মাহাত্ম্য অনুধাবন কৰি ইয়াক মহাভাষ্য বুলি কোৱা হৈছে। প্রকৃততে কাত্যায়ন বৰৰুচিৰ বার্ত্তিকসমূহৰ ব্যাখ্যাৰ সৈতে পাণিনিৰ সূত্রৰ অর্থ বিশ্লেষণেই আছিল মহাভাষ্যকাৰ পতঞ্জলিৰ মুখ্য উদ্দেশ্য। এই প্রসংগত পদমঞ্জুৰী গ্রন্থত উদ্ধৃত নিম্নোক্ত শ্লোকফাঁকি স্মৰণীয়—

যদ্বিস্মৃতমদৃষ্টং বা সূত্রকাৰেন তৎস্ফুটম্।
বাক্যকাৰো ব্রবীত্যেৱং তেনাদৃষ্টং চ ভাষ্যকৃৎ।।

পতঞ্জলিৰ মহাভাষ্য এক বিশাল আৰু মহৎ গ্রন্থ। ইয়াত সৰ্বমুঠ ৮৫টা আহ্নিক আছে। কিন্তু এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে সম্পূৰ্ণ মহাভাষ্যত কেবলমাত্র অষ্টাধ্যায়ীৰ ১৭১৩ টা সূত্রৰ ব্যাখ্যা আছে। অষ্টাধ্যায়ীৰ প্রথম অধ্যায়ৰ প্রথম পাদত থকা সূত্রসমূহক মহাভাষ্যত প্রথম নটা আহ্নিকত বিভক্ত কৰি আলোচনা কৰা হৈছে। এইনটা আহ্নিকক একেলগে 'নবাহ্নিকভাষ্য' বুলিও অভিহিত কৰা হয়। ইয়াৰ প্রথম আহ্নিকটোৰ নাম হ'ল পস্পশা আহ্নিক। পস্পশা শব্দটোৰ আভিধানিক অর্থ হ'ল অতিসূক্ষ্ম নিৰীক্ষণ। পতঞ্জলিৰ মহাভাষ্যত থকা প্রথম আহ্নিকটোৰ গুৰুত্ব অপৰিসীম। যদিও এই পস্পশা আহ্নিকৰ জৰিয়তে পতঞ্জলিয়ে তেওঁৰ ভাষ্যগ্রন্থৰ বিষয়ভূমিকাৰ অৱতাৰনাহে কৰিছে কিন্তু উক্ত অংশত পাণিনীয় ব্যাকৰণৰ বিষয়ে বহু কথা ব্যক্ত হৈছে। সেইকাৰণে পস্পশা আহ্নিকক বহুতো বৈয়াকৰণে উৎকৃষ্ট আহ্নিক বুলি গ্রহণ কৰিছে। এই ক্ষেত্রত প্রচলিত এটা শ্লোক আছে। সেইটো হ'ল—

শাস্ত্রেষ্বাদ্যং ব্যাকৰণং মুখ্যং তত্রাপি পাণিনেঃ।
ৰম্যং তত্র মহাভাষ্যং ৰম্যা তত্রাপি পস্পশা।।

এই শ্লোকটিৰ অর্থ হ'ল সকলো শাস্ত্রৰ ভিতৰত ব্যাকৰণ প্রধান বা মুখ্যশাস্ত্র, ব্যাকৰণসমূহৰ ভিতৰত পাণিনিব্যাকৰণ বা অষ্টাধ্যায়ী প্রথম বা মুখ্যব্যাকৰণ আৰু পাণিনিব্যাকৰণৰ অতি সুন্দৰ ভাষ্য হ'ল পতঞ্জলিৰ মহাভাষ্য আৰু সমগ্র মহাভাষ্যৰ ভিতৰত অতিশয় ৰমনীয় হ'ল পস্পশা বা পস্পশাহ্নিক।

আপোনালোকে ইতিমধ্যে জানিব পাৰিছে যে মহাভাষ্যত পতঞ্জলিয়ে পাণিনিৰ সূত্রসমূহৰ লগতে বৰৰুচি কাত্যায়নৰ বার্ত্তিকসমূহৰ অর্থ ব্যাখ্যা কৰিছে। কিন্তু কিছু ক্ষেত্রত ব্যাখ্যাৰ প্রয়োজনত পতঞ্জলি নিজেও কিছুসংখ্যক বার্ত্তিকৰ সূচনা কৰিছে। পতঞ্জলিয়ে মহাভাষ্যত ৰচনা কৰা বার্তিকসমূহক 'ইষ্টি' বুলি কোৱা হৈছে। পৰৱর্তী কিছুমান বৈয়াকৰণে অভিমত দাঙি ধৰিছে যে পতঞ্জলিৰ ইষ্টিসমূহৰ বাবেই মহাভাষ্যৰ গুৰুত্ব ইমান বেচিকৈ পৰিলক্ষিত হয়।

মহাভাষ্যত পতঞ্জলিয়ে বহুক্ষেত্রত পাণিনিক বার্ত্তিককাৰ কাত্যায়নৰ কটাক্ষৰ পৰা ৰক্ষা কৰাৰ বাবে চেষ্টা কৰা দেখিবলৈ পোৱা যায়। প্রকৃততে পাণিনিৰ সূত্রসমূহ পতঞ্জলিৰ হাততেই স্পষ্টতা লাভ কৰি পণ্ডিতসমাজত চিৰস্থায়ী আসন গ্রহণ কৰিবলৈ সক্ষম হৈছে।

'অথ শব্দানুশাসনম্'— এই বাক্যেৰে পতঞ্জলিৰ মহাভাষ্যৰ শুভাৰম্ভ হৈছে। এইখন গ্রন্থত ব্যাকৰণশাস্ত্রৰ উপৰিও সেই সময়ৰ সমাজৰ চিত্রখনো বহু ক্ষেত্রত স্পষ্টকৈ প্রকাশ পাইছে। শব্দৰ সমান্তৰালকৈ অপশব্দ বা অপভ্রংশবিলাকৰ ব্যৱহাৰৰ বিষয়েও আভাস পোৱা যায় পতঞ্জলিৰ এই সুবৃহৎ গ্রন্থত। তদুপৰি মহাভাষ্যত বিভিন্ন ব্যাকৰণসম্প্রদায়, সংস্কৃতভাষাৰ ৰূপবৈচিত্র্য তথা কিছু জনগোষ্ঠীয় ভাষিক পৰম্পৰাৰ বিষয়েও বহু কথা ঠাইবিশেষে ব্যক্ত হৈছে। গতিকে ভাৰতবর্ষৰ সেই সময়ৰ ভাষিক মানচিত্রখনৰ এটি স্পষ্টৰূপ প্রকাশিত হৈছে পতঞ্জলিৰ মহাভাষ্যগ্রন্থত।



জানি থোৱা ভাল

(ক) মহাভাষ্যত পতঞ্জলিৰ সময়ত সমাজত প্রচলিত বহু ধৰণৰ নীতি-প্রৱচনৰ উল্লেখ পোৱা যায়। যেনে— (১) মাতৰি বর্তিভব্যং, পিতৰি শুশ্রূষিতব্যম (মাতৃক সন্মান আৰু পিতৃক শুশ্রূষা কৰিব লাগে) (২) ধর্মং চৰতি ধার্মিক ঃ (ধার্মিকেহে ধর্ম আচৰণ কৰে) (৩) ন হি ভিক্ষুকা ঃ সন্তীতি স্থাল্যো নাধিশ্রীয়ন্তে ন চ মৃগাঃ সন্তীতি যৱা নোপ্যন্তে (হৰিণৰ আশঙ্কাত যৱৰ খেতি, মগনীয়াৰ আশঙ্কাত অন্নৰ পাক নকৰাকৈ নাথাকে। ইত্যাদি।

(খ) পতঞ্জলিৰ সময়ত অপভ্রংশ বা প্রাকৃতৰ বা আঞ্চলিক ভাষাৰ বহুল প্রয়োগ হৈছিল। তেওঁ ভাষা প্রশিক্ষণৰ কাৰণে সংস্কৃত ব্যাকৰণৰ প্রতি জনগণৰ ৰুচি জাগৃত কৰিবলৈ 'মহাভাষ্য' ৰচনা কৰিছিল। সেই ভাষ্যৰ মাধ্যমেৰে পতঞ্জলিয়ে দর্শন শাস্ত্রৰ দৰে ব্যাকৰণ শাস্ত্রৰ অধ্যয়নকো সমান মর্যাদাসম্পন্ন কৰি তুলিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৫ঃ পতঞ্জলিৰ মহাভাষ্যৰ বেলেগ নামবোৰ কি?

.....

.....

প্রশ্ন নং ১৬ঃপতঞ্জলিৰ মাকৰ নাম কি আছিল আৰু কিয় তেওঁক পতঞ্জলি বুলি কোৱা হয়?

.....

.....

প্রশ্ন নং ১৭ঃ মহাভাষ্যৰ প্রথম বাক্যটো কি লিখক।

.....

প্রশ্ন নং ১৮ঃ মহাভাষ্যত কেইটা আহ্নিক আছে আৰু ইয়াত কিমান সংখ্যক পাণিনিসূত্রৰ ব্যাখ্যা আছে?

.....

.....

প্রশ্ন নং ১৯ঃ পতঞ্জলিয়ে ৰচনা কৰা বার্ত্তিকসমূহক কি বুলি কোৱা হয়? এইবোৰৰ গুৰুত্ব আছেনে?

.....

.....

২.৭ পাণিনিসম্প্রদাৰ বিভিন্ন ব্যাকৰণ

পাণিনিসম্প্রদায়ত অন্তর্ভুক্ত হোৱা বহুতো ব্যাকৰণগ্রন্থ পিছৰ কালছোৱাত পোৱা যায়। পাণিনি-কাত্যায়ন আৰু পতঞ্জলি এই 'ত্রিমুনি'ৰ আদর্শ গ্রহণ কৰি পৰৱর্তী সমত বহুতো বৈয়াকৰণে তেওঁলোকৰ স্বকীয়গ্রন্থ ৰচনা কৰি এই সম্প্রদায়ৰ ভেটিটোক সুদৃঢ় কৰি থৈ গৈছে। কিছু ক্ষেত্রত পৰৱর্তী ব্যাকৰণবিদসকলৰ মাজত কিছুমান নিজস্ব মতামত গঢ় লোৱা দেখা যায় যদিও এই ক্ষেত্রত তেওঁলোকে পাণিনি-কাত্যায়ন-পতঞ্জলিয়ে দেখুৱাই থৈ যোৱা বাটৰ বাটৰুৱা হৈয়ে অগ্রসৰ হৈছে। 'মুনিত্রয়'ৰ উপৰিও যিসকল বৈয়াকৰণে তেওঁলোকৰ গ্রন্থৰ মাজেদি পাণিনীয়ব্যাকৰণৰ সম্প্রদায়টোক অধিক জনপ্রিয় তথা গ্রহণযোগ্য কৰি তুলিছে তেওঁলোকৰ ভিতৰত কিছুমানৰ বিষয়ে ইয়াত আলোচনা কৰা হ'ব। এই আলোচনাৰ জৰিয়তে আপোনালোকে পাণিনীয়ব্যাকৰণ সম্প্রদায়ৰ বিষয়ে বহু কথা জানিব পাৰিব।

জয়াদিত্য, বামন আৰু কাশিকা

পাণিনিৰ অষ্টাধ্যায়ীৰ প্রাচীনতম বৃত্তিগ্রন্থ হ'ল কাশিকা। এইখনৰ কর্তৃত্ব দুগৰাকী ব্যাকৰণবিদ— জয়াদিত্য আৰু বামনৰ বুলি স্বীকাৰ কৰা হয়। কিছুমান পণ্ডিতৰ মতে কাশীত ৰচনা কৰা হৈছিল কাৰণেই এই গ্রন্থখনক 'কাশিকা' বুলি অভিহিত কৰা হৈছে। কিছুমান পণ্ডিতৰ ধাৰণা এই যে কাশিকাগ্রন্থৰ প্রথম পাঁচটা অধ্যায়ৰ ৰচয়িতা হ'ল জয়াদিত্য আৰু পৰৱর্তী তিনিটা অধ্যায়ৰ ৰচক হ'ল বামন। এইখন গ্রন্থৰ মুখ্য বৈশিষ্ট্য হ'ল যে যদিও এইখন পাণিনি ব্যাকৰণসম্প্রদায়ৰ গ্রন্থ কিন্তু ইয়াত সকলোক্ষেত্রত মহাভাষ্যক অনুসৰণ কৰা হোৱা নাই। বহুক্ষেত্রত এই গ্রন্থত পতঞ্জলিৰ মতবাদৰ বিপৰীত মতবাদ প্রকাশ পোৱা দেখা যায়। কিছুমান ঠাইত মহাভাষ্যত অনুসৃত সূত্রসংখ্যাৰ অবস্থিতিৰ পৰিবর্তনো দেখিবলৈ পোৱা যায়। কাশিকাগ্রন্থত উদ্ধৃত পাণিনিসূত্রৰ সংখ্যা নির্ধাৰণত বহুক্ষেত্রতে একেটা সূত্রক ভাঙি দেখুওৱাৰ বাবে, সূত্রহিচাপে বার্ত্তিকৰ ব্যৱহাৰৰ কাৰণে অথবা মূলসূত্রৰ শব্দ পৰিৱর্তনৰ জৰিয়তে কাশিকাত পাণিনীয় সূত্রসমূহৰ কিছু পৰিবর্তন পৰিলক্ষিত হয়। গ্রন্থহিচাপে কাশিকাৰ মূল্য অপৰিসীম। পৰৱর্তীসময়ৰ বহুতো কথা এই গ্রন্থত সন্নিবিষ্ট হৈছে। সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা বহুতো শব্দৰ পৰিবর্তিত ৰূপৰ বিষয়েও কিছু পৰিমাণে ধাৰণা পোৱা যায় এই গ্রন্থত। জিনেন্দ্রবুদ্ধিয়ে এই গ্রন্থৰ ওপৰত 'ন্যাস' নামৰ টীকা ৰচনা কৰে। এইখনক 'কাশিকান্যাস' বুলিও কোৱা হয়।

ধর্মকীর্তি আৰু ৰূপাৱতাৰ

পাণিনিৰ অষ্টাধ্যায়ীত থকা সূত্রসমূহক এটা বিশেষ বিষয়ৰ পৰিধিৰ মাজত সন্নিবিষ্ট কৰি নতুনকৈ সেইবোৰক বিন্যস্ত কৰি সহজবোধ্য কৰাৰ প্রচেষ্টাৰে যিসকল বৈয়াকৰণে প্রয়াস কৰিছিল তাৰ ভিতৰত প্রথম কামটো হ'ল ব্যাকৰণবিদ ধর্মকীর্তিৰ। তেওঁৰ ৰূপাৱতাৰ ব্যাকৰণতেই প্রথম পাণিনিৰ সূত্রৰ বিষয়ভিত্তিক বিন্যাস কৰা দেখিবলৈ পোৱা যায়। এইখন ব্যাকৰণৰ অধ্যায়সমূহৰ নাম অৱতাৰ। ৰূপাৱতাৰ ব্যাকৰণৰ প্রথম অধ্যায়টো হ'ল সংহিতাৱতাৰ। এইখন ব্যাকৰণত প্রায় আঢ়ৈ হেজাৰ পাণিনিসূত্রৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। বিষয়গত বিন্যাসক্রমত সূত্রবোৰ

স্থাপিত হোৱা কাৰণে এই গ্ৰন্থৰ পৰা সহজে পাণিনিসূত্ৰৰ অৰ্থবোৰ জনা যায় বুলি বহুতো পণ্ডিতে মত প্ৰকাশ কৰিছে। সেইফালৰ পৰা ধৰ্মকীৰ্তিৰ ৰূপাৱতাৰ ব্যাকৰণক প্ৰক্ৰিয়াগ্ৰন্থৰ পথিকৃত বুলিও ক'ব পাৰা যায়।

ভট্টোজিদীক্ষিত আৰু বৈয়াকৰণসিদ্ধান্তকৌমুদী

১৬ শ শতিকাৰ মাজভাগৰ পৰা ১৭ শ শতিকাৰ প্ৰথম ভাগৰ ভিতৰত ভট্টোজিদীক্ষিতৰ আবিৰ্ভাব ঘটে বুলি পণ্ডিতসকলে মত পোষণ কৰে। বাৰানসীত বাস কৰা মাৰাঠী ব্ৰাহ্মণ পৰিয়ালত ভট্টোজিৰ জন্ম হয়। তেওঁৰ দেউতাকৰ নাম আছিল লক্ষ্মীধৰ। ভট্টোজিদীক্ষিতে অপ্পয়দীক্ষিতৰ ওচৰত বেদান্তদৰ্শনৰ শিক্ষা গ্ৰহণ কৰিছিল আৰু শেষকৃষ্ণাচাৰ্যৰ ওচৰত ব্যাকৰণৰ শিক্ষা লৈছিল। তেওঁৰ ভ্ৰাতৃ ৰঙ্গোঁজিদীক্ষিতো এজন বিদগ্ধ পণ্ডিত আছিল। এজন বিদগ্ধ বৈয়াকৰণ হোৱাৰ উপৰিও ভট্টোজিদীক্ষিতে ধৰ্ম, দৰ্শন, স্মৃতিশাস্ত্ৰতো নিজৰ পাণ্ডিত্যৰ প্ৰমাণ দিয়ে।

ভট্টোজিদীক্ষিতৰ বৈয়াকৰণসিদ্ধান্তকৌমুদী বা সিদ্ধান্তকৌমুদীখন পাণিনীয়ব্যাকৰণ সম্প্রদায়ৰ এখন উল্লেখযোগ্য গ্ৰন্থ। এইখন গ্ৰন্থত ভট্টোজিদীক্ষিতে পাণিনিৰ সকলো সূত্ৰৰ ব্যাখ্যা দাঙি ধৰিছে আৰু পাণিনীয় ধাতুপাঠ, গণপাঠ, ঔনাদিসূত্ৰ আৰু লিঙ্গানুশাসনো গ্ৰথিত কৰিছে। ভট্টোজিদীক্ষিতৰ পূৰ্ববৰ্ত্তী বৈয়াকৰণসকলৰ প্ৰয়াসত কিন্তু এই সম্পূৰ্ণতা বিচাৰি পোৱা নাযায়। তদুপৰি ভট্টোজিদীক্ষিতে ব্যাকৰণৰ বিষয়সমূহ আলোচনা কৰিব যাওঁতে পাণিনি-কাত্যায়ন-পতঞ্জলি— এই ত্ৰিমুনিৰ মতামতৰ ভিত্তিতহে ব্যাখ্যা দাঙি ধৰিছে। এইবিষয়ে সিদ্ধান্তকৌমুদীৰ প্ৰথম শ্লোকটো স্মৰণীয়—

মুনিত্রয়ং নমস্কৃত্য তদুক্তীঃ পৰিভাষ্য চ।
বৈয়াকৰণসিদ্ধান্তকৌমুদীয়ং বিৰচ্যতে।।

এইখিনিতে উল্লেখ কৰিবলগীয়া কথাটো হ'ল সিদ্ধান্তকৌমুদীত ভট্টোজিদীক্ষিতে আন আন বৈয়াকৰণৰ সিদ্ধান্তৰ বিষয়েও আলোচনা আগবঢ়াইছে। প্ৰক্ৰিয়াগ্ৰন্থসমূহৰ ভিতৰত বৈয়াকৰণসিদ্ধান্তকৌমুদীয়ে শ্ৰেষ্ঠত্বৰ আসন অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে। এইখন গ্ৰন্থক পূৰ্বাৰ্দ্ধ আৰু উত্তৰাৰ্দ্ধ— এই দুটা ভাগত ভগোৱা হৈছে। প্ৰত্যেকটো অধ্যায়ক ইয়াত প্ৰকৰণ বুলি কোৱা হৈছে। সিদ্ধান্তকৌমুদীত সৰ্বমুঠ ১৪৮ টা প্ৰকৰণ আছে। প্ৰত্যেকটো প্ৰকৰণত এটা নিৰ্দিষ্ট বিষয়ৰ সূত্ৰসমূহ আলোচিত হৈছে।

বৰদৰাজ আৰু লঘুসিদ্ধান্তকৌমুদী

পাণিনীয়সম্প্রদায়ৰ আৰু এজন বৈয়াকৰণ হ'ল বৰদৰাজ। বৰদৰাজ ভট্টোজিৰ শিষ্য আছিল। এওঁৰ পিতৃৰ নাম আছিল দুৰ্গাতনয়। দাক্ষিণাত্যৰ ব্ৰাহ্মণ পৰিয়ালত বৰদৰাজৰ জন্ম হয়। পাণিনীয়ব্যাকৰণৰ বিশাল সমুদ্ৰৰ পৰা বালবোধনৰ বাবে অতি প্ৰয়োজনীয় ৰত্নসমূহক আনি সহজভঙ্গীৰে অৰ্থ প্ৰকাশ কৰাৰ উদ্দেশ্যে বৰদৰাজে লঘুসিদ্ধান্তকৌমুদীখন ৰচনা কৰে। এইখন গ্ৰন্থৰ শেষত বৰদৰাজে এই বিষয়ে তেওঁৰ অভিমত প্ৰকাশ কৰি লিখিছে—

শাস্ত্রান্তৰে প্ৰবিষ্টানাং বালানাং চোপকাৰিকা।
কৃতা বৰদৰাজেন লঘুসিদ্ধান্তকৌমুদী।।

এইখন গ্রন্থতো বিষয়সূচী প্রকৰণত বিভক্ত কৰা হৈছে। ইয়াতেই মন কৰিবলগীয়া কথাটো হ'ল যে বৰদৰাজে যদিও বৈয়াকৰণসিদ্ধান্তকৌমুদীখনক আগত ৰাখি সেই গ্রন্থখনৰ আলমতেই তেওঁৰ লঘুসিদ্ধান্তকৌমুদীখন ৰচনা কৰিছে কিন্তু বহুক্ষেত্রতেই বৰদৰাজে স্বকীয় অভিমত তথা দৃষ্টিভঙ্গীৰ চানেকী দাঙি ধৰিছে। বহুক্ষেত্রতেই পাণিনীয়সূত্রবিন্যাসৰ বিষয়ে বৰদৰাজে ভট্টোজিদীক্ষিতৰ সূত্রক্রম অনুসৰণ কৰা নাই। উদাহৰণস্বৰূপে ক'ব পাৰা যায় যে বৰদৰাজে তেওঁৰ সংজ্ঞাপ্রকৰণত 'অদর্শনং লোপঃ' (১/১/৬০), তস্য লোপঃ (১/৩/৯) ইত্যাদি সূত্রবোৰ সন্নিবিষ্ট কৰিছে কিন্তু বৈয়াকৰণ সিদ্ধান্তকৌমুদীৰ সংজ্ঞাপ্রকৰণত এনেকুৰা সূত্রবিন্যাস দেখা পোৱা নাযায়। পাণিনীয়ব্যাকৰণৰ সম্প্রদায়ৰক্ষাত বৰদৰাজৰ লঘুসিদ্ধান্তকৌমুদীয়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।



২.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি পাণিনীয়ব্যাকৰণ সম্প্রদায়টোৰ বিষয়ে বহু কথা জানিলে। পাণিনীয়সম্প্রদায়ত 'ত্রিমুনি ব্যাকৰণ' বুলি ক'লে কি বুজায় সেইবিষয়েও অবগত হ'ল। সূত্র, বার্ত্তিক, ভাষ্যৰ লক্ষণৰ বিষয়ে জানি পাণিনিসম্প্রদায়ৰ সূত্রকাৰ, বার্ত্তিককাৰ আৰু ভাষ্যকাৰৰ গ্রন্থৰাজিৰ লগতো পৰিচিত হ'ল। কি প্রক্রিয়াত পাণিনিৰ সূত্রসমূহ অর্থব্যঞ্জনাৰে পৰৱর্তী সময়ত খ্যাতি লাভ কৰিলে সেইবিষয়েও আপোনাৰ যথেষ্ট জ্ঞান হ'ল। তদুপৰি পাণিনি, কাত্যায়ন আৰু পতঞ্জলিৰ জীৱনবৃত্তান্ত সম্বন্ধে পণ্ডিতসমাজত প্রচলিত কিংবদন্তীৰ বিষয়েও আপুনি জানিলে। অষ্টাধ্যায়ী, বার্ত্তিকসমূহ আৰু মহাভাষ্যৰ ভিতৰুৱা গাঁথনিৰ লগতো আপোনাৰ পৰিচয় হ'ল। লগতে পাণিনিসম্প্রদায়ৰ কিছু মুখ্য বৈয়াকৰণ আৰু ব্যাকৰণগ্রন্থৰ লগতো আপোনাৰ পৰিচয় হ'ল।



২.৯ অধিক জানিবলৈ

১) *মহাভাষ্য*, শ্রীৰুদ্রধৰ ঝা (সম্পাদিত), চৌখম্বা সংস্কৃত সংস্থান, বাৰানসী, ১৯৯০ (৩য় সংস্কৰণ)।

২) *বৈয়াকৰণসিদ্ধান্তকৌমুদী*, শিবদত্তশাস্ত্রী (সম্পাদিত), ক্ষেমৰাজ শ্রীকৃষ্ণ দাস (প্রকাশিত), মুম্বাই, ১৯৪৮।

৩) *লঘুসিদ্ধান্তকৌমুদী*, গোমতীপ্রসাদশাস্ত্রী মিশ্র (সম্পাদিত), চৌখাজ সুৰভাৰতী প্রকাশন, বাৰানসী।



২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ পাণিনি কাত্যায়ন আৰু পতঞ্জলিৰ নাম লিখিব লাগিব।

২ নং প্রশ্নৰ উত্তৰঃ সূত্রৰ বৈশিষ্ট্যসমূহ ক'ব লাগিব।

৩ নং প্রশ্নৰ উত্তৰঃ বার্ত্তিকৰ লক্ষণ আলোচনা কৰিব লাগিব।

৪ নং প্রশ্নৰ উত্তৰঃ ভাষ্যৰ লক্ষণ ব্যাখ্যা কৰিব লাগিব।

৫ নং প্রশ্নৰ উত্তৰঃ পাণিনিৰ বিষয়ে থকা কিম্বদন্তীৰ পৰা লিখিব লাগিব।

৬ নং প্রশ্নৰ উত্তৰঃ কাত্যায়নৰ কথা লিখিব লাগিব।

৭ নং প্রশ্নৰ উত্তৰঃ শিবতপস্যাৰ বিষয়ে আলোচনা কৰিব লাগিব।

৮ নং প্রশ্নৰ উত্তৰঃ অষ্টাধ্যায়ী এই শিৰোনামৰ অর্থ ব্যাখ্যা কৰিব লাগিব।

৯ নং প্রশ্নৰ উত্তৰঃ এ এ ম্যাকডোনেলৰ কথাখিনিৰ অর্থ লিখিব লাগিব।

১০ নং প্রশ্নৰ উত্তৰঃ বৰৰুচি কাত্যায়নৰ গুৰুৰ নাম লিখিব লাগিব।

১১ নং প্রশ্নৰ উত্তৰঃ ঐন্দ্রব্যাকৰণৰ পণ্ডিত কাত্যায়নৰ পাণিনিৰ ওচৰত পৰাজয় স্বীকাৰ কৰি বার্ত্তিক ৰচনাত প্রবেশ কৰাৰ কথা আলোচনা কৰিব লাগিব।

১২ নং প্রশ্নৰ উত্তৰঃ সংখ্যাৰ বিষয়ে ক'ব লাগিব।

১৩ নং প্রশ্নৰ উত্তৰঃ নাযায়।

১৪ নং প্রশ্নৰ উত্তৰঃ মহাভাষ্যৰ বিষয়ে ক'ব লাগিব।

১৫ নং প্রশ্নৰ উত্তৰঃ মহাভাষ্যৰ বেলেগ নামবোৰৰ কথা উল্লেখ কৰিব লাগিব।

১৬ নং প্রশ্নৰ উত্তৰঃ পতঞ্জলিৰ মাকৰ নাম লিখি পতঞ্জলি শব্দটোৰ অর্থ লিখিব লাগিব।

১৭ নং প্রশ্নৰ উত্তৰঃ 'অথ শব্দানুশাসনম্'।

১৮ নং প্রশ্নৰ উত্তৰঃ সংখ্যাকেইটা লিখিব লাগিব।

১৯ নং প্রশ্নৰ উত্তৰঃ ইষ্টিৰ কথা লিখিব লাগিব।



২.১১ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

(ক) **বস্তুধর্মী প্রশ্ন** (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ পাণিনিসম্প্রদায়ৰ ত্রিমুনিৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ সূত্র, বার্ত্তিক আৰু ভাষ্যৰ লক্ষণ বিশদৰূপে ব্যাখ্যা কৰক।

(খ) **চুটি প্রশ্ন** (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ অষ্টাধ্যায়ীৰ বিষয়ে চমুকৈ লিখক।

(গ) **ৰচনাধর্মী প্রশ্ন** (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ অষ্টাধ্যায়ীৰ ওপৰত এটি টোকা লিখক।

প্রশ্ন ২ঃ পাণিনি সম্প্রদায়ত মহাভাষ্যৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ পাণিনিসম্প্রদায়ৰ কেইখনমান গুৰুত্বপূর্ণ গ্রন্থৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ অপাণিনীয় ব্যাকৰণ সম্প্রদায় - এটি আলোচনা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ কাতন্ত্র ব্যাকৰণ

৩.৪ চান্দ্র ব্যাকৰণ

৩.৫ জৈনেন্দ্র ব্যাকৰণ

৩.৬ সাৰস্বত ব্যাকৰণ

৩.৭ সংক্ষিপ্তসাৰ ব্যাকৰণ

৩.৮ মুগ্ধবোধ ব্যাকৰণ

৩.৯ প্রয়োগৰত্নমালা ব্যাকৰণ

৩.১০ হৰিনামামৃত ব্যাকৰণ

৩.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.১২ অধিক জানিবলৈ

৩.১৩ অগ্রগতিৰ খতিয়ান

৩.১৪ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অপাণিনীয় ব্যাকৰণ বুলি ক'লে কি বুজায় সেইবিষয়ে জানিব
- কাতন্ত্র বা কলাপ ব্যাকৰণৰ বিষয়ে অৱগত হ'ব
- চান্দ্রব্যাকৰণৰ মুখ্য বিষয়বস্তুৰ লগত পৰিচিত হ'ব
- জৈনেন্দ্র ব্যাকৰণৰ বৈশিষ্ট্যৰ বিষয়ে অৱগত হ'ব
- সাৰস্বত ব্যাকৰণৰ বিষয়বস্তুৰ বিষয়ে জানিব পাৰিব
- সংক্ষিপ্তসাৰ ব্যাকৰণৰ মুখ্য বৈশিষ্ট্যৰ বিষয়ে অবগত হ'ব
- মুগ্ধবোধ ব্যাকৰণৰ বিষয়বস্তুৰ বিষয়ে জানিব পাৰিব
- প্রয়োগ ৰত্নমালা ব্যাকৰণৰ বিষয়ে অৱগত হ'ব
- হৰিনামামৃত ব্যাকৰণৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব।

৩.২ পৰিচয়

আপুনি ইতিমধ্যে সংস্কৃত ব্যাকৰণৰ ইতিহাস সম্পৰ্কে কিছু পৰিমাণে জ্ঞান লাভ কৰিছে। সংস্কৃত ব্যাকৰণৰ জগতখনত পাণিনীৰ অষ্টাধ্যায়ী গ্ৰন্থখনৰ ভূমিকা কি সেইবিষয়েও পূৰ্বৰ অধ্যায়ত থকা আলোচনাৰ লগত পৰিচিত হৈছে। প্ৰকৃততে পাণিনিৰ অষ্টাধ্যায়ী গ্ৰন্থখনক কেন্দ্ৰ কৰি সংস্কৃত ব্যাকৰণৰ জগতখনত পাণিনীয় সম্প্ৰদায় আৰু অপাণিনীয় সম্প্ৰদায়ৰ ধাৰণা গঢ় লৈছে। পাণিনি-কাত্যায়ন-পতঞ্জলি— এই ত্ৰিমুনি বা পাণিনীয় সম্প্ৰদায়ৰ তিনিজন পুৰোধাব্যক্তিৰ গ্ৰন্থৰ ভিত্তিত ৰচনা কৰা ব্যাকৰণগ্ৰন্থৰ জৰিয়তে বিকাশ পাইছে পাণিনীয় সম্প্ৰদায়ৰ ব্যাকৰণ। আনফালে পাণিনিৰ পিছত কিছুসংখ্যক বৈয়াকৰণে অষ্টাধ্যায়ীৰ পৰা ফালৰি কাটি নিজা নিজা দৃষ্টিভংগীৰে ব্যাকৰণ গ্ৰন্থ ৰচনা কৰি জন্ম দিয়ে অপাণিনীয় সম্প্ৰদায়ৰ। এইখিনিতে উল্লেখযোগ্য কথাটো হ'ল যে পাণিনীয় সম্প্ৰদায় বা অপাণিনীয় সম্প্ৰদায়— এই দুয়োটা বিভাগৰ মূলতেই আছে অষ্টাধ্যায়ী গ্ৰন্থখন আৰু অষ্টাধ্যায়ী গ্ৰন্থৰ ওপৰত কৰা ব্যাখ্যা বা ভাষ্যসমূহ। সংস্কৃত ব্যাকৰণৰ ইতিহাস সম্পৰ্কে জানিব গ'লে পাণিনীয় সম্প্ৰদায়ৰ সমান্তৰালভাৱে অপাণিনীয় সম্প্ৰদায়ৰ বিষয়েও অধ্যয়ন আৱশ্যক। কাৰণ অপাণিনীয় সম্প্ৰদায়ৰ ব্যাকৰণৰ গ্ৰন্থসমূহতো বহুতো প্ৰয়োজনীয় তত্ত্ব বা নিয়ম-নীতিৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। সেই কথা মনত ৰাখি বৰ্তমান অধ্যায়ত অপাণিনীয় সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত কিছুমান মুখ্য ব্যাকৰণ আৰু বৈয়াকৰণৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ মাজেদি সংস্কৃত ব্যাকৰণ তথা সংস্কৃত ভাষাৰ বিষয়ে আপুনি বহু গুৰুত্বপূৰ্ণ কথা জানিব পাৰিব।

৩.৩ কাতন্ত্ৰ ব্যাকৰণ

সংস্কৃত ব্যাকৰণত অপাণিনীয় সম্প্ৰদায়ভুক্ত ব্যাকৰণ গ্ৰন্থসমূহৰ ভিতৰত কাতন্ত্ৰ ব্যাকৰণখনে এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আহিছে। এই ব্যাকৰণৰ আন নাম দুটা হ'ল কৌমাৰব্যাকৰণ আৰু কলাপব্যাকৰণ। এই ব্যাকৰণৰ প্ৰখ্যাতা হিচাপে শতবৰ্মাৰ নাম প্ৰচলিত হৈ আছে আৰু এইখনৰ সময় ১ম/২য় শতাব্দী বুলি ধৰা হৈছে। কিন্তু কিছুমান পণ্ডিতৰ মতে কলাপ ব্যাকৰণখন পাণিনিৰ পূৰ্ববৰ্তী হোৱাৰ সম্ভাৱনাই বেছি, যদিও পাণিনিৰ অষ্টাধ্যায়ীত এইখন ব্যাকৰণৰ বিষয়ে কোনোধৰণৰ উল্লেখ বিচাৰি পোৱা নাযায়। কিন্তু মহাভাষ্য আৰু কাশিকাত এইখন ব্যাকৰণৰ বিষয়ে সূচনা দিয়া হৈছে। এইখিনিতে জানি থোৱা ভাল যে এই ব্যাকৰণৰ নামকৰণৰ বিষয়ে পণ্ডিতসকলে বিভিন্ন ধৰণৰ মতামতযুক্ত আলোচনা আগবঢ়াইছে। শৰ্ববৰ্মাই এই ব্যাকৰণগ্ৰন্থৰ নাম কি দিছিল সেই বিষয়ে বহুজনৰ ভিন্নমত থাকিলেও পঞ্চম শতাব্দীত এই ব্যাকৰণখন কাতন্ত্ৰ নামেৰে অভিহিত হৈছিল। তদুপৰি পণ্ডিতসকলৰ মতে শৰ্ববৰ্মাৰ ব্যাকৰণৰ আগতেও কাতন্ত্ৰব্যাকৰণ আছিল অৰ্থাৎ কাতন্ত্ৰ ব্যাকৰণৰ সম্প্ৰদায়ৰ এটা পৰম্পৰা ভাৰতবৰ্ষত প্ৰচলিত আছিল।



কাতন্ত্ৰ ব্যাকৰণৰ অন্য নাম হ'ল কৌমাৰ ব্যাকৰণ আৰু কলাপ ব্যাকৰণ।

কাতন্ত্ৰ শব্দৰ অৰ্থ হ'ল স্বল্পসংখ্যক সূত্ৰ। ঈষৎ তন্ত্ৰং সূত্ৰং কাতন্ত্ৰম্। 'ঈষৎ' বা 'অল্পাৰ্থক' 'কু' শব্দৰ ঠাইত কা আদেশ হৈ তন্ত্ৰপদৰ লগত যোগ হৈ 'কাতন্ত্ৰ' পদটো সিদ্ধ হৈছে। পদটো গ্ৰন্থৰ

স্বল্পপৰিধিযুক্তত্বৰ বিষয়ে ধাৰণা দিয়ে। পাণিনিৰ অষ্টাধ্যায়ীৰ তুলনাত কাতন্ত্রব্যাকৰণৰ পৰিসৰ যথেষ্ট কম। এই ব্যাকৰণৰ দুটা শাখা পোৱা যায়। ইয়াৰ প্রথমটো বাৰৰুচ শাখা উত্তৰ ভাৰততে আৰু দ্বিতীয়টো দৌর্গশাখা বঙ্গদেশত প্রধানকৈ প্রচলিত আছিল। এই ব্যাকৰণৰ সূত্রপাঠ চাৰিটা অংশত বিভক্ত হোৱা কাৰণে এই ব্যাকৰণক 'চতুষ্টয়' বুলিও অভিহিত কৰা হয়। এই চাৰিটা অংশ হ'ল সন্ধি, নাম, আখ্যাত আৰু কৃৎ। কাতন্ত্রব্যাকৰণখন সন্ধিবৃত্তিৰ সূত্রেৰে আৰম্ভ হৈছে আৰু ইয়াৰ প্রথম সূত্রটো হ'ল 'সিদ্ধো বর্ণসমাম্নায়ঃ'। এই ব্যাকৰণখনত সন্ধিৰ সূত্রলৈ যোৱাৰ আগতে শর্ববর্মাই প্রথমতে বর্ণমালাৰ বিষয়ে ধাৰণা দিছে। এই ব্যাকৰণখনৰ এটা মুখ্য বৈশিষ্ট্য হ'ল যে ইয়াতো প্রদর্শিত বা অনুসৃত বর্ণমালাৰ ক্রমটো পাণিনীয় বর্ণমালাক্রমৰ পৰা সম্পূর্ণ পৃথক। প্রকৃততে ভাৰতীয় আধুনিক ভাষাসমূহত বর্ণমালাৰ যি ক্রম অনুসৃত হয় সেয়া কলাপব্যাকৰণৰ অনুগামী বুলি বহুতো পণ্ডিতে অভিমত পোষণ কৰে। দ্বিতীয়তে পাণিনিৰ অষ্টাধ্যায়ীত ব্যাকৰণৰ বিশ্লেষণাত্মক ৰীতিটো অনুসৃত হৈছে কিন্তু কাতন্ত্রব্যাকৰণত বর্ণ-অক্ষৰ-শব্দ-পদ-বাক্য এই ক্রমানুযায়ী সংশ্লেষণাত্মক ৰীতিৰ বিন্যাস দেখুওৱা হৈছে। চীনা পৰিব্রাজক হিউয়েন চাঙ্ আৰু ইৎসিংৰ লিখাত বর্ণমালাৰ বর্ণনাপ্রসংগত ক্রমে 'সিদ্ধবস্তু' বা 'সিদ্ধিবস্তু'— এই শব্দ দুটা পোৱা যায়— তাৰ মূলতো কাতন্ত্রব্যাকৰণৰ বর্ণমালাৰ অধিষ্ঠান বুলি পণ্ডিতসমাজে অভিমত দাঙি ধৰে। পণ্ডিতসমাজৰ এই অভিমত প্রকৃততে কাতন্ত্র ব্যাকৰণৰ প্রথমসূত্র 'সিয়ে বর্ণসমাম্নায়ঃ'ৰ— ওপৰত প্রতিষ্ঠিত। এই ব্যাকৰণৰ সূত্রসমূহ সৰু সৰু ল'ৰাসকলৰ অধ্যয়নৰ বাবে ৰচনা কৰা হৈছিল (কুমাৰাণামিদং কৌমাৰম্) কাৰণে ইয়াক কৌমাৰব্যাকৰণ বুলি কোৱাৰ প্রথা প্রচলিত আছে। অৱশ্যে কুমাৰশব্দৰ দ্বাৰা ভগৱান কার্ত্তিকেয়কো সূচোৱা হয় আৰু কিম্বদন্তী মতে ষড়াননে (কার্ত্তিক) শিবৰ মুখৰ পৰা ব্যাকৰণৰ বাণী শুনি ময়ূৰৰ পুচ্ছত এইখিনি কথা লিখিছিল কাৰণে এই ব্যাকৰণক কলাপ (শিখি পুচ্ছ) বুলি অভিহিত কৰা হয়। এইক্ষেত্রতো কার্ত্তিকেয়ৰ লগত কলাপব্যাকৰণৰ সম্বন্ধ থকা বুলি বিশ্বাস কৰা হয়। তদুপৰি ১১ শ শতিকাৰ ওচৰে-পাজৰে লিখিত ক্ষেমেন্দ্রৰ 'বৃহৎকথামঞ্জৰী', সোমদেৱৰ 'কথাসৰিৎসাগৰ' আৰু জয়দ্রথৰ 'হৰচৰিতচিন্তামণি' নামৰ গ্রন্থসমূহত থকা বর্ণসাৰ পৰা কলাপব্যাকৰণ সম্বন্ধে কিছু কথা জনা যায়। এবাৰ বসন্ত ঋতুত ৰজা সাতবাহনে (নামান্তৰ শালিবাহন) জলকেলি কৰি থকা সময়ত তেওঁৰ বিদুষী পত্নীয়ে পানী নিদিবলৈ অনুৰোধ কৰি ক'লে 'মোদকং দেহি' (মা উদকং দেহি)। কিন্তু ব্যাকৰণৰ জ্ঞান নথকা কাৰণে ৰজাই সন্ধি ভাঙিলৈ এই বাক্যৰ অর্থগ্রহনত ব্যর্থ হৈ মহিষীয়ে মিঠাই বিচাৰিছে বুলি ভাবি ৰানীক মিঠাই আনি দিলে। এই ঘটনাত ৰজাৰ মূর্খতা প্রতিপন্ন হ'ল আৰু মহিষীয়েও ৰজাক উপহাস কৰে। এই কথা কর্ণগোচৰ হোৱাৰ লগে লগে মন্ত্রী শর্ববর্মাই ছমাহৰ ভিতৰত ৰজাক ব্যাকৰণ শাস্ত্রৰ জ্ঞান দিয়াৰ উদ্দেশ্যে কাতন্ত্র ব্যাকৰণ ৰচনা কৰে। অতি সোনকালে এই ব্যাকৰণে ভাষাৰ জ্ঞান দিয়ে কাৰণেই এইখনৰ নাম কাতন্ত্র ৰখা হৈছে বুলি ভবা হয়। কথাসৰিৎসাগৰত কোৱা হৈছে—

অধুনা স্বল্পসূত্রত্বাৎ কাতন্ত্রাখ্যং ভৰিষ্যতি।

কাতন্ত্রব্যাকৰণৰ বৃত্তিকাৰ দুর্গ সিংহ। এইখন ব্যাকৰণত ঐন্দ্রব্যাকৰণ আৰু প্রাতিশাখ্যৰ প্রভাৱ পৰিছে বুলি পণ্ডিতসমাজত অভিমত পোষণ কৰা হয়। কাতন্ত্রব্যাকৰণত সন্ধি প্রকাৰণখন

অত্যন্ত সাৱলীল তথা নিখুত বুলি ভবা হয়। কাতন্ত্রব্যাকৰণত সমাসপ্রকৰণ আৰু প্রায় সম্পূর্ণ তদ্ধিতাংশৰ সূত্রসমূহ শ্লোকাকাৰত নিবন্ধ। এইফালৰ পৰাও অষ্টাধ্যায়ীত থকা সূত্রসমূহৰ তুলনাত কাতন্ত্রব্যাকৰণৰ সূত্রসমূহ ভিন্নধৰণৰ। কাতন্ত্রব্যাকৰণৰ প্রসিদ্ধ টীকা হ'ল দুর্গগুপ্তসিংহৰ দৌর্গ টীকা। দৌর্গবৃত্তিৰ কঠিন পদসমূহৰ ব্যাখ্যা সম্বলিত ত্রিলোচন দাসকর্ত্তৃক ৰচিত 'কাতন্ত্রবৃত্তিপঞ্জিকা' এই ব্যাকৰণ সম্প্রদায়ৰ এক গুৰুত্বপূর্ণ সংযোজন। এইখনক সংক্ষিপ্তভাৱে পঞ্জিকা বা পঞ্জী বুলিও কোৱা হয়। সুষেণ বিদ্যাভূষণৰ 'কবিৰাজ' কাতন্ত্রব্যাকৰণ সম্প্রদায়ৰ এখন অতি গুৰুত্বপূর্ণ গ্রন্থ। প্রকৃততে 'টীকা-পঞ্জী-কবিৰাজ'ৰ জৰিয়তে কাতন্ত্রব্যাকৰণৰ বিষয়ে সবিশেষ জ্ঞান পোৱা যায়। এয়াই কাতন্ত্রব্যাকৰণৰ 'ত্রয়ী'।

৩.৪ চান্দ্রব্যাকৰণ

চান্দ্রব্যাকৰণ বুলিলে চন্দ্রগোমীয়ে ৰচনা কৰা ব্যাকৰণগ্রন্থখনক বুজোৱা হয়। কিন্তু সংস্কৃত ব্যাকৰণসমাজত চন্দ্র, চন্দ্রাচার্য আৰু চন্দ্রগোমী এই তিনিধৰণৰ নামৰ দ্বাৰা বিশিষ্ট বৈয়াকৰণৰ সূচনা পোৱা যায়। তদুপৰি এই তিনিটা নামেই একেজন ব্যক্তিৰ হয় নে নহয় সেই বিষয়েও পণ্ডিতসকলৰ মাজত যথেষ্ট বাদানুবাদ থকা দেখা যায়। ভর্ত্তৃহৰি বিৰচিত বাক্যপদীয় গ্রন্থত চন্দ্রাচার্যৰ উল্লেখ আছে। কল্হনেও তেওঁৰ ৰাজতৰঙ্গিনীত চন্দ্রাচার্যৰ উল্লেখ কৰিছে। ইয়াৰপৰা সহজেই অনুমান কৰা যায় যে চন্দ্রাচার্য বা তেওঁৰ ব্যাকৰণ এটা সময়ত স্বমহিমাত মহীয়ান আছিল।

চন্দ্রগোমী বৌদ্ধসম্প্রদায়ৰ আছিল আৰু তেওঁৰ সময় খৃষ্টীয় ৫ম শতাব্দী বুলি অনুমান কৰা হয়। এই অনুমানৰ ভেটি হ'ল চান্দ্রব্যাকৰণত 'অজয়দ্ জর্তো হূনান্'— এই সূত্রত সমুদ্রগুপ্তৰ দ্বাৰা হূণসকলক পৰাজিত কৰাৰ কথা সূচিত হৈছে। উক্ত ঐতিহাসিক ঘটনাৰ প্রেক্ষাপটত চন্দ্রগোমীকো এই সময়ৰ বৈয়াকৰণ বুলি অনুমান কৰা হৈছে। বর্তমানে প্রাপ্ত চান্দ্রব্যাকৰণত ছটা অধ্যায় আছে আৰু প্রত্যেকটো অধ্যায় আকৌ চাৰিটাকৈ পাদত বিভক্ত। চান্দ্রব্যাকৰণৰ এটা বৈশিষ্ট্য হ'ল ইয়াত আলোচিত বিষয়বস্তুৰ লগত পাণিনিৰ অষ্টাধ্যায়ীৰ শেষৰ ছটা অধ্যায়ত থকা বিষয়ৰ অদ্ভুত সাদৃশ্য। চান্দ্রব্যাকৰণৰ পৰিসৰ কলাপব্যাকৰণৰ তুলনাত বেচি হ'লেও অষ্টাধ্যায়ীৰ তুলনাত যথেষ্ট কম। পাণিনীয়ব্যাকৰণৰ লগত এই ব্যাকৰণৰ এটা বিশেষ পার্থক্য হ'ল যে ইয়াত অষ্টাধ্যায়ীৰ দৰে টি, ঘু, নদী আদি পাৰিভাষিক শব্দৰ ব্যৱহাৰ নাই। দ্বিতীয়তে চান্দ্রব্যাকৰণত বৈদিক সংস্কৃতৰ কোনো বিশেষ অধ্যায় বা বিভাগ সংযোজিত হোৱা দেখা নাযায়। কিন্তু এই ব্যাকৰণত পাণিনীয় ব্যাকৰণৰ দৰে প্রত্যাহাৰৰ ব্যৱহাৰ হৈছে। ইয়াত ব্যৱহাৰ হোৱা প্রত্যাহাৰ সূত্র হ'ল ১৩টা, পাণিনীয় ব্যাকৰণৰ দৰে চৈধ্যটা নহয়। এই ব্যাকৰণৰ সূত্রসংখ্যা হ'ল ৩০৯৯। কৃত্রিম সংজ্ঞা বা কৃত্রিম পাৰিভাষিক সংজ্ঞাৰ ব্যৱহাৰ নথকাৰ বাবে চান্দ্রব্যাকৰণত বহুখিনি ভাষিক সাৱলীলতাৰ সন্ধান পোৱা যায়। সংজ্ঞা ব্যৱহাৰত এই অকৃত্রিম সৰলতাৰ বাবে চান্দ্রব্যাকৰণক 'অসংজ্ঞক ব্যাকৰণ' বুলিও কোৱা হয়। প্রকৃততে চান্দ্রব্যাকৰণত পাণিনীয়ব্যাকৰণৰ অতিবিস্তৃতিক বিচাৰি পোৱা নাযায় আৰু কলাপব্যাকৰণৰ অসম্পূর্ণতাও ইয়াত নাই। ফলস্বৰূপে সংস্কৃতব্যাকৰণৰ জগতখনত উক্ত ব্যাকৰণ গ্রন্থখনে এটি সুকীয়া আসন অধিকাৰ কৰিবলৈ সমর্থ হৈছে। এই ব্যাকৰণৰ

আন এটা বৈশিষ্ট্য হ'ল ইয়াৰ ধাতুপাঠ অংশত মুঠ ১১৭৪ সংখ্যক ধাতুৰ প্রত্যেকটোৰ এটা এটাকৈ অর্থ প্রকাশিত হৈছে। চান্দ্র ব্যাকৰণৰ ক্ষেত্রত চান্দ্র লিঙ্গানুশাসনেও এটি বিশেষ ভূমিকা গ্রহণ কৰা দেখা যায়। এই ব্যাকৰণৰ ঊণাদিসূত্র তিনিটা অধ্যায়ত বিভক্ত। পাণিনীয় ঊণাদিসূত্রৰ লগত চান্দ্র ঊণাদিসূত্রৰ বহুতো সাদৃশ্য পৰিলক্ষিত হয়। পণ্ডিতসকলৰ মতে যদিও চন্দ্রগোমীৰ স্বৰচিত বৃত্তিগ্রন্থ আছিল কিন্তু সেয়া এতিয়া পোৱা নাযায়। কিছুমান পণ্ডিতৰ মতে চান্দ্রব্যাকৰণৰ বৃত্তি হিচাপে এতিয়া যি বৃত্তি পোৱা যায় সেয়া চন্দ্রগোমীৰ ৰচনা নহয়। কিন্তু সেয়া ধর্মদাসকর্ত্তৃক ৰচিত অপেক্ষাকৃত লঘু বৃত্তি। বুদ্ধদেৱৰ উত্থানৰ যুগত চান্দ্রব্যাকৰণে প্রাচীন ভাৰতত যথেষ্ট প্রচাৰ আৰু প্রসাৰ লাভ কৰিছিল আৰু এই ব্যাকৰণৰ ওপৰত ভালেসংখ্যক টীকাটিপ্পনী বিৰচিত হৈছিল। কিন্তু বৌদ্ধধর্মৰ খ্যাতি নিম্নগামী হোৱাৰ সমান্তৰালভাৱে এই ব্যাকৰণৰ প্রচাৰ আৰু প্রসাৰও সীমিত হৈ আহে আৰু লাহে লাহে এই ব্যাকৰণ লুপ্তপ্রায় হৈ পৰে।

জার্মানীৰ ব্রেছল' বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ব্রুনো লেবিছে চান্দ্রব্যাকৰণৰ সূত্রপাঠ, ঊনাদিসূত্র আৰু ধাতুপাঠ সম্পাদনা কৰি ১৯০২ চনত প্রকাশ কৰে আৰু পৰৱর্তী সময়ত ১৯১৮ চনত চান্দ্রবৃত্তিও প্রকাশিত হয়। অনুমান কৰা হয় যে তিব্বতত এই ব্যাকৰণৰ পাঠ এতিয়াও প্রচলিত আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ কলাপব্যাকৰণৰ নামকৰণৰ বিষয়ে এটি টোকা লিখক (১০০ টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ২ঃ কলাপব্যাকৰণ ৰচনাৰ আঁৰত থকা কিংবদন্তীৰ বিষয়ে লিখক (১০০ টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ৩ঃ কলাপব্যাকৰণৰ 'ত্রয়ী' বুলি ক'লে কি বুজায়? (৮০টা শব্দৰ ভিতৰত)।

.....

.....

প্রশ্ন নং ৪ঃ চান্দ্রব্যাকৰণত কেইটা অধ্যায় আছে আৰু প্রতিটো অধ্যায় কেইটা পাদত বিভক্ত?।

.....

.....

প্রশ্ন নং ৫ঃ চান্দ্রব্যাকৰণ মুদ্রিত আকাৰত কেতিয়া প্রকাশিত হয় সেই বিষয়ে লিখক। (১০০টা শব্দৰ ভিতৰত)।

.....

.....

৩.৫ জৈনেন্দ্র ব্যাকৰণ

দেৱনন্দীয়ে ৰচনা কৰা জৈনসম্প্রদাৰ ব্যাকৰণখনকে জৈনেন্দ্রব্যাকৰণ বুলি কোৱা হয়। দেবনন্দীৰ আৰু এটা নাম হ'ল জিনেন্দ্রবুদ্ধি আৰু এই নামটোৰ পৰাই জৈনেন্দ্রব্যাকৰণৰ নামকৰণ হৈছে বুলি পণ্ডিতসকলৰ অভিমত। ইয়াতে উল্লেখ কৰিবলগীয়া কথাটো হ'ল যে এই জিনেন্দ্রবুদ্ধি আৰু কাশিকাবিৱৰণপঞ্জিকাৰ ৰচয়িতা জিনেন্দ্রবুদ্ধি একেজন ব্যক্তি নহয়। যদিও জৈনেন্দ্রব্যাকৰণক অপাণিনীয় সম্প্রদায়ৰ ব্যাকৰণৰ অন্তর্ভুক্ত কৰ হয় কিন্তু দৰাচলতে দেবনন্দী আচার্যই পাণিনি, কাত্যায়ন আৰু পতঞ্জলিৰ ব্যাখ্যা অনুসৰণ কৰি নিজৰ অভিমত দাঙি ধৰিছে। এই ব্যাকৰণত পাঁচটা অধ্যায় আছে আৰু প্রত্যেকটো অধ্যায়ত চাৰিটাকৈ পাদ আছে। বর্তমান সময়ত পোৱা জৈনেন্দ্রব্যাকৰণত দুই ধৰণৰ সূত্রপাঠ উপলব্ধ হয়। পণ্ডিতসকলৰ মতে ইয়াৰ প্রথম পাঠটো সেবনন্দীৰ ৰচনা আৰু পৰৱর্তী সূত্রপাঠটো গুণনন্দীৰ ৰচনা। এই ব্যাকৰণখন চান্দ্রব্যাকৰণৰ পৰৱর্তী আৰু এইখন গুপ্তযুগৰ মধ্যভাগত বিৰচিত হয়। সেবনন্দীকৃত সূত্রপাঠত সূত্রৰ সংখ্যা ৩০৬ ত কিন্তু গুণনন্দী বিৰচিত পৰিবর্ধিত সংস্কৰণত সূত্রসংখ্যা ৩৬৯৬। এই ব্যাকৰণত কিন্তু বৈদিকসংস্কৃতৰ অংশ সংযোজিত হোৱা নাই। ইয়াত ব্যৱহাৰ হোৱা প্রত্যাহাৰসমূহ কিন্তু পাণিনীয় প্রত্যাহাৰৰ অনুকৰণতেই সজোৱা হৈছে। কিন্তু জৈনেন্দ্রব্যাকৰণত সংজ্ঞাৰচনৰ ক্ষেত্রত বৈয়াকৰণজনৰ প্রতিভাৰ প্রকাশ ঘটিছে। দেৱনন্দীয়ে তেওঁৰ ব্যাকৰণত মূলতঃ একাক্ষৰসংজ্ঞাৰ ব্যৱহাৰ কৰিছে। সেইফালৰ পৰা ক'ব পাৰা যায় যে এই প্রক্রিয়াৰ ফলত বহুক্ষেত্রত মাত্রাৰ সংখ্যা কমি আহিছে সূত্রসমূহত। হ্রস্ব, দীর্ঘ, প্লুতৰ ঠাইত এই ব্যাকৰণত ব্যৱহাৰ কৰা হৈছে যথাক্রমে প্র, দী, প— এই সংজ্ঞাবোৰ। লোপ বুজাবলৈ ইয়াত ব্যৱহাৰ কৰা হৈছে খ। জৈনেন্দ্রব্যাকৰণৰ ওপৰত অভয়নন্দীয়ে ৰচনা কৰা মহাবৃত্তি এই সম্প্রদায়ৰ এখন উল্লেখযোগ্য গ্রন্থ। এই গ্রন্থখনৰ সময় খৃষ্টীয় নৱম বা দশম শতাব্দী বুলি ধৰা হয়। জৈনেন্দ্রব্যাকৰণৰ প্রথম ধাতুপাঠত ১৪৭৮টা ধাতুৰ অর্থ দিয়া আছে যদিও দ্বিতীয়খনত ১৭৬৫ ধাতুৰ কথা পোৱা যায়। জৈনেন্দ্রব্যাকৰণৰ গুণনন্দীয়ে ৰচনা কৰা দ্বিতীয় সংবর্দ্ধিত ৰূপ বা পৰিবর্ধিত সংস্কৰণটোক 'শব্দার্ণব' বুলি অভিহিত কৰা হয়। গুণনন্দীয়ে এই ব্যাকৰণখনৰ ওপৰত বৃত্তি ৰচনা কৰিছিল নে নাই সেই বিষয়ে কোনো তথ্যৰ সন্ধান পোৱা নাযায়। সোমদেববিৰচিত শব্দার্ণৱচন্দ্রিকাখনেই এই ব্যাকৰণৰ মুখ্য বৃত্তি। পৰৱর্তী সময়ত 'শব্দার্ণবপ্রক্রিয়া' নামেৰে জৈনেন্দ্রব্যাকৰণৰ প্রক্রিয়াগ্রন্থ বিৰচিত হয় যদিও এই গ্রন্থৰ ৰচয়িতাৰ নাম বিচাৰি পোৱা নাযায়। কিন্তু এই পৰম্পৰাৰ পৰা অনুমান কৰিব পাৰি যে জৈনেন্দ্র ব্যাকৰণসম্প্রদায়ে এটা সময়ত ভাৰতবর্ষত যথেষ্ট খ্যাতি লাভ কৰিছিল।



জানি থোৱা ভাল

জৈনেন্দ্র ব্যাকৰণ দুটা পাঠ পোৱা যায়— (১) বৃহৎ পাঠ আৰু (২) লঘু পাঠ। বর্তমান লঘুপাঠৰ চর্চা অধিক প্রচলিত। ইয়াত ৫টা অধ্যায় আছে আৰু ই ২০টা পাদত বিভক্ত। বৃহৎ পাঠত ৩৭০০টা আৰু লঘুপাঠত ৩০৩৬টা সূত্র আছে।

৩.৬ সাৰস্বতব্যাকৰণ

অনুভূতিস্বৰূপাচার্যই 'সাৰস্বতী প্রক্রিয়া' নামৰ এখন প্রাচীন ব্যাকৰণক আশ্রয় কৰি লিখা ব্যাকৰণখনকেই সাৰস্বত ব্যাকৰণ বুলি অভিহিত কৰা হয়। সাৰস্বতীপ্রক্রিয়াই যে এই ব্যাকৰণৰ আধাৰগ্রন্থ সেইবিষয়ে ব্যাকৰণখনৰ আৰম্ভণিতেই অনুভূতিস্বৰূপাচার্যই কৈছে— 'সাৰস্বতীমৃজুং কুর্বে প্রক্রিয়াং নাতবিস্তৰাম্।' মূলতে সাৰস্বতী প্রক্রিয়াত সাতশ সূত্র আছিল। কিম্বদন্তী অনুসৰি এক বিদগ্ধসভাত অনুভূতিস্বৰূপাচার্যই 'পুংসু' শব্দৰ ঠাই পুংক্ষু প্রয়োগ কৰাত সকলোৰে উপহাসৰ সন্মুখীন হয় আৰু এই প্রয়োগৰ সপক্ষে প্রমাণ দিয়াৰ প্রতিজ্ঞা কৰি অনুভূতিস্বৰূপাচার্যই সৰস্বতীৰ আৰাধনাত নিৰত হয়। দেবী সৰস্বতীয়ে এই আৰাধনাত সন্তুষ্ট হৈ অনুভূতিস্বৰূপাচার্যক নিজৰ কণ্ঠহাৰৰ পৰা সূত্রসপ্তশতী প্রদান কৰে আৰু এই সূত্রৰ আধাৰত তেওঁ যি ব্যাকৰণৰচনা কৰে তাত থকা সূত্রৰ জৰিয়তে (অসম্ভৰে পুংসঃ কক্সৌ) পুংক্ষু পদটোৰ সিদ্ধি দেখুৱাবলৈ সমর্থ হয় অনুভূতিস্বৰূপাচার্যই। এই ব্যাকৰণখনৰ সময় খৃষ্টীয় দ্বাদশ শতাব্দী বুলি ধৰা হয়। কিন্তু এই ব্যাকৰণৰ ওপৰত অনুভূতিস্বৰূপাচার্যই সূত্রসমূহৰ ব্যাখ্যা বা বৃত্তি নিজে ৰচনা কৰিছিল নে নাই সেইবিষয়ে পণ্ডিত সমাজত যথেষ্ট সন্দেহ বিদ্যমান। এই ব্যাকৰণখনত ব্যুৎপত্তিৰ ওপৰত যথেষ্ট গুৰুত্ব প্রদান কৰা হৈছে। ইয়াতে ব্যৱহাৰ হোৱা প্রত্যাহাৰসূত্রসমূহত অন্ত্যব্যঞ্জনবর্ণৰ ব্যৱহাৰ হোৱা দেখা নাযায়। ইয়াত বৈদিক প্রক্রিয়াৰ ব্যৱহাৰ নাই। এই ব্যাকৰণত প্রদর্শিত নিয়মবোৰ সহজভাৱে ভাষাশিক্ষাৰ বাবে অনুকুল। পাণিনীয়সম্প্রদায়ৰ কিছু টীকা-টিপ্পনীৰ পৰা বহুতো কথা সাৰস্বতব্যাকৰণত ব্যৱহাৰ হোৱা দেখা যায়। সাৰস্বতব্যাকৰণৰ প্রথম টীকা সাৰস্বতমণ্ডণৰ প্রণেতা মণ্ডনাচার্য, কিন্তু চন্দ্রকীর্তিৰ 'সুবোধিকা' নামৰ টীকাটোৱে এই সম্প্রদায়ত আটাইতকৈ জনপ্রিয় টীকা হিচাপে প্রতিষ্ঠিত। সাৰস্বতব্যাকৰণৰ প্রভাবতী নামৰ পঞ্জীৰ ৰচয়িতা হ'ল কৃষ্ণনাথ। পণ্ডিতসকলৰ মতে পাণিনীয় ব্যাকৰণৰ ওপৰত ৰচনা কৰা ভট্টোজিদীক্ষিতৰ বৈয়াকৰণসিদ্ধান্ত কৌমুদীগ্রন্থৰ অনুকৰণত ভট্টোজিৰ পুত্র ৰামাশ্রমে (ভানুজিদীক্ষিত) সাৰস্বতব্যাকৰণৰ আধাৰত ৰচনা কৰে 'বৈয়াকৰণসিদ্ধান্তচন্দ্রিকা' নামৰ গ্রন্থখন।

পৰৱর্তী সময়ত সাৰস্বতব্যাকৰণৰ ওপৰত বহুধৰণৰ গ্রন্থাৱলী ৰচনা কৰা হৈছে। সেইফালৰ পৰা ক'ব পাৰা যায় যে এই ব্যাকৰণসম্প্রদায়ে এটা সময়ত যথেষ্ট খ্যাতি লাভ কৰিছিল। আনকি এই ব্যাকৰণপ্রক্রিয়াক সহজৰূপত বুজোৱাৰ উদ্দেশ্যে ইয়াৰ ওপৰত 'লঘুভাষ্য'ও প্রণয়ন কৰা হৈছিল। কল্যাণসৰস্বতীয়ে সাৰস্বতব্যাকৰণৰ সংক্ষিপ্তসংস্কৰণ হিচাপে 'লঘুসাৰস্বত' ৰচনা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ জৈনেন্দ্রব্যাকৰণৰ মূল গ্রন্থখনৰ বিষয়ে লিখক (১০০ শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ৭ঃ লঘুসাৰস্বত ব্যাকৰণৰ ৰচক কোন?

.....

.....

প্রশ্ন নং ৮ঃ সাৰস্বতব্যাকৰণৰ ওপৰত ৰচিত কিছুমান গ্রন্থৰ নাম লিখক।

.....

.....

৩.৭ সংক্ষিপ্তসাৰ ব্যাকৰণ

ক্রমদীশ্বৰ, জুমৰনন্দী আৰু গোয়ীচন্দ্রক একেলগে সংক্ষিপ্তসাৰ ব্যাকৰণৰ ত্রিমুনি বুলি কোৱা হয়।

পাণিনিব্যাকৰণ সম্প্রদায়ৰ নিচিনাকৈ এই ব্যাকৰণৰ সম্প্রদায়তো ত্রিমুনিৰ ধাৰণা পোৱা যায়। এই ব্যাকৰণৰ সূত্রকাৰ হিচাপে ক্রমদীশ্বৰৰ নামটো পোৱা যায়। জুমৰনন্দী হ'ল এই ব্যাকৰণৰ 'ৰসবতী' নামৰ বৃত্তিৰ প্রণেতা আৰু গোয়ীচন্দ্র হ'ল ব্যাকৰণখনৰ টীকাকাৰ। সূত্রকাৰ ক্রমদীশ্বৰ, বৃত্তিকাৰ জুমৰনন্দী আৰু টীকাকাৰ গোয়ীচন্দ্রক একেলগে সংক্ষিপ্তসাৰব্যাকৰণৰ 'ত্রিমুনি' হিচাপে আখ্যা দিয়া হয়। জুমৰনন্দীৰ নামৰ আধাৰত এইখন ব্যাকৰণক জৌমৰব্যাকৰণ আৰু ইয়াৰ ৰসবতীবৃত্তিক জৌমৰবৃত্তি বুলি কোৱা হয়। ইয়াতে মন কৰিবলগীয়া কথাটো হ'ল যে যদিও ক্রমদীশ্বৰেই এই ব্যাকৰণৰ সূত্রকাৰ আৰু এটা বৃত্তিৰো ৰচয়িতা কিন্তু জুমৰনন্দীৰ হাততেই প্রকৃততে এই ব্যাকৰণখনৰ বিস্তৃতি ঘটে। ক্রমদীশ্বৰে ৰচনা কৰা বৃত্তিক 'পূর্ববৃত্তি' বুলি কোৱা হয় আৰু সেই কাৰণে জুমৰনন্দীৰ বৃত্তিক পৰবৃত্তি হিচাপে ধৰা হয়। সংক্ষিপ্তসাৰৰ শেষত এটা শ্লোক আছে য'ত ক্রমদীশ্বৰৰ বিষয়ে কিছু কথা ব্যক্ত হৈছে। সেই শ্লোকফাঁকি হ'ল—

বিদ্যাতপো২র্থিবাদীন্দ্রঃ পূর্বগ্রামিদ্বিজঃ কবিঃ।

চক্রপাণিসুতো জ্যায়ান্ নপ্তাসৌ শ্রীপতেঃ কৃতী।। এই শ্লোকটোৰ পৰা জানিব পৰা যায় যে ক্রমদীশ্বৰৰ পিতাকৰ নাম আছিল চক্রপাণি, পিতামহৰ নাম আছিল শ্রীপতি। ক্রমদীশ্বৰৰ বাসস্থান আছিল পূর্বগ্রাম। তেওঁ জাতিত ব্রাহ্মণ আছিল আৰু তেওঁ এজন কবি আছিল। তেওঁৰ উপাধি হিচাপে 'বাদীন্দ্র' শব্দটো একাধিক স্থানতেই দেখিবলৈ পোৱা যায়। হৰপ্রসাদ শাস্ত্রীদেবৰ মতে খৃষ্টীয় ১০ম শতাব্দীমানত সংক্ষিপ্তসাৰ ব্যাকৰণ ৰচিত হয় আৰু এই ব্যাকৰণখনৰ জৰিয়তে শৈৱসম্প্রদায়ৰ পাশুপত শাখাৰ মানুহক ভাষাৰ জ্ঞান দিয়া হৈছিল।

বর্তমানে পোৱা সংক্ষিপ্তসাৰব্যাকৰণত আঠটা অধ্যায় আৰু ৫১৭৩ টা সূত্র আছে। এই ব্যাকৰণখনৰ মুখ্য বৈশিষ্ট্য হ'ল ইয়াৰ অন্তিম অর্থাৎ অষ্টম অধ্যায়টোত প্রাকৃতব্যাকৰণৰ সূত্র সন্নিবিষ্ট

কৰা হৈছে। এই ব্যাকৰণৰ অধ্যায়সমূহক 'পাদ' শব্দেৰে বুজোৱা হয় আৰু অন্তিম অধ্যায়ক 'প্রকৃতপাদ' বুলি কোৱা হয়। এই ব্যাকৰণৰ বাকী সাতোটা পাদ হ'ল সন্ধিপাদ, তিঙন্তপাদ, কৃদন্তপাদ, তদ্ধিতপাদ, কাৰকপাদ, সুবন্তপাদ আৰু সমাসপাদ। এই ব্যাকৰণৰ আৰু এটা বৈশিষ্ট্য হ'ল যে ইয়াত ছন্দৰ ওপৰত লিখা ছন্দপ্রকৰণ আৰু অলংকাৰৰ ওপৰত লিখা অলংকাৰপ্রকৰণ শীর্ষক দুটা প্রকৰণৰ সন্নিবিষ্ট কৰা হৈছে। পাণিনিব্যাকৰণৰ দৰে প্রত্যাহাৰৰ ব্যৱহাৰ আৰু বৈদিক সংস্কৃত সম্বন্ধীয় সূত্র সংক্ষিপ্তসাৰ ব্যাকৰণত পোৱা নাযায়। তদুপৰি যদিও বিশ্লেষণাত্মক প্রক্রিয়াৰ মাজেদি গৈ সন্ধিপাদত সংস্কৃত শব্দৰ গঠন প্রণালী ব্যাখ্যা কৰা হৈছে সংক্ষিপ্তসাৰ ব্যাকৰণত কিন্তু শেষপর্যায়ত সামগ্রিকৰূপত এই ব্যাকৰণসম্প্রদায়তো অপাণিনীয় আন সম্প্রদায়ৰ নিচিনাকৈ সংশ্লেষণাত্মক ৰীতি-নিয়মসমূহ অনুসৰণ কৰিয়েই সূত্রবোৰ লিপিবদ্ধ হৈছে। এই ব্যাকৰণখনত উদাহৰণ হিচাপে বহু ক্ষেত্রতেই ভট্টিকাব্য আৰু কিৰাতার্জুনীয়ৰ পৰা উক্তি গ্রহণ কৰা হৈছে।

যদিও সংক্ষিপ্তসাৰব্যাকৰণৰ শিৰোনামটোৰ অর্থ ব্যাখ্যা কৰি কিছুমান পণ্ডিতে এই ব্যাকৰণখনক আন কোনোবা পূর্ণ ব্যাকৰণৰ সংক্ষিপ্তৰূপ বুলি অনুমান কৰিব খোজে কিন্তু প্রকৃততে পূর্ববতী সকলো ব্যাকৰণৰ সাৰতত্ব গ্রহণ কৰিহে এইখন ব্যাকৰণ ৰচনা কৰা হৈছে। এই ক্ষেত্রত গোয়ীচন্দ্রৰ অভিমত উল্লেখযোগ্য। গোয়ীচন্দ্রই সংক্ষিপ্তপদৰ অর্থ 'সংগৃহীত' বুলি গ্রহণ কৰিছে আৰু এই বিষয়ে ব্যাখ্যা কৰি তেওঁ কৈছে— 'শাস্ত্রান্তৰেষু সৎস্বপি... সংক্ষিপ্তঃ সংগৃহীতঃ সাৰো যত্র তৎ সংক্ষিপ্তসাৰম্।' ৰচনাৰীতিৰ ফালৰ পৰাও দেখিবলৈ পোৱা যায় যে এই ব্যাকৰণ অতি সৰল আৰু সুখবোধ্য। সংজ্ঞাব্যৱহাৰৰ ক্ষেত্রত এই ব্যাকৰণত পূর্বাচার্যসকলৰ পথহে অনুসৰণ কৰা হৈছে। সংক্ষিপ্তসাৰব্যাকৰণৰ ধাত্বংশ যথেষ্ট সমৃদ্ধ। পৰৱর্তী সময়ত এই প্রসংগত একাধিক গ্রন্থ ৰচিত হয়। সংক্ষিপ্তসাৰ ব্যাকৰণৰ বেলেগ বেলেগ পাদৰ জ্ঞাপকবাণীসমূহ সংগ্রহ কৰি হৰগোবিন্দবাচস্পতিদেৱে পৰৱর্তীসময়ত 'সংক্ষিপ্তসাৰ জ্ঞাপকাবলী' নামৰ গ্রন্থখন ৰচনা কৰে। নাৰায়ণ বন্দ্যোপাধ্যায়ৰ 'সাৰাবলী', গৌৰমোহন ভট্টৰ 'ৰত্নাবলী' আৰু আনন্দিবিৰচিত' 'শীঘ্রবোধ' সংক্ষিপ্তসাৰব্যাকৰণক অৱলম্বন কৰি লিখা সৰল ব্যাকৰণ গ্রন্থ। বঙ্গদেশত এটা সময়ত সংক্ষিপ্তসাৰ ব্যাকৰণৰ যথেষ্ট প্রচলন আছিল। গৌড়দেশত আৰু পৰৱর্তী সময়ত উৰিষ্যাৰ বিভিন্ন অঞ্চলতো সংক্ষিপ্তসাৰ ব্যাকৰণৰ পঠন-পাঠন খ্যাতি লাভ কৰিছিল। কিন্তু গোয়ীচন্দ্রৰ পিছত সংক্ষিপ্তসাৰ ব্যাকৰণ সম্প্রদায়ৰ মূল ধাৰাটো লাহে লাহে বিলুপ্ত হ'ব ধৰে।

৩.৮ মুগ্ধবোধব্যাকৰণ

অপাণিনীয় সম্প্রদায়ৰ ব্যাকৰণসমূহৰ ভিতৰত মুগ্ধবোধব্যাকৰণ এখনি লেখত ল'বলগীয়া গ্রন্থ। ইয়াৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল যে বৈয়াকৰণ বোপদেবে বহুক্ষেত্রত পণিনিক অনুসৰণ কৰি তেওঁৰ ব্যাকৰণ গ্রন্থখন ৰচনা কৰিলেও ইয়াত তেওঁ মৌলিকতা আৰু নিজস্বতা প্রতিষ্ঠা কৰিবলৈ যথেষ্টখিনি সক্ষম হৈছে। বোপদেবৰ মুগ্ধবোধব্যাৰণ গ্রন্থখন পঢ়িলে জানিব পাৰি যে তেওঁ প্রকৃততে পাণিনীয়ে মুকলি কৰা বাটেৰে গৈ কিমান সহজতে সংস্কৃত ভাষাৰ জ্ঞান আয়ত্ত

কৰিব পাৰি সেই উদ্দেশ্য আগত ৰাখিহে এইখন গ্ৰন্থ ৰচনা কৰিছিল। অষ্টাধ্যায়ীৰ সূত্ৰসমূহ বিৰচিত হৈছিল অপশব্দ বা আন ভাষাৰ আক্ৰমণৰ পৰা সংস্কৃত ভাষাৰ শব্দক ৰক্ষা কৰাৰ উদ্দেশ্যে। আনফালে মুগ্ধবোধ ৰচিত হৈছিল পাণিনীয় শব্দানুশাসনৰ ভিত্তিত সহজ প্ৰকাৰে সংস্কৃতভাষাৰ শিক্ষাদানৰ উদ্দেশ্যে। গতিকে, মুগ্ধবোধৰ মূল্যাংকনত পাণিনীয় ব্যাকৰণৰ লগত এই গ্ৰন্থৰ তুলনা অত্যাৱশ্যকীয় উপাদান হিচাপে অৱশ্যই বিচাৰ্য হৈ পৰে।

বোপদেব খৃষ্টীয় ত্ৰয়োদশ শতাব্দীৰ মানুহ। মাৰাঠী ব্ৰাহ্মণবংশত তেওঁৰ জন্ম হয় আৰু তেওঁৰ পিতাৰ নাম আছিল কেশৱ। তেওঁৰ গুৰু ধনেশ বা ধনেশ্বৰ আছিল বিদগ্ধ পণ্ডিত। মুগ্ধবোধ ব্যাকৰণৰ শেষৰ ফালে লিখা হৈছে এটি শ্লোক য'ত বোপদেৱৰ বিষয়ে কিছু কথা স্পষ্টৰূপত ব্যক্ত কৰা হৈছে—

বিদ্বদ্ধনেশ্বৰচ্ছাত্ৰো ভিষক্ কেশবনন্দনঃ।
বোপসেৱশ্চকাৰেদং বিপ্ৰো ৱেদপদাস্পদম্।।

উক্ত শ্লোকৰ পৰা অনুমান কৰা যায় যে বোপদেবৰ পূৰ্বজসকলৰ মাজত বৈদ্যশাস্ত্ৰ অধ্যয়ন তথা বৈদ্যবৃত্তি অৱলম্বনৰ এটা পৰম্পৰা আছিল। পণ্ডিতসকলৰ মতে 'সিদ্ধমন্ত্ৰ' নামৰ চিকিৎসাগ্ৰন্থখনৰ ৰচয়িতা হ'ল বোপদেবৰ পিতৃ কেশৱ। বোপদেব শব্দৰ অৰ্থ হ'ল শিবভক্ত বা বিষ্ণুভক্ত। মুগ্ধবোধব্যাকৰণৰ টীকাকাৰ দুৰ্গাদাস বিদ্যাবাগীশৰ মতে বোপদেব শব্দৰ ভাঙনি এনেধৰণৰ— 'উঃ শিৱঃ। অকাৰো বিষ্ণুঃ। উশ্চ অশ্চ ৱৌ। বয়োৰুপসমীপে দীব্যতি ইতি --- বোপদেৱঃ।' অৰ্থাৎ উ (মহেশ্বৰ) আৰু অ (বিষ্ণু)ৰ উপ (সমীপত) দীব্যতি (এওঁলোকক দেৱতা হিচাপে গ্ৰহণ কৰে বা উপাসনা কৰে) যিজন সেইজনেই হ'ল বোপদেব। ব্যাকৰণগ্ৰন্থৰ উপৰি বোপদেৱে আৰু কিছুমান গ্ৰন্থ ৰচনা কৰিছিল। তেওঁৰ ৰচিত আন কিছুমান গ্ৰন্থ হ'ল হৰিলীলা, মুক্তাফল, শাঙ্গধৰসংহিতাৰ টীকা, আচাৰদৰ্পণ, মহিম্নঃস্তোত্ৰটীকা, হৃদয়দীপনিঘণ্টু আদি। উক্ত গ্ৰন্থসমূহৰ বিষয়বস্তুৰ অধ্যয়নৰ পৰা এই কথাটো স্পষ্ট যে বোপদেব যে কেবল ব্যাকৰণশাস্ত্ৰতেই পাৰঙ্গত আছিল সেয়া নহয়, চিকিৎসাশাস্ত্ৰ, ধৰ্মশাস্ত্ৰ, কাব্যশাস্ত্ৰ আদি ক্ষেত্ৰতো তেওঁ এজন বিদগ্ধ পণ্ডিত আছিল। তদুপৰি তেওঁ আছিল এগৰাকী মহান ভক্ত। মুগ্ধবোধব্যাকৰণৰ বিভিন্ন ঠাইত ব্যাকৰণ শিক্ষাৰ মাজে মাজে ভগবানৰ নাম উল্লেখ কৰি বোপদেবে তেওঁৰ ভগৱানৰ প্ৰতি থকা ভক্তিৰ মনৰ বিষয়ে আমাক সংকেত দিছে। এই বিষয়ে কোৱা হয় যে মুগ্ধবোধব্যাকৰণৰ অধ্যয়ন অত্যন্ত উচিত কাৰণ একেখন গ্ৰন্থত ব্যাকৰণৰ শিক্ষা আৰু হৰিনামকীৰ্তনৰ এই সংযোগ আন ঠাইত অত্যন্ত দুৰ্লভ তুলনীয়।

গীৰ্বাণবাণীবদনং মুকুন্দসংকীৰ্তনঞ্চেত্যুভয়ং হি লোকে।
সুদুৰ্লভং তচ্চন মুগ্ধবোধান্নলভ্যতেহতঃ পঠনীয়মেতৎ।।

মুগ্ধবোধব্যাকৰণৰ কিছুমান বৈশিষ্ট্য আছে। ইয়াত মুঠ ১০টা অধ্যায়ত ১১৮৫ সংখ্যক সূত্ৰ সন্নিৱিষ্ট কৰা হৈছে। অধ্যায়সমূহ ৪টা পাদত বিভক্ত। এই ব্যাকৰণৰ অধ্যায় আৰু পাদৰ সংখ্যাৰ ভিত্তিত সূত্ৰসমূহ অধিকসংখ্যক অধ্যায়ত বিন্যস্ত হৈ আছে। দহটা অধ্যায়ত বিভক্ত হোৱা কাৰণে কিছুসংখ্যক বৈয়াকৰণে অষ্টাধ্যায়ীৰ অনুকৰণত মুগ্ধবোধ ব্যাকৰণক দশাধ্যায়ী বুলিও

অভিহিত কৰে। এই ব্যাকৰণৰৰ প্রথম সূত্র হ'ল 'ওঁ নমঃ শিবায়' আৰু অন্তিমসূত্র হ'ল 'বহুলং ব্রহ্মণি'। মুগ্ধ বোধ ব্যাকৰণৰ মুখ্য বৈশিষ্ট্য হ'ল যে ইয়াত আন আন ব্যাকৰণত উপনিবদ্ধ একাধিক সূত্রক একত্রিত কৰি এটা সূত্রৰ মাধ্যমেৰে সেইখিনি ব্যাকৰণবিধিক স্পষ্ট কৰি তোলা হৈছে। ফলস্বৰূপে এই ব্যাকৰণৰ আকাৰগত সংক্ষিপ্ত ৰূপটো বিশেষভাৱে লক্ষণীয় হৈ পৰিছে। উদাহৰণস্বৰূপে কোৱা যায় যে মুগ্ধবোধব্যাকৰণত 'গোতৃণমেধাদন্ত... কিন্‌বা' (৪৪৭) সংখ্যক সূত্রত যি বিষয়বস্তু উপস্থাপিত হৈছে সেয়া অষ্টাধ্যায়ীগ্রন্থত ১৭টা সূত্রৰ দ্বাৰা সূচিত হৈছে। তদুপৰি সংজ্ঞাকৰণৰ ক্ষেত্রতো মুগ্ধবোধব্যাকৰণত বোপদেৱে অল্পাক্ষৰৰ আশ্রয় লোৱা দেখা যায়। যেনে, সমাসৰ ঠাইত বোপদেৱে ব্যৱহাৰ কৰিছে 'স', দীর্ঘৰ ঠাইত তেওঁ ব্যৱহাৰ কৰিছে 'র্ম' আৰু হ্রস্বৰ ঠাইত বোপদেৱ গ্রহণ কৰিছে 'স্ব'। বহুতো পণ্ডিতৰ ধাৰণা এই যে বোপদেৱে সংজ্ঞাকৰণৰ ক্ষেত্রত যি সংক্ষিপ্তপথৰ আশ্রয় লৈছে সেয়া তেওঁ জৈনেন্দ্রব্যাকৰণৰ দ্বাৰা অনুপ্রাণিত হৈ কৰিছে। কিন্তু ইয়াতে উল্লেখ কৰিবলগীয়া কথাটো হ'ল যে সংক্ষিপ্তকৰণৰ আশ্রয়ত গঢ়ি উঠা মুগ্ধবোধব্যাকৰণৰ বহুতো সূত্র কিছু পৰিমাণে দুর্বোধ্য হৈ পৰিছে। তদুপৰি আন ব্যাকৰণ নপঢ়িলে কিছু সময়ত মুগ্ধবোধৰ কিছু সূত্রৰ অর্থ বুজাটো অত্যন্ত কঠিন হৈ পৰে। অৱশ্যে ৰামচন্দ্র তর্কবাগীশে ৰচনা কৰা টীকাৰ সহায়ত এই ব্যাকৰণৰ বহুতো আপাত দুর্বোধ্য বিষয়ো পাঠকৰ বাবে বহু ক্ষেত্রত সহজবোধ্য হৈ উঠিছে। বঙ্গদেশ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলবোৰত এটা সময়ত মুগ্ধবোধৰ ব্যাপক প্রচলন আছিল। কিন্তু ভট্টোজিদীক্ষিত আদি বৈয়াকৰণৰ হাতত পাণিনীয়ব্যাকৰণৰ পুনৰুত্থানৰ পিছত মুগ্ধবোধব্যাকৰণৰ খ্যাতি লাহে লাহে কমিবলৈ আৰম্ভ হয়। তথাপিও এই ব্যাকৰণক আশ্রয় কৰি লিখা বহুসংখ্যক গ্রন্থ পোৱা যায়। ৰামচন্দ্র তর্কবাগীশৰ মুগ্ধবোধৰ ওপৰত লিখা টীকা 'প্রমোদজননী'/'অশোকমালিকা' এই ব্যাকৰণৰ এটা অতিশয় গুৰুত্বপূর্ণ অংশ। এই টীকাটো মূল গ্রন্থ মুগ্ধবোধতকৈ পৰিসৰত চাৰিগুণতকৈও বেছি বিশাল। 'অবশেষ' নামৰ মুগ্ধবোধপৰিশিষ্ট, 'মধ্যমনোৰমা', 'পদার্থনিৰূপণ' আদি এই লেখকৰ উল্লেখযোগ্য অবদান। মুগ্ধবোধব্যাকৰণৰ ওপৰত লিখা আন আন টীকাৰ ৰচয়িতাসকলৰ ভিতৰত দুর্গাদাস বিদ্যাবাগীশ, দেবিদাস চক্রৱর্তী, কাশীশ্বৰ ভট্টাচার্য, মধুসূদন বাচস্পতি আদিৰ নাম উল্লেখ কৰিব পাৰি। পোনপ্রথমবাৰৰ বাবে নন্দকিশোৰ শর্মাই মুগ্ধবোধৰ পৰিশিষ্ট ৰচনা কৰে। পৰৱর্তী সময়ত মুগ্ধবোধক আশ্রয় কৰি বহুসংখ্যক গ্রন্থ গদ্য আৰু পদ্যত বিৰচিত হোৱা দেখা যায়। আৰু প্রায় প্রত্যেকখন গ্রন্থতেই মুগ্ধবোধব্যাকৰণৰ সপক্ষে কম-বেছি পৰিমাণে লেখকৰ মত ব্যক্ত হোৱা দেখিবলৈ পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ঃ সংক্ষিপ্তসাৰ ব্যাকৰণৰ জৰিয়তে শৈৱসমপ্রদায়ৰ কোনটো শাখাৰ মানুহক ভাষাৰ জ্ঞান দিয়া হৈছিল?

.....

.....

প্রশ্ন নং ১০ঃ 'সংক্ষিপ্তসাৰ'— এই শিৰোনামটোৰ বিশেষত্ব লিখক।

.....

.....

প্রশ্ন নং ১১ঃ মুগ্ধবোধ ব্যাকৰণৰ বৈশিষ্ট্য কেইটা লিখক?

.....

.....

প্রশ্ন নং ১২ঃ মুগ্ধবোধ ব্যাকৰণৰ ওপৰত ৰচনা কৰা কিতাপসমূহৰ নাম লিখক।

.....

.....

৩.৯ প্রয়োগৰত্নমালা ব্যাকৰণ

অপাণিনীয় ব্যাকৰণ সম্প্রদায়সমূহৰ ভিতৰত আৰু এটা উজ্জ্বল নাম হ'ল প্রয়োগৰত্নমালাব্যাকৰণ। খৃষ্টীয় ১৬শ শতাব্দীত কোচবিহাৰৰ ৰজা নৰনাৰায়ণৰ আদেশত পুৰুষোত্তম ভট্টাচার্য বিদ্যাবাগীশে এইখন ব্যাকৰণ ৰচনা কৰে। গ্রন্থৰ আৰম্ভণিত কিন্তু এই ব্যাকৰণৰ শিৰোনাম হিচাপে 'প্রয়োগোত্তমৰত্নমালা' শব্দটোৰ ব্যৱহাৰ হোৱা দেখা যায়। এই বিষয়ে কোৱা হয় যে যিহেতুকে এই ব্যাকৰণত উত্তমপ্রয়োগৰূপ ৰত্নসমূহৰ সন্নিবেশ ঘটোৱা হৈছে। সেই কাৰণে এই গ্রন্থক প্রয়োগোত্তমৰত্নমালা বুলি কোৱা হয়। কিন্তু অধিকাংশক্ষেত্রত 'প্রয়োগৰত্নমালা নামটোৱে ব্যৱহাৰ হোৱা দেখা যায়। এই ব্যাকৰণখন যে তৎকালীন ৰজাৰ নির্দেশতে ৰচিত হৈছিল সেই কথাটো প্রয়োগৰত্নমালাৰ প্রাৰম্ভিক অংশত পুৰুষোত্তমে স্পষ্টকৈ ব্যক্ত কৰিছে। তেওঁ লিখিছে—

শ্রীমল্লদেৱগুনৈক সিন্ধোর্মহীমহেন্দ্রস্য যথানির্দেশম্।
যত্নাৎ প্রয়োগোত্তমৰত্নমালা বিতন্যতে শ্রীপুৰুষোত্তমেন।।

অর্থাৎ শ্রীমল্লদেৱ (নৰনাৰায়ণ) ৰজাৰ নির্দেশমতে অতিযত্নেৰে শ্রীপুৰুষোত্তমৰ দ্বাৰা প্রয়োগোত্তমৰত্নমালা (প্রয়োগৰত্নমালা) বিৰচিত হৈছে। সহজ-সৰলভাৱে মানুহক সংস্কৃতভাষাৰ জ্ঞান দিয়াৰ বাবেই এই ব্যাকৰণখন বিৰচিত হৈছিল। ৰজা নৰনাৰায়ণৰ লগতে তেওঁৰ মহিষী ভানুপাটেশ্বৰীয়েও এই ব্যাকৰণ ৰচনাৰ ক্ষেত্রত যথেষ্ট আগ্রহ প্রকাশ কৰিছিল। পুৰুষোত্তম বিদ্যাবাগীশে নিজেই এই গ্রন্থৰ সময় লিখি থৈ গৈছে ৰচনাৰ শেষাংশত। পুৰুষোত্তমৰ এই উক্তিৰ পৰা জনা যায় যে ১৪৯০ শকাব্দত (১৫৬৮ খ্রীঃ) শৰৎঋতুৰ পূর্ণিমাতিথিত বৃহস্পতিবাৰে এই ব্যাকৰণখনৰ ৰচনা সমাপ্ত হয়।

প্রয়োগৰত্নমালাগ্রন্থত ২১ সংখ্যক বিন্যাস আছে। যদিও বিষয়বস্তুখিনি এই গ্রন্থত বিন্যাসত বিভক্ত কিন্তু বিন্যাসসমূহৰ একো একোটা অধ্যায় হিচাপে প্রক্ষিপ্ত হৈছে। এই ব্যাকৰণত বিষয়বস্তু সংজ্ঞা, সন্ধি, শব্দ, কাৰক, সমাস, তদ্ধিত, আখ্যাত আৰু কৃৎ— এই ধৰণে বিন্যস্ত কৰা হৈছে। আখ্যাত অংশটোত আঠটা বিন্যাস আৰু কৃৎপ্রকৰণৰ অংশত ছটা বিন্যাস প্রযুক্ত হৈছে। আখ্যাত অংশখিনিক স্বতন্ত্রভাৱে 'পদমঞ্জুৰী' বুলি কোৱা হয়। এই গ্রন্থখনৰ আৰু এটা বৈশিষ্ট্য হ'ল ইয়াত

বৈদিকপ্রকৰণ বা বৈদিকবিন্যাস নাই। এইখিনিতে মনকৰিবলগীয়া কথাটো হ'ল যে প্রায় সম্পূর্ণ প্রয়োগৰত্নমালাখনেই পদ্য বা কাৰিকাত বিৰচিত। এই ধৰণৰ পদ্যত বা কাৰিকাত ৰচিত আন কোনো ব্যাকৰণগ্রন্থ পোৱা নাযায়। কেৱল সূত্র নহয়, পুৰুষোত্তমবিদ্যাবাগীশে সূত্রসমূহৰ বৃত্তিও শ্লোকত ৰচনা কৰিছে। প্রয়োগৰত্নমালাত থকা এটা শ্লোকৰ জৰিয়তে পুৰুষোত্তমে একাধিক সূত্রৰ সন্ধান দিছে। উদাহৰণস্বৰূপে ক'ব পাৰি যে 'অকাৰাদিক্ষকাৰান্তা বর্ণমালা২নুবর্ততে। তস্যামকাৰাদৌকাৰং যাবদ্বর্ণাঃ স্বৰা অচঃ। এই শ্লোকাত্মক পংক্তিত 'অকাৰাদিক্ষকাৰান্তা বর্ণমালা২নুবর্ততে— এইখিনি হ'ল প্রয়োগৰত্নমালাৰ প্রথমসূত্র (১/১), কিন্তু তস্যাম কাৰাদৌকাৰং যাবদ্বর্ণাঃ স্বৰা অচঃ'— এইখিনি দ্বিতীয় সূত্র (১/২) গঠন কৰিছে।

বিষয়বস্তুৰ ফালৰ পৰা ক'ব পাৰি যে প্রয়োগৰত্নমালা ব্যাকৰণত পাণিনীৰ অষ্টাধ্যায়ী আৰু শর্ববর্মাৰ কলাপব্যাকৰণৰ প্রভাব সুস্পষ্ট। অৱশ্যে স্থান ভেদে বেলেগ বেলেগ ব্যাকৰণৰ পৰাও মতামত গ্রহণ কৰিছে পুৰুষোত্তম বিদ্যাবাগীশে। বিভিন্ন সম্পাদকে প্রয়োগৰত্নমালাৰ সূত্রসংখ্যা বেলেগ বেলেগ দেখুৱাইছে। এই ক্ষেত্রত বিভিন্নতাৰ মূল কাৰণ হ'ল শ্লোক বা কাৰিকাসমূহ বেলেগ বেলেগ ধৰণে বিভক্ত হৈছে। আকৌ কেতিয়াবা সূত্রৰ অংশ বৃত্তিতো অন্তর্ভুক্ত হৈছে। কিন্তু সিদ্ধনাথ বিদ্যাবাগীশে তেওঁৰ 'সূত্রবিৰোধিনী' টীকাত কৈছে যে প্রয়োগৰত্নমালাৰ সূত্রসংখ্যা বিভিন্ন গ্রন্থত বেলেগ বেলেগ হ'লেও মূল সংখ্যা হ'ল ২৭৪৬। তেওঁ কৈছে— '... ষট্চত্বাৰিংশদধিক সপ্তবিংশতিশতসংখ্যানি সূত্রানি অত্র সন্তি...'। প্রয়োগৰত্নমালাৰ বিভিন্ন অংশৰ টীকা পোৱা যায়। কামৰূপীয় পণ্ডিত জয়কৃষ্ণদেবে প্রভাপ্রকাশিকা নামৰ যিখন টীকা ৰচনা কৰে তাত সমাসবিন্যাসলৈকে সূত্রসমূহ আলোচিত হৈছে। জীবেশ্বৰ শর্মাদেবে তদ্ধিতবিন্যাসৰ ওপৰত পঞ্জিকা ৰচনা কৰিছে। মহেন্দ্র শর্মোপাধ্যায়ে 'কৃৎপ্রদীপিকা' নামৰ কৃৎপ্রকৰণৰ টীকা ৰচনা কৰে। অৱশ্যে সিদ্ধনাথ বিদ্যাবাগীশে সম্পূর্ণ প্রয়োগৰত্নমালাৰ ওপৰত যিখন টীকা ৰচনা কৰিছে সেইখনৰ নাম হ'ল 'গূঢ়প্রকাশিকা'। এইখিনিতে উল্লেখযোগ্য কথাটো হ'ল যে অসম তথা ইয়াৰ ওচৰচুবুৰীয়া অঞ্চলত এতিয়াও পাণিনীৰ অষ্টাধ্যায়ীৰ সমান্তৰালকৈ পুৰুষোত্তমদেৱৰ প্রয়োগৰত্নমালাৰ পঠন-পাঠন সমাদৃত হৈ আহিছে।

৩.১০ হৰিনামামৃতব্যাকৰণ

এইখন ব্যাকৰণ বৈষ্ণবসম্প্রদায়ৰ ব্যাকৰণ। শিৰোনামৰ দ্বাৰাই অনুমান কৰা যায় যে এই ব্যাকৰণখনৰ লগত ভগবান কৃষ্ণৰ সংযোগ স্থাপন কৰাৰ চেষ্টা চলোৱা হৈছে। ভগবান কৃষ্ণৰ প্রতি ভক্তিৰস প্রকাশৰ মাধ্যমেৰে এইখন গ্রন্থত ব্যাকৰণৰ শিক্ষা দিয়া হৈছে। প্রকৃততে ভাগবতপুৰাণৰ আদর্শতহে এইখন ব্যাকৰণ এনেদৰে ৰচনা কৰা হৈছে। ভাগৱতত কোৱা হৈছে যে যিকোনো অৱস্থাতে ভগবানৰ নামগ্রহণে অশেষ পাপ বিনাশ কৰে—

সাঙ্কেত্যঃ পাৰিহাস্যং বা স্তোভং হেলনমেৱ বা।
বৈকুণ্ঠনামগ্রহণমশেষামহৰং বিদুঃ।। (ভাগবতপুৰাণ ৬/২/১৪)

এই উদ্দেশ্য আগত ৰাখি ভগবানৰ নামসমৃদ্ধ হৰিনামামৃত ব্যাকৰণখন ৰচিত হয়। এইখন

ব্যাকৰণৰ সংক্ষিপ্তৰূপ আৰু বৃহৎৰূপ হিচাপে দুটা ৰূপ পোৱা যায়। কিছুমান পণ্ডিতৰ মতে সনাতন গোস্বামীদেৱ সংক্ষিপ্তৰূপটোৰ প্রণেতা আৰু পৰৱর্তী সময়ত শ্রীজীবগোস্বামীয়ে বিষয়বস্তু সংযোজনেৰে বৃহৎৰূপটো প্রণয়ন কৰে। বর্তমানসময়ত হৰিনামামৃতব্যাকৰণৰ বৃহৎ ৰূপটোৱে প্রচলিত হৈ আছে।

হৰিনামামৃত ব্যাকৰণৰ সূত্রসংখ্যা হ'ল ৩১৯২। এই সূত্রসমূহ উক্তব্যাকৰণত সাতটা প্রকৰণত বিন্যস্ত। এই প্রকৰণ সাতোটা হ'ল— সংজ্ঞাসন্ধিপ্রকৰণ, বিষ্ণুপদপ্রকৰণ, আখ্যাতপ্রকৰণ, কাৰকপ্রকৰণ, কৃদন্তপ্রকৰণ, সমাসপ্রকৰণ আৰু তদ্ধিতপ্রকৰণ। সাধাৰণভাৱে এইখন ব্যাকৰণত পাণিনিৰ অষ্টাধ্যায়ী আৰু শর্ববর্মাৰ কলাপব্যাকৰণৰ আধাৰত বিষয়বস্তুৰ সন্নিৱেশ ঘটোৱা হ'লেও গ্রন্থকাৰে কিছু ক্ষেত্রত নিজৰ অভিৰুচি হিচাপে ব্যাকৰণৰ বিষয়সমূহ আলোচনা কৰিছে। এই ব্যাকৰণত পাণিনিৰ প্রত্যাহাৰসমূহ ব্যৱহৃত নহৈ কলাপব্যাকৰণৰ বর্ণমালাক্রম অনুসৃত হৈছে। তদুপৰি আন আন ব্যাকৰণৰ বহুতো কথাও ইয়াত সন্নিৱিষ্ট হৈছে। ইয়াত থকা উনাদিপ্রক্রিয়া অত্যন্ত সংক্ষিপ্ত তদুপৰি হৰিনামামৃত ব্যাকৰণত বৈদিক প্রক্রিয়া অন্তর্ভুক্ত হোৱা নাই। ভগবান নাৰায়ণৰ পৰা বর্ণমালাৰ উৎপত্তি হৈছে বুলি কৈ এই ব্যাকৰণৰ প্রাৰম্ভত সূত্র ৰচনা কৰা হৈছে— 'নাৰায়ণাদুদ্ভূতেদয়ং বর্ণক্রমঃ (১/১)। হৰিনামামৃতব্যাকৰণত ভগবান বুজোৱা শব্দেৰে ব্যাকৰণৰ সংজ্ঞাবোৰ নির্ধাৰণ কৰা হৈছে। উদাহৰণস্বৰূপে ক'ব পাৰি 'কৃষ্ণ' শব্দেৰে অকাৰান্ত পুংলিঙ্গ শব্দক বুজোৱা হৈছে। এই ব্যাকৰণত বিষ্ণুপদেৰে আগম বুজোৱা হৈছে, বিৰিঞ্চি পদেৰে আদেশ বুজোৱা হয়। এইক্ষেত্রত গ্রন্থকাৰৰ মননশৈলীৰ প্রখৰতা তথা উজ্জ্বলতাৰ কথা অনুমান কৰিব পাৰি। এইখিনিতে উল্লেখযোগ্য কথাটো হ'ল যে কেৱল মাত্র সংজ্ঞাৰ ক্ষেত্রতেই নহয়, সূত্রৰ উদাহৰণ দিব যাওঁতেও গ্রন্থকাৰে বিষ্ণুৰ নাম ব্যৱহাৰ কৰিছে এই ব্যাকৰণগ্রন্থত।

এই ব্যাকৰণগ্রন্থৰ টীকা টিপ্পনীৰ সংখ্যা কিন্তু খুব বেছি নহয়। শ্রীজীৱগোস্বামীয়ে নিজে এই ব্যাকৰণৰ বৃত্তি ৰচনা কৰিছে। হৰেকৃষ্ণ আচার্যদেৱে এই ব্যাকৰণৰ অর্দ্ধসমাপ্ত টীকা ৰচনা কৰে। 'বালতোষনী' নামৰ এই টীকা সম্পূর্ণ নহওঁতেই তেওঁৰ মৃত্যু ঘটে। পিছত গোপীচৰণ দাস বেদান্তভূষণে অৱশিষ্ট অংশৰ টীকা ৰচনা কৰে। এই ব্যাকৰণৰ মাজেদি ভক্তিৰসৰ পৰাকাষ্ঠা প্রদর্শিত হৈছে।



২.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি অপাণিনীয়সম্প্রদায়ৰ ব্যাকৰণৰ বিষয়ে জানিলে। অপাণিনীয়সম্প্রদায়ৰ অন্তর্ভুক্ত সংস্কৃত ব্যাকৰণৰ বিভিন্ন গ্রন্থৰ বিষয়ে অবগত হ'ল। পাণিনিক বহু ক্ষেত্রত অনুসৰণ কৰিও কিছুমান বৈয়াকৰণে কেনেদৰে স্বকীয় বৈশিষ্ট্যৰে নিজৰ নিজৰ দৃষ্টিভঙ্গী দাঙি ধৰিছে— সেইবিষয়েও জানিব পাৰিলে। সংস্কৃত ব্যাকৰণৰ জগতখনত

আপানিনীয়সম্প্রদায়তো যে পাণিনিৰ অষ্টাধ্যায়ীখনৰ ওচৰত চর্চা হৈছিল সেই বিষয়েও জ্ঞাত হ'ল। অপাণিনীয়ব্যাকৰণ সম্প্রদায়তো সংস্কৃতভাষাৰ শিক্ষা দিয়াটোৱে যে মুখ্য উদ্দেশ্য আছিল গ্রন্থপ্রণেতাসকলৰ— সেই বিষয়েও আপুনি জানিব পাৰিলে। প্রত্যেকখন ব্যাকৰণগ্রন্থৰ সূত্রসংখ্যা, টীকা-টিপ্পনীৰ বিষয়েও এটা আভাস পালে।



৩.১২ অধিক জানিবলৈ

১) *অষ্টাধ্যায়ী অব্ পাণিনি*, সুমিত্রা কাত্রে (সম্পাদিত), মোতিলাল বানাৰসীদাস, দিল্লী, ১৯৮৯।

২) *চান্দ্রব্যাকৰণ অব্ চন্দ্রগোমিন্*, ক্ষিতীশ চন্দ্র চেটার্জী (সম্পাদিত) এছ্ এম্, কাত্রেৰ দ্বাৰা প্রকাশিত, পুনা।

৩) *হৰিনামামৃতং বৈষ্ণবব্যাকৰনম্*, গোপীচৰণ দাস (সম্পাদিত), ৰামনাৰ, স্বর্ণ বিদ্যাৰত্ন দ্বাৰা প্রকাশিত, মুর্ছিদাবাদ, ১২৯১ (বাংলা)

৪) *জৈনেন্দ্রব্যাকৰণ উইথ মহাবৃত্তি*, মহামোহপাধ্যায় বিধ্যেশ্বৰী প্রসাদ (সম্পাদিত), এইচ্, এন্ বাগ্ছি দ্বাৰা প্রকাশিত, বেনাৰস, ১৯১৮।

৫) *কলাপব্যাকৰণম্*, ৰোহিনী কান্ত সিদ্ধান্তবাগীশ (সম্পাদিত), অখিল বন্ধু ভট্টাচার্য কর্ত্তৃক প্রকাশিত, সংস্কৃতপুস্তকালয়, ১৩৩২ (বাংলা)

৬) *প্রয়োগৰত্নমালা*, নৰেন্দ্রনাথ শর্মা (সম্পাদিত), অসম সংস্কৃত বোর্ড, গুৱাহাটী, ১৯৮৩)।

৭) *সাৰস্বতব্যাকৰণম্*, বাসুদেৱ শর্মা (সম্পাদিত), তুকাৰাম জাবজী কর্ত্তৃক প্রকাশিত, মুম্বাই, ১৯৩৫।

৮) *দি কাতন্ত্র উইথ দি কমেণ্টৰি অব্ দুর্গসিংহ*, জুলিয়াছ ত্রগ্লিঙ্ (সম্পাদিত), ব্যপটিষ্ট মিছন প্রেছ, কলকাতা, ১৯৭৬।

৯) *ব্যাকৰণদর্শনেৰ ইতিহাস*, গুৰুপদ হালদাৰ, সংস্কৃত বুক ডিপো, কলকাতা, ২০০৬ (পুনমুদ্রণ)।

১০) *শব্দশাস্ত্রেৰ ইতিহাস*, শ্রীকাশীজীবন দেবশর্মা, ৰামকৃষ্ণ মিছন ইনছটিটিউট অব্ কালচাৰ, কলকাতা ১৯৯৫।



৩.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ কাতন্ত্র আৰু কলাপ শব্দৰ অর্থ ব্যাখ্যা কৰিব লাগিব।

২ নং প্রশ্নৰ উত্তৰঃ শর্ববর্মা আৰু মহিষীৰ 'মোদকং দেহি'— এই বাক্যসম্বন্ধীয় কাহিনীটো লিখিব লাগিব।

৩ নং প্রশ্নৰ উত্তৰঃ কলাপব্যাকৰণৰ টীকা, পঞ্জী আৰু কবিৰাজৰ প্রণেতাৰ নাম লিখিব লাগিব।

৪ নং প্রশ্নৰ উত্তৰঃ মূল দুটা অধ্যায়, প্রত্যেকটো অধ্যায় চাৰিটাকৈ পাদত বিভক্ত।

৫ নং প্রশ্নৰ উত্তৰঃ ব্রুনো লেবিছৰ সম্পাদনা আৰু তাৰ প্রকাশৰ সময়টো লিখিব লাগিব।

৬ নং প্রশ্নৰ উত্তৰঃ মূল গ্রন্থখনৰ ৰচয়িতা, সূত্রসংখ্যা, বৈশিষ্ট্যৰ বিষয়ে লিখিব লাগিব।

৭ নং প্রশ্নৰ উত্তৰঃ কল্যাণ সৰস্বতী।

৮ নং প্রশ্নৰ উত্তৰঃ টীকা বা পৰৱৰ্তীসময়ত এই ব্যাকৰণৰ ভিত্তিত লিখা গ্রন্থসমূহৰ নাম লিখিব লাগিব।

৯ নং প্রশ্নৰ উত্তৰঃ পাশুপত শাখা।

১০ নং প্রশ্নৰ উত্তৰঃ 'সংক্ষিপ্তসাৰ'— পদটোৱে কি বুজায়— সেই বিষয়ে লিখিব লাগিব।

১১ নং প্রশ্নৰ উত্তৰঃ এই ব্যাকৰণৰ সূত্রবোৰ কি কি বিষয়ত লিখা হৈছে, পাণিনীয় ব্যাকৰণৰ লগত থকা সাদৃশ্যবোৰ তথা বৈসাদৃশ্যবোৰ কি? সেইবিষয়ে ইয়াত আলোচনা কৰিব লাগিব।

১২ নং প্রশ্নৰ উত্তৰঃ প্রমোদজননী, অশোকমানিকা, অৱশেষ, মধ্যমানাৰমা, পদার্থনিৰূপণ ইত্যাদি।



৩.১৪ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ হৰিনামামৃত ব্যাকৰণ লিখাৰ উদ্দেশ্যৰ বিষয়ে লিখক।

প্রশ্ন ২ঃ সংস্কৃত ব্যাকৰণৰ ক্ষেত্রত কাতন্ত্র, চান্দ্র আৰু জৈনেন্দ্র ব্যাকৰণৰ ভূমিকা আলোচনা কৰক।

প্রশ্ন ৩ঃ সংক্ষিপ্তসাৰ ব্যাকৰণৰ মূল বৈশিষ্ট্য লিখি এই গ্রন্থৰ শিৰোনামটোৰ সার্থকতা ব্যাখ্যা কৰক।

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ সাৰস্বত ব্যাকৰণৰ ৰচনাৰ ইতিহাস সম্পর্কে থকা কিম্বদন্তীৰ বিষয়ে লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ মুগ্ধবোধ ব্যাকৰণৰ বিষয়ে এটি চমুটোকা আগবঢ়াওক।

প্রশ্ন ২ঃ প্রয়োগৰত্নমালা ব্যাকৰণৰ উৎপত্তি, বৈশিষ্ট্য তথা ইয়াৰ খ্যাতিৰ কাৰণসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ পাণিনীয় প্রত্যাহাৰ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ মাহেশ্বৰ সূত্ৰ বা শিবসূত্ৰ বা অক্ষৰসমাম্নায়
৪.৪ প্রত্যাহাৰ গঠন প্রক্রিয়া
৪.৫ পাণিনিব্যাকৰণত ব্যৱহাৰ হোৱা প্রত্যাহাৰসমূহ
৪.৬ প্রত্যাহাৰৰ ভূমিকা
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পাণিনিব্যাকৰণত ব্যৱহাৰ হোৱা মাহেশ্বৰ সূত্ৰৰ লগত পৰিচিত হ'ব
- এই সূত্ৰবোৰক কিয় শিৱসূত্ৰ বা অক্ষৰসমাম্নায় বুলি কোৱা হয় সেই বিষয়ে জানিব পাৰিব
- প্রত্যাহাৰ কি আৰু কেনেকৈ গঠন কৰা হয় সেই বিষয়ে অৱগত হ'ব
- পাণিনিব্যাকৰণত প্রত্যাহাৰ ব্যৱহাৰৰ উপযোগিতাৰ বিষয়ে জানিব পাৰিব
- পাণিনিব্যাকৰণত ব্যৱহাৰ হোৱা প্রত্যাহাৰসমূহৰ বিষয়ে অৱগত হ'ব।

৪.২ পৰিচয়

আপুনি ইতিমধ্যে সংস্কৃতব্যাকৰণৰ ইতিহাসৰ বিষয়ে জানিছে। সংস্কৃতব্যাকৰণৰ ক্ষেত্রখনত থকা পাণিনীয় আৰু অপাণিনীয় এই মূল দুই সম্প্রদায়ৰ বিষয়ে জানিব পাৰিছে। পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্রন্থত প্রায় চাৰি হেজাৰ সূত্ৰ ৰচনা কৰিছে। এই সূত্রসমূহৰ ভিত্তিত কাত্যায়ন বৰৰুচিয়ে কিছুমান বার্ত্তিক ৰচনা কৰিছে আৰু পৰবৰ্ত্তী সময়ত সূত্র আৰু বার্ত্তিকসমূহৰ ওপৰত পতঞ্জলিৰ ভাষ্যক একত্রিত কৰি পাণিনিব্যাকৰণৰ মূল ক্ষেত্রটো সৃষ্টি হৈছে। পৰবৰ্ত্তী সময়ত এই ক্ষেত্রৰ পৰিসৰ বৃদ্ধি পায় বিভিন্ন বৈয়াকৰণৰ ব্যাকৰণগ্রন্থৰ মাধ্যমত। বর্তমানে পাণিনিসম্প্রদায় বুলি ক'লে পাণিনিৰ সূত্র, কাত্যায়নৰ বার্ত্তিক আৰু পতঞ্জলিৰ ভাষ্যৰ ওপৰত ৰচিত ব্যাকৰণৰ পণ্ডিতসকলক সূচায়। সমাম্তৰালভাৱে যিসকল বৈয়াকৰণে অষ্টাধ্যায়ী বা বার্ত্তিক অথবা মহাভাষ্যক মূল গ্রন্থ

হিচাপে নলৈ ব্যাকৰণগ্ৰন্থ ৰচনা কৰিছে তেওঁলোকক অপাণিনীয়সম্প্ৰদায়ৰ বৈয়াকৰণ বুলি আখ্যা দিয়া হয়। যেনে— শৰ্ববৰ্ম্মণৰ কলাপব্যাকৰণখন অপাণিনীয়সম্প্ৰদায়ৰ ব্যাকৰণ। পাণিনিসম্প্ৰদায়ৰ ব্যাকৰণগ্ৰন্থত মাহেশ্বৰ সূত্ৰ বা শিৱসূত্ৰক অক্ষৰসমাম্নায় বুলি মান্যতা দিয়া হৈছে। এই অক্ষৰসমাম্নায়েই হ'ল পাণিনিসম্প্ৰদায়ত ব্যৱহাৰ হোৱা প্ৰত্যাহাৰৰ মূল। এই প্ৰত্যাহাৰসমূহ প্ৰকৃততে অষ্টাধ্যায়ীগ্ৰন্থত থকা সূত্ৰসমূহৰ প্ৰাণস্বৰূপ। প্ৰত্যাহাৰৰ বিষয়ে সঠিক জ্ঞান নাথাকিলে পাণিনীয় সূত্ৰবোৰৰ প্ৰকৃত অৰ্থ বুজা নাযায়। তদুপৰি প্ৰত্যাহাৰৰ সহায়ত অষ্টাধ্যায়ীৰ সূত্ৰসমূহত বহু পৰিমাণে অক্ষৰলঘুতা হৈছে যাৰ কাৰণে অষ্টাধ্যায়ীৰ পৰিসৰ বহুক্ষেত্ৰতে সংক্ষিপ্ত হৈছে। এই সকলোবোৰ কাৰণত প্ৰত্যাহাৰৰ বিষয়ে জনাটো সংস্কৃতব্যাকৰণৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অতি প্ৰয়োজনীয়। সেই উদ্দেশ্য আগত ৰাখিহে উক্ত অধ্যায়টোৰ সূচনা কৰা হৈছে। প্ৰত্যাহাৰৰ বিষয়ে জানিলে পৰবৰ্ত্তী পৰ্যায়ত পাণিনিৰ সূত্ৰসমূহ বুজিবলৈ আপোনালোকৰ সুবিধা হ'ব।

৪.৩ মাহেশ্বৰ সূত্ৰ বা শিৱসূত্ৰ বা অক্ষৰ সমাম্নায়

সংস্কৃতব্যাকৰণৰ জগতখনত এটা কথা প্ৰচলিত আছে যে পাণিনিয়ে মহেশ্বৰ বা মহাদেৱৰ পৰা আখৰখিনি লাভ কৰিহে সম্পূৰ্ণ অষ্টাধ্যায়ীগ্ৰন্থখন ৰচনা কৰে। আপোনালোকে ইতিমধ্যে নিম্নলিখিত শ্লোকফাঁকিৰ লগত পৰিচিত হৈছে।

যেনাক্ষৰসমাম্নায়মধিগম্য মহেশ্বৰাৎ।

কৃৎস্নং ব্যাকৰণং প্ৰোক্তং তস্মৈ পাণিনয়ে নমঃ।। পাণিনীয় শিক্ষাত থকা এই শ্লোকৰ মাধ্যমত ব্যক্ত কৰা হৈছে যে পাণিনিয়ে তেওঁৰ ব্যাকৰণত ব্যৱহাৰ হোৱা অক্ষৰসমূদায় মহেশ্বৰৰ পৰাহে লাভ কৰিছিল। পাণিনীয়ব্যাকৰণত ব্যৱহাৰ হোৱা অক্ষৰসমূদায় হ'ল—

(১) অ ই উ ণ্, (২) ঋ ল্ ক্, (৩) এ ও ঙ্, (৪) ঐ ঔ চ্, (৫) হ য ব ৰ ট্, (৬) ল ণ্, (৭) ঞ ম ঙ ণ ন ম্; (৮) ঝ ভ ঞ্, (৯) ঘ ঢ ধ ষ্, (১০) জ ব গ ড দ শ্, (১১) খ ফ ছ ঠ থ চ ট ত ৱ্; (১২) ক প য়্, (১৩) শ ষ স ৱ্, (১৪) হ ল্।

এই চৈধ্যটা সূত্ৰক একেলগে শিৱসূত্ৰ বা মাহেশ্বৰসূত্ৰ বুলি কোৱা হয়। পৰম্পৰামতে জনা যায় যে তাণ্ডব নৃত্যৰ অন্তত মহাদেৱে যি নবাৰ আৰু পাঁচবাৰ (মুঠ চৈধ্যবাৰ) ডম্বৰু বজাইছিল— তাৰে পৰাই শিৱসূত্ৰসমূহৰ উৎপত্তি হৈছে। নন্দিকেশ্বৰে তেওঁৰ কাশিকা নামৰ গ্ৰন্থত কৈছে—

নৃত্তাবসানে নটৰাজৰাজো ননাদ ঢক্কাং নৱপঞ্চবাৰম্।
উৰ্দ্ধৰ্তুকামঃ সনকাদিসিদ্ধানেতদ্বিমৰ্শে শিৱসূত্ৰজালম্।।

যিহেতুকে শিৱৰ প্ৰসাদত এই সূত্ৰবোৰ প্ৰাপ্ত হৈছিল সেইকাৰণে এইবোৰক শিৱসূত্ৰ বুলি কোৱা হয়। কিছুমান পণ্ডিতৰ মতে মহেশ বা মহেশ্বৰ নামৰ পূৰ্ববৰ্ত্তী বৈয়াকৰণে ৰচনা কৰা এই সূত্ৰসমূহক পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ীৰ আধাৰ হিচাপে লৈছে। আকৌ কিছুমান পণ্ডিতৰ মতে শিৱসূত্ৰৰেই নামান্তৰ হ'ল মাহেশ্বৰ সূত্ৰ। যিহেতুকে পাণিনিৰ অষ্টাধ্যায়ীখন 'বৃদ্ধিৰাদৈচ্' (১.১.১) সূত্ৰেৰে আৰম্ভ হৈছে বুলি ধৰা হয়, সেইকাৰণে বহুতো পণ্ডিতে এই সূত্ৰসমূহক পাণিনিৰ পূৰ্ববৰ্ত্তী বৈয়াকৰণে ৰচনা কৰা বুলি অনুমান কৰে। কিন্তু এইটো বিষয়ত কোনোধৰণৰ প্ৰমাণ নিৰ্ভৰ ব্যাখ্যা

পোৱা নাযায় কাৰণে বহুজনৰেই সিদ্ধান্ত হ'ল যে পাণিনিয়ে দেবাদিদেব মহেশ্বৰৰ কৰুণাত এই বৰ্ণমালাক লাভ কৰিছিল আৰু সেইবোৰৰ সহায়ত তেওঁৰ অষ্টাধ্যায়ী গ্ৰন্থখন ৰচনা কৰিছিল। আকৌ কিছুমান পণ্ডিতৰ ধাৰণা এয়া যে উত্তৰকুৰুৰ বদৰিকাশ্রম আদি প্রদেশত প্রাচীন সময়ত যি ব্যাকৰণখন অধ্যয়ন কৰা হৈছিল সেয়াই মাহেশ ব্যাকৰণ আৰু পৰবৰ্ত্তী সময়ত আর্য্যাবর্ত্তৰ সমতলত আহি সেইখনেই ৰূপান্তৰিত হৈ ঐন্দ্রব্যাকৰণ হিচাপে স্থান পায়। সেই অনুসৰি অনুমান কৰা হয় যে পাণিনিয়ে পৰবৰ্ত্তী সময়ত মহাদেৱৰ আশীর্বাদত লুপ্ত হোৱা মাহেশব্যাকৰণৰ ১৪টা সূত্র লাভ কৰিছিল আৰু সেইবোৰৰ সহায়ত তেওঁৰ ব্যাকৰণখন ৰচনাত ব্রতী হৈছিল।

শিবসূত্র বা মাহেশ্বৰসূত্রক প্রত্যাহাৰ সূত্র বুলিও কোৱা হয়। কাৰণ এই সূত্রসমূহৰ সহায়ত পাণিনিৰ ব্যাকৰণত ব্যৱহাৰ হোৱা প্রত্যাহাৰবোৰ গঠিত হৈছে। এই সূত্রসমূহক একেলগে 'বর্ণসমাম্নায়' বা 'অক্ষৰসমাম্নায়' বুলিও অভিহিত কৰা হয়। প্রকৃততে আধুনিক যুগত 'বর্ণমালা' বা alphabet system বুলি ক'লে যি বুজায় এই শিৱসূত্রবোৰে পাণিনিব্যাকৰণৰ ক্ষেত্রত সেইটো ভূমিকা পালন কৰে। পৰবৰ্ত্তী সময়ত অ, আ, ই, ঈ..... ইত্যাদি ক্রমে বর্ণমালাৰ যি ক্রমটো স্বীকাৰ কৰা হৈছে সেইটো অধিকাংশ অপাণিনীয় বৈয়াকৰণসকলে অনুসৰণ কৰা দেখা যায়। কিন্তু শিৱসূত্রৰ অক্ষৰক্রমৰ ওপৰত পাণিনীয় সূত্রবোৰ নির্ভৰশীল কাৰণে পাণিনিসম্প্রদায়ৰ ব্যাকৰণসমূহত এই বর্ণমালাক্রমটোকে অনুসৰণ কৰা দেখা যায়। মহাভাষ্যকাৰ পতঞ্জলিয়ে তেওঁৰ গ্রন্থত শিবসূত্রসমূহৰ প্রসঙ্গত কৈছে যে এই অক্ষৰসমাম্নায় প্রকৃতার্থত ব্রহ্মৰাশি আৰু সেইবোৰ চন্দ্র আৰু তাৰকাৰ দৰে— 'সো২য়মক্ষৰ সমাম্নায়ঃ পুষ্পিতঃ কলিতশ্চন্দ্রতাৰকবৎ প্রতিমণ্ডিতো ব্রহ্মৰাশিঃ'। এই উক্তিৰ অন্তর্নিহিত অর্থ হ'ল শিবসূত্রত প্রকাশিত আখৰসমূহ পৰবৰ্ত্তী পর্যায়ত সূত্রগঠন কৰি ভাষাৰ সমল হিচাপে অক্ষৰ ব্রহ্মৰ প্রকাশক হৈ প্রতিষ্ঠা লাভ কৰে। গতিকে বিশাল অক্ষৰব্রহ্মৰ বীজৰূপেই অৱস্থান কৰে শিৱসূত্র বা মাহেশ্বৰসূত্রত থকা আখৰসমূহ।

কিছুমান পণ্ডিতে মাহেশ্বৰসূত্র বা প্রত্যাহাৰসূত্রত কিয় বর্ণসমূহৰ মাজত সন্ধি হোৱা নাই সেই বিষয়ে অভিমত প্রকাশ কৰি কৈছে যে যি ঠাইত সন্ধিৰ 'বিৱক্ষা' বা সন্ধি কৰাৰ ইচ্ছা নাথাকে সেই ঠাইত যিহেতুকে সন্ধি নকৰিলেও হয় সেইবাবে পাণিনিয়ে অক্ষৰবিলাকৰ স্বাধীন উপস্থিতি দেখুৱাবৰ বাবে ইয়াত সন্ধিৰ প্রয়োগ কৰা নাই। এইখিনিতেই মনকৰিবলগীয়া কথাটো হ'ল যে এই চৈধ্যটা মাহেশ্বৰ সূত্রৰ প্রত্যেকটোৰ শেষতেই এটাকৈ হসন্ত ব্যঞ্জনবর্ণ আছে যিবোৰক 'ইৎবর্ণ' বুলি কোৱা হয়। আমি এই অধ্যায়টোৰ পৰবৰ্ত্তী পর্যায়ত 'ইৎবর্ণ'সমূহৰ ভূমিকাৰ বিষয়ে জানিব পাৰিম। দ্বিতীয়তে এই অক্ষৰসমাম্নায়ত 'হ' বর্ণটোৰ অৱস্থিতি দেখা পোৱা যায়। ইয়াৰ কাৰণো পৰবৰ্ত্তী পর্যায়ত আলোচনা কৰা হ'ব।

প্রকৃততে এই চৈধ্যটা শিৱসূত্র বা মাহেশ্বৰ সূত্রই হ'ল পাণিনিব্যাকৰণৰ লাইখুঁটাস্বৰূপ। যিহেতুকে বিশ্বাস কৰা হয় যে পাণিনিয়ে তপস্যা কৰি মহাদেৱৰ পৰা এই সূত্রসমূহৰ বিষয়ে জ্ঞান লাভ কৰিছিল গতিকে মহাদেৱৰ আশীর্বাদ আৰু প্রসাদতেই পাণিনিৰ অষ্টাধ্যায়ী গ্রন্থখন সম্পন্ন হোৱা বুলি ক'ব পাৰি। কাৰণ এই সূত্রসমূহৰ জৰিয়তে পাণিনিৰ হৃদয়দর্পণত লৌকিক আৰু বৈদিক— দুই প্রকাৰৰ ভাষাৰেই ব্যাকৰণ ৰচনা কৰাৰ শক্তি সঞ্চাৰিত হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শিৱসূত্র বা মাহেশ্বৰ সূত্র কেইটা কি কি?

.....

প্রশ্ন নং ২ঃ এইবিলাকক শিৱসূত্র বা মাহেশ্বৰ সূত্র বুলি কিয় কোৱা হয়?

.....

প্রশ্ন নং ৩ঃ শিৱসূত্র বা মাহেশ্বৰ সূত্রসমূহক অক্ষৰসমাম্নায় বা বর্ণসমাম্নায় বুলি কিয় অভিহিত কৰা হয়?

.....

প্রশ্ন নং ৪ঃশিৱসূত্র বা মাহেশ্বৰ সূত্রক পাণিনিব্যাকৰণৰ বীজ বা মূল বুলি কিয় আখ্যা দিয়া হয়।

.....

প্রশ্ন নং ৫ঃ মাহেশ্বৰ সূত্রৰ অন্ত্যবর্ণবোৰ কেনেকুৱা?

.....

প্রশ্ন নং ৬ঃ বর্ণসমাম্নায়ৰ ভিত্তিত পাণিনীয় আৰু অপাণিনীয় বৈয়াকৰণ সম্প্রদায়সমূহৰ মাজৰ পার্থক্যটো কি?

.....

৪.৪ প্রত্যাহাৰ গঠন প্রক্রিয়া

আপুনি ইতিমধ্যে জানিছে যে পাণিনিব্যাকৰণত প্রত্যাহাৰসমূহৰ এক বিশেষ ভূমিকা আছে। এই প্রত্যাহাৰসমূহৰ গঠনৰ ক্ষেত্রতো কিন্তু এটা বিশেষ নিয়মসূচী পালন কৰা হয়। আচলতে প্রত্যাহাৰ কি বুলি ক'লে প্রথমতে এই শব্দটোৰ আক্ষৰিক অর্থটো জানি ল'ব লাগিব। প্রত্যাহ্রিয়ন্তে সংক্ষিপ্যন্তে বর্ণা অস্মিন্নিতি প্রত্যাহাৰঃ— এই সংজ্ঞাৰে জনা যায় যে প্রত্যাহাৰৰ সহায়ত সংক্ষিপ্ত উপায়েৰে বর্ণসমূহৰ জ্ঞান দিয়া হয়। গতিকে প্রত্যাহাৰ হ'ল সংক্ষিপ্তকৰণৰ একপ্রকাৰ উপায়। এয়া শিৱসূত্রৰ ক্ষেত্রত ব্যৱহাৰ হয়।

চৈধ্যটা শিৱসূত্রৰ প্রত্যেকটোৰ শেষত যি অন্ত্যব্যঞ্জনবর্ণ থাকে হসন্ত ৰূপত (ণ্, ক্, ঙ্.... আদি)— সেইবোৰক অনুবন্ধ বা ইৎবর্ণ বুলি কোৱা হয়। প্রকৃততে ইৎ পদৰ ব্যাকৰণগত অর্থ হ'ল লোপ। শিৱসূত্রসমূহত অন্ত্যবর্ণৰূপে থকা হসন্ত ব্যঞ্জনবর্ণবোৰৰ লোপ হয়। যেনে অ ই উ ণ্ বুলি ক'লে অবর্ণ, ইবর্ণ আৰু উবর্ণকেই গ্রহণ কৰা হয় কিন্তু ণ্ বর্ণক গ্রহণ কৰা নহয়। ভট্টোজিদীক্ষিতে এই প্রসঙ্গত কৈছে— এষাম্ অন্ত্যা ইতঃ।

পাণিনিমহোদয়ে তেওঁৰ অষ্টাধ্যায়ীগ্রন্থত প্রত্যাহাৰৰ সংজ্ঞা এনেদৰে নিৰূপণ কৰিছে— আদিৰন্ত্যেন সহেতা (১/১/৭১)। যি বর্ণৰ পূর্বত আন বর্ণ নাথাকে সেই বর্ণটোকেই আদিবর্ণ বুলি

কোৱা হয় আৰু যিবৰ্ণৰ পিছত কোনো বৰ্ণ নাথাকে তাকেই অন্ত্যবৰ্ণ বুলি কোৱা হয়। অন্ত অৰ্থাৎ শেষত থকা বৰ্ণটোৱেই হ'ল অন্ত্যবৰ্ণ। 'ইৎ' পদৰ তৃতীয়াৰ একবচনৰ ৰূপত পোৱা যায় 'ইতা' এই পদটো। এইক্ষেত্ৰত উক্ত সূত্ৰটোৰ অৰ্থ হ'ল শিৱসূত্ৰত থকা কোনো এটা বৰ্ণক আদিবৰ্ণ হিচাপে লৈ তাৰ লগত ইৎবৰ্ণৰূপে থকা হসন্ত ব্যঞ্জনবৰ্ণক যদি একত্ৰিত কৰি উচ্চাৰণ কৰা হয় তেনেহ'লে প্ৰত্যাহাৰৰ সৃষ্টি হয়। যেনে অচ্, হল, অণ্ ইত্যাদি। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে প্ৰত্যাহাৰত ইৎবৰ্ণসমূহৰ অন্তৰ্ভুক্তি নহয়। কোৱা হয়— প্ৰত্যাহাৰেষু ইতাং ন গ্ৰহণম্। গতিকে অচ্ এই প্ৰত্যাহাৰৰ ক্ষেত্ৰত দেখা যায় যে অ ই উ ণ্— এই প্ৰথম শিৱসূত্ৰটোত থকা অ বৰ্ণক আদিৰূপে লৈ ঐ ঔ চ্— এই চতুৰ্থ শিৱসূত্ৰৰ 'চ্' ইৎবৰ্ণৰ সহযোগত 'অচ্' প্ৰত্যাহাৰ গঢ় লৈছে। যি চাৰিটা শিৱসূত্ৰক অন্তৰ্ভুক্ত কৰি এই প্ৰত্যাহাৰটো গঠন কৰা হৈছে সেইবোৰ হ'ল— অ ই উ, ণ্, ঋ ৡ, ক্, এ ও, ঙ্, ঐ ঔ চ্। এইক্ষেত্ৰত আমি ইৎবৰ্ণসমূহক গ্ৰহণ কৰিব নোৱাৰো। ফলস্বৰূপে অচ্ বুলি ক'লে অ, ই, উ, ঋ, ৡ, এ, ও, ঐ আৰু ঔ— এই স্বৰবৰ্ণ কেইটাৰে গ্ৰহণ হ'ব কিন্তু ণ্, ক্, ঙ্ আৰু চ্ এইকেইটা গ্ৰহণ কৰা নহয়। পাণিনীয় ব্যাকৰণত সদায়েই স্বৰবৰ্ণ বুজাবলৈ গৈ 'অচ্' প্ৰত্যাহাৰৰ ব্যৱহাৰ কৰা হয়।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে শিৱসূত্ৰবোৰত কেৱলমাত্ৰ হ বৰ্ণটো দুবাৰ ব্যৱহাৰ হৈছে। এবাৰ হ য ব ৰ ট্ এই সূত্ৰত আৰু এবাৰ হ ল্ এই শেষ সূত্ৰটোত। পৰবৰ্ত্তী সময়ত বৈয়াকৰণ সমাজত এই বিষয়ে আলোচনা হোৱা দেখা যায়। ভট্টোজিদীক্ষিতে তেওঁৰ বৈয়াকৰণসিদ্ধান্তকৌমুদীত এই বিষয়ে আলোকপাত কৰাৰ বাবে 'হলন্ত্যম্' সূত্ৰটোক দুবাৰ ব্যৱহাৰ কৰি দেখুৱাইছে। হলি অন্ত্যম্ হলন্ত্যম্ এই অৰ্থ অনুসৰি প্ৰথমতে হল্ এই শেষ শিৱসূত্ৰটোত ল্-কাৰৰ লোপ হ'ল। তাৰ পিছত আদিৰন্ত্যেন সহেতা' এই সূত্ৰমতে হ য ব ৰ ট্— এই শিৱসূত্ৰৰ হ কাৰক আদি কৰি হ ল্— এই সূত্ৰটোৰ ল্কাৰ লৈকে সংযুক্ত কৰি হ ল্ এই প্ৰত্যাহাৰ সিদ্ধ হ'ল। এই প্ৰত্যাহাৰৰ সহায়ত সকলো ব্যঞ্জনবৰ্ণক সূচোৱা হয়। গতিকে 'হলন্ত্যম্' এই সূত্ৰটোৰে শিৱসূত্ৰত থকা সকলো অন্ত্যব্যঞ্জনবৰ্ণৰ ইৎ বা লোক হ'ব— এই অৰ্থটোও স্পষ্ট হৈ পৰে। তদুপৰি বিভিন্ন প্ৰত্যাহাৰৰ সিদ্ধিৰ বাবে শিৱসূত্ৰত হকাৰৰ দুবাৰ উপদেশ সিদ্ধ হয়। যেনে— অট্, অশ্, হশ্ আদি প্ৰত্যাহাৰত হকাৰৰ অন্তৰ্ভুক্তিৰ বাবে প্ৰথম হকাৰৰ (হ য ব ৰ ট্) প্ৰয়োজন তদুপৰি বল্, ৰল্, ঝল্ আদি প্ৰত্যাহাৰত হ-কাৰৰ অন্তৰ্ভুক্তিৰ বাবে পৰবৰ্ত্তী হ-কাৰৰ (হ ল্) প্ৰয়োজন। গতিকে ক'ব পৰা যায় যে ব্যাকৰণপ্ৰক্ৰিয়া সিদ্ধিৰ বাবেহে হ-কাৰৰ দুবাৰ উপদেশ হৈছে। শিৱসূত্ৰৰ বিষয়ে মন কৰিবলগীয়া আৰু এটা কথা হ'ল যে ল ণ্— এই সূত্ৰটোত থকা ল্কাৰৰ লগত সংযুক্ত অকাৰটোৰ ইৎসংজ্ঞা হয় ব্যাকৰণগত প্ৰক্ৰিয়াসিদ্ধিৰ বাবে। কিন্তু হকাৰ আদিত যি অ-কাৰ সংযুক্ত হৈছে সেইবোৰ কেৱল উচ্চাৰণৰ বাবেই উপস্থিত হৈছে, ইয়াৰ দ্বাৰা বেলেগ কোনো ব্যাকৰণপ্ৰক্ৰিয়া সাধিত নহয়।



জানি থোৱা ভাল

(ক) আদিৰন্ত্যেনা সহেতা— এই সূত্ৰৰ দ্বাৰা নিষ্পন্ন হোৱা যিবিলাক সংজ্ঞা সেই বিলাক প্রত্যাহাৰ নামে অভিহিত হ'ব। 'আদিৰন্ত্যেনেত্যেতৎ সূত্রেন কৃতাঃ সংজ্ঞা ঃ প্রত্যাহাৰ শকেন ব্যৱহ্রিয়ন্তে।

(খ) ভট্টোজিদীক্ষিতে সম্পূর্ণ অষ্টাধ্যায়ীৰ ওপৰত সিদ্ধান্তকৌমুদী নামৰ গ্রন্থখন ৰচনা কৰে। ই এক মহত্ত্বপূর্ণ গ্রন্থ। কোৱা হয় যে সিদ্ধান্ত কৌমুদী নাজানিলে মহাভাষ্য বুজা কঠিন আৰু ইয়াক জানিলে মহাভাষ্য নপঢ়িলেও হয়—

'কৌমুদী যদি নায়াতি বৃথা ভাষ্যে পৰিশ্রমঃ।
কৌমুদী যদি চাযাতি বৃথা ভাষ্যে পৰিশ্রমঃ।।

এই মন্তব্যটিৰ পৰাই সিদ্ধান্ত কৌমুদীৰ গুৰুত্ব সহজে উপলব্ধি কৰিব পাৰি।

৪.৫ পাণিনিব্যাকৰণত ব্যৱহাৰ হোৱা প্রত্যাহাৰসমূহ

আপুনি ইতিমধ্যে প্রত্যাহাৰ শব্দৰ অর্থ আৰু প্রত্যাহাৰ গঠনৰ নিয়মৰ লগত পৰিচিত হৈছে। আপুনি এইটো বিষয়তো অৱগত হৈছে যে প্রত্যাহাৰ গঠনৰ ক্ষেত্রত শিৱসূত্রত থকা এটা বর্ণক আদিবর্ণ হিচাপে লৈ অন্ত্য ইৎবর্ণৰ সংযোগেৰে প্রক্রিয়াটো সম্পন্ন কৰা হয়। এইদৰে ব্যাকৰণপ্রক্রিয়া অনুসৰণ কৰি পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্রন্থত প্রথম সূত্রৰ পৰা আৰম্ভ কৰি শেষলৈকে একাধিক প্রত্যাহাৰ ব্যৱহাৰ কৰিছে। বেলেগ বেলেগ ব্যাকৰণগত প্রক্রিয়াৰ ক্ষেত্রত বেলেগ বেলেগ প্রত্যাহাৰ লোৱা হৈছে। পাণিনিৰ সূত্রসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে ইয়াত তেওঁ ৪১টা প্রত্যাহাৰ ব্যৱহাৰ কৰিছে। অর্থাৎ সমগ্র অষ্টাধ্যায়ী গ্রন্থত পাণিনিয়ে ৪১টা প্রত্যাহাৰ ব্যৱহাৰ কৰিছে। কিন্তু বার্ত্তিকত ব্যৱহাৰ হোৱা 'চয়্' প্রত্যাহাৰ আৰু উণাদিসূত্রত ব্যৱহাৰ হোৱা 'ঞম্'— এই দুটা প্রত্যাহাৰ একেলগে কৰি মুঠ ৪৩টা প্রত্যাহাৰৰ ব্যৱহাৰ দেখা যায় পাণিনিব্যাকৰণত। ব্যাকৰণবিধিমতে 'ৰ' প্রত্যাহাৰ এটাৰ অস্তিত্ব দেখিবলৈ পোৱা যায় পাণিনিব্যাকৰণত। গতিকে সম্পূর্ণভাৱে পাণিনীয়ব্যাকৰণ মুঠ ৪৪টা প্রত্যাহাৰৰ অস্তিত্ব নিৰূপিত হৈছে। শিৱসূত্র মাধ্যমেৰে প্রস্তুত কৰা এই প্রত্যাহাৰসমূহৰ বিষয়ে এটা প্রচলিত কাৰিকা শুনিবলৈ পোৱা যায়। সেইটো হ'ল—

একস্মান্ ঙঞণবটা দ্বাভ্যাং যস্ত্রিভ্য এৱ কণমাঃ স্যুঃ।
ঞেয়ৌ চয়ৌ চতুর্ভ্যো ৱঃ পঞ্চভ্যঃ শলৌ যড়্ভ্যঃ।।

এই শ্লোকটোৰ অর্থ হ'ল ঙ্কাৰ, ঞ্কাৰ, ণ্কাৰ, ৱ্কাৰ, ট্কাৰেৰে এটা এটাকৈ প্রত্যাহাৰ ব্যৱহাৰ কৰা হৈছে পাণিনিব্যাকৰণত, য্কাৰেৰে দুটা প্রত্যাহাৰ গঠিত হৈছে, ক্কাৰ, ণ্কাৰ, ম্কাৰ সহযোগে প্রত্যেক বর্ণেৰে তিনিটাকৈ প্রত্যাহাৰ গ্রহণ কৰা হৈছে, চ্কাৰ আৰু য্কাৰৰ সহায়ত

চাৰিটা চাৰিটাকৈ প্রত্যাহাৰ নিষ্পন্ন হৈছে, ৰ্কাৰৰ সহযোগত পাঁচটা প্রত্যাহাৰ গঠিত হৈছে শ্কাৰ আৰু ল্কাৰৰ সহযোগত মুঠ ছটা ছটা প্রত্যাহাৰ গঠন কৰা হৈছে। গতিকে পাণিনিৰ ব্যাকৰণত পোৱা প্রত্যাহাৰসমূহ হ'ল—

(১) ঙ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— এঙ্ 〉 ঙ্
(২) ঞ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— যঞ্ 〉 ঞ্
(৩) ণ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— অণ্ 〉 ণ্
(৪) ব্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ছব্ 〉 ব্
(৫) ট্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— অট্ 〉 ট্
(৬) ষ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ঝষ্ 〉 ষ্
(৭) য্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ভয্ 〉 য্
(৮) ক্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— অক্ 〉 ক্
(৯) ক্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ইক্ 〉 ক্
(১০) ক্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— উক্ 〉 ক্
(১১) ণ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— অণ্ 〉 ণ্
(১২) ণ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ইণ্ 〉 ণ্
(১৩) ণ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— যণ্ 〉 ণ্
(১৪) ম্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— অম্ 〉 ম্
(১৫) ম্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— যম্ 〉 ম্
(১৬) ম্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ঙম্ 〉 ম্
(১৭) চ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— অচ্ 〉 চ্
(১৮) চ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ইচ্ 〉 চ্
(১৯) চ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— এচ্ 〉 চ্
(২০) চ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ঐচ্ 〉 চ্
(২১) য়্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— যয়্ 〉 য়্
(২২) য়্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ময়্ 〉 য়্
(২৩) য়্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ঝয়্ 〉 য়্
(২৪) য়্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— খয়্ 〉 য়্
(২৫) ৰ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— যৰ্ 〉 ৰ্
(২৬) ৰ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ঝৰ্ 〉 ৰ্
(২৭) ৰ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— খৰ্ 〉 ৰ্
(২৮) ৰ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— চৰ্ 〉 ৰ্
(২৯) ৰ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— শৰ্ 〉 ৰ্
(৩০) শ্কাৰ নিষ্পন্ন প্রত্যাহাৰ—— অশ্ 〉 শ্



'অণুদিৎ সবর্ণস্য চাও প্রত্যয় ঃ' সূত্রত থকা অণ্ প্রত্যাহাৰৰ বর্ণসমূহ হ'ল— অ, ই, উ, ঋ, ঌ, এ, ও, ঐ, ঔ, হ, য়, ব, ৰ, ল।

(৩১) শ্‌কাৰ নিষ্পন্ন প্রত্যাহাৰ—— হশ্‌ ⟩ শ্‌
(৩২) শ্‌কাৰ নিষ্পন্ন প্রত্যাহাৰ—— বশ্‌ ⟩ শ্‌
(৩৩) শ্‌কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ঝশ্‌ ⟩ শ্‌
(৩৪) শ্‌কাৰ নিষ্পন্ন প্রত্যাহাৰ—— বশ্‌ ⟩ শ্‌
(৩৫) ল্‌কাৰ নিষ্পন্ন প্রত্যাহাৰ—— অল্‌ ⟩ ল্‌
(৩৬) ল্‌কাৰ নিষ্পন্ন প্রত্যাহাৰ—— হল্‌ ⟩ ল্‌
(৩৭) ল্‌কাৰ নিষ্পন্ন প্রত্যাহাৰ—— বল্‌ ⟩ ল্‌
(৩৮) ল্‌কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ৰল্‌ ⟩ ল্‌
(৩৯) ল্‌কাৰ নিষ্পন্ন প্রত্যাহাৰ—— ঝল্‌ ⟩ ল্‌
(৪০) ল্‌কাৰ নিষ্পন্ন প্রত্যাহাৰ—— শল্‌ ⟩ ল্‌
(৪১) বার্ত্তিকত ব্যৱহাৰ হোৱা প্রত্যাহাৰ—— ঞম্‌
(৪২) উনাদিসূত্রত ব্যৱহাৰ হোৱা প্রত্যাহাৰ—— ঞম্‌
(৪৩) অতিৰিক্ত প্রত্যাহাৰ—— ৰ

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে ণ্‌কাৰ নিষ্পন্ন যি 'অণ্‌' প্রত্যাহাৰ সেইক্ষেত্রত সমগ্র অষ্টাধ্যায়ীত অ ই উ ণ্‌— এই শিৱসূত্রৰ ণ্‌কাৰ গৃহীত হয় কিন্তু একমাত্র অণুদিৎসবর্ণস্য চাপ্রত্যয়ঃ (১/১/৬৯)— এই সূত্রত ব্যৱহাৰ হোৱা অণ্‌ প্রত্যাহাৰটোত 'লণ্‌'— এই শিৱসূত্রত থকা ণ্‌কাৰ গৃহীত হয়। অর্থাৎ অষ্টাধ্যায়ীৰ সূত্রসমূহত ব্যৱহাৰ হোৱা অণ্‌ প্রত্যাহাৰত সদায় পূর্বৰ ণ্‌কাৰ গ্রহণ কৰা হয় কিন্তু অণুদিৎসবর্ণস্য চা২প্রত্যয়— সূত্রটোত কেৱলমাত্র পৰবর্ত্তী ণ্‌কাৰ গৃহীত হয়। এই প্রসঙ্গত পোৱা বার্ত্তিককাৰৰ মতটো হ'ল—

পৰেণৈবেণ্‌গ্রহাঃ সর্বে পূর্বেণৈবাণ্‌গ্রহা মতাঃ।
ঋতেহণুদিৎসবর্ণস্যেত্যেতদেকং পৰেণ তু।।

এইদৰে ৪৪টা প্রত্যাহাৰে সমগ্র অষ্টাধ্যায়ী গ্রন্থত বিভিন্ন ধৰণৰ ব্যাকৰণপ্রক্রিয়াৰ মূল হিচাপে অস্তিত্ব বহন কৰি আছে। এই প্রত্যাহাৰসমূহক বাদ দিলে অষ্টাধ্যায়ীৰ মহত্বই নাথাকিব। সেইকাৰণে প্রত্যাহাৰৰ বিষয়ে জ্ঞান থকাটো সংস্কৃত ব্যাকৰণৰ ছাত্র এজনৰ বাবে বৰ প্রয়োজনীয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ পাণিনিব্যাকৰণত প্রত্যাহাৰ গঠনৰ নিয়মটো কি?

.....

প্রশ্ন নং ৮ঃ অষ্টাধ্যায়ীত ব্যৱহাৰ হোৱা অণ্‌ প্রত্যাহাৰৰ বিষয়ে চমু টোকা লিখক।

.....

প্রশ্ন নং ৯ঃ শ্‌কাৰ নিষ্পন্ন পাণিনীয় প্রত্যাহাৰসমূহ কি কি?

.....

৪.৬ প্রত্যাহাৰৰ ভূমিকা

পাণিনিসম্প্রদায়ত প্রত্যাহাৰৰ ভূমিকা যে অতি গুৰুত্বপূর্ণ সেই বিষয়ে আপুনি ইতিমধ্যে জানিব পাৰিছে। প্রত্যাহাৰসমূহক উপলক্ষ কৰি বিভিন্ন ব্যাকৰণগত প্রক্রিয়া নিষ্পন্ন হয় পাণিনীয়ব্যাকৰণত। আৰু সেই কাৰণে প্রত্যাহাৰসমূহক পাণিনীয় সূত্রসমূহৰ মূল বা বীজ হিচাপে গণ্য কৰা হয়।

ইতিমধ্যে প্রত্যাহাৰ পদৰ আক্ষৰিক অর্থৰ পৰা আপুনি জানিছে যে প্রত্যাহাৰ শব্দেৰে একধৰণৰ সংক্ষিপ্তকৰণ প্রক্রিয়াক বুজায়। পাণিনিৰ অষ্টাধ্যায়ীত যি সূত্রসমূহ আছে সেই বিশাল ব্যাকৰণক্ষেত্রত বহুধৰণৰ বিধি বা প্রক্রিয়াৰ উল্লেখ আছে। সংজ্ঞা, পৰিভাষা, বিধি, নিয়ম, অতিদেশ আৰু অধিকাৰ সূত্রসমূহেৰে নিৰূপিত পাণিনিব্যাকৰণত সকলো প্রসঙ্গতেই ব্যৱহাৰ হৈছে প্রত্যাহাৰসমূহ। পাণিনিব্যাকৰণত ব্যৱহাৰ হোৱা ৪৪টা প্রত্যাহাৰৰ প্রত্যেকটোৰে বিশেষ উদ্দেশ্য সিদ্ধ হৈছে। এনেকুৱা কোনো এটা প্রত্যাহাৰ নাই যিটোক আমি অলাগতিয়াল বা অতিৰিক্ত বুলি ক'ব পাৰো। সেইকাৰণে পাণিনিব্যাকৰণত প্রত্যাহাৰৰ ভূমিকা কি সেই বিষয়ে বিশেষ অধ্যয়ন অতি প্রয়োজনীয়। এই কথা মনত ৰাখিহে এই অধ্যায়ত প্রত্যাহাৰৰ ভূমিকাৰ বিষয়ে আলোচনাৰ প্রসঙ্গটো সনিৰ্ষ্টি কৰা হৈছে। পাণিনিব্যাকৰণত ব্যৱহাৰ হোৱা প্রত্যাহাৰসমূহৰ ভূমিকাৰ বিষয়ে জানিলে সংস্কৃত ব্যাকৰণৰ বহুতো বিধি নিয়ম বুজাত সুবিধা হয়।

প্রত্যাহাৰসূত্রৰ ভূমিকা বা গুৰুত্বৰ বিষয়ে আলোচনা কৰিব গ'লে যি কথাটো সর্বপ্রথমে স্বীকাৰ কৰিব লাগে সেয়া হ'ল সংক্ষিপ্তকৰণ। প্রত্যাহাৰৰ ব্যৱহাৰে পাণিনিৰ সূত্রক চুটি কৰাত সহায় কৰিছে। এটা উদাহৰণেৰে এই কথাটো বুজোৱা যাওক। পাণিনিব্যাকৰণৰ প্রথমসূত্র হ'ল বৃদ্ধিৰাদৈচ্। ইয়াত থকা শব্দবোৰ হ'ল বৃদ্ধিঃ আত্ ঐচ্। উক্ত প্রয়োগত ঐচ্ হ'ল এটা প্রত্যাহাৰ। ইয়াৰ সহায়ত ঐ আৰু ঔ বর্ণক বুজোৱা হৈছে (ঐ ঔ চ্— এই শিৱসূত্রত থকা ঐ-কাৰৰ লগত ইৎবর্ণ চ্-কাৰৰ সংযোগত ঐচ্ প্রত্যাহাৰ নিষ্পন্ন হৈছে)। এতিয়া ঐ বর্ণৰ মাত্রা দুই (২), ঔ বর্ণৰ মাত্রাও দুই (২)। যদি ঐ আৰু ঔ বর্ণক পৃথকে পৃথকে লিখা হ'ল হয় তেতিয়া এই দুইবর্ণক বুজোৱাৰ বাবে চাৰিমাত্রাৰ সংযোগ হ'ল হয়। আনফালে ঐচ্ এই প্রত্যাহাৰ বুজোৱা পদত আছে দুইমাত্র আৰু আধামাত্রা ($২\frac{১}{২}$)। কাৰণ দীর্ঘবর্ণ হিচাপে বা সান্ধ্যক্ষৰ হিচাপে ঐৰ মাত্রা দুই আৰু 'ব্যঞ্জনং চাৰিমাত্রয়াম্' এই নিয়ম অনুসৰি ব্যঞ্জনবর্ণ 'চ্'ৰ মাত্রা আধা। এইদৰে কেৱলমাত্র এটা সূত্রতেই প্রত্যাহাৰ ব্যৱহাৰ কৰি ১ মাত্রাৰ লাঘব ঘটোৱা হৈছে। গতিকে প্রত্যাহাৰৰ প্রয়োগে অষ্টাধ্যায়ীত মাত্রাৰ পৰিমাণ কমাই আনিছে। আৰু সংস্কৃতব্যাকৰণত মাত্রাৰ পৰিমাণ কমাব পাৰাটো এক বিশেষ গৌৰবৰ বিষয় বুলি গণ্য কৰা হয়। এটি প্রচলিত উক্তিত কোৱা হয় 'অর্দ্ধমাত্রালাঘবেন পুত্রোৎসৱমিৱ মন্যন্তে বৈয়াকৰণাঃ', অর্থাৎ আধা মাত্রাৰ লঘুত্ব হ'লেই বৈয়াকৰণসকলে পুত্রজন্মৰ আনন্দৰ দৰে মানসিক আনন্দ লাভ কৰে। সেইক্ষেত্রত প্রত্যাহাৰৰ ব্যৱহাৰে পাণিনি ব্যাকৰণত অগণিত মাত্রাৰ লাঘব ঘটাই সূত্রসমূহক চুটি আৰু স্বল্পাবয়ব কৰিবলৈ সক্ষম হৈছে। এই প্রসঙ্গত কোনটো প্রত্যাহাৰে কোন সূত্রত নিজৰ ভূমিকা কার্যকৰী কৰিছে সেই বিষয়ে তলত এটা তালিকা

দিয়া হ'ল।

১। এঙ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— এঙি পৰৱ্দপম্ (৬/১/৯৪)

২। যঞ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— যঞশ্চ (৪/১/১৬)

৩। অণ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— কে২নঃ (৭/৪/১৩)

৪। ছব্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— নশ্ছব্যপ্রশান্ (৮/৩/৭)

৫। অট্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— অট্কুপ্বাঙ্নুম্ব্যবায়ে২পি (৮/৪/২)

৬। ঝষ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ঝষস্তথোর্ধো২ধঃ (৮/২/৪০)

৭। ভষ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— একাচো বশো ভষ্ ঝষন্তস্যস্ধ্বোঃ (৮/২/৩৭)

৮। অক্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ঋত্যকঃ (৬/১/১২৮)

৯। ইক্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ইকো যণচি (৬/১/৭৭)

১০। উক্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— উগিদচাং সর্ব্বনামস্থানে২ধাতো (৭/১/৭)

১১। অণ্ (পিছৰ-ণ্) প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— অণুদিৎসবর্ণস্য চা২প্রত্যয়ঃ (১/১/৬৯)

১২। ইণ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ইনঃ ষঃ (৮/৩/৩৯)

১৩। যণ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ইকো যণচি

১৪। অম্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— পুমঃ খয্যম্পৰে (৮/৩)

১৫। যম্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— হলো যমাং যমি লোপ (৮/৪/৬৪)

১৬। ঙম্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ঙমো হ্রস্বাদচি ঙমুণ্ নিত্যঃ (৮/৩/৩২)

১৭। অচ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— অচো২ন্ত্যাদি টি (১/১/৬৪)

১৮। ইচ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ইজাদেশ্চ গুৰুমতো২নৃচ্ছঃ (৩/১/৩৫)

১৯। এচ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— এচো২য়বাযাবঃ

২০। ঐচ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— বৃদ্ধিৰাদৈচ্ (১/১/১)

২১। যয়্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— অনুস্বাৰস্য যয়ি পৰসবর্ণঃ (৮/৪/৫৮)

২২। ময়্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ময় উঞো বো বা (৮/৩/৩৩)

২৩। ঝয়্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ঝয়ো হো২ন্যতৰস্যাম্ (৬/১/১২৮)

২৪। খয়্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— 'শৱ্বপূর্ব্বাঃ খয়ঃ (৭/৪/৬১)

২৫। যৰ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— যৰো২নুনাসিকেৎনুনাসিকো বা (৮/৪/৪৫)

২৬। ঝৰ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ঝৰো ঝৰি সবর্ণে (৮/৪/৬৫)

২৭। খৰ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— খৱ্বসানয়োৰবিসর্জ্জনীয়ঃ (৮/৩/১৫)

২৮। চৰ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— অভ্যাসে চৰ্ চ (৮/৪/৫৪)

২৯। শৰ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ঙণোঃ কুক্ টুক্ শৰি (৮/৩/২৮)

৩০। অশ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ভোভগো২ঘোপূর্ব্বস্যযো২শি (৮/৩/১৭)

৩১। হশ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— হশি চ (৬/১/১১৪)

৩২। বশ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— নেভবশিকৃতি (৭/২/৮)

৩৩। জশ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ঝলাং জশোঽন্তে (৮/২/৩৯)

৩৪। ঝশ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ঝলাং জশ্ ঝশি (৮/৪/৫৩)

৩৫। বশ্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— একাচো বশো ভষ্ (৮/২/৩৭)

৩৬। অল্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— অলোঽন্ত্যস্য (১/১/৫২)

৩৭। হল্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— হলঃ (৬/৪/২)

৩৮। বল্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— আর্দ্ধধাতুকস্য ইট্ বলাদেঃ (৭/২/৩৫)

৩৯। ৰল্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— ৰলোব্যুপধাদ্ধলাদেঃ সংশ্চ (১/২/২৬)

৪০। ঝল্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— নশ্চাপদান্তস্য ঝলি (৮/৩/২৪)

৪১। শল্ প্রত্যাহাৰ ব্যৱহাৰ হোৱা সূত্র—— শল ইগুপধাদনিটঃ ক্সঃ (৩/১/৪৫)

ঞম্ প্রত্যাহাৰৰ প্রত্যক্ষ ব্যৱহাৰ অষ্টাধ্যায়ীত পোৱা নাযায়। কিন্তু উনাদয়ো বহুলম্ (৩।৩।১) এই সূত্রত ঔণাদিক প্রত্যয়ৰ গ্রহণ হোৱা কাৰণে শাকটায়নীয় ঞম্ প্রত্যাহাৰো পাণিনিৰ দ্বাৰা স্বীকৃত হ'ল বুলি বহুতে অভিমত পোষণ কৰে। দ্বিতীয়তে চয্ প্রত্যাহাৰৰ ব্যৱহাৰো পাণিনিৰ অষ্টাধ্যায়ীত পোৱা নাযায়। কিন্তু বৰৰুচি কাত্যায়নৰ 'চয়ো দ্বিতীয়া শৰি'— এই বার্ত্তিকত 'চয্' প্রত্যাহাৰৰ ব্যৱহাৰ থকা কাৰণে বহুপণ্ডিতৰ ধাৰণা যে পাণিনিব্যাকৰণতো এই প্রত্যাহাৰৰ ব্যৱহাৰ হৈছিল। তদুপৰি উৰণ্ৰপৰঃ (১।১।৫১) এই সূত্রৰ প্রয়োজনত ৰ্ প্রত্যাহাৰ সিদ্ধ হৈছে। এইদৰে সম্পূর্ণ অষ্টাধ্যায়ীত বিভিন্ন প্রসঙ্গত প্রত্যাহাৰসমূহ ব্যৱহৃত হৈছে।

সংক্ষিপ্তকৰণৰ উপৰিও প্রত্যাহাৰসমূহ অতি সোনকালে কণ্ঠস্থ হয়। প্রত্যাহাৰৰ শেষবর্ণটো হসন্ত ব্যঞ্জন হোৱা বাবে (ৰ প্রত্যাহাৰ বাদ দি) সেইবোৰক এটা 'ফর্মূলা'ৰ দৰে ব্যৱহাৰ কৰা যায়। ফলত সূত্র এটা সহজে বোধগম্যও হয় আৰু সেইটো মনত ৰখাটোও সহজ হৈ পৰে। উদাহৰণেৰে বিষয়টো সহজভাৱে ব্যক্ত কৰিব পাৰি। ইকো যণ্ অচি সূত্রটোত তিনিটা প্রত্যাহাৰ ব্যৱহাৰ হৈছে। সেইবোৰ হ'ল ইক্, যণ্ আৰু অচ্। সূত্রটোৰ অর্থ হ'ল স্বৰবর্ণ পিছত থাকিলে সন্ধিত ই, উ, ঋ, ৡ ঠাইত যথাক্রমে য, ব, ৰ আৰু ল হয়। প্রত্যাহাৰৰ ব্যৱহাৰ নথকা হ'লে সূত্রটোৰ অর্থ বহু দীঘলীয়া হোৱা দেখা যায় কিন্তু প্রত্যাহাৰৰ সহায়ত অতি সংক্ষেপে সূত্র কৰা হ'ল ইকোযণচি যিটোৰ মাত্রাসংখ্যা হ'ল মাত্র ছয় (৬)। তদুপৰি সূত্রটো চুটি হোৱা কাৰণে Formulaৰ দৰে সহজে মুখস্থও হয়।

এইদৰে শিৱসূত্র বা মাহেশ্বৰ সূত্রৰ ভিত্তিত গঠিত প্রত্যাহাৰসমূহে সমগ্র অষ্টাধ্যায়ীৰ পৰিসৰ তথা মহত্ত্বৰ ক্ষেত্রত এটা উল্লেখযোগ্য ভূমিকা গ্রহণ কৰি আহিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ঃ প্রত্যাহাৰ ব্যৱহাৰৰ উদ্দেশ্য বা প্রয়োজনীয়তা কি?

.....

প্রশ্ন নং ১১ঃ ৰ-কাৰ নিষ্পন্ন প্রত্যাহাৰসমূহ কি কি লিখক।

.....

প্রশ্ন নং ১২ঃ শ্কাৰ নিষ্পন্ন প্রত্যাহাৰসমূহ কি কি সূত্রত ব্যৱহাৰ হৈছে লিখক।

.....

প্রশ্ন নং ১৩ঃ প্রত্যাহাৰ নাথাকিলে পাণিনিৰ ব্যাকৰণখন কেনেকুৱা হ'লহেতেন?

.....



৪.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- শিৱসূত্র বা মাহেশ্বৰ সূত্রৰ উৎপত্তিৰ বিষয়ে জানিলে। যদিও কিছুমান পণ্ডিতৰ মতে মহেশ্বৰ বা মাহেশ ব্যাকৰণ বুলি পাণিনিৰ পূর্ববর্ত্তী সময়ৰ এখন ব্যাকৰণ প্রচলিত আছিল, যিখনৰ পৰা পাণিনিয়ে মাহেশ্বৰ সূত্রবোৰ গ্রহণ কৰিছিল কিন্তু অধিকাংশ বৈয়াকৰণৰ অভিমত হ'ল যে পাণিনিয়ে মহাদেৱৰ অনুগ্রহত প্রত্যাহাৰ সূত্রবোৰ জানি পৰবর্ত্তী সময়ত তেওঁৰ অষ্টাধ্যায়ী গ্রন্থখন ৰচনা কৰে।
- চৈধ্যটা প্রত্যাহাৰ সূত্রই কিদৰে সংস্কৃত ভাষাৰ বর্ণমালা সৃষ্টি কৰিছে— সেই বিষয়ে জানিলে। কিদৰে দুটা বর্ণ লগলগাই প্রত্যাহাৰ সৃষ্টি কৰা হয়— সেই বিষয়েও অৱগত হ'ল। তদুপৰি কোনটো প্রত্যাহাৰে স্বৰবর্ণ সূচায়, কোনটো প্রত্যাহাৰ ব্যঞ্জনবর্ণৰ বোধক— সেইবিষয়েও জানিব পাৰিলে।
- প্রত্যাহাৰৰ সংখ্যা কিমান আৰু সেইবোৰ কেনেদৰে অষ্টাধ্যায়ী গ্রন্থত ব্যৱহৃত হৈছে সেই বিষয়েও জানিব পাৰিলে। তদুপৰি প্রত্যাহাৰসমূহ ব্যৱহাৰ কৰাৰ ফলত অষ্টাধ্যায়ী গ্রন্থত কি কি সুবিধা পোৱা গৈছে সেইবিষয়েও অৱগত হ'ল।
- তদুপৰি সমগ্র পাণিনীয়ব্যাকৰণত প্রত্যাহাৰৰ ভূমিকা কি সেই বিষয়ে জানিব পাৰিলে।
- প্রত্যাহাৰৰ ব্যৱহাৰ যে পাণিনিব্যাকৰণৰ এক অনুপম বৈশিষ্ট্য তথা কার্যকৰী সাধন সেই বিষয়েও জানিব পাৰিলে।



৪.৮ অধিক জানিবলৈ

১) *দ্য অষ্টাধ্যায়ী অব্ পাণিনি* (খণ্ড ১ম, ২য়); শ্রীশ চন্দ্র বসু, মতিলাল বাণাৰসীদাস পাবলিছার্ছ প্রাইভেট লিমিটেড্, দিল্লী, ২০০৯।

২) *ব্যাকৰণদর্শনেৰ ইতিহাস;* গুৰপদ হালদাৰ, সংস্কৃত বুক ডিপো, কলকাতা, ২০০৬ (পুনর্মুদ্রণ)।

৩) *পাণিনীয় শব্দশাস্ত্ৰ*; সত্যনাৰায়ণ চক্ৰৱৰ্ত্তী, সংস্কৃত পুস্তক ভাণ্ডাৰ, কলকাতা, ২০১০ (২য় প্ৰকাশ)।

৪) *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*; থানেশ্বৰ শৰ্মা; চন্দ্ৰপ্ৰকাশ, গুৱাহাটী, ২০০৭ (২য় প্ৰকাশ)।

৫) *পাণিনি*, কাত্যায়ন এণ্ড পতঞ্জলি; মাধব কৃষ্ণ শৰ্মা, শ্ৰীলাল বাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় সংস্কৃত বিদ্যাপীঠ, দিল্লী, ২০০৯।

৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ চৈধ্যটা মাহেশ্বৰ সূত্ৰ লিখিব লাগিব। অ ই উ ণ্ আদি।

২ নং প্ৰশ্নৰ উত্তৰঃ এই সূত্ৰকেইটা দেবাদিদেব মহাদেৱৰ আশীৰ্বাদৰ কাৰণে পাণিনিৰ মনলৈ আহিছিল আৰু সেইকাৰণে এই সূত্ৰবিলাকক শিৱসূত্ৰ বা মাহেশ্বৰ সূত্ৰ বুলি কোৱা হয়।

৩ নং প্ৰশ্নৰ উত্তৰঃ প্ৰকৃততে মাহেশ্বৰ সূত্ৰ বা শিৱসূত্ৰসমূহত সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা বৰ্ণসমূহৰ ক্ৰমটো দেখুওৱা হৈছে। সেইকাৰণে এইবিলাকক বৰ্ণসমাম্নায় বা অক্ষৰসমাম্নায় বুলি কোৱা হয়।

৪ নং প্ৰশ্নৰ উত্তৰঃ পাণিনিব্যাকৰণৰ সূত্ৰসমূহ প্ৰত্যাহাৰৰ ওপৰত বহুখিনি নিৰ্ভৰশীল আৰু এই সূত্ৰসমূহেৰে যিবোৰ ব্যাকৰণপ্ৰক্ৰিয়াৰ নিৰ্দেশ দিয়া হয় অধিকাংশ ক্ষেত্ৰতেই সেইবোৰ প্ৰত্যাহাৰবোৰৰ লগত জড়িত হৈ থাকে। সেইকাৰণে প্ৰত্যাহাৰসমূহক অষ্টাধ্যায়ী ব্যাকৰণৰ মূল বা বীজৰূপে ক'ব পাৰি।

৫ নং প্ৰশ্নৰ উত্তৰঃ মাহেশ্বৰ সূত্ৰৰ অন্ত্যবৰ্ণসমূহ হসন্ত ব্যঞ্জনান্তক আৰু এই হসন্তব্যঞ্জনবোৰক ইৎবৰ্ণ বুলি কোৱা হয়।

৬ নং প্ৰশ্নৰ উত্তৰঃ বৰ্ণসমাম্নায়ৰ ভিত্তিত পাণিনীয় আৰু অপাণিনীয় ব্যাকৰণসম্প্ৰদায়ৰ মাজত থকা পাৰ্থক্য হ'ল সাধাৰণতে পাণিনীয় ব্যাকৰণসম্প্ৰদায়ত শিৱসূত্ৰসমূহৰ অক্ষৰবিন্যাসক গ্ৰহণ কৰা হয় আৰু অপাণিনীয়ব্যাকৰণসম্প্ৰদায়ত মূলতে অ, আ, ই, ঈ ইত্যাদি ক্ৰমত থকা অক্ষৰবিন্যাসক গ্ৰহণ কৰা হয়।

৭ নং প্ৰশ্নৰ উত্তৰঃ 'আদিৰন্ত্যেন সহেতা' এই সূত্ৰৰ ভিত্তিত উত্তৰটো লিখিব লাগিব।

৮ নং প্ৰশ্নৰ উত্তৰঃ অণ্ প্ৰত্যাহাৰত কোনটো ণ্ ব্যৱহাৰ কৰা হয় বা ইয়াৰ ব্যতিক্ৰম ক'ত আছে সেইবিষয়ে লিখিব লাগিব।

৯ নং প্ৰশ্নৰ উত্তৰঃ শেষত শ্কাৰ থকা প্ৰত্যাহাৰসমূহৰ বিষয়ে লিখিব লাগিব।

১০ নং প্ৰশ্নৰ উত্তৰঃ পাণিনিব্যাকৰণত প্ৰত্যাহাৰ ব্যৱহাৰ কৰা কাৰণে কি কি উপযোগিতা পোৱা যায় সেইবিষয়ে লিখিব লাগিব।

১১ নং প্রশ্নৰ উত্তৰঃ অন্তত ৰ্ থকা আটাইবোৰ প্রত্যাহাৰৰ কথা লিখিব লাগিব।

১২ নং প্রশ্নৰ উত্তৰঃ শ্কাৰ নিষ্পন্ন প্রত্যাহাৰসমূহৰ কথা লিখি সেই প্রত্যাহাৰ প্রযুক্ত হোৱা সূত্রবোৰ উল্লেখ কৰিব লাগিব।

১৩ নং প্রশ্নৰ উত্তৰঃ প্রত্যাহাৰ অবিহনে পাণিনিব্যাকৰণ কথা কল্পনা কৰাই নাযায়। প্রত্যাহাৰ ব্যৱহাৰ নকৰিলে কি কি অসুবিধা আহিলহেতেন সেই বিষয়ে লিখিব লাগিব।



৪.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ শিবসূত্রৰ সহায়ত স্ৱৰবর্ণ বুজোৱা প্রত্যাহাৰটো কেনেদৰে গঠিত হৈছে লিখক।

প্রশ্ন ২ঃ প্রত্যাহাৰ শব্দটোৰ অর্থ ব্যাখ্যা কৰি প্রত্যাহাৰ গঠনৰ নিয়ম লিখক (২০০ শব্দৰ ভিতৰত)

খ) চুটিপ্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ শিৱসূত্র বা মাহেশ্বৰ সূত্র কেইটা ক্রম অনুসৰি লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ পাণিনিৰ অষ্টাধ্যায়ীত ব্যৱহাৰ হোৱা প্রত্যাহাৰসমূহ কি কি?

প্রশ্ন ২ঃ অষ্টাধ্যায়ীগ্রন্থত প্রত্যাহাৰৰ ভূমিকা তথা গুৰুত্ব সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ শব্দৰূপ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ কাৰক আৰু বিভক্তিৰ বিভাগসমূহ

৫.৩.১ সুপ্ বিভক্তি

৫.৪ অজন্ত শব্দ

৫.৪.১ পুংলিঙ্গ শব্দ

৫.৪.২ স্ত্রীলিঙ্গ শব্দ

৫.৪.৩ ক্লীৱলিঙ্গ শব্দ

৫.৫ হলন্ত শব্দ

৫.৫.১ পুংলিঙ্গ শব্দ

৫.৫.২ স্ত্রীলিঙ্গ শব্দ

৫.৫.৩ ক্লীৱলিঙ্গ শব্দ

৫.৬ সর্বনাম শব্দৰ ৰূপ

৫.৭ বিশেষণ শব্দৰ ৰূপ

৫.৮ সংখ্যাবাচক শব্দৰ ৰূপ

৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.১০ অধিক জানিবলৈ

৫.১১ অগ্রগতিৰ খতিয়ান

৫.১২ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত ভাষাৰ বিভিন্ন প্রকাৰৰ শব্দৰ জ্ঞান লাভ কৰিব
- শব্দসমূহৰ লিঙ্গ, বচন আদিৰ জ্ঞান লাভ কৰিব
- শব্দবোৰৰ কাৰক-বিভক্তিৰ লগত অৱগত হ'ব
- সংস্কৃত 'সুপ্ ' বিভক্তিৰ প্রয়োগৰ বিষয়ে জানিব
- বিভিন্ন বিভক্তিত বচন অনুসৰি শব্দসমূহৰ প্রয়োগৰ বিষয়ে জানিব পাৰিব
- সংস্কৃত ভাষাৰ বিশেষ্য, সর্বনাম, বিশেষণ আৰু সংখ্যাবাচক শব্দৰ লগত পৰিচিত হ'ব।

৫.২ পৰিচয়

আপুনি নিশ্চয় 'বর্ণ' (Letters)ৰ নাম শুনিছে। বর্ণ নাইবা বর্ণসমূহৰ সমষ্টিক 'পদ' অথবা 'শব্দ' বুলি কোৱা হয়। পদসমূহ বিভিন্ন প্ৰকাৰৰ, যেনে— বিশেষ্য, বিশেষণ, সর্বনাম, ক্ৰিয়া আদি। সংস্কৃত ব্যাকৰণত বিশেষ্য আৰু সর্বনাম শব্দৰহে শব্দৰূপ বেছিকৈ দেখিবলৈ পোৱা যায়। সংস্কৃত ব্যাকৰণত বিশেষ্য আৰু সর্বনাম পদসমূহক তিনি প্ৰকাৰত বিভক্ত কৰা হৈছে— ১। পুংলিঙ্গ শব্দ (Masculine), ২। স্ত্ৰীলিঙ্গ শব্দ (Feminine) আৰু ৩। ক্লীৱলিঙ্গ অথবা নপুংসক শব্দ (Neuter)। সংস্কৃত ভাষাত এই শব্দসমূহ তিনিটা বচনত পোৱা যায়। সেই বচনসমূহ হৈছে— একবচন (Singular), দ্বিবচন (Dual) আৰু বহুবচন (Plural)। বুজি পোৱাৰ বাবে তলত উদাহৰণেৰে সৈতে দেখুওৱা হ'ল।

	পুংলিঙ্গ	**স্ত্ৰীলিঙ্গ**	**ক্লীৱলিঙ্গ**
একবচন	বালকঃ (এজন ল'ৰা)	বালিকা (এজনী ছোৱালী)	ফলম্ (এটা ফল)
দ্বিবচন	বালকৌ (দুজন ল'ৰা)	বালিকে (দুজনী ছোৱালী)	ফলে (দুটা ফল)
বহুবচন	বালকাঃ (বহুত ল'ৰা)	বালিকাঃ (বহুকেইজনী ছোৱালী)	ফলানি (বহুত ফল)

কাৰক ঃ 'ক্ৰিয়ান্বয়িকাৰকম্' অর্থাৎ ক্ৰিয়াৰ লগত যুক্ত থকা পদক কাৰক বোলে।

এই শব্দসমূহক যেতিয়া ক্ৰিয়াৰ সৈতে সংলগ্ন কৰা হয়, তেতিয়া সেই শব্দসমূহক ***'কাৰক'*** বুলি কোৱা হয়। যেনে— ৰামঃ পুস্তকং পঠতি (ৰামে কিতাপখন পঢ়িছে)। এই বাক্যটোত 'ৰামঃ' হৈছে কর্ত্তা, অর্থাৎ যিজনে কামটো কৰিছে, আৰু এই বিশেষ্য কর্ত্তা পদটোক 'পঠতি' এই ক্ৰিয়াটোৰ অর্থটো পাবৰ বাবে সংলগ্ন কৰা হৈছে। সেয়েহে এই 'ৰামঃ' শব্দটোক কাৰক বুলি কোৱা হয়। এই পদসমূহৰ বচন, কাৰক আদি নির্ণয় কৰিবলৈ কিছুমান 'প্ৰতীক চিহ্ন' (Symbol) প্ৰয়োগ কৰা হয়, আৰু সেইবোৰক বিভক্তি বোলে। উদাহৰণস্বৰূপে ওপৰত ব্যৱহাৰ কৰা বাক্যটোৰ 'ৰামঃ' (ৰামে) এই পদটোৰ অন্তিম অংশটো হৈছে বিভক্তিৰ চিহ্ন, অর্থাৎ ৰাম + ঃ (সু) (ৰাম + এ) (ইয়াত ঃ (সু) হৈছে বিভক্তিৰ চিহ্ন)। পুংলিঙ্গ, স্ত্ৰীলিঙ্গ আৰু ক্লীৱলিঙ্গ হিচাপে পৃথক কৰা সংস্কৃত ভাষাৰ শব্দসমূহক আকৌ 'অজন্ত' অর্থাৎ স্ৱৰবর্ণ অন্ত (Vowel ending) আৰু 'হলন্ত' অর্থাৎ ব্যঞ্জন বর্ণ অন্ত (Consonant ending) হিচাপে শব্দৰূপ কৰা হৈছে। এই অধ্যায়টিৰ জৰিয়তে আপুনি সংস্কৃত ভাষাৰ বিভিন্ন শব্দৰ লগত চিনাকি হ'ব পাৰিব। সংস্কৃত শব্দসমূহৰ লিংগ, বচন, কাৰক- বিভক্তিৰ লগতে অন্যান্য বহুতো ব্যাকৰণগত ব্যৱহাৰৰ সৈতেও পৰিচিত হ'ব পাৰিব।

৫.৩ কাৰক আৰু বিভক্তিৰ বিভাগসমূহ

ইতিমধ্যে উল্লেখ কৰা কাৰক পদ সমূহক ছয় প্ৰকাৰত বিভক্ত কৰা হৈছে। এই কাৰকসমূহক নির্দ্দিষ্ট বিভক্তিৰ দ্বাৰা দেখুওৱা হয়। আপোনাৰ সুবিধাৰ বাবে তলত কাৰকসমূহৰ লগত বিভক্তি সমূহক সংলগ্ন কৰি তালিকাভূক্ত কৰা হ'ল—

কাৰকৰ নাম কর্ত্তা (Nominative)	অসমীয়া প্রতীক চিহ্ন অ/ই/এ (use of Subject)	সংস্কৃত প্রতীক চিহ্ন সু,ঔ,জস্	বিভক্তিৰ নাম প্রথমা
কর্ম (Accusative)	ক (To)	অম্ ঔ,শস্	দ্বিতীয়া
কৰণ (Instrumental)	ৰে/দ্বাৰা (By, With)	টা, ভ্যাম্ ভিস্	তৃতীয়া
সম্প্রদান (Dative)	অক/লৈ (For)	ঙে, ভ্যাম্, ভ্যস্	চতুর্থী
অপাদান (Ablative)	পৰা (From)	ঙসি, ভ্যাম্, ভ্যস্	পঞ্চমী
*সম্বন্ধ (Genetive)	ৰ (Of)	ঙস্, ওস্, আম্	ষষ্ঠী
অধিকৰণ (Locative)	ত (In, Into, On)	ঙি, ওস্, সুপ্	সপ্তমী
*সম্বোধন (Vocative)	হে ! (Oh !)	সু, ঔ, জস্	প্রথমা



জানি থোৱা ভাল

১। তালিকাত থকা * সম্বন্ধ আৰু * সম্বোধন ক পদ হিচাপে ধৰা হয়, কাৰক হিচাপে ধৰা নহয়।

২। আপুনি সদায়েই মনত ৰখা ভাল যে তালিকাত দেখুৱাই দিয়া ধৰণে নির্দ্দিষ্ট কাৰকৰ লগত সদায়ে নির্দ্দিষ্ট বিভক্তি ব্যৱহাৰ হয়। কিন্তু কিছুমান বিশেষ ক্ষেত্রতহে এই নিয়মৰ ব্যতিক্রম দেখিবলৈ পোৱা যায়। মহামুনি পাণিনিৰ 'অষ্ট্যাধ্যায়ী' নামৰ ব্যাকৰণ গ্রন্থত এই বিশেষ নিয়মবোৰ দেখিবলৈ পোৱা যায়।

৫.৩.১ সুপ্ বিভক্তি

সংস্কৃত ভাষাৰ শব্দসমূহৰ বচন, কাৰক আদি নির্ণয় কৰিবলৈ যি বিভক্তিৰ প্রয়োগ কৰা হয়, তাকেই 'সুপ্' বিভক্তি বোলে। তিনি প্রকাৰৰ বচন আৰু সাত প্রকাৰৰ বিভক্তিত এই 'সুপ্' বিভক্তিৰ চিহ্ন অথবা ***প্রত্যয়***সমূহ ব্যৱহাৰ কৰা হয়। এই বিভক্তিসমূহ বিশেষ্য আৰু সর্বনাম শব্দত প্রধানভাৱে ব্যৱহাৰ হয়। এইদৰে ব্যৱহৃত হোৱা বিভক্তি সমূহে একেটা শব্দৰেই একৈশ প্রকাৰৰ ৰূপৰ সৃষ্টি কৰে (৭ x ৩ = ২১)। অৱশ্যে সম্বোধনৰ বিভক্তি তিনিটাক ধৰিলে এই সংখ্যা হয়গৈ চৌবিশ (২১ + ৩ = ২৪)। এইখিনিতেই উল্লেখযোগ্য যে সর্বনাম শব্দসমূহৰ সম্বোধন নাথাকে। তলৰ তালিকাৰ পৰাই আপোনাৰ 'সুপ্' বিভক্তিৰ প্রয়োগ সম্বন্ধে ধাৰণা স্পষ্ট হৈ পৰিব।

উদাহৰণৰ বাবে লোৱা বিশেষ্য শব্দ— বালক (ল'ৰা)

প্রত্যয় ঃ ধাতু আৰু প্রাতিপদিকৰ পিছত যিবোৰ চিহ্ন যুক্ত হয়, তাকেই প্রত্যয় (Suffix) বোলে। যেনে— ৰাম + সু = ৰামঃ। প্রত্যয় পাঁচবিধ— বিভক্তি, কৃৎ, তদ্ধিত, স্ত্রী-প্রত্যয় আৰু ধাত্বৱয়ব।

কাৰক		বিভক্তি	বচন		সুপ্ বিভক্তিৰ চিহ্ন	বালক শব্দৰ ৰূপ	অসমীয়া অর্থ
১।	কর্ত্তা	প্রথমা	১।	একবচন	সু	বালকঃ	ল'ৰাজনে
			২।	দ্বিবচন	ঔ	বালকৌ	ল'ৰাদুজনে
			৩।	বহুবচন	জস্	বালকাঃ	ল'ৰাবোৰে
২।	কর্ম	দ্বিতীয়া	৪।	একবচন	অম্	বালকম্	ল'ৰাজনক
			৫।	দ্বিবচন	ঔ	বালকৌ	ল'ৰাদুজনক
			৬।	বহুবচন	শস্	বালকান্	ল'ৰাবোৰক
৩।	কৰণ	তৃতীয়া	৭।	একবচন	টা	বালকেন	ল'ৰাজনৰদ্বাৰা
			৮।	দ্বিবচন	ভ্যাম্	বালকাভ্যাম্	ল'ৰাদুজনৰদ্বাৰা
			৯।	বহুবচন	ভিস্	বালকেভ্যঃ	ল'ৰাবোৰৰদ্বাৰা
৪।	সম্প্রদান	চতুর্থী	১০।	একবচন	ঙে	বালকায়	ল'ৰাজনলৈ
			১১।	দ্বিবচন	ভ্যাম্	বালকাভ্যাম্	ল'ৰাদুজনলৈ
			১২।	বহুবচন	ভ্যস্	বালকেভ্যঃ	ল'ৰাবোৰলৈ
৫।	অপাদান	পঞ্চমী	১৩।	একবচন	ঙসি	বালকাৎ	ল'ৰাজনৰ পৰা
			১৪।	দ্বিবচন	ভ্যাম্	বালকাভ্যাম্	ল'ৰাদুজনৰপৰা
			১৫।	বহুবচন	ভ্যস্	বালকেভ্যঃ	ল'ৰাবোৰৰপৰা
	সম্বন্ধ	ষষ্ঠী	১৬।	একবচন	ঙস্	বালকস্য	ল'ৰাজনৰ
			১৭।	দ্বিবচন	ওস্	বালকয়োঃ	ল'ৰাদুজনৰ
			১৮।	বহুবচন	আম্	বালকানাম্	ল'ৰাবোৰৰ
৬।	অধিকৰণ	সপ্তমী	১৯।	একবচন	ঙি	বালকে	ল'ৰাজনৰ ওপৰত
			২০।	দ্বিবচন	ওস্	বালকয়োঃ	ল'ৰাদুজনৰ ওপৰত
			২১।	বহুবচন	সুপ্	বালকেষু	ল'ৰাবোৰৰ ওপৰত
	সম্বোধন	প্রথমা	২২।	একবচন	সু	বালক	ল'ৰাজন
			২৩।	দ্বিবচন	ঔ	বালকৌ	ল'ৰাদুজন
			২৪।	বহুবচন	জস্	বালকাঃ	ল'ৰাবোৰ

জানি থোৱা ভাল

১। 'সুপ্' বিভক্তিৰ চিহ্ন সমূহ 'সু' ৰ পৰা আৰম্ভ হৈ 'সুপ'ৰ 'প্' ত শেষ হোৱা বাবে, ইহঁতক 'সুপ্' বিভক্তি বুলি কোৱা হয়।

২। 'সুপ্' বিভক্তিৰ প্রয়োগেৰে গঠন হোৱা শব্দ সমূহক 'সুৱন্ত' শব্দ বুলি কোৱা হয়। সুপ্ অন্তত বা শেষত যাৰ সেইটোৱে সুৱন্ত।

৫.৪ অজন্ত শব্দ (Declension of bases ending in Vowels)

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে (৫.২) সংস্কৃত ভাষাত শব্দসমূহৰ অন্তিম আখৰটোৰ ওপৰত নির্ভৰ কৰি সমগ্র পদসমূহক মুখ্যভাৱে দুই প্রকাৰত ভাগ কৰা হৈছে— অজন্ত আৰু হলন্ত। যিবোৰ শব্দ স্বৰবর্ণেৰে শেষ হৈছে, সেইবোৰক স্বৰান্ত শব্দ অথবা ***অজন্ত*** বুলি কোৱা হয়। যেনে - বালক (বালক্ + অ), (মুন্ + ই) ইত্যাদি।

এইখিনিতে আপোনাক জনাও যে সংস্কৃত ভাষাত সাধাৰণতে সাত প্রকাৰেৰে শব্দসমূহ স্বৰবর্ণান্ত হয়। তলৰ তালিকাত সহজভাৱে সেইবোৰ দেখুওৱা হ'ল—

অন্তিম স্বৰবর্ণ অনুসৰি নাম		শেষান্ত বর্ণ	উদাহৰণ
১	অ- কাৰান্ত	অ	ৰাম্ +অ = ৰাম
২	আ-কাৰান্ত	আ	লত্ +আ = লতা
৩	ই- কাৰান্ত	ই	মুন্ +ই = মুনি
৪	ঈ- কাৰান্ত	ঈ	নদ্ + ঈ = নদী
৫	উ-কাৰান্ত	উ	ভান্ +উ = ভানু (সূর্য্য)
৬	ঊ- কাৰান্ত	ঊ	বধ্ + ঊ = বধূ (বোৱাৰী)
৭	ঋ- কাৰান্ত	ঋ	পিত্ + ঋ = পিতৃ

এতিয়া পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ বিশেষ্য অজন্ত কিছুমান শব্দ উদাহৰণৰ বাবে দিয়া হ'ল।

অজন্ত ঃ অচ্ + অন্ত = অজন্ত। সংস্কৃত ব্যাকৰণত 'অচ্'ক একোটা সংজ্ঞা (Technical term) বুলি কোৱা হয়। ব্যাকৰণৰ ভাষাত ইয়াক 'প্রত্যাহাৰ' বোলে। 'অচ্' মানে আটাইবোৰ স্বৰবর্ণ।

৫.৪.১ পুংলিঙ্গ শব্দ

অ কাৰান্ত পুংলিঙ্গ শব্দ ঃ বালক, নৰ, ৰাম, দেৱ, ছাত্র, কৃষ্ণ, অধ্যাপক, পণ্ডিত, মিত্র (সূর্য্য অর্থত, কিন্তু বন্ধু অর্থত ক্লীৱলিঙ্গ), সিংহ, শিষ্য, পাঠ, বিদ্যালয়, সূর্য্য, চন্দ্র, বৃক্ষ, পর্বত, মনুষ্য, ঈশ্বৰ, সংসাৰ, বিচাৰ, লেখ, ইতিহাস, গ্রহ, ঘট, কাক (কাউৰী), কচ্ছপ (কাছ), অমাত্য (মন্ত্রী), ভিক্ষুক (মগনীয়া), ছাগ (ছাগলী), নদ (নদী), চৌৰ (চোৰ), জন (মানুহ), উপল (শিল), অর্থ (সম্পত্তি), অব্দ (বছৰ), অধৰ (ওঁঠ), আচার্য্য (শিক্ষক), গজ (হাতী), তর্ক (আলোচনা), শব্দ, সময়, লোক (মানুহ), ৰথ, ধ্বজ (পতাকা), কুক্কুৰ (কুকুৰ), কুঞ্জৰ (হাতী) ইত্যাদি। এই শব্দবোৰৰ আকাৰ সামগ্রিকভাৱে একেদৰেই হয়। তলত 'নৰ' শব্দৰ ৰূপবোৰ দেখুৱাই দিয়া হ'ল।

নৰ (মানুহ) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	নৰঃ	নৰৌ	নৰাঃ
দ্বিতীয়া	নৰম্	নৰৌ	নৰান্
তৃতীয়া	নৰেণ	নৰাভ্যাম্	নৰৈঃ
চতুর্থী	নৰায়	নৰাভ্যাম্	নৰেভ্যঃ
পঞ্চমী	নৰাৎ	নৰাভ্যাম্	নৰেভ্যঃ
ষষ্ঠী	নৰস্য	নৰয়োঃ	নৰাণাম্
সপ্তমী	নৰে	নৰয়োঃ	নৰেষু
সম্বোধন	নৰ	নৰৌ	নৰাঃ

আ কাৰান্ত পুংলিঙ্গ শব্দ ঃ সোমপা (সোমৰস পিওঁতা), বিশ্বপা (সূর্য্য, চন্দ্র), গোপা (গৰখীয়া), বলদা (শক্তিদায়ক) ইত্যাদি।

ই কাৰান্ত পুংলিঙ্গ শব্দ ঃ মুনি, ঋষি, হৰি, কৰি, অগ্নি, অতিথি, অঞ্জলি, সাৰথি, কপি (বান্দৰ), অহি (সাপ), গিৰি (পর্বত), পাণি (হাত) ইত্যাদি। এইবোৰ শব্দৰ ৰূপ সামগ্রিকভাৰে একে। ই কাৰান্ত পুংলিঙ্গ শব্দৰ কেইটামান ভিন্ন আকৃতিৰ শব্দ হৈছে— পতি, সখি ইত্যাদি। তলত 'মুনি' শব্দৰ সামগ্রিক ৰূপটো দেখুৱাই দিয়া হ'ল।

মুনি (ঋষি) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	মুনিঃ	মুনী	মুনয়ঃ
দ্বিতীয়া	মুনিম্	মুনী	মুনীন্
তৃতীয়া	মুনিনা	মুনিভ্যাম্	মুনিভিঃ
চতুর্থী	মুনয়ে	মুনিভ্যাম্	মুনিভ্যঃ
পঞ্চমী	মুনেঃ	মুনিভ্যাম্	মুনিভ্যঃ
ষষ্ঠী	মুনেঃ	মুন্যোঃ	মুনীনাম্
সপ্তমী	মুনৌ	মুন্যোঃ	মুনিষু
সম্বোধন	মুনে	মুনী	মুনয়ঃ

ঈ কাৰান্ত পুংলিঙ্গ শব্দ ঃ সুধী (জ্ঞানী), সেনানী (সেনাপতি), গ্রামণী (পঞ্চায়তৰ সভাপতি), অগ্রণী (নেতা) ইত্যাদি ।

উ কাৰান্ত পুংলিঙ্গ শব্দ ঃ সাধু, গুৰু, বায়ু, পশু, দয়ালু, শত্রু, ভানু (সূর্য্য) ইত্যাদি। তলত 'সাধু' শব্দৰ ৰূপবোৰ দেখুৱাই দিয়া হ'ল।

সাধু (সজলোক) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	সাধুঃ	সাধূ	সাধৱঃ
দ্বিতীয়া	সাধুম্	সাধূ	সাধূন্
তৃতীয়া	সাধুনা	সাধুভ্যাম্	সাধুভিঃ
চতুর্থী	সাধৱে	সাধুভ্যাম্	সাধুভ্যঃ
পঞ্চমী	সাধোঃ	সাধুভ্যাম্	সাধুভ্যঃ
ষষ্ঠী	সাধোঃ	সাধ্বোঃ	সাধূনাম্
সপ্তমী	সাধৌ	সাধ্বোঃ	সাধুষু
সম্বোধন	সাধো	সাধূ	সাধৱঃ

ঋ কাৰান্ত পুংলিঙ্গ শব্দ ঃ পিতৃ (পিতা), ভ্রাতৃ (ভাই), জামাতৃ (জোঁৱায়েক) দেৱৃ (দেৱৰেক), নৃ (মানুহ) ইত্যাদি শব্দবোৰৰ ৰূপ একে ধৰণৰ। কেইটামান ভিন্নৰূপৰ ঋ-কাৰান্ত শব্দ হৈছে- সবিতৃ (সূর্য্য), দাতৃ (দাতা), ধাতৃ (সৃষ্টিকর্তা), নেতৃ (নেতা), নতিতৃ (নটী), কর্তৃ (কৰোঁতা), জেতৃ (যোদ্ধা), হন্তৃ (ঘাতক), হোতৃ (পুৰোহিত) ইত্যাদি। তলত 'পিতৃ' শব্দৰ ৰূপবোৰ দিয়া হ'ল।

পিতৃ (পিতা) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	পিতা	পিতৰৌ	পিতৰঃ
দ্বিতীয়া	পিতৰম্	পিতৰৌ	পিতৄন্
তৃতীয়া	পিত্রা	পিতৃভ্যাম্	পিতৃভিঃ
চতুর্থী	পিত্রে	পিতৃভ্যাম্	পিতৃভ্যঃ
পঞ্চমী	পিতুঃ	পিতৃভ্যাম্	পিতৃভ্যঃ
ষষ্ঠী	পিতুঃ	পিত্রোঃ	পিতৄণাম্
সপ্তমী	পিতৰি	পিত্রোঃ	পিতৃষু
সম্বোধন	পিতঃ	পিতৰৌ	পিতৰঃ

ঐ কাৰান্ত পুংলিঙ্গ শব্দ ঃ ৱৈ (ধন) ইত্যাদি।

ও কাৰান্ত পুংলিঙ্গ শব্দ ঃ গো (গৰু) ইত্যাদি, এই শব্দটো স্ত্রীলিঙ্গতো ব্যৱহাৰ হয়।

ঔ কাৰান্ত পুংলিঙ্গ শব্দ ঃ গ্লৌ (চন্দ্র), নৌ (নাও) ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ 'নৰ' শব্দৰ প্রথমা বিভক্তিৰ তিনিওটা বচনতে ৰূপ লিখক।

.....

প্রশ্ন নং ২ঃ 'মুনি' শব্দৰ তৃতীয়াৰ দ্বিবচনৰ ৰূপটো লিখক।

.....

প্রশ্ন নং ৩ঃ 'সাধু' শব্দৰ সপ্তমী বিভক্তিৰ তিনিওটা বচনতে ৰূপ লিখক ।

.....

প্রশ্ন নং ৪ঃ 'পিতৃ' শব্দৰ দ্বিতীয়া বিভক্তিৰ বহুবচনৰ ৰূপটো লিখক।

.....

প্রশ্ন নং ৫ঃ 'পিতৃ' শব্দৰ সম্বোধনৰ তিনিওটা বচনতে ৰূপ লিখক।

.....

৫.৪.২ স্ত্রীলিঙ্গ শব্দ

আ কাৰান্ত স্ত্রীলিঙ্গ শব্দ ঃ লতা (creeper) বালিকা (ছোৱালী), বিদ্যা, অজা (মাইকী ছাগলী), পাঠশালা, শিখা, মালা, প্রজা, শোভা, জায়া (পত্নী), কান্তা (পত্নী), ছায়া, ভার্য্যা, বালা, সভা, শালা (ঘৰ), প্রভা, ধৰা ইত্যাদি শব্দবোৰৰ ৰূপ একে। তলত 'লতা' শব্দৰ ৰূপবোৰ দেখুৱাই দিয়া হ'ল।

লতা শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	লতা	লতে	লতাঃ
দ্বিতীয়া	লতাম্	লতে	লতাঃ
তৃতীয়া	লতয়া	লতাভ্যাম্	লতাভিঃ
চতুর্থী	লতায়ৈ	লতাভ্যাম্	লতাভ্যঃ
পঞ্চমী	লতায়াঃ	লতাভ্যাম্	লতাভ্যঃ
ষষ্ঠী	লতায়াঃ	লতয়োঃ	লতানাম্
সপ্তমী	লতায়াম্	লতয়োঃ	লতাসু
সম্বোধন	লতে	লতে	লতাঃ

ই কাৰান্ত স্ত্রীলিঙ্গ শব্দ ঃ মতি (বুদ্ধি), খ্যাতি (যশস্যা), উক্তি (কথা), গীতি (গান), নীতি, যুক্তি, বুদ্ধি, শান্তি, জাতি, উন্নতি এইবোৰ শব্দৰ ৰূপ সাধাৰণতে একে। তলত 'মতি' শব্দৰ ৰূপবোৰ দেখুৱাই দিয়া হ'ল।

মতি (বুদ্ধি) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	মতিঃ	মতী	মতয়ঃ
দ্বিতীয়া	মতিম্	মতী	মতীঃ
তৃতীয়া	মত্যা	মতিভ্যাম্	মতিভিঃ
চতুর্থী	মত্যৈ, মতয়ে	মতিভ্যাম্	মতিভ্যঃ
পঞ্চমী	মত্যাঃ, মতেঃ	মতিভ্যাম্	মতিভ্যঃ
ষষ্ঠী	মত্যাঃ, মতেঃ	মত্যোঃ	মতীনাম্
সপ্তমী	মত্যাম্, মতৌ	মত্যোঃ	মতিষু
সম্বোধন	মতে	মতী	মতয়ঃ

ঈ কাৰান্ত স্ত্রীলিঙ্গ শব্দ ঃ নদী (River), নাৰী, লেখনী (কলম), জননী,পৃথিৰী, পুৰী (নগৰ), নগৰী, কামিনী (তিৰোতা), কুমাৰী (Virgin), কৌমুদী (চন্দ্রমা), দাসী (maid-servant), দেৱী (goddess) ইত্যাদি শব্দবোৰৰ ৰূপ একে। ভিন্নৰূপৰ শব্দ— লক্ষ্মী, স্ত্রী, শ্রী (সৌন্দর্য্য), ভী (ভয়) ইত্যাদি। তলত 'নদী' শব্দৰ ৰূপবোৰ দেখুৱাই দিয়া হ'ল।

নদী শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	নদী	নদ্যৌ	নদ্যঃ
দ্বিতীয়া	নদীম্	নদ্যৌ	নদীঃ
তৃতীয়া	নদ্যা	নদীভ্যাম্	নদীভিঃ
চতুর্থী	নদ্যৈ	নদীভ্যাম্	নদীভ্যঃ
পঞ্চমী	নদ্যাঃ	নদীভ্যাম্	নদীভ্যঃ
ষষ্ঠী	নদ্যা	নদ্যোঃ	নদীনাম্
সপ্তমী	নদ্যাম্	নদ্যোঃ	নদীষু
সম্বোধন	নদি	নদ্যৌ	নদ্যঃ

কিছুমান বিশেষণ স্ত্রীলিঙ্গ শব্দ, যেনে- বুদ্ধিমতী, শ্রীমতী, বিদুষী ইত্যাদি শব্দবোৰৰ ৰূপো নদী শব্দৰ দৰে হয়।

ঊ কাৰান্ত স্ত্রীলিঙ্গ শব্দ ঃ ধেনু (গাইগৰু), তনু (শৰীৰ), স্নায়ু (নাড়ী), চঞ্চু (ঠোঁট), ৰজ্জু (ৰচি) ইত্যাদি।

ঊ কাৰান্ত স্ত্রীলিঙ্গ শব্দ ঃ ৰধূ (ঘৈণী, কইনা), শ্বশ্রূ (শাহু), ভূ (পৃথিৰী), পুত্রবধূ (বোৱাৰী) ইত্যাদি। তলত 'ৰধূ' শব্দৰ ৰূপবোৰ দেখুৱাই দিয়া হ'ল।

ৱধূ (ঘৈণী, কইনা) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্ৰথমা	ৱধূঃ	ৱধ্বৌ	ৱধ্বঃ
দ্বিতীয়া	ৱধূম্	ৱধ্বৌ	ৱধূঃ
তৃতীয়া	ৱধ্বা	ৱধূভ্যাম্	ৱধূভিঃ
চতুৰ্থী	ৱধ্বৈ	ৱধূভ্যাম্	ৱধূভ্যঃ
পঞ্চমী	ৱধ্বাঃ	ৱধূভ্যাম্	ৱধূভ্যঃ
ষষ্ঠী	ৱধ্বাঃ	ৱধ্বোঃ	ৱধূনাম্
সপ্তমী	ৱধ্বাম্	ৱধ্বোঃ	ৱধূষু
সম্বোধন	ৱধূ	ৱধ্বৌ	ৱধ্বঃ

ঋ কাৰান্ত স্ত্ৰীলিঙ্গ শব্দ ঃ মাতৃ (মা), দুহিতৃ (জীয়াৰী), ননান্দৃ (ননন্দ), যাতৃ (জা), স্বসৃ (ভনী) শব্দবোৰৰ ৰূপ একে আৰু প্ৰায়ে পুংলিঙ্গ পিতৃ শব্দৰ দৰে হয়, কেবল দ্বিতীয়া বহুবচনত ৰূপটো বেলেগ হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ 'লতা' শব্দৰ তৃতীয়া বিভক্তিৰ ৰূপ তিনিওটা বচনতে লিখক।

.....

প্ৰশ্ন নং ৭ঃ 'মতি' শব্দৰ সপ্তমী বিভক্তিৰ একবচনৰ ৰূপটো লিখক।

.....

প্ৰশ্ন নং ৮ঃ 'নদী' শব্দৰ পঞ্চমী বিভক্তিৰ দ্বিবচনৰ ৰূপটো কি?

.....

প্ৰশ্ন নং ৯ঃ 'নদী' শব্দৰ সপ্তমী বিভক্তিৰ ৰূপ তিনিওটা বচনতে লিখক।

.....

প্ৰশ্ন নং ১০ঃ 'ৱধূ' শব্দৰ চতুৰ্থী বিভক্তিৰ বহুবচনৰ ৰূপটো কি।

.....

৫.৪.৩ ক্লীৱলিঙ্গ শব্দ

অ কাৰান্ত ক্লীৱলিঙ্গ শব্দ— ফল, মিত্ৰ (বন্ধু অৰ্থত), জ্ঞান, অন্ন, জল, বস্ত্ৰ, মূল, শাস্ত্ৰ, ধন ইত্যাদি শব্দবোৰৰ ৰূপ একে হয়। তলত 'ফল' শব্দৰ ৰূপবোৰ দেখুৱাই দিয়া হ'ল।

ফল (Fruit) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	ফলম্	ফলে	ফলানি
দ্বিতীয়া	ফলম্	ফলে	ফলানি
তৃতীয়া	ফলেন	ফলাভ্যাম্	ফলৈঃ
চতুর্থী	ফলায়	ফলাভ্যাম্	ফলেভ্যঃ
পঞ্চমী	ফলাৎ	ফলাভ্যাম্	ফলেভ্যঃ
ষষ্ঠী	ফলস্য	ফলয়োঃ	ফলানাম্
সপ্তমী	ফলে	ফলয়োঃ	ফলেষু
সম্বোধন	ফল	ফলে	ফলানি

জানি থোৱা ভাল

ওপৰোক্ত ফল, মিত্র আদি শব্দবোৰৰ প্রথমা আৰু দ্বিতীয়া বিভক্তিৰ বাহিৰে আনবোৰ বিভক্তিৰ ৰূপ পুংলিঙ্গ 'নৰ' শব্দৰ দৰেই হয়।



ই কাৰান্ত ক্লীৱলিঙ্গ শব্দ ঃ ৱাৰি (পানী), অক্ষি (চকু), অস্থি (হাড়), দধি (দৈ), শুচি (শুদ্ধ) শব্দবোৰৰ ৰূপ একে হয়। তলত 'ৱাৰি' শব্দৰ ৰূপবোৰ দেখুৱাই দিয়া হ'ল।

ৱাৰি (পানী) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	ৱাৰি	ৱাৰিণী	ৱাৰীণি
দ্বিতীয়া	ৱাৰি	ৱাৰিণী	ৱাৰীণি
তৃতীয়া	ৱাৰিণা	ৱাৰিভ্যাম্	ৱাৰিভিঃ
চতুর্থী	ৱাৰিণে	ৱাৰিভ্যাম্	ৱাৰিভ্যঃ
পঞ্চমী	ৱাৰিণঃ	ৱাৰিভ্যাম্	ৱাৰিভ্যঃ
ষষ্ঠী	ৱাৰিণঃ	ৱাৰিণোঃ	ৱাৰিণাম্
সপ্তমী	ৱাৰিণি	ৱাৰিণোঃ	ৱাৰিষু
সম্বোধন	ৱাৰে, ৱাৰি	ৱাৰিণী	ৱাৰীণি

উ কাৰান্ত ক্লীৱলিঙ্গ শব্দ ঃ ৱস্তু (পদার্থ), মধু (মৌ), অম্বু (পানী), অশ্রু (চকুলো), উৰু (thigh), জানু (Knee), তালু (Palate), দাৰু (কাঠ), ৱসু (ধন) ইত্যাদি শব্দবোৰৰ ৰূপ একে।

৫.৫ হলন্ত শব্দ (Declension of bases ending in Consonants)



হলন্ত ঃ হল্ + অন্ত = হলন্ত, হল্ মানে আটাইবোৰ ব্যঞ্জনবর্ণ। ব্যাকৰণৰ ভাষাত ইয়াক 'প্ৰত্যাহাৰ' বুলি কোৱা হয়। সংস্কৃত ব্যাকৰণত 'হল্'ক একোটা সংজ্ঞা (Technical term) বুলি কোৱা হয়।

ব্যঞ্জন বর্ণৰে অন্ত হোৱা শব্দবোৰক ব্যঞ্জনান্ত শব্দ অথবা ***হলন্ত*** শব্দ বুলি কোৱা হয়। অন্তত থকা ব্যঞ্জন বর্ণ অনুসৰি শব্দসমূহক পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গত তলত দেখুওৱা ধৰণে তালিকাভুক্ত কৰিব পাৰি।

৫.৫.১ পুংলিঙ্গ শব্দ

জ্ কাৰান্ত পুংলিঙ্গ শব্দ ঃ বণিজ্ (সদাগৰ), ভিষজ্ (ডাক্তৰ), ঋত্বিজ্ (কূলপুৰোহিত), ভূভুজ্ (ৰজা) ইত্যাদি শব্দবোৰৰ ৰূপ একে।

ত্ কাৰান্ত পুংলিঙ্গ শব্দ ঃ মৰুৎ (বায়ু), মহৎ, ভূভৃৎ (ৰজা), বিপশ্চিৎ (জ্ঞানীলোক), গচ্ছৎ (গৈ থকা), বুদ্ধিমৎ, ভগৱৎ, বলবৎ, ভাগ্যবৎ, গতবৎ, কৃতবৎ, পঠৎ, কুর্বৎ, লিখৎ আদি শব্দবোৰৰ ৰূপ সাধাৰণতে একে।

দ্ কাৰান্ত পুংলিঙ্গ শব্দ ঃ সুহৃদ্ (বন্ধু), সভাসদ্, কলাবিদ্ ইত্যাদি।

ন্ কাৰান্ত পুংলিঙ্গ শব্দ ঃ গুণিন্, ধনিন্, অর্থিন্, কৰিন্, জ্ঞানিন্, পথিন ইত্যাদি শব্দবোৰৰ ৰূপ একে আৰু এই শব্দবোৰক 'ইন্' ভাগান্ত শব্দ বুলি কোৱা হয়। এই শ্ৰেণীৰ আন শব্দবোৰ, যেনে— আত্মন্ (আত্মা), ব্রহ্মন্ (ব্রহ্মা), মহিমন্, মূর্ধন্, যুৱন্, ৰাজন্, শ্বন্ (কুকুৰ) ইত্যাদি শব্দবোৰৰ ৰূপ সাধাৰণতে একে আৰু এই শব্দবোৰক 'অন্' ভাগান্ত শব্দ বুলি কোৱা হয়। তলত 'গুণিন্' আৰু 'আত্মন্' শব্দকেইটাৰ ৰূপবোৰ দেখুৱাই দিয়া হ'ল।

গুণিন্ (গুণী) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্ৰথমা	গুণী	গুণিনৌ	গুণিনঃ
দ্বিতীয়া	গুণিনম্	গুণিনৌ	গুণিনঃ
তৃতীয়া	গুণিনা	গুণিভ্যাম্	গুণিভিঃ
চতুর্থী	গুণিনে	গুণিভ্যাম্	গুণিভ্যঃ
পঞ্চমী	গুণিনঃ	গুণিভ্যাম্	গুণিভ্যঃ
ষষ্ঠী	গুণিনঃ	গুণিনোঃ	গুণিনাম্
সপ্তমী	গুণিনি	গুণিনোঃ	গুণিষু
সম্বোধন	গুণিন্	গুণিনৌ	গুণিনঃ

আত্মন্ (আত্মা/Self) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	আত্মা	আত্মানৌ	আত্মানঃ
দ্বিতীয়া	আত্মানম্	আত্মানৌ	আত্মনঃ
তৃতীয়া	আত্মনা	আত্মভ্যাম্	আত্মভিঃ
চতুর্থী	আত্মনে	আত্মভ্যাম্	আত্মভ্যঃ
পঞ্চমী	আত্মনঃ	আত্মভ্যাম্	আত্মভ্যঃ
ষষ্ঠী	আত্মনঃ	আত্মনোঃ	আত্মনাম্
সপ্তমী	আত্মনি	আত্মনোঃ	আত্মসু
সম্বোধন	আত্মন্	আত্মানৌ	আত্মানঃ

স্ কাৰান্ত পুংলিঙ্গ শব্দ ঃ ৰেধস্ (সৃষ্টিকর্ত্তা), চন্দ্রমস্ (চন্দ্র), বিদ্বস্ (জ্ঞানী), জগ্মিবস্ (আঁতৰিযোৱাজন), গৰীয়স্ (গধুৰ), লঘীয়স্ (লঘু) ইত্যাদি শব্দবোৰৰ ৰূপ একে হয়।

৫.৫.২ স্ত্রীলিঙ্গ শব্দ

চ্ কাৰান্ত স্ত্রীলিঙ্গ শব্দ ঃ বাচ্ (কথা), ত্বচ্ (ছাল), শুচ্ (পৰিষ্কাৰ) , ঋচ্ (ঋগ্বেদৰমন্ত্র) ইত্যাদি।

জ্ কাৰান্ত স্ত্রীলিঙ্গ শব্দ ঃ স্রজ্ (ফুলৰ মালা), ৰুজ্ (ৰোগাৰ) ইত্যাদি।

ত্ কাৰান্ত স্ত্রীলিঙ্গ শব্দ ঃ তড়িৎ (বিজুলী), বিদ্যুৎ (বিজুলী), সৰিৎ (নদী), য়োষিৎ (নাৰী) ইত্যাদি।

দ্ কাৰান্ত স্ত্রীলিঙ্গ শব্দ ঃ আপদ্ (বিপদ), উপনিষদ্, পৰিষদ্/সংসদ্ (সভা), শৰদ্ (শৰৎ ঋতু), সম্পদ্ (ধন) ইত্যাদি।

ন্ কাৰান্ত স্ত্রীলিঙ্গ শব্দ ঃ সীমন্ (সীমা/boundary), পামন্ (খজুৰতি/ itches) ইত্যাদি।

১.৫.৩ ক্লীৱলিঙ্গ শব্দ

চ্ কাৰান্ত ক্লীৱলিঙ্গ শব্দ ঃ প্রাচ্ (পূৱদিশ), প্রত্যচ্ (পশ্চিম দিশ), উদচ্ (উত্তৰ দিশ) ইত্যাদি।

ত্ কাৰান্ত ক্লীৱলিঙ্গ শব্দ ঃ ভৱিষ্যৎ (future), জগৎ (পৃথিৱী), গচ্ছৎ (গৈ থকা), ইচ্ছৎ (ইচ্ছাকৰি থকা), দদৎ (দি থকা), মহৎ (শ্রেষ্ঠ) ইত্যাদি। তলত 'জগৎ' শব্দৰ ৰূপবোৰ দেখুৱাই দিয়া হ'ল।

জগৎ (পৃথিৱী) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	জগৎ	জগতী	জগন্তি
দ্বিতীয়া	জগৎ	জগতী	জগন্তি
তৃতীয়া	জগতা	জগদ্‌ভ্যাম্‌	জগদ্ভিঃ
চতুর্থী	জগতে	জগদ্‌ভ্যাম্‌	জগদ্‌ভ্যঃ
পঞ্চমী	জগতঃ	জগদ্‌ভ্যাম্‌	জগদ্‌ভ্যঃ
ষষ্ঠী	জগতঃ	জগতোঃ	জগতাম্‌
সপ্তমী	জগতি	জগতোঃ	জগৎসু
সম্বোধন	জগৎ	জগতী	জগন্তি

ন্‌ কাৰান্ত ক্লীবলিঙ্গ শব্দ ঃ নামন্‌ (নাম), কর্মন্‌ (কাম), অহন্‌ (দিন), ধামন্‌ (ঘৰ), প্রেমন্‌ (প্রেম), ব্যোমন্‌ (আকাশ), লোমন্‌ (নোম) ইত্যাদি।

স্‌ কাৰান্ত ক্লীবলিঙ্গ শব্দ ঃ পয়স্‌ (গাখীৰ), মনস্‌ (মন), চেতস্‌ (মন), তপস্‌ (তপস্যা), তমস্‌ (অন্ধকাৰ), হবিস্‌ (যজ্ঞত প্রয়োগ কৰা ঘি), ধনুস্‌ (ধনু), চক্ষুস্‌ (চকু) ইত্যাদি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ঃ 'ফল' শব্দৰ দ্বিতীয়া বিভক্তিৰ ৰূপ তিনিওটা বচনতে লিখক।

.....

প্রশ্ন নং ১২ঃ 'ৰাৰি' শব্দৰ সপ্তমী বিভক্তিৰ বহুবচনৰ ৰূপটো কি?

.....

প্রশ্ন নং ১৩ঃ 'গুণিন্‌' শব্দৰ ষষ্ঠী বিভক্তিৰ ৰূপ তিনিওটা বচনতে লিখক।

.....

প্রশ্ন নং ১৪ঃ 'আত্মন্‌' শব্দৰ তৃতীয়া বিভক্তিৰ একবচনৰ ৰূপটো কি?

.....

প্রশ্ন নং ১৫ঃ 'জগৎ' শব্দৰ পঞ্চমী বিভক্তিৰ বহুবচনৰ ৰূপটো লিখক।

.....

৫.৬ সর্বনাম শব্দৰ ৰূপ (Declension of Pronouns)

সংস্কৃত সর্বনাম শব্দসমূহৰ ৰূপ পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ অনুসৰি ভিন্ন প্রকাৰৰ হয়।

উত্তম পুৰুষত (First Person) ব্যৱহাৰ হোৱা সর্বনাম শব্দ হ'ল— 'অস্মদ্‌' (I) মই।

মধ্যম পুৰুষত (Second Person) ব্যৱহাৰ হোৱা সর্বনাম শব্দ হ'ল— 'যুষ্মদ্', (You/তুমি)।

প্রথম পুৰুষত (Third Person) ব্যৱহাৰ হোৱা শব্দ সমূহ হৈছে— 'যদ্' (যি/ Who) 'তদ্' (তেওঁ/ তাই /He/She), 'এতদ্' (This / এইটো),'কিম্' (কোন / Who), 'অদস্' (সেইটো/ That) ইত্যাদি। এই শব্দবোৰ তিনিওটা লিঙ্গতে ব্যৱহৃত হয়। কিন্তু সেই শব্দৰূপবোৰ বিভিন্ন লিঙ্গত বিভিন্ন ধৰণৰ। তলত 'অস্মদ্' আৰু 'যুষ্মদ্' শব্দ দুটাৰ ৰূপবোৰ দেখুৱাই দিয়া হ'ল।

অস্মদ্ (মই) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	অহম্	আৱাম্	বয়ম্
দ্বিতীয়া	মাম্, মা	আৱাম্, নৌ	অস্মান্, নঃ
তৃতীয়া	ময়া	আৱাভ্যাম্	অস্মাভিঃ
চতুর্থী	মহ্যম্, মে	আৱাভ্যাম্, নৌ	অস্মভ্যম্, নঃ
পঞ্চমী	মৎ	আৱাভ্যাম্	অস্মৎ
ষষ্ঠী	মম, মে	আৱয়োঃ, নৌ	অস্মাকম্, নঃ
সপ্তমী	ময়ি	আৱয়োঃ	অস্মাসু

যুষ্মদ্ (তুমি) শব্দৰ ৰূপ

বিভক্তি	একবচন	দ্বিবচন	বহুবচন
প্রথমা	ত্বম্	যুৱাম্	য়ূয়ম্
দ্বিতীয়া	ত্বাম্, ত্বা	যুৱাম্, বাম্	যুষ্মান্, বঃ
তৃতীয়া	ত্বয়া	যুৱাভ্যাম্	যুষ্মাভিঃ
চতুর্থী	তুভ্যম্, তে	যুৱাভ্যাম্, বাম্	যুষ্মভ্যম্, বঃ
পঞ্চমী	ত্বৎ	যুৱাভ্যাম্	যুষ্মৎ
ষষ্ঠী	তৱ, তে	যুৱয়োঃ, বাম্	যুষ্মাকম্, বঃ
সপ্তমী	ত্বয়ি	যুৱয়োঃ	যুষ্মাসু



জানি থোৱা ভাল

সংস্কৃত ভাষাত মুঠতে ৪১টা সর্বনাম পদ আছে। সেইসমূহক পাঁচটা শ্রেণীত বিভক্ত কৰা হৈছে। শ্রেণী অনুসৰি শব্দসমূহ হ'ল—

১। **সর্বাদি শ্রেণী ঃ** সর্ব, বিশ্ব (সকলো/all), উভ, উভয় (দুয়োটা/Both),এক (কিছু/ some)একতৰ (দুটাৰ ভিতৰত এটা/either, one of the two), দ্বি (দুটা), নেম (আধা/Half), সম (সকলো / all), সিম (প্রত্যেক /every), ত্ব, ত্বৎ (আন /other)।

২। **অন্যাদি শ্রেণী ঃ** অন্য, অন্যতৰ (আনটো / the other, either of the two), ইতৰ (আনটো other, another), কতৰ, যতৰ (দুটাৰ এটা/which of the two), কতম, যতম (বহুতৰ এটা/which of many) ততৰ (সেইদুটাৰ এটা/ that one of the two), ততম (সেইবোৰৰ এটা / that one of them), একতম (বহুতৰ এটা/one of many)।

৩। **পূর্ব্বাদি শ্রেণী ঃ** পূর্ব (পূৱ), পৰ (ওপৰ), অপৰ (তলৰ), অবৰ (পিছৰ / posterior), অধৰ (হীন / inferior), দক্ষিণ, উত্তৰ, অন্তৰ (ব্যৱধান), স্ব (নিজৰ/ own)। (পশ্চিম শব্দটো সর্বনাম নহয়। সেয়েহে ইয়াৰ ৰূপ পুংলিঙ্গত 'নৰ' শব্দৰ দৰে, স্ত্রীলিঙ্গত 'লতা' শব্দৰ দৰে আৰু ক্লীৱলিঙ্গত 'ফল' শব্দৰ দৰে হয়)।

৪। **যদাদি ঃ** যদ্ (যি / who), তদ্ (সি / তাই / He/ She), এতদ্ (এই / this), ত্যদ্, কিম্ (কি / who)।

৫। **ইদমাদি ঃ** ইদম্ (এই / this), অদস্ (সেই / that), যুষ্মদ্ (তুমি / you), অস্মদ্ (মই / I), ভৱৎ (আপুনি / you)।

৫.৭ বিশেষণ শব্দৰ ৰূপ

সংস্কৃত ভাষাত বিশেষ্যৰ যি লিঙ্গ (Gender), বিভক্তি (Case) আৰু বচন (Number), বিশেষণ পদৰো সেই লিঙ্গ, বিভক্তি আৰু বচন হ'ব লাগিব। এই নিয়মটোক সংস্কৃত ব্যাকৰণত এটা শ্লোকত সুন্দৰভাৱে বুজাই দিয়া হৈছে--

"বিশেষ্যস্য হি যল্লিঙ্গং বিভক্তি ৱচনে চ যে।
তানি সর্বাণি যোজ্যানি ৱিশেষণপদেষ্বপি।।"

সেয়েহে বিশেষ্য পদৰ লিঙ্গ আদি অনুযায়ী বিশেষণ পদৰ ৰূপৰো তাৰতম্য ঘটে। যেনে— মধুৰ, গুণৱান্, মহান্, তাৱৎ, যাবৎ, প্রিয়, প্রিয়তৰ, প্রিয়তম ইত্যাদি শব্দসমূহ বিশেষ্য শব্দ অনুসৰি পৰিবর্ত্তিত হৈ থাকে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে— মধুৰঃ শব্দঃ, কিন্তু মধুৰা বাক্, মধুৰং ফলম্। প্রথম প্রয়োগত 'মধুৰ' শব্দ পুংলিঙ্গত, দ্বিতীয় প্রয়োগত 'মধুৰ' শব্দ স্ত্রীলিঙ্গত আৰু তৃতীয় প্রয়োগত 'মধুৰ' শব্দ ক্লীৱলিঙ্গত ব্যৱহাৰ হৈছে।

৫.৮ সংখ্যাবাচক শব্দৰ ৰূপ

সংস্কৃতত সংখ্যাবাচক শব্দসমূহ বিশেষ্যপদ অনুসৰি কৰা হয়। একৰ পৰা চাৰি লৈ অর্থাৎ এক, দ্বি, ত্রি, চতুৰ্ শব্দকেইটা বিশেষ্যপদটোৰ লিঙ্গ অনুসৰি পৰিবর্তন হয়। 'পঞ্চন্' শব্দৰ পৰা আৰম্ভ কৰি অন্যান্য সমস্ত সংখ্যা তিনিওটা লিঙ্গতে একে। কেইটামান সংখ্যা উদাহৰণস্বৰূপে তলত দেখুৱাই দিয়া হ'ল—

সংখ্যা	লিঙ্গ	কর্ত্তা	কর্ম	কৰণ	সম্প্রদান	অপাদান	সম্বন্ধ	অধিকৰণ
এক (এক)	পুং.	একঃ	একম	একেন	একস্মৈ	একস্মাৎ	একস্য	একস্মিন্
	স্ত্রী.	একা	একাম্	একয়া	একস্যৈ	একস্যাঃ	একস্যাঃ	একস্যাম্
	ক্লী.	একম্	একম্	একেন	একস্মৈ	একস্মাৎ	একস্য	একস্মিন্
দ্বি (দুই)	পুং.	দ্বৌ	দ্বৌ	দ্বাভ্যাম্	দ্বাভ্যাম্	দ্বাভ্যাম্	দ্বয়োঃ	দ্বয়োঃ
	স্ত্রী.	দ্বে	দ্বে	দ্বাভ্যাম্	দ্বাভ্যাম্	দ্বাভ্যাম্	দ্বয়োঃ	দ্বয়োঃ
	ক্লী.	দ্বে	দ্বে	দ্বাভ্যাম্	দ্বাভ্যাম্	দ্বাভ্যাম্	দ্বয়োঃ	দ্বয়োঃ
ত্রি (তিনি)	পুং.	ত্রয়ঃ	ত্রীন্	ত্রিভিঃ	ত্রিভ্যঃ	ত্রিভ্যঃ	ত্রয়াণাম্	ত্রিষু
	স্ত্রী.	তিস্রঃ	তিস্রঃ	তিসৃভিঃ	তিসৃভ্যঃ	তিসৃভ্যঃ	তিসৃণাম্	তিসৃষু
	ক্লী.	ত্রীণি	ত্রীণি	ত্রিভিঃ	ত্রিভ্যঃ	ত্রিভ্যঃ	ত্রয়াণাম্	ত্রিষু
চতুৰ্ (চাৰি)	পুং.	চত্বাৰঃ	চতুৰঃ	চতুর্ভিঃ	চতুর্ভ্যঃ	চতুর্ভ্যঃ	চতুর্ণাম্	চতুর্ষু
	স্ত্রী.	চতস্রঃ	চতস্রঃ	চতসৃভিঃ	চতসৃভ্যঃ	চতসৃভ্যঃ	চতসৃণাম্	চতসৃষু
	ক্লী.	চত্বাৰি	চত্বাৰি	চতুর্ভি ঃ	চতুর্ভ্যঃ	চতুর্ভ্যঃ	চতুর্ণাম্	চতুর্ষু
পঞ্চন্ (পাঁচ)		পঞ্চ	পঞ্চ	পঞ্চভিঃ	পঞ্চভ্যঃ	পঞ্চভ্যঃ	পঞ্চানাম্	পঞ্চষু
ষট্ (ছয়)		ষট্	ষট্	ষড়্ভিঃ	ষড়্ভ্যঃ	ষড়্ভ্যঃ	ষণ্ণাম্	ষট্ষু
দশন্ (দশ)		দশ	দশ	দশভিঃ	দশভ্যঃ	দশভ্যঃ	দশানাম্	দশসু
শত্ (একশ)	ক্লী.	শতম্	শতম্	শতেন	শতায়	শতাৎ	শতস্য	শতে
সহস্র (হাজাৰ)	ক্লী.	সহস্রম্	সহস্রম্	সহস্রেণ	সহস্রায়	সহস্রাৎ	সহস্রস্য	সহস্রে



৫.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সংস্কৃতভাষাৰ বিশেষ্য, বিশেষণ, সর্বনাম আদি শব্দসমূহৰ বিভিন্ন ৰূপৰ জ্ঞান লাভ কৰিলে।
- শব্দসমূহৰ পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ অনুসৰি তথা একবচন, দ্বিবচন আৰু বহুবচন অনুসৰি ভিন্নৰূপত প্রয়োগৰ বিষয়ে জানিলে।
- ছটা কাৰক, সাতটা বিভক্তি আৰু সম্বোধনত শব্দসমূহৰ ভিন্নৰূপৰ লগত পৰিচিত হ'ল।
- সংস্কৃত 'সুপ্' বিভক্তিৰ প্রয়োগৰ বিষয়ে জানিব পাৰিলে।
- সংস্কৃত ভাষাৰ বিভিন্ন প্রকাৰৰ শব্দৰ লগত পৰিচিত হ'ল।



৫.১০ অধিক জানিবলৈ

১) চক্রৱর্তী, মহেশ্বৰ (১৯৭৪); *সংস্কৃত ব্যাকৰণ প্রৱেশিকা*, গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন নিগম লিমিটেড্।

২) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র; *সমগ্র ব্যাকৰণ কৌমুদী*, কলিকতা ঃ দেৰ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড্।

৩) ভট্টাচার্য্য, হৰিচন্দ্র (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্রভা*, গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৪) শর্মা, গিৰিধৰ (১৯৮৮); *Sanskrit Grammar composition & Translation*, গুৱাহাটী ঃ ৰাধা প্রকাশন।

৫) শাস্ত্রী, খগেন্দ্র নাথ (১৯৮৫); *সংস্কৃত প্রৱেশ ব্যাকৰণ*, গুৱাহাটী ঃ গ্রন্থপীঠ।



৫.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ নৱঃ, নৱৌ, নৱাঃ।

২নং প্রশ্নৰ উত্তৰ ঃ মুনিভ্যাম্।

৩নং প্রশ্নৰ উত্তৰ ঃ সাধৌ, সাধ্ৱোঃ, সাধুষু।

৪নং প্রশ্নৰ উত্তৰ ঃ পিতৄন্।

৫নং প্রশ্নৰ উত্তৰ ঃ পিতঃ, পিতৱৌ, পিতৱঃ।

৬নং প্রশ্নৰ উত্তৰ ঃ লতয়া, লতাভ্যাম্, লতাভ্যঃ।

৭নং প্রশ্নৰ উত্তৰ ঃ মত্যাম্, মতৌ।

৮নং প্রশ্নৰ উত্তৰ ঃ নদীভ্যাম্ ।

৯নং প্রশ্নৰ উত্তৰ ঃ নদ্যাম্, নদ্যোঃ, নদীষু।

১০নং প্রশ্নৰ উত্তৰ ঃ ৱধূভ্যঃ।

১১নং প্রশ্নৰ উত্তৰ ঃ ফলম্, ফলে, ফলানি।

১২নং প্রশ্নৰ উত্তৰ ঃ ৱাৰিষু।

১৩নং প্রশ্নৰ উত্তৰ ঃ গুণিনঃ, গুণিনোঃ, গুণিনাম্।

১৪নং প্রশ্নৰ উত্তৰ ঃ আত্মনা

১৫নং প্রশ্নৰ উত্তৰ ঃ জগদ্ভ্যঃ



৫.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ তলত দিয়া নিৰ্দেশমতে শব্দৰূপ লিখক—

ক) 'নৰ' শব্দৰ প্ৰথমা বিভক্তিৰ বহুবচনৰ ৰূপ।

খ) 'মুনি' শব্দৰ ষষ্ঠী বিভক্তিৰ একবচনৰ ৰূপ।

গ) 'সাধু' শব্দৰ তৃতীয়া বিভক্তিৰ একবচনৰ ৰূপ।

ঘ) 'পিতৃ' শব্দৰ সম্বোধনৰ একবচনৰ ৰূপ।

ঙ) 'লতা' শব্দৰ তৃতীয়া বিভক্তিৰ বহুবচনৰ ৰূপ।

(খ) চুটিপ্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ 'নৰ' অথবা 'সাধু' শব্দৰ শব্দৰূপ আটাইকেইটা বিভক্তি আৰু বচনত লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ পুংলিঙ্গ শব্দসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ কেইটামান ক্লীৱলিঙ্গ শব্দৰ নাম লিখি যিকোনো এটাৰ শব্দৰূপ লিখক।

*** ***** ***

অধ্যায় ৬ ঃ সংস্কৃত সংখ্যাবাচক শব্দ (Numerals)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ সংস্কৃত সংখ্যাবাচক শব্দৰ বৈশিষ্ট্য

৬.৪ এক শব্দ, দ্বিশব্দ, ত্রিশব্দ আৰু চতুৰ্শব্দৰ ৰূপ

৬.৫ পঞ্চন্, ষষ্ আৰু অষ্টন্ শব্দৰ ৰূপ

৬.৬ বিংশতি আদি সংস্কৃত সংখ্যাবাচক শব্দৰ ৰূপ

৬.৭ ত্রিংশত্ আদি সংস্কৃত সংখ্যাবাচক শব্দৰ ৰূপ

৬.৮ শত আদি সংস্কৃত সংখ্যাবাচক শব্দৰ ৰূপ

৬.৯ সংখ্যাভিত্তিক কিছু বিশেষ সংস্কৃত শব্দ

৬.১০ সংস্কৃত সংখ্যাবাচক শব্দৰ তালিকা

৬.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.১২ অধিক জানিবলৈ

৬.১৩ অগ্রগতিৰ খতিয়ান

৬.১৪ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা সংখ্যাবাচক শব্দৰ বৈশিষ্ট্যৰ বিষয়ে জানিব
- সংস্কৃত ভাষাত কেনেকৈ সংখ্যাবাচক শব্দবোৰ ব্যৱহাৰ কৰা হয় সেই বিষয়ে অৱগত হ'ব
- সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা সংখ্যাবাচক শব্দবোৰৰ ক্ষেত্রত ব্যৱহাৰ হোৱা বচনৰ বিষয়ে জানিব
- সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা একৰ পৰা দহলৈকে সংখ্যাবাচক শব্দৰ ৰূপবোৰ জানিব পাৰিব
- বিশেষ বিশেষ সংস্কৃত সংখ্যাবাচক শব্দৰ প্রয়োগ প্রক্রিয়াৰ বিষয়ে অৱগত হ'ব।

৬.২ পৰিচয়

আপুনি ইতিমধ্যে সংস্কৃত ভাষাৰ আন্তঃগাঁথনিসম্বন্ধে বহু কথা জানিছে। সংস্কৃতভাষাৰ দুটা বিশেষ উপাদান হ'ল ইয়াৰ শব্দৰূপ আৰু ধাতুৰূপ। শব্দৰূপ আৰু ধাতুৰূপৰ বিষয়ে জ্ঞান

নাথাকিলে সংস্কৃত ভাষাত পদপ্রয়োগ কৰাৰ ক্ষেত্রত অসুবিধা হয়। সংস্কৃত ভাষাত বিভিন্ন ধৰণৰ শব্দব্যৱহাৰ হয় আৰু বিশেষ বিশেষ শব্দৰ বিশেষ বিশেষ ৰূপ থকা দেখিবলৈ পোৱা যায়। প্রকৃততে বিভক্তি আৰু বচন অনুসৰি পোৱা ৰূপটোৱে হ'ল শব্দৰূপ। আন আন ভাষাৰ দৰে সংস্কৃতভাষাতো সংখ্যাবাচক শব্দৰ ব্যৱহাৰ কৰা হয়। যি শব্দেৰে এক, দুই, তিনি আদি সংখ্যা বুজোৱা হয় সেইটোকেই সংখ্যাবাচক শব্দ বোলে। সংস্কৃত ভাষাত সংখ্যাবাচক শব্দৰ ৰূপসমূহত যথেষ্ট বৈশিষ্ট্য থকা দেখিবলৈ পোৱা যায়। এই অধ্যায়ত সংস্কৃত ভাষাৰ সংখ্যাবাচক শব্দৰ বিষয়ে এটি ধাৰণা দিয়া হ'ব। ভাষা ব্যৱহাৰৰ ক্ষেত্রত সংখ্যাবাচক শব্দৰ যিহেতুকে এক বিশেষ ভূমিকা থাকে সেইবাবে সংখ্যাবাচক শব্দৰ বিষয়ে কৰা অধ্যয়নে আপোনালোকক সংস্কৃত ভাষাৰ এটা বিশেষ দিশৰ বিষয়ে স্পষ্ট ধাৰণা দিব পাৰিব। পৰৱৰ্তী পর্যায়ত ইয়াৰ জৰিয়তে আপোনালোকে বহু কথা সহজতে বুজিব পাৰিব।

৬.৩ সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা সংখ্যাবাচক শব্দৰ বৈশিষ্ট্য

আপোনালোকে ইতিমধ্যে জানিছে যে আন আন ভাষাৰ দৰে সংস্কৃত ভাষাতো সংখ্যাবাচক শব্দৰ ব্যৱহাৰ হয়। বিশেষ্যপদৰ সংখ্যা বুজোৱা এই শব্দবোৰৰ কিছুমান বৈশিষ্ট্য আছে। অসমীয়া ভাষাত 'এজন ল'ৰা' বুলি কোৱাত বিশেষ্যপদ 'ল'ৰা' যি ৰূপত থাকে 'দুজন ল'ৰা' বুলি ক'লেও 'ল'ৰা' শব্দটোৰ ক্ষেত্রত একেটা ৰূপেই ব্যৱহাৰ হোৱা দেখা যায়। কিন্তু সংস্কৃত ভাষাত 'একঃ বালকঃ' বাক্যটোত এজন ল'ৰা থকা বুজাইছে। কিন্তু 'দ্বৌ বালকৌ' — এই বাক্যটোত দুজন ল'ৰাৰ কথা কোৱা হৈছে আৰু 'ত্রয়ঃ বালকাঃ' — এই বাক্যটোত তিনিজন ল'ৰা থকাৰ কথা বুজোৱা হৈছে। এই তিনিটা বাক্যতেই 'ল'ৰা' পদটোৰ ৰূপৰ পার্থক্য দেখিবলৈ পোৱা গৈছে। অর্থাৎ সংস্কৃতত সংখ্যাবাচক শব্দ ব্যৱহাৰৰ ক্ষেত্রত বিশেষ, প্রয়োজনীয় কথাটো হ'ল যে, 'এক' পদৰ লগত ব্যৱহাৰ হোৱা বিশেষ্যপদটো 'একবচনান্ত' 'দ্বি' পদৰ লগত ব্যৱহাৰ হোৱা বিশেষ্য পদটো দ্বিবচনান্ত, ত্রি তথা তাতকৈ বেছিসংখ্যক বুজোৱা পদৰ লগত ব্যৱহাৰ হোৱা বিশেষ্যপদটো বহুবচনান্ত হয়। তদুপৰি এক, দ্বি, ত্রি আৰু চতুৰ্ — সংস্কৃতত এই চাৰিটা সংখ্যাবাচক শব্দৰ লিঙ্গ সংখ্যাবাচকশব্দৰ লগত সংযুক্ত বিশেষ্য পদটোৰ লিঙ্গ অনুসৰি নির্দ্ধাৰিত হয়। অর্থাৎ এজন পুৰুষ বুজাব গলে 'একঃ পুৰুষঃ'— সংস্কৃতৰ এই বাক্যটোত 'পুৰুষঃ' এই বিশেষ্য পদটো পুংলিঙ্গত ব্যৱহাৰ হৈছে। দুজনী ছোৱালী বুজাব গ'লে 'দ্বে বালিকে'— এই বাক্যটো ব্যৱহাৰ কৰা হয়। এই বাক্যত 'বালিকা' এই বিশেষ্য পদটো স্ত্রীলিঙ্গযুক্ত হোৱা কাৰণে 'দ্বে' এই দুই বুজোৱা সংখ্যাবাচক পদটো স্ত্রীলিংগত ব্যৱহাৰ হৈছে। সেইদৰে তিনিটা ফল বুজাব গ'লে 'ত্রীনি ফলানি'এই বাক্যটো ব্যৱহাৰ হয়। — এই বাক্যত ফল এই বিশেষ্যপদটো ক্লীৱলিংগযুক্ত হোৱা কাৰণে তিনিবুজোৱা সংখ্যাবাচক পদটো ক্লীৱলিংগত ব্যৱহাৰ হৈছে। এইখিনিতে মনকৰিবলগীয়া কথাটো হ'ল যে বিংশতি (২০) পদটো আৰু তৎপৰৱৰ্ত্তী সংস্কৃত সংখ্যাবাচক শব্দবোৰ (যেনে একবিংশতিঃ; দ্বাবিংশতিঃ, ত্রয়োবিংশতিঃ ইত্যাদি) একবচনান্ত, সেইকাৰণে এইবোৰ সংখ্যাবাচক শব্দৰ লগত সংযুক্ত বিশেষ্যপদবোৰ বহুবচনান্ত হ'লেও উক্ত সংখ্যাবাচক

শব্দবোৰ এক বচনতেই ব্যৱহাৰ হয়। উদাহৰণস্বৰূপে ক'ব পাৰি 'বিংশতিঃ পুৰুষাঃ'- এই বাক্যটোত 'পুৰুষাঃ' এই বিশেষ্যপদটো বহুবচনান্ত কিন্তু 'বিংশতিঃ' এই সংখ্যাবাচক পদটো বিশজন (পুৰুষক) বুজালেও নিজে পদটো একবচনান্ত হিচাপে প্ৰযুক্ত হৈছে। সেই কাৰণে সংস্কৃতভাষাত সংখ্যাবাচক শব্দবোৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত উক্ত নিয়মবোৰ মনত ৰখাটো অত্যন্ত প্ৰয়োজনীয়।

৬.৪ এক শব্দ, দ্বিশব্দ, ত্রিশব্দ আৰু চতুৰ্ শব্দৰ ৰূপ

সংখ্যাবাচক এক শব্দ একবচনান্ত আৰু পুংলিঙ্গ, স্ত্রীলিঙ্গ তথা ক্লীৱলিঙ্গত এই শব্দৰ ব্যৱহাৰ হয়। তলত এক শব্দৰ ৰূপ দাঙি ধৰা হ'ল।

এক শব্দ

পুংলিঙ্গ	**স্ত্রীলিঙ্গ**	**ক্লীৱলিঙ্গ**
প্ৰথমা - একঃ	একা	একম্
দ্বিতীয়া - একম্	একাম্	একম্
তৃতীয়া - একেন	একয়া	একেন
চতুৰ্থী - একস্মৈ	একস্যৈ	একস্মৈ
পঞ্চমী - একস্মাৎ	একস্যাঃ	একস্মাৎ
ষষ্ঠী - একস্য	একস্যাঃ	একস্য
সপ্তমী - একস্মিন্	একস্যাম্	একস্মিন্

দ্বি শব্দ

সংস্কৃতত দুই বুজোৱা দ্বি শব্দ দ্বিবচনান্ত হয়। তদুপৰি স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গত এই শব্দৰ একে ৰূপ পোৱা যায়।

পুংলিঙ্গ	**স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ**
প্ৰথমা - দ্বৌ	দ্বে
দ্বিতীয়া- দ্বৌ	দ্বে
তৃতীয়া - দ্বাভ্যাম্	দাভ্যাম্
চতুৰ্থী - দ্বাভ্যাম্	দ্বাভ্যাম্
পঞ্চমী - দ্বাভ্যাম্	দ্বাভ্যাম্
ষষ্ঠী - দ্বয়োঃ	দ্বয়োঃ
সপ্তমী - দ্বয়োঃ	দ্বয়োঃ

ত্রিশব্দ

পুংলিঙ্গ	**স্ত্রীলিঙ্গ**	**ক্লীৱলিঙ্গ**
প্ৰথমা ত্রয়ং	তিস্রঃ	ত্রীণি
দ্বিতীয়া ত্রীন্	তিস্রঃ	ত্রিস্রঃ ত্রীণি
তৃতীয়া ত্রিভিঃ	তিসৃভিঃ	ত্রিভ্যঃ

চতুর্থী ত্রিভ্যঃ	তিসৃভ্যঃ	ত্রিভ্যঃ
পঞ্চমী ত্রিভ্যঃ	তিসৃভ্যঃ	ত্রিভ্যঃ
ষষ্ঠী ত্রয়াণাম্	তিসৃণাম্	ত্রয়াণাম্
সপ্তমী ত্রিষু	তিসৃষু	ত্রিষু

চতুৰ্ শব্দ

নিত্যবহুবচনান্ত ত্রিশব্দ পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গত ব্যৱহাৰ হয়।

পুংলিঙ্গ	**স্ত্রীলিঙ্গ**	**ক্লীৱলিঙ্গ**
প্রথমা - চত্বাৰঃ	চতস্রঃ	চত্বাৰি
দ্বিতীয়া - চতুৰঃ	চতস্রঃ	চত্বাৰি
তৃতীয়া - চতুর্ভিঃ	চতসৃভিঃ	চতুর্ভিঃ
চতুর্থী - চতুর্ভ্যঃ	চতসৃভ্যঃ	চতুর্ভ্যঃ
পঞ্চমী - চতুর্ভ্যঃ	চতসৃভ্যঃ	চতুর্ভ্যঃ
ষষ্ঠী - চতুর্ণাম্	চতসৃণাম্	চতুর্ণাম্
সপ্তমী - চতুর্ষু	চতসৃষু	চতুর্ষু



জানি থোৱা ভাল

(ক) 'এক' শব্দৰ প্রয়োগ যদি কেতিয়াবা বহুবচনান্ত হোৱা দেখা যায়, তেতিয়া 'এক' শব্দৰ অর্থ— 'কিছুমান' হিচাবে প্রয়োগ হয়। যেনে— একেষাং বৈয়াকৰণানাং ইদং মতম্।

(খ) 'এক' শব্দৰ আগত 'অন্' ব্যৱহাৰ হ'লে, বহুবনচত প্রয়োগ হয়। যেনে— অন্ + এক = অনেক। অনেকে নৈৰুক্তাঃ এবং বদন্তি।

(গ) অসহায়বাচী 'এক' শব্দ তিনিও বচনতে প্রয়োগ হয়।

৬.৫ পঞ্চন্, ষষ্ আৰু অষ্টন্ শব্দৰ ৰূপ

পঞ্চন্, ষষ্ আৰু অষ্টন্ শব্দই যথাক্রমে পাঁচ, ছয় আৰু আঠ সংখ্য বুজায়। এইবোৰ সংখ্যাবাচক শব্দ নিত্যবহুবচনান্ত অর্থাৎ এইবোৰ শব্দৰ একবচনত বা দ্বিবচনত প্রয়োগ নহয়। তদুপৰি পুংলিঙ্গ স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ— এই তিনিটা লিঙ্গতেই এইবোৰ শব্দৰ একোটা ৰূপেই পোৱা যায়। তলত একাদিক্রমে শব্দবোৰ ৰূপ দাঙি ধৰা হ'ল।

পঞ্চন্শব্দ

প্রথমা	পঞ্চ
দ্বিতীয়া	পঞ্চ
তৃতীয়া -	পঞ্চভিঃ

চতুর্থী -	পঞ্চভ্যঃ
পঞ্চমী -	পঞ্চভ্যঃ
ষষ্ঠী -	পঞ্চানাম্
সপ্তমী -	পঞ্চসু

ষষ্‌শব্দ

প্রথমা	ষট্
দ্বিতীয়া-	ষট্
তৃতীয়া -	ষড়্ভিঃ
চতুর্থী -	ষড়্ভ্যঃ
পঞ্চমী -	ষড়্ভ্যঃ
ষষ্ঠী -	ষণ্ণাম্
সপ্তমী -	ষট্সু

অষ্টন্‌শব্দ

প্রথমা	অষ্টৌ, অষ্ট
দ্বিতীয়া-	অষ্টৌ, অষ্ট
তৃতীয়া -	অষ্টাভিঃ, অষ্টভিঃ
চতুর্থী -	অষ্টাভ্যঃ, অষ্টভ্যঃ
পঞ্চমী -	অষ্টাভ্যঃ, অষ্টভ্যঃ
ষষ্ঠী -	অষ্টানাম্
সপ্তমী -	অষ্টাসু, অষ্টসু

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে সপ্তন্ (৭), নবন্ (৯) দশন্ (১০), একাদশন্ (১১), দ্বাদশন্ (১২), ত্রয়োদশন্ (১৩), চতুর্দ্দশন্ (১৪), পঞ্চদশন্ (১৫), ষোড়শন্ (১৬), সপ্তদশন্ (১৭) তথা অষ্টাদশন্ (১৮), শব্দ ন-কাৰান্ত 'পঞ্চন্' শব্দৰ নিচিনা আৰু আটাইকেইটাই বহুবচান্ত।

৬.৬ বিংশতি আদি সংস্কৃত সংখ্যাবাচক শব্দৰ বিষয়ে আলোচনা

আপোনালোকে ইতিমধ্যে জানিছে যে বিংশতি (২০), আৰু ইয়াৰ পিছৰ সংখ্যাবুজোৱা সংস্কৃত সংখ্যাবাচক শব্দসমূহ সদায় একবচনান্ত হয়। অর্থাৎ এইবোৰ শব্দ দ্বিবচন আৰু বহুবচনত ব্যৱহাৰ নহয়। বিংশতি (২০), ষষ্টি (৩০), সপ্ততি (৭০), অশীতি (৮০), নবতি (৯০) আদি সংখ্যাবাচক সংস্কৃতশব্দবোৰ 'ক্তিন্' প্রত্যয়যুক্ত। 'ক্তিন্' প্রত্যয়ান্ত হোৱা কাৰণে এইবোৰ শব্দ স্ত্রীলিঙ্গ। এইবোৰ শব্দৰ ৰূপ ক্তিন্ প্রত্যয়ান্ত ইকাৰান্ত 'মতি' শব্দৰ দৰে হয়। তলত এইবোৰ শব্দৰ ৰূপ দাঙি ধৰা হ'ল।

বিংশতি-শব্দ

প্রথমা	বিংশতিঃ
দ্বিতীয়া-	বিংশতিম্
তৃতীয়া -	বিংশত্যা
চতুর্থী -	বিংশত্যৈ, বিংশতয়ে
পঞ্চমী -	বিংশত্যাঃ, বিংশতেঃ
ষষ্ঠী -	বিংশত্যাঃ, বিংশতেঃ
সপ্তমী -	বিংশত্যাম্, বিংশতৌ

ষষ্টিশব্দ

প্রথমা	ষষ্টিঃ
দ্বিতীয়া-	ষষ্টিম্
তৃতীয়া -	ষষ্ট্যা
চতুর্থী -	ষষ্টা, ষষ্টয়ে
পঞ্চমী -	ষষ্ট্যাঃ, ষষ্টেঃ
ষষ্ঠী -	ষষ্ট্যাঃ, ষষ্টেঃ
সপ্তমী -	ষষ্ট্যাম্, ষষ্টৌ

সপ্ততিশব্দ

প্রথমা	সপ্ততিঃ
দ্বিতীয়া-	সপ্ততিম্
তৃতীয়া -	সপ্তত্যা
চতুর্থী -	সপ্তত্যৈ, সপ্ততয়ে
পঞ্চমী -	সপ্তত্যাঃ, সপ্ততেঃ
ষষ্ঠী -	সপ্তত্যাঃ, সপ্ততেঃ
সপ্তমী -	সপ্তত্যাম্, সপ্ততৌ

অশীতিশব্দ

প্রথমা	অশীতিঃ
দ্বিতীয়া-	অশীতিম্
তৃতীয়া -	অশীত্যা
চতুর্থী -	অশীত্যৈ, অশীতয়ে
পঞ্চমী -	অশীত্যাঃ, অশীতেঃ
ষষ্ঠী -	অশীত্যাঃ, অশীতেঃ
সপ্তমী -	অশীত্যাম্, অশীতৌ

নৱতিশব্দ

প্রথমা	নৱতিঃ
দ্বিতীয়া-	নৱতিম্
তৃতীয়া -	নৱত্যা
চতুর্থী -	নৱত্যৈ, নৱতয়ে
পঞ্চমী -	নৱত্যাঃ, নৱতেঃ
ষষ্ঠী -	নৱত্যাঃ, নৱতেঃ
সপ্তমী -	নৱত্যাম্, নৱতৌ



জানি থোৱা ভাল

বিংশতি প্রভৃতি শব্দবিলাকে আবৃত্তি বুজালে অর্থাৎ আন সংখ্যাবাচক শব্দৰ দ্বাৰা বিশেষিত হ'লে দ্বিবচন আৰু বহুবচনতো ব্যৱহাৰ হয় আৰু তেতিয়া ইহঁত বিশেষ্য বা বিশেষণ দুয়োটাই হ'ব পাৰে। যেনে— দ্বে বিংশতী বালকাঃ, তিস্রো বিংশতয়ো নাৰীণাম্।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ সংস্কৃত সংখ্যাবাচক শব্দৰ কিছুমান বৈশিষ্ট্য আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ২ঃ সংস্কৃত সংখ্যাবাচক শব্দৰ লিঙ্গ আৰু বচন কেনেকৈ নির্দ্ধাৰিত হৈছে সেইবিষয়ে চমুকৈ লিখক।

প্রশ্ন নং ৩ঃ পঞ্চন্ শব্দৰ ৰূপ জনাটো প্রয়োজনীয় কিয়? (১০০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৪ঃ ক্তিন্ প্রত্যয়ান্ত সংস্কৃত সংখ্যাবাচক পাঁচটা শব্দ লিখি যিকোনো এটা শব্দৰ ৰূপ দেখুৱাই দিয়ক।

৬.৭ ত্রিংশত্ আদি সংস্কৃত সংখ্যাবাচক শব্দৰ ৰূপ

সংখ্যাবাচক সংস্কৃতশব্দ ত্রিংশৎ (৩০), চত্বাৰিংশৎ (৪০) তথা পঞ্চাশৎ (৫০) শব্দ ত্কাৰান্ত। তদুপৰি এইকেইটা শব্দ স্ত্রীলিঙ্গ। সংস্কৃত 'ভূভূৎ' শব্দৰ দৰে উক্ত সংখ্যাবাচক শব্দকেইটাৰ ৰূপ হয়। তলত এই শব্দকেইটাৰ ৰূপ দেখুওৱা হ'ল।

ত্রিংশৎশব্দ

প্রথমা	ত্রিংশৎ
দ্বিতীয়া-	ত্রিংশতম্
তৃতীয়া -	ত্রিংশতা

চতুর্থী -	ত্রিংশতে
পঞ্চমী -	ত্রিংশতঃ
ষষ্ঠী -	ত্রিংশতঃ
সপ্তমী -	ত্রিংশতি

এইখিনিতে মনকৰিবলগীয়া কথাটো হ'ল যে একত্রিংশৎ (৩১), দ্বাত্রিংশৎ (৩২) আদি শব্দবোৰৰ ৰূপ ত্রিংশৎ শব্দৰ দৰে হয়।

চত্বাৰিংশৎ শব্দ

প্রথমা	চত্বাৰিংশৎ
দ্বিতীয়া-	চত্বাৰিংশতম্
তৃতীয়া -	চত্বাৰিংশতা
চতুর্থী -	চত্বাৰিংশতে
পঞ্চমী -	চত্বাৰিংশতঃ
ষষ্ঠী -	চত্বাৰিংশতঃ
সপ্তমী -	চত্বাৰিংশতি

পূর্বৰ দৰে এইখিনিতে মনত ৰাখিব লাগিব যে একচত্বাৰিংশৎ (৪১), দ্বিচত্বাৰিংশৎ (৪২), ত্রিচত্বাৰিংশৎ (৪৩) আদি শব্দৰ ৰূপ চত্বাৰিংশৎ পদৰ দৰে হয়।

পঞ্চাশৎ শব্দ

প্রথমা	পঞ্চাশৎ
দ্বিতীয়া-	পঞ্চাশতম্
তৃতীয়া -	পঞ্চাশতা
চতুর্থী -	পঞ্চাশতে
পঞ্চমী -	পঞ্চাশতঃ
ষষ্ঠী -	পঞ্চাশতঃ
সপ্তমী -	পঞ্চাশতি

এইখিনিতে জানিব লাগে যে একপঞ্চাশৎ (৫১), দ্বিপঞ্চাশৎ (৫২), ত্রিপঞ্চাশৎ (৫৩) আদি শব্দৰ ৰূপ পঞ্চাশৎ পদৰ ৰূপৰ দৰে হয়।

৬.৮ শত আদি সংস্কৃত সংখ্যাবাচক শব্দৰ ৰূপ

সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা শত (১০০), সহস্র (১০০০), অযুত (১০০০০), লক্ষ্য (১০০০০০)— এই সংখ্যাবাচক শব্দকেইটা অ-কাৰান্ত শব্দ। তদুপৰি আটাইকেইটা ক্লীৱলিঙ্গ শব্দ। এই শব্দকেইটাৰ ৰূপ অ-কাৰান্ত ক্লীৱলিঙ্গ শব্দ 'ফল'ৰ নিচিনা হয়। তলত এই শব্দকেইটাৰ ৰূপ দাঙি ধৰা হ'ল।

শতশব্দ

প্রথমা	শতম্
দ্বিতীয়া-	শতম্
তৃতীয়া -	শতেন
চতুর্থী -	শতায়
পঞ্চমী -	শতাৎ
ষষ্ঠী -	শতস্য
সপ্তমী -	শতে

সহস্রশব্দ

প্রথমা	সহস্রম্
দ্বিতীয়া-	সহস্রম্
তৃতীয়া -	সহস্রেণ
চতুর্থী -	সহস্রায়
পঞ্চমী -	সহস্রাৎ
ষষ্ঠী -	সহস্রস্য
সপ্তমী -	সহস্রে

অযুতশব্দ

প্রথমা	অযুতম্
দ্বিতীয়া-	অযুতম্
তৃতীয়া -	অযুতেন
চতুর্থী -	অযুতায়
পঞ্চমী -	অযুতাৎ
ষষ্ঠী -	অযুতস্য
সপ্তমী -	অযুতে

লক্ষ্যশব্দ

প্রথমা	লক্ষম্
দ্বিতীয়া-	লক্ষম্
তৃতীয়া -	লক্ষেণ
চতুর্থী -	লক্ষায়
পঞ্চমী -	লক্ষাৎ
ষষ্ঠী -	লক্ষস্য
সপ্তমী -	লক্ষে



জানি থোৱা ভাল

(ক) অযুত (দহ হাজাৰ); প্রযুত (দহ লাখ); শব্দ ক্লীৱলিঙ্গ। কিন্তু কেতিয়াবা কেতিয়াবা পুংলিঙ্গতো প্রয়োগ হয়। যেনে— (ক) ৰাম দুর্গে অযুতং জনাঃ সন্তি। (খ) জয়পুৰে অধুনা প্রযুতং জনান্ দ্রষ্টুং শক্নুথ।

(খ) কোটি (Crore) শব্দ স্ত্রীলিঙ্গ, অর্বুদ (দহ কোট) - পুংলিঙ্গ, শংকু (দহ লাখ কোটি) শব্দ পুংলিঙ্গ।

৬.৯ সংখ্যাভিত্তিক কিছু বিশেষ সংস্কৃতাশব্দ

সংস্কৃত ভাষাত এনেকুৱা কিছু শব্দ আছে যিবোৰৰ দ্বাৰা কোনো নির্দিষ্ট সংখ্যা বুজোৱা নহয় কিন্তু সংখ্যাবাচক শব্দৰ পৰিমাণ সূচায়। সংস্কৃতভাষাৰ সাৱলীল প্রয়োগৰ ক্ষেত্রত এনেকুৱা শব্দবোৰৰ বিষয়ে জ্ঞান থকাটো অতি প্রয়োজনীয়। এইক্ষেত্রত সংস্কৃত শব্দ কতি (কিমানসংখ্যক), যতি (যিমান সংখ্যক) তথা ততি (সিমান সংখ্যক)— এই শব্দকেইটাৰ কথা ক'ব পাৰি। এই তিনিটা শব্দই বিশেষ বিশেষ ধৰণে সংখ্যাবাচক শব্দৰ পৰিমাণৰ সূচনা দিয়ে। ইয়াতে উল্লেখকৰিবলগীয়া কথাটো হ'ল যে দ্বিবচনত এই শব্দ তিনিটাৰ ব্যৱহাৰ নহয়। তদুপৰি পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গত — এই তিনিটা শব্দৰ ৰূপ একেই হয়। সেইকাৰণে কিমান ল'ৰা, 'কিমান ছোৱালী', 'কিমান ফল'— এই বাক্যকেইটা, বুজাবলৈ সংস্কৃতত যথাক্রমে কোৱা হয় 'কতি বালকাঃ', 'কতি বালিকাঃ' আৰু 'কতি ফলানি'। তলত কতি শব্দৰ ৰূপসমূহ দাঙি ধৰা হ'ল।

কতি শব্দ

প্রথমা	কতি
দ্বিতীয়া-	কতি
তৃতীয়া -	কতিভিঃ
চতুর্থী -	কতিভ্যঃ
পঞ্চমী -	কতিভ্যঃ
ষষ্ঠী -	কতীনাম্
সপ্তমী -	কতিষু

'যতি' আৰু 'ততি' শব্দৰ ৰূপসমূহ কতিশব্দৰ ৰূপৰ দৰেই হয়।

ইয়াৰ উপৰিও সংস্কৃতভাষাত কিছুমান পূৰণবাচক শব্দৰ ব্যৱহাৰ হয়। এই শব্দবোৰ প্রত্যক্ষভাৱে সংখ্যা নুবুজালেও সংখ্যাৰে নির্দ্ধাৰণ কৰা হয় এইবোৰ শব্দ। এই শব্দবোৰ গঠন কৰোতে এক বিশেষ প্রক্রিয়া ব্যৱহাৰ কৰা হয় য'ত নির্দিষ্ট সংখ্যাবোধক পদটোৰ প্রাধান্য থাকে। এই শব্দবোৰ বিশেষণ হিচাপে ব্যৱহাৰ হয় কাৰণে পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গৰ বিশেষ্য পদৰ লগত সেই সেই লিঙ্গ অনুসৰি প্রযুক্ত হয়। অর্থাৎ পুৰণবাচক পদ পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ এই তিনিটা লিঙ্গতেই বিশেষ বিশেষ ৰূপত ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। উদাহৰণ হিচাপে

ক'ব পাৰি 'এক' এই সংখ্যাবাচক পদটোৰ পৰা পোৱা পূৰণবাচক শব্দ হ'ল— প্রথমঃ (পুংলিঙ্গ), প্রথমা (স্ত্রীলিঙ্গ) আৰু প্রথমম্ (ক্লীৱলিঙ্গ)। সংস্কৃত ভাষাত এই পদবোৰ ব্যৱহাৰৰ উদাহৰণ হ'ল— প্রথমঃ পুৰুষঃ, প্রথমা বিভক্তিঃ আৰু প্রথমং চিহ্নম্। সেইদৰে 'দ্বি' এই সংখ্যাবাচক শব্দৰ পৰা পোৱা পূৰণবাচক শব্দ হ'ল দ্বিতীয়ঃ (পুংলিঙ্গ), দ্বিতীয়া (স্ত্রীলিঙ্গ) আৰু দ্বিতীয়ম্ (ক্লীৱলিঙ্গ)। এইবোৰ শব্দৰ জ্ঞান থাকিলে সংস্কৃত ভাষাত সঠিক পদ প্রয়োগত যথেষ্ট সুবিধা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ ত্রিংশৎ শব্দৰ ৰূপবোৰ লিখক (৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৬ঃ সহস্র শব্দৰ ৰূপবোৰ কিদৰে লিখা হয়?
(৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৭ঃ 'কতি' শব্দৰ বিষয়ে চমুটোকা লিখক।

৬.১০ সংস্কৃত সংখ্যাবাচক শব্দৰ তালিকা

আপোনালোকে ইতিমধ্যে জানিছে যে আন আন ভাষাৰ দৰে সংস্কৃতভাষাতো সংখ্যাবাচক শব্দৰ এটা বিশেষ আন্তঃগাথনি আছে। কিছুমান সংখ্যাবাচক শব্দ একবচনান্ত, কিছুমান বহু বচনান্ত আৰু দুই বুজোৱা সংখ্যাবাচক শব্দটো দ্বিবচনান্ত । তদুপৰি, সংস্কৃতভাষাত ব্যৱহাৰ হোৱা বিংশতি (২০) আদি সংখ্যাবাচক শব্দ যদিও একাধিক সংখ্যাৰ দ্যোতক কিন্তু ভাষাত এই শব্দবোৰ একবচনান্ত হয়। সংখ্যাবাচক শব্দৰ ব্যৱহাৰৰ ক্ষেত্রত সংস্কৃতভাষাত পোৱা আৰু এটা বৈশিষ্ট্য হ'ল যে ইয়াত পৰৱর্তী সংখ্যাটোক অধিক হিচাপে গ্রহণ কৰি পূর্বৰ সংখ্যাটোৰ উচ্চাৰণ কৰা হয়। উদাহৰণস্বৰূপে ক'ব পাৰি যে ১৫০এই সংখ্যাবাচক শব্দটোৰ উচ্চাৰণৰ ক্ষেত্রত আমি অসমীয়াত প্রথমতে এশ পদটো কৈ তাৰ পিছত পঞ্চাশ শব্দটো উচ্চাৰণটো কৰো কিন্তু সংস্কৃত ভাষাত আমি কওঁ পঞ্চাশদধিকংশতম্। অর্থাৎ পিছৰ পঞ্চাশত্ (৫০) সংখ্যাটোক অধিক বুলি কৈ শতসংখ্যাটোৰ উচ্চাৰণ হ'ল। সংস্কৃতত সততে কোৱা এটা বাক্য হ'ল 'অঙ্কস্য বামা গতিঃ' অর্থাৎ সংখ্যাবোৰ বাওঁফালৰ পৰা সোঁফাললৈ গতি কৰে। ইয়াৰ অর্থ হ'ল সংস্কৃতভাষাত সংখ্যাবাচক শব্দৰ উচ্চাৰণৰ ক্ষেত্রত সাধাৰণতে দহতকৈ ডাঙৰ সংখ্যা বুজাবলৈ গ'লে বাওঁফালৰ সংখ্যাৰ পৰা সোঁফালৰ সংখ্যালৈ উচ্চাৰণৰ গতি ধাবমান হয়। তলত অতি প্রয়োজনীয় কিছুসংখ্যক সংস্কৃত সংখ্যাবাচক শব্দৰ তালিকা প্রস্তুত কৰা হৈছে।

৫— পঞ্চম	১৫— পঞ্চদশ,	২৫— পঞ্চবিংশতিঃ
৩৫— পঞ্চত্রিংশৎ	৪৫— পঞ্চচত্বাৰিংশৎ	৫৫— পঞ্চপঞ্চশৎ
৬৫— পঞ্চষষ্টিঃ	৭৫— পঞ্চসপ্ততিঃ	৮৫— পঞ্চাশীতিঃ
৯৫— পঞ্চনবতিঃ	১০৫— পঞ্চাধিকং শতম্	১৫০— পঞ্চাশদধিকংশতম্

৫০০— পঞ্চশতানি/পঞ্চশতম্ ৫০০০— পঞ্চসহস্রানি/পঞ্চসহস্রম্

৬— ষট্ ১৬— ষোড়শ ২৬— ষড়্বিংশতিঃ
৩৬— ষট্ত্রিংশৎ ৪৬— ষট্চত্বাৰিংশৎ ৫৬— ষট্পঞ্চাশৎ
৬৬— ষট্ষষ্টিঃ ৭৬— ষট্সপ্ততিঃ ৮৬— ষতশীতিঃ
৯৬— ষণ্ণবতিঃ ১০৬— ষড়ধিকং শতম্ ১৬০— ষষ্ট্যধিকংশতম্
৬০০— ষট্শতানি/ ষট্শতম্ ৬০০০— ষট্সহস্রানি/ষট্সহস্রম্

৭— সপ্ত ১৭— সপ্তদশ ২৭— সপ্তবিংশতিঃ
৩৭— সপ্তত্রিংশৎ ৪৭— সপ্তচত্বাৰিংশৎ ৫৭— সপ্তপঞ্চাশৎ
৬৭— সপ্তনবতিঃ ১০৭— সপ্তধিকংশতম্
১৭০— সপ্তত্যধিকং শতম্ ৭০০০— সপ্ত সহস্রানি/ সপ্তসহস্রম্

৮— অষ্টৌ, অষ্ট ১৮— অষ্টাদশ ২৮— অষ্টাবিংশতিঃ
৩৮— অষ্টাত্রিংশৎ ৪৮— অষ্টচত্বাৰিংশত্/অষ্টাচত্বাৰিংশৎ
৫৮— অষ্টপঞ্চাশৎ/ অষ্টাপঞ্চাশৎ ৬৮— অষ্টষষ্টিঃ/অষ্টাষষ্টিঃ
৭৮— অষ্টসপ্ততিঃ/ অষ্টাসপ্ততিঃ ৮৮— অষ্টাশীতিঃ
৯৮— অষ্টনবতিঃ/অষ্টানবতি ১০৮— অষ্টাধিকংশতম্
১০৮— অশীত্যধিকংশতম্ ৮০০০— অষ্টসহস্রানি/অষ্টসহস্রম্

৯— নব ১৯— ঊনবিংশতি/ত্রকোনবিংশতিঃ
২৯— ঊনত্রিংশৎ/ত্রকোনত্রিংশৎ ৩৯—ঊনচত্বাৰিংশৎ / একোণচত্বাৰিংশত্
৪৯— ঊনপঞ্চাশৎঃ/একোনপঞ্চাশত্ ৫৯— ঊনষষ্টিঃ/একোণষষ্টি
৬৯— ঊনসপ্ততিঃ/একোনস প্ততি ঃ ৭৯— ঊনাশীতিঃ/একোনাশীতিঃ
৮৯— ঊননবতিঃ/একোননবতিঃ ৯৯— ঊনশতম্/একোনশতম্/ নবনবতিঃ
১০৯— নবাধিকং শতম্ ১৯০— নবত্যধিকং শতম্
৯০০— নব শতানি/নবশতম্ ৯০০০— নবসহস্রানি/নবসহস্রম্

এইখিনিতে মনকৰিবলগীয়া কথা হ'ল সংস্কৃতভাষাত কিছুমান শব্দ সংখ্যবাচক নহৈও সংখ্যাৰ বোধক হয়। পণ্ডিতসকলে সংখ্যাবুজাবলৈ সেইবোৰ শব্দৰ আশ্রয় লৈ ৰচনাৰ গাম্ভীর্য প্রকাশ কৰে। যেনে ঃ সংস্কৃতত চন্দ্রশব্দটোৰে এক সংখ্যাটোক বুজায়। ইয়াৰ কাৰণ হ'ল চন্দ্র এটা, ইয়াৰ দ্বিতীয় নাই। পক্ষ শব্দটোৰে দুইসংখ্যাৰ বোধক কাৰণ এটা মাহত দুটা পক্ষ (পোন্ধৰ দিন) পোৱা যায় (কৃষ্ণপক্ষ আৰু শুক্লপক্ষ), নেত্র পদটোৰে সংস্কৃতত তিনিসংখ্যাৰ পৰিচায়ক কাৰণ ভগৱান শিৱৰ নেত্র বা চকু তিনিটা। বেদ পদটোৰে সংস্কৃতত চাৰিসংখ্যাৰ বোধক হয় কাৰণ বেদৰ

সংখ্যা হ'ল চাৰি। পঞ্চবান্ অর্থাৎ কামবেদৰ বাণৰ সংখ্যা পাঁচ হোৱা বাবে এই শব্দটোৱে পাঁচ শব্দৰ বোধক হয়। ঋতুপদটোৱে সংস্কৃতত ছয় সংখ্যাক বুজায় কাৰণ ঋতুৰ সংখ্যা হ'ল ছয়। সমুদ্র পদটোৱে সংস্কৃতত সাতসংখ্যাৰ বোধক কাৰণ প্রাচীনকালত সমুদ্রৰ সংখ্যা আছিল সাত। অষ্টাবসু শব্দটোৱে সংস্কৃতত আঠ সংখ্যাক বুজায় কাৰণ বসু বুলি ক'লে আঠজন দেৱতাক বুজোৱা হয়। গ্রহ পদটোৰে সংস্কৃতত ন সংখ্যাক বুজোৱা হয় কাৰণ গ্রহৰ সংখ্যা হ'ল ন আৰু দিশ পদটোৰে সংস্কৃতত দশ সংখ্যাক বুজোৱা হয়। ইয়াৰ কাৰণ হ'ল ভাৰতীয় পৰম্পৰামতে দহটা দিশ আছে। ইয়াৰ উপৰিও শূন্য (০) বুজাবলৈ সংস্কৃতত খ, আকাশ আদি শব্দ ব্যৱহাৰৰ প্রচালন আছে।



৬.১১ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সংস্কৃতভাষাত ব্যৱহাৰ হোৱা সংখ্যাবাচক শব্দৰ বৈশিষ্ট্যসমূহ জানিলে।
- কোনধৰণৰ সংস্কৃত সংখ্যাবাচক শব্দসমূহ একবচনান্ত, কোনবোৰ বহুবচনান্ত আৰু কি শব্দ দ্বি বচনত ব্যৱহাৰ সেই বিষয়ে জানিব পাৰিলে।
- কিছুমান সংখ্যাবাচক শব্দ যে তিনিটা লিঙ্গতেই ব্যৱহাৰ হয় সেই কথা জানিলে।
- কিছু সংখ্যাবাচক শব্দ একাধিক অর্থ বুজালেও যে একবচনত ব্যৱহাৰ হয় সেইবিষয়ে অবগত হ'ল।
- কিছুমান সংস্কৃত সংখ্যাবাচক শব্দ পুংলিঙ্গযুক্ত, কিছু সংখ্যক স্ত্রীলিঙ্গযুক্ত আৰু কিছুসংখ্যক ক্লীৱলিঙ্গযুক্ত— সেই বিষয়ে জানিব পাৰিলে।
- সংখ্যাবাচক শব্দৰ ব্যৱহাৰৰ ক্ষেত্রত সংস্কৃতত কি প্রক্রিয়া অনুসৰণ কৰা হয় সেই কথাটোও জানিব পাৰিলে।
- সংস্কৃতভাষাত সংখ্যাবাচক শব্দ নোহোৱাকৈও যে কিছুমান শব্দ কিছু নির্দিষ্ট সংখ্যাৰ প্রতীক হয় সেই বিষয়ে অৱগত গ'ল।
- প্রয়োজনীয় সংখ্যাবাচক শব্দৰ ৰূপ কেইটাৰ বিষয়ে জানিলে।
- বিভক্তি হিচাপে সংখ্যাবাচক শব্দৰ ৰূপৰ পৰিৱর্তন কেনেদৰে হয় সেই বিষয়েও অৱগত হ'ল।



৬.১২ অধিক জানিবলৈ

১) ভট্টাচার্য, ড° হৰিচন্দ্ৰ ভট্টাচার্য, *সংস্কৃত ব্যাকৰণ প্ৰভা*, বৰুৱা এজেন্সি, দীঘলীপুখুৰী পাৰ, গুৱাহাটী-১, ১৯৯৬।

২) *ব্যাকৰণ কৌমুদী*, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, দেৱ সাহিত্য কুটীৰ, কলকাতা, ২০০০।

২) *ব্যাকৰণ দর্শনেৰ ইতিহাস*; গুৰপদ, হালদাৰ, সংস্কৃত বুক ডিপো, কলকাতা, ২০০৬ (পুনর্মুদ্রণ)।



৬.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ সংস্কৃতভাষাত ব্যৱহাৰ হোৱা সংখ্যাবাচক শব্দসমূহৰ বিশেষত্ববোৰ আলোচনা কৰিব লাগিব।

২ নং প্রশ্নৰ উত্তৰঃ কিছুমান শব্দ যে তিনিটা লিঙ্গতেই ব্যৱহাৰ হয়, কিছুমান বিশেষ বচনত বা বিশেষ লিঙ্গত ব্যৱহাৰ হয় সেই বিষয়ে লিখিব লাগিব।

৩ নং প্রশ্নৰ উত্তৰঃ পঞ্চন্ শব্দৰ ৰূপ জানিলে একেদৰে যে আন কিছুমান শব্দৰ ৰূপ জনা যায় সেই বিষয়ে ক'ব লাগিব।

৪ নং প্রশ্নৰ উত্তৰঃ সংস্কৃতত কোনধৰণৰ সংখ্যাবাচক শব্দবোৰ ক্তিন প্রত্যয়ান্ত সেই কথা লিখি বিংশতিঃ শব্দৰ ৰূপকেইটা ক'ব লাগিব।

৫ নং প্রশ্নৰ উত্তৰঃ ত্রিংশত্ শব্দৰ ৰূপকেইটা বিভিন্ন বিভক্তিত কেনেদৰে ব্যৱহাৰ কৰা হয় সেয়া দেখুওৱাব লাগিব।

৬ নং প্রশ্নৰ উত্তৰঃ সকলো বিভক্তিত সহস্র শব্দৰ ৰূপকেইটা ক'ব লাগিব।

৭ নং প্রশ্নৰ উত্তৰঃ কতি শব্দৰ অর্থ লিখি বিভক্তিগত ৰূপসমূহ ক'ব লাগিব।



৬.১৪ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ পঞ্চন্ শব্দৰ ৰূপসমূহ লিখক।

(খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ এক, দ্বি, ত্রি, চতুৰ, শব্দৰ ৰূপবোৰ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ পঞ্চবিংশতিঃ, সপ্তত্রিংশত্, নবসপ্ততি— শব্দবোৰৰ ৰূপ লিখক।

প্রশ্ন ২ঃ পূৰণবাচক সংস্কৃতসংখ্যাবোধক শব্দৰ বিষয়ে এটি আলোচনা আগবঢ়াওক

*** ***** ***

অধ্যায় ৭ ঃ ধাতুৰূপ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা কিছুমান ধাতুৰ সাধাৰণ ধাৰণা

- ৭.৩.১ ধাতুৰ প্ৰকাৰ ভেদ
- ৭.৩.২ ধাতুৰ ৰূপৰ লগত পুৰুষৰ সম্বন্ধ
- ৭.৩.৩ ক্ৰিয়াৰ কাল আৰু ল-কাৰ

৭.৪ গণ হিচাপে বিভিন্ন ধাতুৰ ধাৰণা আৰু ৰূপ

- ৭.৪.১ ভ্বাদিগণীয় ধাতুৰ ৰূপ
- ৭.৪.২ অদাদিগণীয় ধাতুৰ ৰূপ
- ৭.৪.৩ জুহোত্যাদিগণীয় ধাতুৰ ৰূপ
- ৭.৪.৪ দিবাদিগণীয় ধাতুৰ ৰূপ
- ৭.৪.৫ তুদাদিগণীয় ধাতুৰ ৰূপ

৭.৫ বহু প্ৰচলিত কিছু সংখ্যক ধাতুৰ ৰূপ

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি---

- সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা কিছুমান ধাতুৰ বিষয়ে জানিব পাৰিব
- ধাতুসমূহৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে অবগত হ'ব
- ক্ৰিয়াৰ কাল আৰু ল-কাৰৰ বিষয়ে জানিব পাৰিব
- গণৰ বিষয়ে জ্ঞান লাভ কৰিব
- বিভিন্ন গণৰ অন্তৰ্ভুক্ত ধাতুৰ ৰূপ জানিব পাৰিব।

৭.২ পৰিচয়

আপুনি ইতিমধ্যে সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা শব্দৰূপৰ বিষয়ে জানিছে। শব্দৰূপৰ নিচিনাকৈ সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা আন এটা বিষয় হ'ল ধাতুৰূপ। বিভিন্নপ্ৰকাৰৰ পদৰ ভিতৰত ক্ৰিয়াপদক বুজাবলৈ ধাতুৰূপ ব্যৱহাৰ কৰা হয়। কিছুমান পণ্ডিতৰ মতে সকলো শব্দৰ

মূলতেই থাকে এটা ধাতু। অর্থাৎ শব্দৰ অর্থ নির্ণয় কৰিবলৈ শব্দৰ ভিতৰত থকা ধাতুটোক উলিয়াই ল'ব লাগে। ধাতুৰ প্রকৃতিগত বৈশিষ্ট্য হৈছে ই শব্দৰ ভিতৰত থকা ক্ষুদ্রতম অংশ। ধাতুৰ লগতেই প্রত্যয়, বিভক্তি, বচন আদি সংযুক্ত কৰি বিভিন্ন শব্দ গঠন কৰা যায়। এটা ধাতুৰ পৰা একাধিক শব্দৰ সৃষ্টি হব পাৰে। সংস্কৃত ভাষা জানিবৰ কাৰণে ধাতুৰ বিষয়ে অধ্যয়ন কৰাটো একান্ত প্রয়োজনীয়। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা ধাতুৰ বিষয়ে জ্ঞান লাভ কৰিব। ইয়াৰ পিছত ধাতুৰ প্রকাৰভেদ, ক্রিয়াৰ কাল আৰু পুৰুষ হিচাপে ধাতুৰূপৰ বৈচিত্র্যৰ বিষয়েও আপোনাৰ জ্ঞান লাভ হ'ব। তদুপৰি গণৰ বিষয়ে আৰু বিভিন্ন লকাৰত ধাতুৰ ৰূপবোৰৰ বিষয়েও আপুনি অবগত হ'ব।

৭.৩ সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা কিছুমান ধাতুৰ সাধাৰণ ধাৰণা

ভাষাৰ সাধাৰণ নিয়ম অনুসৰি সংস্কৃত ভাষাৰ বাক্যগঠনত ক্রিয়াপদৰ এক অত্যন্ত গুৰুত্বপূর্ণ ভূমিকা আছে। ক্রিয়াপদবিহীন বাক্যক কেতিয়াও সম্পূর্ণ বুলি ধৰা নহয়। ক্রিয়াপদৰ বিষয়ে জানিবলৈ সংস্কৃতভাষাত ব্যৱহাৰ হোৱা ধাতুৰূপৰ বিশাল বৈচিত্র্যৰ বিষয়ে অধ্যয়ন কৰিব লাগিব। মহামুনি পাণিনিৰ মতে 'ভূ', 'বা' আদিক ধাতু বুলি কোৱা হয়। ধাতুৰ বিষয়ে তেওঁৰ দ্বাৰা ৰচিত ***সূত্রটি*** হ'ল 'ভুবাদয়ো ধাতবঃ'। সহজভাষাত কবলৈ গলে ক্রিয়াবাচক প্রকৃতি বা মূলেই হ'ল ধাতু। যেনে— গম্, ভূ, পঠ্ আদি। গমনার্থক ক্রিয়াপদত গম্ধাতু প্রযুক্ত হয়। 'হোৱা' এই অর্থবাহী ক্রিয়াপদত ভূ-ধাতু প্রযুক্ত হয় তথা 'পঠনক্রিয়া' বুজাবলৈ পঠ্ ধাতুৰ প্রয়োগ হয়। শব্দৰূপৰ নিচিনাকৈ ধাতুৰ লগত বিভিন্ন বিভক্তি যুক্ত কৰি ক্রিয়াপদ গঠন কৰা হয়। এই বিভক্তিসমূহক ধাতুবিভক্তি বুলি কোৱা হয়। মহামুনি পাণিনিৰ মতে এই বিভক্তিবোৰৰ আকৃতি আৰম্ভ হয় 'তিপ্' পদেৰে আৰু শেষ হয় 'মহিঙ্' পদেৰে। 'তিপ্' পদৰ 'তি' আৰু 'মহিঙ্' পদৰ 'ঙ্'-ক লগলগাই যি 'তিঙ্' পদটো পোৱা যায় সেইটোৱে সামগ্রিক ভাৱে ধাতুবিভক্তিক বুজায়। গতিকে 'সুপ্' যেনেকৈ শব্দবিভক্তিৰ প্রতীক, 'তিঙ্' সেইদৰে সংস্কৃতত ধাতুবিভক্তিৰ প্রতীক হিচাপে ব্যৱহাৰ হয়। 'তিঙ্'ৰ অন্তর্গত বিভক্তিৰ আকৃতি সংযুক্ত কৰি ক্রিয়াৰ কাল, বচন, পুৰুষ অনুসৰি বিভিন্ন ধাতুৰ ৰূপ নির্দ্ধাৰণ কৰা হয় আৰু এই ৰূপবোৰে বাক্যত ক্রিয়াপদ হিচাপে ব্যৱহাৰ হয়।

সূত্র ঃ সংস্কৃত ভাষাত 'সূত্র' পদটো এটা পাৰিভাষিক শব্দ (Technical Term) হিচাপে ব্যৱহাৰ হয়। অলপসংখ্যক আখৰযুক্ত, অসন্দিগ্ধ, বিশাল অর্থব্যঞ্জক, সাৰগর্ভ, সঠিক আৰু অনবদ্য শব্দসমুদায়ক সূত্র বুলি কোৱা হয়- অল্পাক্ষৰমসন্দিগ্ধং সাৰবৎ বিশ্বতো মুখম্। অস্তোভমনবদ্যঞ্চ সূত্রং সূত্রবিদো বিদুঃ।।

জানি থোৱা ভাল

১) মহামুনি পাণিনিয়ে 'অষ্ট্যাধ্যায়ী' নামৰ বিশাল গ্রন্থখন ৰচনা কৰিছে। সমগ্র বিশ্বতেই ব্যাকৰণৰ ক্ষেত্রত এইখনৰ অনবদ্য অবদান আছে। এই গ্রন্থত আঠটা অধ্যায় আছে। সেইকাৰণেই ইয়াৰ নাম 'অষ্টাধ্যায়ী'। প্রত্যেকটো অধ্যায়ত চাৰিটাকৈ 'পাদ' আছে। গতিকে সমগ্র 'অষ্টাধ্যায়ী' গ্রন্থখনত সর্বমুঠ ৩২ (৪ x ৮)টা পাদ আছে। প্রত্যেকটো পাদতে বিভিন্ন সূত্র অন্তর্ভুক্ত কৰা হৈছে।

২) পাণিনিৰ সূত্ৰৰ পিছফালে প্ৰথমতে অধ্যায় সংখ্যা, তাৰপিছত পাদ সংখ্যা আৰু শেষত সূত্ৰসংখ্যা দিয়া হয়। যেনে— 'ভূবাদয়ো ধাতবঃ' এই সূত্ৰটো অষ্টাধ্যায়ীগ্ৰন্থৰ প্ৰথম অধ্যায়ৰ তৃতীয় পাদৰ প্ৰথম সূত্ৰ। গতিকে এই সূত্ৰটোৰ অবস্থানৰ চিন হিচাপে (১.৩.১) এই সংখ্যা ব্যৱহাৰ কৰা হয়। এই নিয়ম অনুসৰি 'ভূবাদয়ো ধাতবঃ' (১.৩.১) —এনেদৰে লিখা হয়।

৭.৩.১ ধাতুৰ প্ৰকাৰভেদ

সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা বিভিন্ন ধাতুসমূহক তিনিটা ভাগত ভগোৱা হৈছে। সেইবোৰ হ'ল পৰস্মৈপদী, আত্মনেপদী আৰু উভয়পদী। অৰ্থাৎ সংস্কৃতভাষাত ব্যৱহাৰ হোৱা কিছুমান ধাতু পৰস্মৈপদী, কিছুমান আত্মনেপদী আৰু কিছুমান উভয়পদী। কিন্তু স্মৰণীয় বিষয়টো হ'ল যে বিশেষ বিশেষ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম দেখা যায়। যেনে— নিৰ্দিষ্ট নিয়ম অনুসৰি কেতিয়াবা পৰস্মৈপদী ধাতু আত্মনেপদী, আত্মনেপদী ধাতু পৰস্মৈপদী অথবা উভয়পদী ধাতু কেবলমাত্ৰ আত্মনেপদী বা কেবলমাত্ৰ পৰস্মৈপদী হয়। পাণিনিৰ দ্বাৰা ৰচিত ব্যাকৰণত এই নিয়মবোৰ সূত্ৰৰ আকাৰত লিপিবদ্ধ আছে। মন কৰিবলগীয়া কথা হ'ল পৰস্মৈপদ আৰু আত্মনেপদ হিচাপে ধাতু বিভক্তিৰ আকৃতিত পাৰ্থক্য দেখা যায়। পুৰুষ আৰু বচনৰ ভিত্তিত পৰস্মৈপদৰ নটা (৯) আৰু আত্মনেপদৰ নটা (৯) ৰূপ পোৱা যায় নিৰ্দিষ্ট ল-কাৰত।



জানি থোৱা ভাল

যি বিশেষ নিয়ম অনুসৰি প্ৰকৃততে আত্মনেপদী নোহোৱা ধাতুটো আত্মনেপদৰ বিভক্তি গ্ৰহণ কৰে (অৰ্থাৎ আত্মনেপদী হৈ যায়) সেই নিয়মকে আত্মনেপদ বিধান বুলি কোৱা হয়। একেদৰে যি বিশেষ নিয়ম অনুসৰি প্ৰকৃততে পৰস্মৈপদী নোহোৱা ধাতুটো পৰস্মৈপদী ধাতুবিভক্তি গ্ৰহণ কৰে (অৰ্থাৎ পৰস্মৈপদী হয়) সেই নিয়মক পৰস্মৈপদ বিধান বুলি কোৱা হয়। এনেকুৱা বিধান বা নিয়ম অনুসৰি উভয়পদী ধাতুকো কেৱল মাত্ৰ আত্মনেপদী বা কেবলমাত্ৰ পৰস্মৈপদী হোৱা দেখা যায়।

৭.৩.২ ধাতুৰ ৰূপৰ লগত পুৰুষৰ সম্বন্ধ

সংস্কৃত ব্যাকৰণত 'পুৰুষ'ৰ ধাৰণা এক অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। পুৰুষ শব্দটোৱে সংস্কৃত ব্যাকৰণত ব্যক্তিক বুজায়। পুৰুষ তিনি প্ৰকাৰৰ। যেনে— প্ৰথম পুৰুষ (third person), মধ্যম পুৰুষ (second person), আৰু উত্তম পুৰুষ (first person)। ধাতুৰ ৰূপ পুৰুষ হিচাপে বেলেগ বেলেগ হয়। প্ৰতিটো পুৰুষৰ লগত তিনিটা বচন যুক্ত থাকে। সেইবোৰ হ'ল— একবচন, দ্বিবচন আৰু বহুবচন। তিনিটা পুৰুষৰ ক্ষেত্ৰত তিনিটাকৈ

ৰূপ হ'লে মুঠ ৩ **X** ৩ = ৯টা ধাতুবিভক্তিৰ ৰূপ পোৱা যায়। নটা ৰূপ পৰস্মৈপদৰ ক্ষেত্ৰত আৰু নটা ৰূপ আত্মনেপদৰ ক্ষেত্ৰত পোৱা হেতুকে সৰ্বমুঠ ১৮টা ধাতুবিভক্তিৰ ৰূপ দেখা যায়। ধাতুৰ লগত এই ৰূপবোৰ যুক্ত কৰি বাক্যত ক্ৰিয়াপদ গঠন কৰা হয়।

৭.৩.৩ ক্ৰিয়াৰ কাল আৰু ল-কাৰ

ক্ৰিয়াশব্দটোৰ দ্বাৰা কাৰ্য বুজায় আৰু প্ৰতিটো কাৰ্য সময়সাপেক্ষ হয়। অৰ্থাৎ এটা কাৰ্য এটা নিৰ্দিষ্ট সময়ত সম্পন্ন হয়। ফলস্বৰূপে প্ৰতিটো ক্ৰিয়াৰ এটা কাল থাকে। কাল অনুসৰি ক্ৰিয়াপদ তথা ধাতুৰ ৰূপ বেলেগ বেলেগ হয়। যেনে— 'গম্' ধাতুৰ বৰ্ত্তমান কালৰ ৰূপ আৰু 'গম্' ধাতুৰ অতীত কালৰ ৰূপ সম্পূৰ্ণ বেলেগ। সংস্কৃতভাষাত ব্যৱহাৰ হোৱা ধাতুৰ ৰূপ জানিবলৈ ক্ৰিয়াৰ কাল সম্পৰ্কে ধাৰণা থকাটো অত্যন্ত প্ৰয়োজনীয়। এইখিনিতে ল-কাৰৰ প্ৰসংগ আহি পৰে। মহামুনি পাণিনিৰ মতে সংস্কৃত ব্যাকৰণত দহটা ল-কাৰ আছে। যেনে— লট্, লোট্,লঙ্, লিঙ্, লেট্ লৃট্, লৃঙ্, লুট্, লিট্, লুঙ্। ইয়াৰ ভিতৰত 'লেট্' কেবলমাত্ৰ বৈদিক সংস্কৃতত ব্যৱহাৰ হয়। তদুপৰি 'লিঙ্' শব্দটোৱে 'বিধিলিঙ্' আৰু 'আশীৰ্লিঙ্'কো বুজায়। প্ৰত্যেকটো পদতেই 'ল'-আখৰ থকা কাৰণে এইবোৰক চমুকৈ 'লকাৰ' বুলি কোৱা হয়। এই দহ-লকাৰৰ ভিতৰত ক্ৰিয়াৰ বৰ্তমান কাল বুজাবলৈ 'লট্', সাধাৰণ অতীত বুজাবলৈ 'লঙ্' আৰু ভবিষ্যতকাল বুজাবলৈ 'লৃট্' ব্যৱহাৰ কৰা হয়। 'বিধিলিঙ্' লকাৰটোৱে বিধি, প্ৰশ্ন, প্ৰাৰ্থনা, সম্ভাৱনা বুজায়। 'লোট্' ল-কাৰৰ দ্বাৰা অনুজ্ঞা বুজোৱা হয়। 'লট্', 'লোট্', 'লঙ্', 'বিধিলিঙ্' আৰু 'লৃট্' লকাৰৰ বিভক্তিবোৰ জানিলে সাধাৰণভাৱে বাক্যত ক্ৰিয়াপদৰ ব্যৱহাৰ সহজ হৈ পৰে। সেইকাৰণে এই পাঁচটা ল-কাৰৰ বিভক্তিৰ চিনবোৰ পুৰুষ আৰু বচন অনুসৰি তলত দাঙি ধৰা হ'ল—

লট্— পৰস্মৈপদ

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	তি	সি	মি
দ্বিবচন	তস্	থস্	বস্
বহুবচন	অন্তি	থ	মস্

লট্— আত্মনেপদ

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	তে	সে	এ
দ্বিবচন	আতে	আথে	বহে
বহুবচন	অন্তে	ধ্বে	মহে

লোট্— পৰস্মৈপদ

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	তু	হি	আনি
দ্বিবচন	তাম্	তম্	আৱ
বহুবচন	অন্তু	ত	আম

লোট্— আত্মনেপদ

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	তাম্	স্ব	ঐ
দ্বিবচন	আতাম্	আথাম্	আবহৈ
বহুবচন	অন্তাম্	ধ্বম্	আমহৈ

লঙ্— পৰস্মৈপদ

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	দ	স্	অম্
দ্বিবচন	তাম্	তম্	ব
বহুবচন	অন্	ত	ম

লঙ্— আত্মনেপদ

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	ত	থাস্	ই
দ্বিবচন	আতাম্	আথাম্	বহি
বহুবচন	অন্ত	ধ্বম্	মহি

বিধিলিঙ্— পৰস্মৈপদ

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	যাৎ	যাস্	যাম্
দ্বিবচন	যাতাম্	যাতম্	যাব
বহুবচন	যুস্	যাত	যাম

বিধিলিঙ্— আত্মনেপদ

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	ঈত	ঈথাস্	ঈয়
দ্বিবচন	ঈয়াতাম্	ঈয়াথাম্	ঈবহি
বহুবচন	ঈৰন্	ঈধ্বম্	ঈমহি

লৃট্— পৰস্মৈপদ

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	স্যতি	স্যসি	স্যামি
দ্বিবচন	স্যতস্	স্যথস্	স্যাবস্
বহুবচন	স্যন্তি	স্যথ	স্যামস্

লৃট্— আত্মনেপদ

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	স্যতে	স্যসে	স্যে
দ্বিবচন	স্যেতে	স্যেথে	স্যাবহে
বহুবচন	স্যন্তে	স্যধ্বে	স্যামহে

৭.৪ গণ হিচাপে বিভিন্ন ধাতুৰ ধাৰণা আৰু ৰূপ

সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা বিশালসংখ্যক ধাতুৰ ৰূপবৈশিষ্ট্য বেলেগ বেলেগ। ধাতুসমূহৰ ৰূপৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি এইবিলাকক দহটা শ্রেণীত বিভক্ত কৰা হৈছে। এই শ্রেণী বিলাকক 'গণ' বুলি কোৱা হয়। গতিকে সমগ্র ধাতুক দহটা গণত বিভক্ত কৰা হৈছে। প্রত্যেকটো গণত এটা সাধাৰণ ধাতুক প্রতীক হিচাপে লৈ সেই ধাতুৰ ভিত্তিত গণটোক নামাঙ্কিত কৰা হৈছে। সেই হিচাপে গণ সমূহ হৈছে—

ভূ ধাতুক প্রধান হিচাপে লৈ — ভ্বাদি গণ (ভূ + আদি = ভ্বাদি)
অদ্ ধাতুক প্রধান হিচাপে লৈ — অদাদি গণ (অদ্ + আদি = অদাদি)
হু ধাতুক প্রধান হিচাপে লৈ — হ্বাদি গণ (হু + আদি = হ্বাদি)
দিব্ ধাতুক প্রধান হিচাপে লৈ — দিবাদি গণ (দিব্ + আদি = দিবাদি)
সু ধাতুক প্রধান হিচাপে লৈ — স্বাদি গণ (সু + আদি = স্বাদি)
তুদ্ ধাতুক প্রধান হিচাপে লৈ — তুদাদি গণ (তুদ্ + আদি = তুদাদি)
ৰুধ্ ধাতুক প্রধান হিচাপে লৈ — ৰুধাদি গণ (ৰুধ্ + আদি = ৰুধাদি)
তন্ ধাতুক প্রধান হিচাপে লৈ — তনাদি গণ (তন্ + আদি = তনাদি)
ক্রী ধাতুক প্রধান হিচাপে লৈ — ক্র্যাদি গণ (ক্রী + আদি = ক্র্যাদি)
চুৰ্ ধাতুক প্রধান হিচাপে লৈ — চুৰাদি গণ (চুৰ্ + আদি = চুৰাদি)

ইয়াৰ ভিতৰত হ্বাদিগণক জুহোত্যাদিগণ বুলিও কোৱা হয়। এই আটাইকেইটা গণক সামৰি লৈ এটা প্রচলিত শ্লোক পোৱা যায়। সেইটো হ'ল—

ভ্বাদ্যদাদী জুহোত্যাদির্দিবাদিঃ স্বাদিৰেব চ।
তুদাদিশ্চ ৰুধাদিশ্চ তনক্র্যাদি চুৰাদয়ঃ।।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ সংস্কৃত ব্যাকৰণত কেইপ্রকাৰ ধাতুৰ উল্লেখ আছে?

.....

প্রশ্ন নং ২ঃ সংস্কৃত ব্যাকৰণত কেইবিধ পুৰুষৰ উল্লেখ আছে?

.....

প্রশ্ন নং ৩ঃ পাণিনিৰ দ্বাৰা ৰচিত ব্যাকৰণ পুথিখনৰ নাম কি?

.....

প্রশ্ন নং ৪ঃ ধাতুসমূহক কেইটা গণত ভাগ কৰা হৈছে?

.....

৭.৪.১ ভ্বাদিগণীয় ধাতুৰ ৰূপ

ভূ ধাতু পৰস্মৈপদী। ইয়াৰ অর্থ হ'ল 'হোৱা' (to be)। এই ধাতুৰ ৰূপ তলত দিয়া হল—

লট্

	প্রথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	ভৱতি	ভৱসি	ভৱামি
দ্বিবচন	ভৱতঃ	ভৱথঃ	ভৱাবঃ
বহুবচন	ভৱন্তি	ভৱথ	ভৱামঃ

লোট্

	প্রথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	ভৱতু	ভৱ	ভৱানি
দ্বিবচন	ভৱতাম্	ভৱতম্	ভৱাব
বহুবচন	ভৱন্তু	ভৱত	ভৱাম

লঙ্

	প্রথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	অভৱৎ	অভৱঃ	অভৱম্
দ্বিবচন	অভৱতাম্	অভৱতম্	অভৱাব
বহুবচন	অভবন্	অভৱত	অভৱাম

বিধিলিঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	ভৰেৎ	ভৰেঃ	ভৰেয়ম্
দ্বিবচন	ভৰেতাম্	ভৰেতম্	ভৰেৱ
বহুবচন	ভৰেয়ুঃ	ভৰেত	ভৰেম

লৃট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	ভৰিষ্যতি	ভৰিষ্যসি	ভৰিষ্যামি
দ্বিবচন	ভৰিষ্যতঃ	ভৰিষ্যথঃ	ভৰিষ্যাবঃ
বহুবচন	ভৰিষ্যন্তি	ভৰিষ্যথ	ভৰিষ্যামঃ

বদ্ (কোৱা, to speak) জি (জয় কৰা, to conquer), স্মৃ (স্মৰণ কৰা, to remember) গম্ (যোৱা, to go) দৃশ্ (দেখা, to see) আদি ভ্বাদিগণীয় পৰস্মৈপদী ধাতু। এই গণৰ অন্তর্ভুক্ত সেব্ ধাতু আত্মনেপদী হয়। সেব্ ধাতুৰ ৰূপবোৰ তলত দিয়া হ'ল—

লট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	সেৱতে	সেৱসে	সেৱে
দ্বিবচন	সেৱেতে	সেৱেথে	সেৱাৱহে
বহুবচন	সেৱন্তে	সেৱধ্বে	সেৱামহে

লোট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	সেৱতাম্	সেৱস্ব	সেৱৈ
দ্বিবচন	সেৱেতাম্	সেৱেথাম্	সেৱাবহৈ
বহুবচন	সেৱন্তাম্	সেৱধ্বম্	সেৱামহৈ

লঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	অসেৱত	অসেৱথাঃ	অসেৱে
দ্বিবচন	অসেৱতাম্	অসেৱেথাম্	অসেৱাবহি
বহুবচন	অসেৱন্ত	অসেৱধ্বম্	অসেৱামহি।

বিধিলিঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	সেৱেত	সেৱেথাঃ	সেৱেয়
দ্বিবচন	সেৱেয়াতাম্	সেৱেয়াথাম্	সেৱেৱহি
বহুবচন	সেৱেৰন্	সেৱেধ্বম্	সেৱেমহি।

লৃট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	সেৰিষ্যতে	সেৰিষ্যসে	সেৰিষ্যে
দ্বিবচন	সেৰিষ্যেতে	সেৰিষ্যথে	সেৰিষ্যাবহে
বহুবচন	সেৰিষ্যন্তে	সেৰিষ্যধ্বে	সেৰিষ্যামহে

বৃৎ (থকা, to exist) চেষ্ট্ (চেষ্টা কৰা, to try), ত্রৈ (ত্রাণ কৰা, to protect) ইত্যাদি ভ্বাদিগণীয় আত্মনেপদী ধাতু।

৭.৪.২ অদাদিগণীয় ধাতুৰ ৰূপ

অদ্ ধাতু পৰস্মৈপদী। ইয়াৰ অর্থ হল 'খোৱা' (to eat) । এই ধাতুৰ ৰূপবোৰ তলত দিয়া হ'ল—

লট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	অত্তি	অৎসি	অদ্মি
দ্বিবচন	অত্তঃ	অত্থঃ	অদ্বঃ
বহুবচন	অদন্তি	অত্থ	অদ্মঃ

লোট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	অত্তু	অদ্ধি	অদানি
দ্বিবচন	অত্তাম্	অত্তম্	অদাব
বহুবচন	অদন্তু	অত্ত	অদাম

লঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	আদৎ	আদঃ	আদম্
দ্বিবচন	আত্তাম্	আত্তম্	আদ্ব
বহুবচন	আদন্	আত্ত	আদ্ম

বিধিলিঙ্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	অদ্যাৎ	অদ্যাঃ	অদ্যাম্
দ্বিবচন	অদ্যাতাম্	অদ্যাতম্	অদ্যাৱ
বহুবচন	অদ্যুঃ	অদ্যাত	অদ্যাম

লৃট্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	অৎস্যতি	অৎস্যসি	অৎস্যামি
দ্বিবচন	অৎস্যতঃ	অৎস্যথঃ	অৎস্যাৱঃ
বহুবচন	অৎস্যন্তি	অৎস্যথ	অৎস্যামঃ

যা (যোৱা to go), ৰুদ্ (ক্ৰন্দন কৰা to cry) শাস্ (শাসন কৰা to govern) অস্ (থকা, to be) হন্ (হত্যা কৰা, to kill,) ইত্যাদি অদাদিগণীয় পৰস্মৈপদী ধাতু। এই গণৰ অন্তৰ্ভুক্ত আস্ ধাতু (বহা, to sit) আত্মনেপদী। ইয়াৰ ৰূপবোৰ তলত দিয়া হ'ল—

লট্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	আস্তে	আস্সে	আসে
দ্বিবচন	আসাতে	আসাথে	আস্বহে
বহুবচন	আসতে	আদ্ধে, আধ্বে	আস্মহে

লোট্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	আস্তাম্	আস্স্ব	আসৈ
দ্বিবচন	আসাতাম্	আসাথাম্	আসাৱহৈ
বহুবচন	আসতাম্	আদ্ধম্, আধ্বম্	আসামহৈ

লঙ্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	আস্ত	আস্থাঃ	আসি
দ্বিবচন	আসাতাম্	আসাথাম্	আস্বহি
বহুবচন	আসত	আদ্ধম্, আধ্বম্	আস্মহি

বিধিলিঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	আসীত	আসীথাঃ	আসীয়
দ্বিবচন	আসীয়াতাম্	আসীয়াথাম্	আসীবহি
বহুবচন	আসীৰন্	আসীধ্বম্	আসীমহি।

লৃট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	আসিষ্যতে	আসিষ্যসে	আসিষ্যে
দ্বিবচন	আসিষ্যেতে	আসিষ্যেথে	আসিষ্যাৱহে
বহুবচন	আসিষ্যন্তে	আসিষ্যধ্বে	আসিষ্যামহে।

শী (শয়ন কৰা, to sleep) বস্ (পৰিধান কৰা, to put on) আদি অদাদিগণীয় আত্মনেপদী ধাতু।

৭.৪.৩ জুহোত্যাদিগণীয় ধাতুৰ ৰূপ

হু ধাতু (যজ্ঞ কৰা, to sacrifice) পৰস্মৈপদী। ইয়াৰ ৰূপবোৰ তলত দিয়া হ'ল—

লট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	জুহোতি	জুহোষি	জুহোমি
দ্বিবচন	জুহুতঃ	জুহুথঃ	জুহুৱঃ
বহুবচন	জুহ্বতি	জুহুথ	জুহুমঃ।

লোট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	জুহোতু	জুহুধি	জুহৱানি
দ্বিবচন	জুহুতাম্	জুহুতম্	জুহৱাৱ
বহুবচন	জুহ্বতু	জুহুত	জুহৱাম।

লঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	অজুহোৎ	অজুহোঃ	অজুহৱম্
দ্বিবচন	অজুহুতাম্	অজুহুতম্	অজুহুৱ
বহুবচন	অজুহ্বুঃ	অজুহুত	অজুহুম।

বিধিলিঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	জুহুয়াৎ	জুহুয়াঃ	জুহুয়াম্
দ্বিবচন	জুহুয়াতাম্	জুহুয়াতম্	জুহুয়াব
বহুবচন	জুহুয়ুঃ	জুহুয়াত	জুহুয়াম

লৃট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	হোষ্যতি	হোষ্যসি	হোষ্যামি
দ্বিবচন	হোষ্যতঃ	হোষ্যথঃ	হোষ্যাৱঃ
বহুবচন	হোষ্যন্তি	হোষ্যথ	হোষ্যামঃ।

ভী (ভয় খোৱা, to be afraid) হা (ত্যাগ কৰা, to give up) আদি জুহোত্যাদিগণীয় পৰস্মৈপদী ধাতু। দা জুহোত্যাদিগণীয় উভয়পদী ধাতু। ইয়াৰ আত্মনেপদৰ ৰূপটো তলত দিয়া হ'ল—

লট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	দত্তে	দৎসে	দদে
দ্বিবচন	দদাতে	দদাথে	দদ্বহে
বহুবচন	দদতে	দদ্ধে	দদ্মহে।

লোট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	দত্তাম্	দৎস্ব	দদৈ
দ্বিবচন	দদাতাম্	দদাথাম্	দদাৱহৈ
বহুবচন	দদতাম্	দদ্ধম্	দদামহৈ।

লঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	অদত্ত	অদথাঃ	অদদি
দ্বিবচন	অদদাতাম্	অদদাথাম্	অদদ্বহি
বহুবচন	অদদত	অদদ্ধম্	অদদ্মহি।

বিধিলিঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	দদীত	দদীথাঃ	দদীয়
দ্বিবচন	দদীয়াতাম্	দদীয়াথাম্	দদীৱহি
বহুবচন	দদীৰন্	দদীধ্বম্	দদীমহি।

লৃট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	দাস্যতে	দাস্যসে	দাস্যে
দ্বিবচন	দাস্যেতে	দাস্যেথে	দাস্যাৱহে
বহুবচন	দাস্যন্তে	দাস্যধ্বে	দাস্যামহে।

হা (যোৱা, to go), মা (পৰিমাপ কৰা, to measure) জুহোত্যাদিগণীয় আত্মনেপদী ধাতু।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ ভূ-ধাতুৰ লটৰ প্রথম পুৰুষৰ একবচন কি হয়?

.....

প্রশ্ন নং ৬ঃ সেৱ্-ধাতুৰ লোটৰ মধ্যমপুৰুষৰ বহুবচনত কি হয়?

.....

প্রশ্ন নং ৭ঃ আস্ ধাতুৰ লৃটৰ উত্তমপুৰুষৰ দ্বিবচনত কি হয়?

.....

৭.৪.৪ দিবাদিগণীয় ধাতুৰ ৰূপ

দিব্ ধাতু (দীপ্তি পোৱা, to shine) পৰস্মৈপদী। এই ধাতুৰ ৰূপবোৰ তলত দিয়া হ'ল—

লট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	দীৱ্যতি	দীৱ্যসি	দীৱ্যামি
দ্বিবচন	দীৱ্যতঃ	দীৱ্যথঃ	দীৱ্যাৱঃ
বহুবচন	দীৱ্যন্তি	দীৱ্যথ	দীৱ্যামঃ

লোট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	দীব্যতু	দীব্য	দীব্যানি
দ্বিবচন	দীব্যতাম্	দীব্যতম্	দীব্যাৱ
বহুবচন	দীব্যন্তু	দীব্যত	দীব্যাম।

লঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	অদীব্যৎ	অদীব্যঃ	অদীব্যম্
দ্বিবচন	অদীব্যতাম্	অদীব্যতম্	অদীব্যাৱ
বহুবচন	অদীব্যন্	অদীব্যত	অদীব্যাম।

বিধিলিঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	দীব্যেৎ	দীব্যেঃ	দীব্যেয়ম্
দ্বিবচন	দীব্যেতাম্	দীব্যেতম্	দীব্যেৱ
বহুবচন	দীব্যেয়ুঃ	দীব্যেত	দীব্যেম।

লৃট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	দেৰিষ্যতি	দেৰিষ্যসি	দেৰিষ্যামি
দ্বিবচন	দেৰিষ্যতঃ	দেৰিষ্যথঃ	দেৰিষ্যাৱঃ
বহুবচন	দেৰিষ্যন্তি	দেৰিষ্যথ	দেৰিষ্যামঃ।

নৃৎ (নাচা, to dance), সিব (চিলাই কৰা, to sew) আদি দিবাদিগণীয় পৰস্মৈপদী ধাতু। বিদ্ (থকা, to exist) দিবাদিগনীয় ধাতুৰ অন্তর্ভুক্ত এটা আত্মনেপদী ধাতু। ইয়াৰ ৰূপবোৰ তলত দিয়া হ'ল—

লট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	বিদ্যতে	বিদ্যসে	বিদ্যে
দ্বিবচন	বিদ্যেতে	বিদ্যেথে	বিদ্যাৱহে
বহুবচন	বিদ্যন্তে	বিদ্যধ্বে	বিদ্যামহে।

লোট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	বিদ্যতাম্	বিদ্যস্ব	বিদ্যৈ
দ্বিবচন	বিদ্যেতাম্	বিদ্যেথাম্	বিদ্যাৱহৈ
বহুবচন	বিদ্যন্তাম্	বিদ্যধ্বম্	বিদ্যামহৈ।

লঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	অৱিদ্যত	অৱিদ্যথাঃ	অৱিদ্যে
দ্বিবচন	অৱিদ্যেতাম্	অৱিদ্যেথাম্	অৱিদ্যাৱহি
বহুবচন	অৱিদ্যন্ত	অৱিদ্যধ্বম্	অৱিদ্যামহি।

বিধিলিঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	বিদ্যেত	বিদ্যেথাঃ	বিদ্যেয়
দ্বিবচন	বিদ্যেয়াতাম্	বিদ্যেয়াথাম্	বিদ্যেৱহি
বহুবচন	বিদ্যেৰন্	বিদ্যেধ্বম্	বিদ্যেমহি।

লৃট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	বেৎস্যতে	বেৎস্যসে	বেৎস্যে
দ্বিবচন	বেৎস্যেতে	বেৎস্যেথে	বেৎস্যাৱহে
বহুবচন	বেৎস্যন্তে	বেৎস্যধ্বে	বেৎস্যামহে।

জন্ (উৎপন্ন হোৱা, to be born), যুজ্ (যোগ্য হোৱা, to be proper) ইত্যাদি দিবাদিগণীয় আত্মনেপদী ধাতু।



জানি থোৱা ভাল

জন্ ধাতুৰ ৰূপটো জায়তে, জায়েতে, জায়ন্তে —এইদৰে হয়।

২.৪.৫ তুদাদিগণীয় ধাতুৰ ৰূপ

তুদ্ ধাতু উভয়পদী, অর্থাৎ ইয়াৰ পৰস্মৈপদ আৰু আত্মনেপদ দুয়োটা ৰূপেই পোৱা যায়। এই ধাতুৰ অর্থ হ'ল— দুখ দিয়া (to cause pain, to oppress)। এই ধাতুৰ ৰূপবোৰ তলত দিয়া হ'ল—

পৰস্মৈপদ

লট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	তুদতি	তুদসি	তুদামি
দ্বিবচন	তুদতঃ	তুদথঃ	তুদাৱঃ
বহুবচন	তুদন্তি	তুদথ	তুদামঃ

লোট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	তুদতু	তুদ	তুদানি
দ্বিবচন	তুদতাম্	তুদতম্	তুদাৱ
বহুবচন	তুদন্তু	তুদত	তুদাম

লঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	অতুদৎ	অতুদঃ	অতুদম্
দ্বিবচন	অতুদতাম্	অতুদতম্	অতুদাৱ
বহুবচন	অতুদন্	অতুদত	অতুদাম

বিধিলিঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	তুদেৎ	তুদেঃ	তুদেয়ম্
দ্বিবচন	তুদেতাম্	তুদেতম্	তুদেৱ
বহুবচন	তুদেয়ুঃ	তুদেত	তুদেম

লৃট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	তোৎস্যতি	তোৎস্যসি	তোৎস্যামি
দ্বিবচন	তোৎস্যতঃ	তোৎস্যথঃ	তোৎস্যাৱঃ
বহুবচন	তোৎস্যন্তি	তোৎস্যথ	তোৎস্যামঃ।

স্পৃশ্ (স্পর্শ কৰা, to touch), ইষ্ (ইচ্ছা কৰা, to wish), প্রচ্ছ্ (প্রশ্ন কৰা, to ask) আদি তুদাদিগণীয় পৰস্মৈপদী ধাতু।

আত্মনেপদ

লট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	তুদতে	তুদসে	তুদে
দ্বিবচন	তুদেতে	তুদেথে	তুদাৱহে
বহুবচন	তুদন্তে	তুদধ্বে	তুদামহে।

লোট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	তুদতাম্	তুদস্ব	তুদৈ
দ্বিবচন	তুদেতাম্	তুদেথাম্	তুদাৱহৈ
বহুবচন	তুদন্তাম্	তুদধ্বম্	তুদামহৈ

লঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	অতুদত	অতুদথাঃ	অতুদে
দ্বিবচন	অতুদেতাম্	অতুদেথাম্	অতুদাৱহি
বহুবচন	অতুদন্ত	অতুদধ্বম্	অতুদামহি

বিধিলিঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	তুদেত	তুদেথাঃ	তুদেয়
দ্বিবচন	তুদেয়াতাম্	তুদেয়াথাম্	তুদেৱহি
বহুবচন	তুদেৰন্	তুদেধ্বম্	তুদেমহি

লৃট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	তোৎস্যতে	তোৎস্যসে	তোৎস্যে
দ্বিবচন	তোৎস্যেতে	তোৎস্যেথে	তোৎস্যাৱহে
বহুবচন	তোৎস্যন্তে	তোৎস্যধ্বে	তোৎস্যামহে।

ধৃ (থকা, to remain) মৃ (মৰা, to die) আদি তুদাদিগণীয় আত্মনেপদী ধাতু।



জানি থোৱা ভাল

১) গম্ ধাতুৰ ক্ষেত্ৰত গচ্ছ— আদেশ হৈ গচ্ছতি, গচ্ছতঃ আদি ৰূপ হয়।

২) শাস্ ধাতুৰ ক্ষেত্ৰত শাস্তি, শিষ্ট, শাসতি— আদি ৰূপ হয়।

৩) হন্ ধাতুৰ ক্ষেত্ৰত হন্তি, হতঃ, ঘ্নন্তি— এনেদৰে ৰূপ হয়।

৪) শী ধাতুৰ ক্ষেত্ৰত শেতে, শয়াতে, শেৱতে— এনেদৰে ৰূপ হয়।

৫) মৃ ধাতুৰ লৃট্ লকাৰৰ ৰূপটো পৰস্মৈপদী হয়।

৭.৫ বহুপ্ৰচলিত কিছুসংখ্যক ধাতুৰ ৰূপ

শ্রু ধাতু (পৰস্মৈপদী— শুনা, to hear)

লট্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	শৃণোতি	শৃণোষি	শৃণোমি
দ্বিবচন	শৃণুতঃ	শৃণুথঃ	শৃণুৱঃ, শৃণ্বঃ
বহুবচন	শৃণ্বন্তি	শৃণুথ	শৃণুমঃ, শৃণ্মঃ

লোট্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	শৃণোতু	শৃণু	শৃণৱানি
দ্বিবচন	শৃণুতাম্	শৃণুতম্	শৃণৱাৱ
বহুবচন	শৃণ্বন্তু	শৃণুত	শৃণৱাম

লঙ্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	অশৃণোৎ	অশৃণোঃ	অশৃণৱম্
দ্বিবচন	অশৃণুতাম্	অশৃণুতম্	অশৃণৱ, অশৃণ্ব
বহুবচন	অশৃণ্বন্	অশৃণুত	অশৃণুম, অশৃণ্ম

বিধিলিঙ্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	শৃণুয়াৎ	শৃণুয়াঃ	শৃণুয়াম্
দ্বিবচন	শৃণুয়াতাম্	শৃণুয়াতম্	শৃণুয়াৱ
বহুবচন	শৃণুয়ুঃ	শৃণুয়াত	শৃণুয়াম

লৃট্

	প্রথম পুরুষ	মধ্যম পুরুষ	উত্তম পুরুষ
একবচন	শ্রোষ্যতি	শ্রোষ্যসি	শ্রোষ্যামি
দ্বিবচন	শ্রোষ্যতঃ	শ্রোষ্যথঃ	শ্রোষ্যাৱঃ
বহুবচন	শ্রোষ্যন্তি	শ্রোষ্যথ	শ্রোষ্যামঃ

বৃৎ ধাতু (আত্মনেপদী থকা, to exist)

লট্

	প্রথম পুরুষ	মধ্যম পুরুষ	উত্তম পুরুষ
একবচন	বর্ত্ততে	বর্ত্তসে	বর্ত্তে
দ্বিবচন	বর্ত্তেতে	বর্ত্তেথে	বর্ত্তাৱহে
বহুবচন	বর্ত্তন্তে	বর্ত্তধ্বে	বর্ত্তামহে

লোট্

	প্রথম পুরুষ	মধ্যম পুরুষ	উত্তম পুরুষ
একবচন	বর্ত্ততাম্	বর্ত্তস্ব	বর্ৈত্ত
দ্বিবচন	বর্ত্তেতাম্	বর্ত্তেথাম্	বর্ত্তাৱহৈ
বহুবচন	বর্ত্তন্তাম্	বর্ত্তধ্বম্	বর্ত্তামহৈ

লঙ্

	প্রথম পুরুষ	মধ্যম পুরুষ	উত্তম পুরুষ
একবচন	অবর্ত্তত	অবর্ত্তথাঃ	অবর্ত্তে
দ্বিবচন	অবর্ত্তেতাম্	অবর্ত্তেথাম্	অবর্ত্তাৱহি
বহুবচন	অবর্ত্তন্ত	অবর্ত্তধ্বম্	অবর্ত্তামহি

বিধিলিঙ্

	প্রথম পুরুষ	মধ্যম পুরুষ	উত্তম পুরুষ
একবচন	বর্ত্তেত	বর্ত্তেথাঃ	বর্ত্তেয়
দ্বিবচন	বর্ত্তেয়াতাম্	বর্ত্তেয়াথাম্	বর্ত্তেৱহি
বহুবচন	বর্ত্তেৱন্	বর্ত্তেধ্বম্	বর্ত্তেমহি

লৃট্

	প্রথম পুরুষ	মধ্যম পুরুষ	উত্তম পুরুষ
একবচন	বর্ত্তিষ্যতে	বর্ত্তিষ্যসে	বর্ত্তিষ্যে
দ্বিবচন	বর্ত্তিষ্যেতে	বর্ত্তিষ্যেথে	বর্ত্তিষ্যাৱহে
বহুবচন	বর্ত্তিষ্যন্তে	বর্ত্তিষ্যধ্বে	বর্ত্তিষ্যামহে



জানি থোৱা ভাল

বৃৎ ধাতুৰ লৃট্ লকাৰত পৰস্মৈপদী ৰূপটোও পোৱা যায়। যেনে বৰ্ৎস্যতি, বৰ্ৎস্যতঃ, বৰ্ৎস্যন্তি ইত্যাদি।

কৃ ধাতু (উভয়পদী— কৰা, to do)

পৰস্মৈপদ

লট্

	প্রথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	কৰোতি	কৰোষি	কৰোমি
দ্বিবচন	কুৰুতঃ	কুৰুথঃ	কুৰ্ব্বঃ
বহুবচন	কুৰ্ব্বন্তি	কুৰুথ	কুৰ্ম্মঃ

লোট্

	প্রথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	কৰোতু	কুৰু	কৰৱাণি
দ্বিবচন	কুৰুতাম্	কুৰুতম্	কৰৱাৱ
বহুবচন	কুৰ্ব্বন্তু	কুৰুত	কৰৱাম

লঙ্

	প্রথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	অকৰোৎ	অকৰোঃ	অকৰৱম্
দ্বিবচন	অকুৰুতাম্	অকুৰুতম্	অকুৰ্ব্ব
বহুবচন	অকুৰ্ব্বন	অকুৰুত	অকুৰ্ম্ম

বিধিলিঙ্

	প্রথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	কুৰ্য্যাৎ	কুৰ্য্যাঃ	কুৰ্য্যাম্
দ্বিবচন	কুৰ্য্যাতাম্	কুৰ্য্যাতম্	কুৰ্য্যাৱ
বহুবচন	কুৰ্য্যুঃ	কুৰ্য্যাত	কুৰ্য্যাম

লৃট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	কৰিষ্যতি	কৰিষ্যসি	কৰিষ্যামি
দ্বিবচন	কৰিষ্যতঃ	কৰিষ্যথঃ	কৰিষ্যাৱঃ
বহুবচন	কৰিষ্যন্তি	কৰিষ্যথ	কৰিষ্যামঃ

(আত্মনেপদ) কৃ ধাতু

লট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	কুৰুতে	কুৰুষে	কুৰ্ব্বে
দ্বিবচন	কুৰ্ব্বাতে	কুৰ্ব্বাথে	কুৰ্ব্বহে
বহুবচন	কুৰ্ব্বতে	কুৰুধ্বে	কুৰ্ম্মহে

লোট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	কুৰুতাম্	কুৰুষ্ব	কৰৱৈ
দ্বিবচন	কুৰ্ব্বাতাম্	কুৰ্ব্বাথাম্	কৰৱাৱহৈ
বহুবচন	কুৰ্ব্বতাম্	কুৰুধ্বম্	কৰৱামহৈ

লঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	অকুৰুত	অকুৰুথাঃ	অকুর্ব্বি
দ্বিবচন	অকুর্ব্বাতাম্	অকুর্ব্বাথাম্	অকুর্ব্বহি
বহুবচন	অকুর্ব্বত	অকুৰুধ্বম্	অকুর্ম্মহি

বিধিলিঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	কুর্ব্বীত	কুর্ব্বীথাঃ	কুর্ব্বীয়
দ্বিবচন	কুর্ব্বীয়াতাম্	কুর্ব্বীয়াথাম্	কুর্ব্বীৱহি
বহুবচন	কুর্ব্বীৰন্	কুর্ব্বীধ্বম্	কুর্ব্বীমহি

লৃট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	কৰিষ্যতে	কৰিষ্যসে	কৰিষ্যে
দ্বিবচন	কৰিষ্যেতে	কৰিষ্যেথে	কৰিষ্যাৱহে
বহুবচন	কৰিষ্যন্তে	কৰিষ্যধ্বে	কৰিষ্যামহে

অস্ ধাতু (পৰস্মৈপদী— থকা, to be, to exist)

পৰস্মৈপদ

লট্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	অস্তি	অসি	অস্মি
দ্বিবচন	স্তঃ	স্থঃ	স্বঃ
বহুবচন	সন্তি	স্থ	স্মঃ

লোট্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	অস্তু	এধি	অসানি
দ্বিবচন	স্তাম্	স্তম্	অসাৱ
বহুবচন	সন্তু	স্ত	অসাম

লঙ্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	আসীৎ	আসীঃ	আসম্
দ্বিবচন	আস্তাম্	আস্তম্	আস্ব
বহুবচন	আসন্	আস্ত	আস্ম

বিধিলিঙ্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	স্যাৎ	স্যাঃ	স্যাম্
দ্বিবচন	স্যাতাম্	স্যাতম্	স্যাৱ
বহুবচন	স্যুঃ	স্যাত	স্যাম

লৃট্

অস্ ধাতুৰ ৰূপ লৃট্ লকাৰত ভূ ধাতুৰ লৃটৰ ৰূপৰ নিচিনা হয়।

হন্ ধাতু (পৰস্মৈপদী— হত্যা কৰা, to kill)

লট্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	হন্তি	হংসি	হন্মি
দ্বিবচন	হতঃ	হথঃ	হন্বঃ
বহুবচন	ঘ্নন্তি	হথ	হন্মঃ

লোট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	হন্তু	জহি	হনানি
দ্বিবচন	হতাম্	হতম্	হনাৱ
বহুবচন	ঘ্নন্তু	হত	হনাম

লঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	অহন্	অহন্	অহনম্
দ্বিবচন	অহতাম্	অহতম্	অহ্ব
বহুবচন	অঘ্নন্	অহত	অহ্ম

বিধিলিঙ্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	হন্যাৎ	হন্যাঃ	হন্যাম্
দ্বিবচন	হন্যাতাম্	হন্যাতম্	হন্যাৱ
বহুবচন	হন্যুঃ	হন্যাত	হন্যাম

লৃট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	হনিষ্যতি	হনিষ্যসি	হনিষ্যামি
দ্বিবচন	হনিষ্যতঃ	হনিষ্যথঃ	হনিষ্যাৱঃ
বহুবচন	হনিষ্যন্তি	হনিষ্যথ	হনিষ্যামঃ

বস্ ধাতু (পৰস্মৈপদী— বাস কৰা, to live)

লট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	বসতি	বসসি	বসামি
দ্বিবচন	বসতঃ	বসথঃ	বসাৱঃ
বহুবচন	বসন্তি	বসথ	বসামঃ

লোট্

	প্রথম পুৰুষ	মধ্যম পুৰুষ	উত্তম পুৰুষ
একবচন	বসতু	বস	বসানি
দ্বিবচন	বসতাম্	বসতম্	বসাৱ
বহুবচন	বসন্তু	বসত	বসাম

লঙ্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	অৱসৎ	অৱস	অৱসম্
দ্বিবচন	অৱসতাম্	অৱসতম্	অৱসাৱ
বহুবচন	অৱসন্	অৱসত	অৱসাম

বিধিলিঙ্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	বসেৎ	বসেঃ	বসেয়ম্
দ্বিবচন	বসেতাম্	বসেতম্	বসেৱ
বহুবচন	বসেয়ুঃ	বসেত	বসেম

লৃট্

	প্ৰথম পুৰুষ	**মধ্যম পুৰুষ**	**উত্তম পুৰুষ**
একবচন	বৎস্যতি	বৎস্যসি	বৎস্যামি
দ্বিবচন	বৎস্যতঃ	বৎস্যথঃ	বৎস্যাৱঃ
বহুবচন	বৎস্যন্তি	বৎস্যথ	বৎস্যামঃ



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি—

- সংস্কৃতভাষাত ব্যৱহাৰ হোৱা ধাতুসমূহৰ বিষয়ে অৱগত হ'ল।
- ধাতুৰ লক্ষণ, ভাষাত ইয়াৰ প্ৰয়োজনীয়তা, ইয়াৰ বিভক্তি সমূহৰ বিষযেও জানিব পাৰিলে।
- তদুপৰি ধাতুৰ প্ৰকাৰভেদ, ধাতুৰ ৰূপৰ লগত পুৰুষৰ সম্বন্ধ, ক্ৰিয়াৰ কাল আৰু ল-কাৰৰ বিষয়ে জনা গ'ল।
- ইয়াৰ পিছত অষ্টাদশ ধাতুবিভক্তি, গণ সমূহৰ নাম আৰু বিভিন্ন গণৰ অন্তর্ভুক্ত পৰস্মৈপদী আৰু আত্মনেপদী ধাতুৰ ৰূপবোৰৰ বিষয়ে জানিব পাৰিলে।



৭.৭ অধিক জানিবলৈ

১) চক্রৱর্তী, মহেশ্বৰ (১৯৭৪); *সংস্কৃত ব্যাকৰণ প্রৱেশিকা*, গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন নিগম লিমিটেড্।

২) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র; *সমগ্র ব্যাকৰণ— কৌমুদী*, কলিকতা ঃ দেৰ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড্।

৩) ভট্টাচার্য্য, হৰিচন্দ্র (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্রভা*, গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৪) শর্মা, গিৰিধৰ (১৯৮৮); *Sanskrit Grammar composition & Translation*, গুৱাহাটী ঃ ৰাধা প্রকাশন।

৫) শাস্ত্রী, খগেন্দ্র নাথ (১৯৮৫); *সংস্কৃত প্রৱেশ ব্যাকৰণ*, গুৱাহাটী ঃ গ্রন্থপীঠ।



৭.৮ আৰ্হি প্রশ্ন

(ক) ৰস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা ধাতুৰ বিষয়ে এটি টোকা লিখক।

(খ) চুটিপ্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ল-কাৰ বুলিলে কি বুজায়? পৰস্মৈপদত ব্যৱহাৰ হোৱা পাঁচটা ল-কাৰৰ ধাতুবিভক্তিবোৰ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ভূ, সেৱ্, হন্, অস্, দিৱ্, শী, অদ্, শ্রু, কৃ ধাতুৰ ৰূপবোৰ লিখক।

*** ***** ***